


উৰুলি
দ্বাবিংশতিতম সংখ্যা, শৰৎ বিশেষ ২০২৬
URULI
ಉರುಲಿ
A Biannual Multilingual Magazine
Published by Assam Association Bangalore


PRATIKHYA
9/26


দুর্বল মানুহে যদি
জীৱনৰ কোবাল নদী
পাৰ হয় তোমাৰে সাহত
তুমি হেৰুৱাবানো কি?
মানুহ যদিহে নহয় মানুহ
দানৰ কাহানিও নহয় মানুহ...
শ্রদ্ধার্ঘ্য
ভাৰত ৰত্ন
ড° ভূপেন হাজৰিকা
১৯২৬ - ∝
মই লুইতৰ পৰা মিছিছিপি হৈ
ভল্গাৰ ৰূপ চালোঁ,
অ'টোৱাৰ পৰা অষ্ট্ৰিয়া হৈ
পেৰিছ সাৱটি ল'লো।
মই ইলোৰাৰ পৰা পুৰণি ৰহণ
চিকাগোলে কঢ়িয়ালোঁ,
গালিবৰ শ্বেৰ দুশ্বম্বেৰ
মিনাৰত শুনা পালো।












শ্রদ্ধার্ঘ্য
ঈশ্বৰপুত্ৰ জুবিন গার্গ
১৯৭২ - ∝
হয়তো মই এক বৃক্ষ
ডালে পাতে বসন্ত
শিপাই শিপাই অভ্রভেদী বীৰৰ
শাণিত কৃপাণ।
কিন্তু, উধৰ পৰা মূধলৈকে
নগ্ন - নিমগ্ন, অশুদ্ধতাত।
আকাশযুৰি এযুৰি চকু
নিগৰি নিগৰি অশ্রু
সদায়েই মোৰ
অগ্নিস্নান।
প্রতি শৰতৰ
প্রভাতী ফুলে
ক'ব তোমাকেই
মোৰ কথা
প্রতি মেঘালী
নিশা জোনে
ক'ব তোমাকেই
মোৰ বেথা
ধুমুহাৰ স'তে মোৰ
বহু যুগৰে নাচোন
এঙ্কাৰো সঁচা মোৰ
বহু দিনৰে আপোন...

LumiEdu

GROW · SUSTAIN · IMPACT

Dream
Learn
Grow
Go Global

INDIA & GLOBAL EDUCATION

Turning academic aspirations into purposeful career pathways through personalised guidance across **Bengaluru, Pune and Chennai.**

Student First. Always.



Global Opportunities. Real Futures.



ENGINEERING & TECHNOLOGY

Future-ready programmes in Engineering, Computer Science, AI & ML, Data Science, Aerospace, Biotechnology and more.



MEDICINE & ALLIED HEALTH SCIENCES

MBBS, BDS, Nursing, Pharmacy, Physiotherapy, Paramedical Sciences, Public Health and specialised healthcare pathways.



GLOBAL MEDICAL CAREERS

Guidance for MRCP, MRCS, GMC registration and international medical career pathways.



PILOT TRAINING & AVIATION

CPL, ATPL and Airline Cadet pathways for aspiring aviation professionals.

BEYOND ADMISSIONS

- SOP & LOR Drafting
- Application Support
- Visa & Immigration Guidance
- Education Finance Assistance
- Pre-departure Orientation
- Post-arrival Support

- INTERNATIONAL OPPORTUNITIES
- PERSONALISED MENTORING
- PURPOSEFUL CAREERS

More than admissions. We help you choose a direction.

LumiEdu Private Limited

CIN: U85500KA2025PTC204980

#230, Raheja Arcade, Koramangala, Bengaluru – 560095, Bharat.

+91 80 2552 2789 | +91 9980511340 | +91 9686572233

lumiedu@lumiedu.co www.lumiedu.co

Explore India & Global Opportunities

সম্পাদকীয়



ঋতু আহে ঋতু যায়, সময়েও বাগৰ সলায়। কিন্তু শৰৎ কালটোয়ে যেন বহু কথা কৈ যায়... শৰৎ মানে চৌপাশে কেৱল স্নিগ্ধতাৰ আৱেশ। আকাশে-বতাহে কেৱল যেন উচ্ছ্বাসেৰে উদ্বেলিত অনেক টো। এখন নির্মল আকাশ, চৌদিশে শুভ্ৰ শেৱালীৰ সুবাস, ৰাতিপুৱা নিয়ৰত তিতা দূবৰি বন, নৈ পাৰত কঁহুৱাৰ মূৰ দুলনি... আকাশত শুকুলা মেঘৰ নাচোন, চোকা ৰ'দে ধুৱা সেউজীয়া পথাৰ। সকলোয়ে যেন শৰতকে হাত বাউল দি মাতিছে। আমাৰ এই প্ৰফুল্লিত মনবোৰ, স্নিগ্ধ অনুভূতিবোৰ, প্ৰান্তে প্ৰান্তে প্ৰকৃতিয়ে আঁকা জীৱন্ত ছবিবোৰ, যুগে যুগে শিল্প আৰু সাহিত্য সৃষ্টিৰ বাবে শিল্পী আৰু কবিসকলক অনুপ্ৰাণিত কৰাৰ যেন এটাই মাথোঁ নাম... শৰৎ।

জলবায়ু পৰিৱৰ্তনৰ ফলত ঋতুচক্ৰৰ এই সাল সলনিত প্ৰকৃতিৰ মাজতো বহু পৰিৱৰ্তন দেখা যায়। ইয়াৰ প্ৰভাৱ কৃষি জীৱন-জীৱিকা সকলোৰে ওপৰত পৰে। প্ৰকৃতিৰ এই ৰূপত মোহিত হৈ দেৱী মা ধৰালৈ নামি আহে। উৎসৱ মুখৰ হৈ পৰে চৌদিশ। এয়া যেন উদ্‌যাপনৰ সময়, সকলো একত্ৰিত হৈ উলহ-মালহেৰে দুৰ্গা পূজা পতাটো আমাৰ সাংস্কৃতিক পৰম্পৰা। এই পৰম্পৰাৰ লগতে আমাৰ মনৰ ভিন্ন কোণ জড়িত হৈ থাকে, সংস্কৃতিৰ শিপা সজীৱ কৰি ৰাখিবলৈ, সম্প্ৰীতিৰ বান্ধোন আৰু অধিক শক্তিশালী কৰিবলৈ আমি বিভিন্ন পথ বাচি লওঁ। আনবেলিৰ দৰে এইবেলিও শৰতৰ এই শুভ ক্ষণবোৰক 'উৰুলি'ৰ বুকুত সজীৱ কৰি ৰাখিবলৈ, এটি এটি পৃষ্ঠাক পুনৰবাৰ সজাবলৈ আমি আগবাঢ়িছো। ভিন্নজনৰ মনৰ অনুভূতি আৰু শৰতৰ সৈতে থকা নিবিড় সম্পৰ্কক ভিন্ন দিশেৰে তুলি ধৰিবলৈ চেষ্টা কৰিছো। আশা কৰো এই অনুভূতিৰ লহৰে প্ৰতিজন পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ অলপ হ'লেও সক্ষম হ'ব।

শৰত বিধৌত চৌপাশ আৰু আধ্যাত্মিকতাৰ এই মনোমহা অনুভূতিৰ ক্ষণবোৰৰ মাজতে শৰতৰে বিভিন্ন সময়ত আমি আমাৰ মৰমৰ কেইবাগৰাকীও শিল্পীক হেৰুৱাইছো। আমাৰ মাজৰ পৰা আঁতৰি যোৱা দুগৰাকীকৈ শিল্পীক আমাৰ আলোচনী 'উৰুলি'ৰ জৰিয়তে শ্ৰদ্ধাৰে স্মৰণ কৰিব খুজিছো। সেই উপলক্ষ আগত ৰাখিয়েই শ্ৰদ্ধাৰ শিল্পী সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ জন্মশত বৰ্ষ আৰু আমাৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰথমটো মৃত্যুবৰ্ষ সোঁৱৰণৰ বাবে 'উৰুলি'ৰ পৃষ্ঠাত সেই দুই মহান শিল্পীৰ নামত দুটি বিশেষ শিতান সন্নিবিষ্ট কৰা হৈছে।

কেইবাগৰাকীও লেখকৰ বাছকৰনীয়া সৃষ্টিৰাজিৰে 'উৰুলি'ৰ শৰৎ সংখ্যাটো সজাবলৈ যত্ন কৰিছো। আশা কৰো পাঠকবৃন্দই আদৰি ল'ব... নিজস্ব ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো মূল্যবান অৱদানেৰে 'উৰুলি'ৰ সৌষ্ঠব বৃদ্ধি কৰাৰ বাবে আমি আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে মুদ্ৰক, প্ৰচাৰক, বেটুপাত শিল্পী আৰু বিভিন্ন ব্যৱস্থাপনাৰে সহায় কৰা সদৌটিলৈ আমাৰ বিশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীখন সহৃদয়তাৰে আকোঁৱালি ল'ব বুলি আমি আশাবাদী আৰু সম্পাদনাৰ ক্ষেত্ৰত হোৱা বিশেষ ভুল-ত্ৰুটিৰ বাবে আমি উৰুলি পৰিয়াল ক্ষমাপাৰ্থী।

শৰতে আশা

আনক...

হেঁপাহবোৰে ঘৰ সাজক,

ন-জোনে পোহৰ বিলাওক,

মনৰ চৌপাশে শান্তি আৰু স্বাচ্ছন্দই বিৰাজ কৰক।

হিমাশ্ৰী শৰ্মা

সম্পাদকলৈ চিঠি

Uruli — Where Every Page Feels Like Home

A Reader's Love Letter

Somewhere between the pages of Uruli, I always find my way back to Assam—not merely to a place, but to a feeling, a memory, and a part of myself that distance can never diminish. The 21st Puja Special Edition beautifully wove together emotions, literature, culture, and heritage, with heartfelt tributes to Zubeen Garg, reflections on Bhupen Da, insightful cultural narratives, evocative poetry, and captivating short stories that made every page a delightful journey. The thoughtfully curated English section and the remarkable contributions of both seasoned and emerging writers added depth and diversity to this literary celebration. My heartfelt appreciation goes to the entire editorial team for creating something far beyond a Puja magazine—a cherished bridge connecting countless hearts to their roots. For those of us living miles away, Uruli is the fragrance of home, the warmth of belonging, and a little piece of our beloved Brahmaputra flowing quietly through every page.

Partha Jyoti Saikia
BTM layout, Bangalore

অসম এছ'চিয়েছন বাংগালোৰৰ দ্বাৰা যোৱা বছৰ প্ৰকাশিত শ্ৰদ্ধাৰ শিল্পী জুবিন গাৰ্গৰ জন্মবৰ্ষ বিশেষ আলোচনী 'জুবিন' পঢ়ি আপ্লুত হ'লো। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি থকা আন্তৰিক অনুভূতি দেখি অভিভূত হৈছো। শিল্পীগৰাকীৰ জীৱন, সংগীত, সাংস্কৃতিক আৰু সামাজিক অৱদানক সামৰি এখন তথ্যসমৃদ্ধ প্ৰকাশন। অনুৰাগীসকলৰ শিল্পীগৰাকীৰ প্ৰতি থকা মৰম আৰু আকুলতা আলোচনীখনত সন্দৰ্ভকৈ প্ৰস্ফুটিত হৈছে। সামগ্ৰিকভাৱে এখন সৰ্বাংগসুন্দৰ আলোচনী পঢ়িলো বুলি ক'ব পাৰি। এই চেগতে মই 'জুবিন' আলোচনীৰ সম্পাদক লুইতজ্যোতিৰ সম্পাদনাক শলাগিছো আৰু আন্তৰিক অভিনন্দন জনাইছো।

বহ্নিমান ভূঞা, গুৱাহাটী

অসম এছ'চিয়েছন বাংগালোৰৰ দ্বাৰা প্ৰকাশিত আলোচনী 'উৰুলি'ৰ কেইবাটাও সংখ্যা পঢ়িছো। যোৱাবাৰৰ শৰৎ সংখ্যাটোও খুব সুন্দৰকৈ সজাইছিল। ভিন্নস্বাদৰ প্ৰবন্ধ, গল্প, কবিতা, চিনেমা বিষয়ক সকলো লিখনিয়ে অতি উন্নত মানৰ হৈছে। কেইবাটাও প্ৰবন্ধ আৰু গল্প পঢ়ি মুক হৈছো। ত্ৰিভাষিক আলোচনী হিচাপে 'উৰুলি'ৰ মানদণ্ড অতি উন্নত। সকলো দিশৰ পৰাই অতিকৈ মনোগ্ৰাহী এখন আলোচনী 'উৰুলি'।

নিৰ্মালি শৰ্মা, নলবাৰী



মুখ্য উপদেষ্টা
ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

মুখ্য সম্পাদক
সুশান্ত জ্যোতি শৰ্মা

সম্পাদক
হিমাশ্ৰী শৰ্মা

সহকাৰী সম্পাদক
ৰঞ্জু শৰ্মা, সংগীতা গগৈ

বিজ্ঞাপন-প্ৰচাৰ-বিতৰণ
প্ৰণৱ জ্যোতি কলিতা

বেটুপাত ব্যৱস্থাপনা
অৰূপ বৰকটকী

ডি টি পি-অলংকৰণ
মানৱ শৰ্মা (বুবুল)

উপদেষ্টা
ডাঃ মণিদীপা দাস

মুখ্য পৃষ্ঠপোষক
জিনিয়া ফুকন
(সভাপতি, অসম এছ'চিয়েচন, বাংগালোৰ)

অসম এছ'চিয়েচন, বাংগালোৰৰ হৈ ৰঞ্জন গোস্বামীৰদ্বাৰা প্ৰকাশিত আৰু প্ৰচাৰিত।

সূচীপত্র

প্রবন্ধ শিতান

- নৱদুর্গা-নৱৰাত্রি
  - **প্রজ্বলিতা শর্মা** /৭
- লাচিততকৈ অধিক প্রয়োজন মোমাই তামুলীৰ
  - **ড° বিমল মজুমদাৰ** /১০
- 'টো', 'তো', 'টা', 'টি' আদিৰ কথা
  - **শোণিত হাজৰিকা** /১৩
- এই সময় আৰু সেই সময়
  - **মাধুৰীমা ঘৰফলীয়া** /১৬
- আত্ম সজাগতা ছাত্র জীৱনৰ অন্যতম চালিকা শক্তি
  - **অর্চনা বৰঠাকুৰ** /১৯
- অসমীয়া মাধ্যমৰ ভৰিষ্যৎ
  - **ৰাতুল কিশোৰ ডেকা** /২১
- ন'বেল বিজয়ী ক্রিকেটাৰ, অলিম্পিয়ান
  - **দীপাংকৰ কৌশিক** /২৩
- নীৰৱতাৰ মনস্তত্ত্ব
  - **শুভম গোস্বামী** /২৫
- দুর্গতিনাশিনী দুর্গা আদ্যাশক্তি মহামায়া
  - **প্রাপ্তি শর্মা** /২৮
- এখন সুস্থ সমাজ আৰু আজিৰ প্রজন্ম
  - **প্রতুল শর্মা** /৩১

অনুভৱৰ শিতান

- কঁহুৱা ঃ শৱতৰ বুকুত শৈশৱৰ নষ্টালজিয়া
  - **ড° গীতাঞ্জলি গোস্বামী** /৩৩
- দুর্গা পূজা, শেৱালি আৰু কিছু অনুভৱ
  - **ডেইজী পাঠক** /৩৫
- শাৱদীয়
  - **মনিষা গৌতম** /৩৭

গল্প পেৰা

- স্বপ্ন তৰংগ
  - **অংগনা ভট্টাচার্য** /৩৮
- মাটি আখৰা
  - **দীপামণি শইকীয়া** /৪৪
- তীর্থস্থান
  - **যশোৱন্ত নিপুণ** /৫২
- এন অকাৱেঞ্চ এট দি আউল ক্রীক ব্রীজ
  - **নয়নজ্যোতি শর্মা** /৫৯
- মিৱেমৰ বুকুত পলসুৱা প্রেম
  - **ৰঞ্জু শর্মা** /৬৭
- তোমাৰ নীলিম কথাৰ দৱে...
  - **সংগীতা গগৈ** /৮৬
- চুক্তি
  - **পৰিস্মিতা বৰদলৈ** /৯১

শ্রদ্ধাৰে ভূপেন হাজৰিকালৈ

- আমেৰিকাত ড° ভূপেন হাজৰিকা আৰু ড° দিলীপ কুমাৰ দত্ত
  - **ড° দেৱাঞ্জন বৰঠাকুৰ** /৯৫
- সুধাকণ্ঠৰ গীতত মানৱতাবাদ, জাতীয়তাবাদৰ জয়গান
  - **প্রাঞ্জল প্রতিম বৰা** /১০১
- ভূপেন হাজৰিকা
  - **জিতেন্দ্র কুমাৰ চৌধুৰী** /১০৩
- ড° ভূপেন হাজৰিকাৰ দৃষ্টিৰে অসমীয়া মানুহৰ পৰিচয়
  - **ড° নমিতা দেৰী** /১০৬
- Bhupen Da: A Voice Beyond Time, A Legacy Beyond Assam
  - **Jutikaa Mahanta** /১০৯

LIVWEALTHY

Creating Wealth · Enriching Lives

Mutual Fund Distributor
Narasimhalu S B | 98862 86663

THE POWER OF SIP + SWP

Build the corpus. Then live off it.

1 SIP Systematic Investment Plan

MONTHLY SIP	DURATION	EXPECTED RETURN
₹10,000	21 Years	12% p.a.

CORPUS CREATED

₹1,04,30,067

on a total investment of ₹25,20,000 • 4.14x growth

2 SWP Systematic Withdrawal Plan

MONTHLY WITHDRAWAL	DURATION	EXPECTED RETURN
₹80,000	40 Years	10% p.a.

CORPUS STILL REMAINING

₹2,82,52,843

after withdrawing ₹3,84,00,000 over 480 months

THE JOURNEY

Illustrative growth path



Invest with patience, withdraw with discipline.
SIP plants the tree; SWP lets you enjoy its fruit,
while the roots keep growing.

Email: livwealthyindia@gmail.com | Website: https://www.livwealthyindia.com/

Mutual fund investments are subject to market risks, read all scheme related documents carefully.

Illustrative projection based on assumed returns. Returns are not guaranteed.

LIVWEALTHY


Creating Wealth • Enriching Lives

Mutual Fund Distributor
Narasimhalu S B | 98862 86663

BUILD • GROW • WITHDRAW

SIP and SWP: A Disciplined Approach to Building and Using Wealth

From the earning years through to retirement.



Long-term financial success depends on two decisions: how you accumulate capital and how you draw on it. In mutual fund investing, the Systematic Investment Plan (SIP) addresses the first and the Systematic Withdrawal Plan (SWP) addresses the second. Used together, they give investors a structured path from the earning years through to retirement.

SIP
Building the corpus

Investment discipline
Automated contributions make saving a habit rather than a decision.

Rupee-cost averaging
More units are bought when markets are low and fewer when they are high, lowering the impact of volatility on your average cost.

Accessibility
Start with modest amounts and increase them as income rises.

Power of compounding
Early and sustained investing allows returns to generate further returns over time.

No need to time the market
Regular investing removes the pressure of picking the right entry point.

SWP
Drawing income wisely

Predictable cash flow
Works like a regular salary or pension from your own investments.

Continued growth
The unwithdrawn portion stays invested and continues to earn returns.

Flexibility
The amount, frequency or duration can be modified as needs change.

Tax efficiency
Each withdrawal comprises capital and gains, and only the gains are taxed. Tax rules change, so please verify current provisions.

Reduced timing risk
Staggered withdrawals avoid redeeming the entire investment at an unfavourable time.

The Combined Advantage

SIP and SWP are complementary stages of one financial plan. A SIP builds the corpus steadily during working years, and an SWP converts that corpus into a regular income stream in retirement or whenever funds are required. This rule-based approach reduces emotional decision-making, which is one of the most common causes of poor investment outcomes.

SIP Builds the corpus → **CORPUS** Savings keep growing → **SWP** Regular income stream

A Note of Caution. Mutual fund returns are market-linked and not guaranteed. An SWP that withdraws more than the portfolio earns will gradually erode capital, so the withdrawal rate should be set prudently. Fund selection should reflect your goals, risk appetite and time horizon. A qualified financial advisor can help tailor the plan to your situation.

MOBILE 98862 86663
EMAIL livwealthyindia@gmail.com
WEBSITE www.livwealthyindia.com

Mutual fund investments are subject to market risks, read all scheme related documents carefully.

উকিল

শ্রদ্ধাৰে জুবিন গাৰ্গলৈ

- জুবিন গার্গে পাহৰা ফাংচন, নষ্টালজিয়া আৰু আমি
  ■ **উদ্দীপ্ত কুমাৰ ভট্টাচার্য** /১১১
- যুগে যুগে মেকবেথ
  ■ **ডঃ প্রণৱ কুমাৰ শর্মা** /১১৬
- When Zubeen Garg Left Us : A Reflection from an Oxomiya's Heart
  ■ **Dr. Stutima Basistha** /১১৬
- জুবিন গার্গ আৰু মায়াবিনী
  ■ **সীমা ভট্টাচার্য**
- 7 Days with Zubeen
  ■ **Sushanta J. Sarmah** /১২২
- আমিবোৰ তেনেকুৱাই
  ■ **সমীৰণ শইকীয়া বৰগোহাঁই** /১২৪
- মানুহৰ হৃদয়ৰ সম্ৰাট ঃ জুবিন গার্গ
  ■ **ড° নন্দ সিং বৰকলা** /১২৫
- জুবিন গার্গৰ সৈতে মোৰ সাতদিনীয়া ঐশ্বৰিক যাত্রা
  ■ **লুইতজ্যোতি** /১২৮
- অসমীয়াৰ প্রাণৰ স্পন্দন জুবিন গার্গ
  ■ **আৰ জে সুজিতা** /১৩১

ৰস ৰচনা

- শিপাৰ টান
  ■ **নাজিয়া হাচান** /১৩৩
- ভোক
  ■ **ৰোহিনী ভূঞা** /১৩৬

কবিতা শিতান

- ৰৈ যোৱা কথাবোৰ
  ■ **ড° ভাস্কৰজ্যোতি ডেকা** /১৩৭
- খিৰিকীখন
  ■ **বনজিৎ বর্মন** /১৩৭
- হাবি পোৰা গোন্ধ
  ■ **প্রশান্ত ৰাভা** /১৩৮
- এন্ধাৰৰ বিলাস ভাৰনা
  ■ **মানসজ্যোতি** /১৩৮
- দুটা ভিন্ন কবিতা
  ■ **মণ্টু মৰাণ** /১৩৯
- আলাপ ঃ অকাল বোধন
  ■ **মনমী ভট্টাচার্য** /১৪০
- মোলানকলি
  ■ **ৰিতুপর্ণা শর্মা** /১৪১
- সহাৰস্থান
  ■ **অঞ্জুমণি ভৰালী** /১৪২
- অতীত ৰোমাঞ্চন
  ■ **বুলু ভাগৰতী** /১৪৩

English Section

- HOW THE TABLES HAVE TURNED : TRAVEL TALES OF A MOTHER-SON DUO
  ■ **Dr. Monideepa Das** /১৪৪
- Pobitora : Beyond The One Horned Rhinoceros
  ■ **Dr Farmida Aman** /১৪৯
- A Pretty Little Human Life
  ■ **Akankshya Bhattacharyaa** /১৫২
- Duty Is Beauty
  ■ **Minakshi Devi** /১৫৬
- 'আত্মসন্ধান' — Self-discovery
  ■ **Keshab Hazarika** /১৫৭
- Lost Winters and Tropical Nights
  ■ **Arjun Bhattacharjya** /১৫৯
- AI Agents Are Already Here to Help With Your Everyday Work
  ■ **Mrinal Singh Raja** /১৬৫
- Transient Nocturne
  ■ **Madhurjya Pathak** /১৬৮
- A Strange Save
  ■ **Vikrant Saikia** /১৬৯

AAB Kids...

- Abhijay's Journey to IIT Kharagpur
  ■ **Dr. Monideepa Das** /১৭২



নৱদুৰ্গা-নৱৰাত্ৰি

■ প্ৰজ্বলিতা শৰ্মা

'যা দেৱী সৰ্বভুতেষু শক্তিৰূপেন সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।'
'যা দেৱী সৰ্বভুতেষু মাতৃৰূপে সংস্থিতা।
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।।'

মহাকবি কালিদাসে মহাকাব্য 'ৰঘুবংশ'ত শৰত কালৰ এটি অতি মনোমোহা ৰূপ বৰ্ণনা কৰিছে। শৰৎ ঋতুৰ আগমনৰ লগে লগে আকাশৰ ৰং নীলা হৈ ফৰকাল হৈ পৰে। নীলা আকাশত পমোৱা তুলাৰ দৰে বগা ডাৱৰবোৰ উৰি ফুৰে। শৰতৰ ৰাতিৰ জোনৰ পোহৰত নদী-বিলৰ পানীবোৰ জিলিকি থাকে। পংকময় বাটবোৰ মাজে মাজে খালবোৰ জিলিকি থাকে। ৰাতিপুৱাৰ সূৰ্যৰ ৰশ্মি পদুম পাহিত পৰি থকা নিয়ৰৰ টোপালবোৰ জিকমিকাই উঠে। ভোমোৱাবোৰেও গুণগুণাই উৰি উৰি গৈ সেই পদুমৰ পাহিতে পৰেগৈ। শীতল বতাহ ছাটিত পদুমৰ পাতৰ পানী ছিটিকি ভোমাৰাৰ গাত পৰাৰ লগে লগে আঁতৰলৈ উৰি যোৱা। এইবোৰ অতি মনোমোহা দৃশ্য।


শৰতৰ এই মনোৰম সময়তেই শাৰদীয় দুৰ্গোৎসৱৰ পালন কৰা হয়। আচলতে বছৰত দুবাৰ দুৰ্গা পূজা হয়। এবাৰ চ'ত মাহত বাসন্তী পূজা কৰা হয়। তেতিয়াও



বাসন্তী নৱৰাত্রি কৰা হয় আৰু আহিম মাহত শাৰদীয় নৱৰাত্রি কৰা হয়। এই নৱৰাত্রি শুক্লা প্রতিপদ তিথিৰ দিনা প্রথম দিন আৰম্ভ কৰা হয় আৰু সেইদিনা ঘট স্থাপন কৰা হয়। প্রতিপদৰ পৰা নৱমীলৈ এই ৯দিনত দেৱী দুর্গাৰ ৯টা ভিন্ন ৰূপত অর্থাৎ নৱদুর্গাৰ পূজা কৰা হয়। শৰৎ কালত হোৱা দুর্গা পূজা অধিক জনপ্রিয়। দেৱী দুর্গাক নটা ৰূপত ন দিন পূজা কৰা হয় আৰু এই ন দিনকে 'নৱৰাত্রি' বুলি কোৱা হয়। সংস্কৃত শ্লোকত কোৱা হৈছে—

'প্রথমং শৈলপুত্রিতী দ্বিতীয়ং ব্রহ্মচাৰিণী।
তৃতীয় চন্দ্রঘটেতি কুষ্মাণ্ডেতি চতুর্থকম।।
পঞ্চমং স্কন্দমাতেতি ষষ্ঠং কাত্যায়না তথা।
সপ্তমং কালৰাত্রি মহাগৌৰী চাষ্টকম্।।
নৱমং সিদ্ধিদাত্রী চ নৱদুর্গা ঃ প্রকীর্তিতাঃ।
উক্তান্যেতানি নামনি ব্রহ্মনৈৰ মহাত্মনা।।'

শৈলপুত্রী, ব্রহ্মচাৰিণী, চন্দ্রঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্রি, মহাগৌৰী আৰু সিদ্ধিদাত্রী। দেৱী দুর্গা প্রথম দিনৰ ৰূপ হৈছে শৈলপুত্রী। হিমালয়ৰ কন্যাৰূপে জন্মগ্রহণ কৰা বাবে এওঁৰ নাম শৈলপুত্রী। এওঁ বৃষভৰ পিঠিত আৰোহিতা। আমি দেৱী ফটোখনত দেখিবলৈ পাওঁ যে সোঁহাতত জপমালা আৰু বাওঁহাতত কমণ্ডলু ধাৰণ কৰিছে। মা দুর্গাৰ তৃতীয় ৰূপ চন্দ্রঘণ্টা। দেৱীৰ শিৰত ঘণ্টাৰ আকাৰৰ অর্ধচন্দ্রই শোভা কৰাৰ বাবে এওঁ চন্দ্রঘণ্টা বুলি কোৱা হয়। এওঁ দেৱী দশভুজ। এওঁ সিংহ বাহনত আৰোহিতা। দেৱী দুর্গাৰ চতুর্থৰূপ কুষ্মাণ্ডা। অষ্টভুজা দেৱী পৃতিৱীত আবির্ভাব হৈয়েই তিমিৰাছন্ন পৃথিৱীক আলোকিত কৰিছিল। কুষ্মাণ্ড অর্থাৎ কোমোৰা। এওঁৰ পূজাৰ দিনা নৈবেদ্যৰ লগতে কোমোৰা বলি দিয়া হয়। স্কন্দমাতা হৈছে দেৱী দুর্গাৰ পঞ্চম ৰূপ। কুমাৰ কার্তিকৰ আন এটা নাম হৈছে স্কন্দ। গতিকে স্কন্দৰ মাতৃ স্কন্দমাতা। এওঁ চতুর্ভুজা। স্কন্দামাতা দেৱীৰ বাহন সিংহ। শুভ্রবর্ণা দেৱীগৰাকী পদ্মফুলত অধিষ্ঠিতা। দেৱী কাত্যায়নী মা দুর্গাৰ ষষ্ঠ ৰূপ। কাত্য গোত্রৰ মহর্ষি কাত্যায়নে বহু বছৰ ধৰি তপস্যা কৰিছিল। যাতে মা ভগৱতীয়ে তেওঁৰ কন্যাৰূপে কৰে। কিছু কালৰ পিছত দানৱ-অসুৰৰ উপদ্রৱত পৃতিৱী কম্পমান হোৱাত ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰে তেওঁলোকৰ শক্তিৰাশিৰে এগৰাকী দেৱীৰ সৃষ্টি কৰে। আৰু এইগৰাকী দেৱীকে ঋষি কাত্যায়নে প্রথমে আৰাধনা কৰাই তেওঁৰ নাম কাত্যায়নী হ'ল। তেওঁ সিংহবাহিনী দেৱীৰ সপ্তম ৰূপ হৈছে কালৰাত্রি। দেৱীৰ বৰণ ক'লা, আউল-বাউল চুলি, বিদ্যুতৰ দৰে ফুলৰ মালা, ত্রিনেত্র আৰু তেওঁৰ বাহন গাধ। এওঁ দেৱী চতুর্ভুজা। মা দেৱী দুর্গাৰ অষ্টমৰূপ হৈছে মহাগৌৰী। এওঁ গৌৰবর্ণা, বসন-ভূষণ শ্বেতবর্ণ, বৃষভ বাহন আৰু চতুর্ভুজা। মহাগৌৰীয়ে শিৱক পতিৰূপে পাবলৈ তেওঁ কঠোৰ তপস্যা কৰিছিল বাবে তেওঁ শৰীৰ ক'লা বৰণীয়া হৈ পৰিছিল। শিৱবাবাই গৌৰীৰ তপস্যাত সন্তুষ্ট হৈ পৰিত্র গংগাজলেৰে গা ধুৱাই দিছিল। আৰু দেৱী তেতিয়া গৌৰবর্ণৰ হৈ পৰিছিল। দেৱী দুর্গাৰ নৱমৰূপ সিদ্ধিদাত্রী। দেৱী পুৰাণত উল্লেখ আছে এওঁ



কৃপাত শিৱই সকলো প্ৰকাৰৰ সিদ্ধিলাভ কৰিছিল। দেৱী চতুৰ্ভূজা, পদ্মাসনা আৰু সিংহবহিনী। পদ্মফুল তেওঁৰ হাতত বিৰাজমান। দেৱীসকলৰ লগতে ন গৰাকী দেৱীক স্তুতি কৰা মন্ত্ৰসমূহো তলত উল্লেখ কৰা হ'ল—

দেৱী শৈলপুত্ৰী—
'বন্দে বাঞ্ছিতলাভায় চন্দ্ৰার্ধকৃত শেকৰাম্।
বৃষাৰুঢ়াং শূলধৰাং শৈলপুত্ৰী যশস্বিনীং।'
দেৱী ব্ৰহ্মচাৰিণী—
'দধানা কৰপদ্মাভ্যাসমক্ষমালা কমণ্ডলু
দেৱী প্ৰসীদতু ময়ি ব্ৰহ্মচাৰিণ্যনুওমা।'
দেৱী চন্দ্ৰঘণ্টে—
'পিণ্ডজপ্ৰৱাৰাৰূঢ়া চন্দ্ৰকোপাস্ত্ৰকৈৰ্যতা।
প্ৰসাদং তনুতে মহ্যং চন্দ্ৰঘণ্টেতি বিশ্ৰুতা
দেৱী কষ্মাণ্ডা—
'সুৰা সম্পূৰ্ণকলংশং ৰুধিৰাপ্লুত মেব চ।
দধানা হস্তপদ্মাভ্যাং কুষ্মাণ্ডা শুভদাস্তমে।
দেৱী স্কন্দমাতা—
'সিংহাসনগতা নিত্যং পদ্মাশ্ৰিতকৰদ্বয়া।
শুভদাস্তু সদা দেৱী স্কন্দমাতা যশস্বিনী।'
দেৱী কাত্যায়নী—
চন্দ্ৰহাসোজ্জলকৰা শার্দুলবৰবাহন।
কাত্যায়নী শুভং দদ্যাদেৱী দানৱঘাতিনী।'
দেৱী কালৰাত্ৰি—
'একবেণী জপাকৰ্ণপূৰ নগ্না স্বৰস্মিতা।
লম্বোষ্ঠী কৰ্ণিকাকৰ্ণী তৈলাভ্যক্ত শৰীৰিণী।
বামপাদোল্লসল্লোহলতা কণ্টকভূষণ।
বৰ্ধনমূৰ্ধজা কৃষ্ণ কালৰাত্ৰিভয়তকৰী।'
দেৱী মহাগৌৰী—
'শ্বেতে বৃষে সমাৰূঢ়া শ্বেতাম্বৰ ধৰা শুচিঃ।
মহাগৌৰী শুভং দদ্যন্মিহাদেৱপ্ৰমোদদা।'
দেৱী সিদ্ধিদাত্ৰী—
'সিদ্ধ গন্ধৰ্বয়ক্ষাদ্যৈৰ সুৰৈৰমৰৈৰপি।
সেব্যমানা সদা ভূয়াৎ সিদ্ধিদা সিদ্ধিদায়িনী।

এইদৰে আমি সংক্ষিপ্তকৈ নৱদুৰ্গাৰ বিষয়ে উল্লেখ কৰিলো।

বৰ্তমান সময়ত আৱহমান কালৰে পৰা চলি থকা শা�ৰদীয় দুৰ্গোৎসৱৰ সময়। অসমকে ধৰি ভা�ৰতবৰ্ষৰ বিভিন্ন ঠাইত উলহ-মালহেৰে দুৰ্গা পূজা অনুষ্ঠিত হৈ আছে। মহিষমৰ্দিনী দেৱী দুৰ্গাৰ আগমনে সমগ্ৰ পৃথিৱীৰ জীৱকুলক ৰক্ষা কৰক। শাৰদীয় দুৰ্গা পূজাৰ শুভকামনা জনাইছো।

লেখকৰ ঠিকনা গুৱাহাটী



লাচিততকৈ অধিক প্রয়োজন মোমাই তামুলীৰ

■ ড° বিমল মজুমদাৰ

লাচিত বৰফুকন আহোম সাম্ৰাজ্যৰ এগৰাকি সেনাপতি আছিল। যিগৰাকী সেনাপতিয়ে ১৬৭১ চনত বুৰঞ্জীখ্যাত শৰাইঘাট যুদ্ধত মোগলক পৰাস্ত কৰি ইতিহাস ৰচনা কৰিছিল। লাচিত বৰফুকন বীৰত্ব, কর্তব্য পৰায়ণতা, স্বদেশপ্রেমৰ এটি উজ্জ্বল নিদর্শন। ৰাম সিংহৰ নেতৃত্বত অহা বিশাল মোগল সৈন্যবাহিনীৰ লগত আহোম সৈন্যৰ তয়াময়া যুদ্ধ সংঘটিত হৈছিল। সেই যুদ্ধত আহোম সৈন্যৰ নেতৃত্ব দিছিল লাচিত বৰফুকনে। নৰীয়া গাৰে তেওঁ সন্মুখৰ পৰা সৈন্যবাহিনী পৰিচালনা কৰিছিল। লাচিতে মোগলক খেদি অসমৰ সার্বভৌমত্ব ৰক্ষা কৰে। সেইবাবে লাচিত বৰফুকনৰ বীৰত্ব আৰু শৰাইঘাটৰ বিজয় স্মৰণ কৰি প্রতি বছৰৰ ২৪ নৱেম্বৰ তাৰিখটো 'লাচিত দিৱস' হিচাপে পালন কৰা হয়। লাচিতৰ লগত অসমীয়া জাতিৰ গৌৰৱ আৰু শৌর্য-বীর্য জড়িত হৈ আছে। আনহাতে তেৱেঁই বৃহত্তৰ অসমীয়া জাতিৰ সংকট মোচন কৰি জাতিটোৰ ভেটি

মজবুতকৈ নির্মাণ কৰি থৈ গৈছে। অন্যথা আমি কেতিয়াবাতেই মোগলৰ অধীন হৈ তেওঁলোকৰ আজ্ঞা মতে উঠা-বহা কৰিবলগীয়া হ'লহেঁতেন। আজিৰ দিনত মোগল বা ৰাম সিংহই বোমা-বাৰুদ, অস্ত্ৰ-শস্ত্ৰ, ঢাল-তৰোৱাল লৈ অসম আক্ৰমণ কৰিবলৈ নাহে। শৰাইঘাটৰ যুদ্ধও সংঘটিত নহয়। মুখামুখি সংঘৰ্ষৰ সম্ভাৱনা নাই যেতিয়া মোগলৰ আক্ৰমণ প্ৰতিহত কৰিবলৈ লাচিতৰো প্ৰয়োজন নাই। বৰ্তমান সময়ত দেখাত সেই মোগল সৈন্য বা ৰাম সিংহ নাই যদিও, তেওঁলোকৰে উত্তৰাধিকাৰীসকলে আন এক ৰূপেৰে অসমক গ্ৰাস কৰিবলৈ উদ্যত হৈছে। যিমানেই মোগলৰ বংশধৰসকলৰ আগ্ৰাসন বাঢ়িছে, সিমানেই শংকা বাঢ়িছে, অস্তিত্বৰ সংকটে দেখা দিছে। সেইবাবে বৰ্তমান সময়ত লাচিতৰ সলনি মোমাই তামুলীৰ প্ৰাসংগিকতাহে দিনে দিনে বাঢ়িছে। লাচিততকৈ মোমাই তামুলীৰ প্ৰাসংগিকতা কিয় বাঢ়িছে সেই কথা জানিবলৈ হ'লে আমি মোমাই তামুলীৰ জীৱন কাহিনী জনাটোও অপৰিহাৰ্য হৈ পৰে।

লুখুৰাখন আহোম বংশত মোমাই তামুলীৰ জন্ম হয়। তেওঁৰ পিতৃপ্ৰদত্ত বা আহোম নাম আছিল চিৰিং ফিচেং। শুকতি নামেৰে তেওঁক জনা যায়। এওঁ অতি দৰিদ্ৰ ঘৰৰ সন্তান আছিল। মাক-বাপেকক সৰুতে হেৰুৱাই অনাথ হৈ ঘূৰি-ফুৰি শেষত শিৰসাগৰৰ নাজিৰা গাঁৱত গণক এঘৰত আশ্ৰয় লৈ থাকিল। মোমাই তামুলীৰ কৰ্মস্পৃহা ইমানেই বেছি আছিল যে গণকৰ ঘৰ-বাৰীৰ চাৰিওফালে সুন্দৰকৈ ঢাপ মাৰি ফুলৰ বাগিছাও পাতিছিল। বাৰী-ঘৰ ফু-মাৰি ভাত খাব পৰা। এনে ঘৰ-বাৰী দেখি বাটৰুৱাই ৰ' লাগি চায়। এদিন ৰজা সেই বাটেৰে যাওঁতে ইমান সুন্দৰ ঘৰ-বাৰী দেখি তাতে ৰৈ কাৰ ঘৰ-বাৰী আৰু কোনে ইমান পৰিপাটিকৈ সাজিছে সুধিলে। গণকে ক'লে যে মোমাই নামেৰে লুখুৰাখনীয়া ল'ৰা এটা আছে, সিয়েই কৰা। মোমাইক দেখি ৰজাৰ বৰ মৰম লাগিল আৰু তাক ৰজাই নিজৰ লগত লৈ যাব বিচাৰিলে। গণকে মোমাইক ৰজাৰ হাতত তুলি দিলে।

ৰজাই মোমাইক দুকুৰি বাৰী-চোৰা দি ৰজাৰ চৌহদো গণকৰ দৰে চকুত লগা কৰিবলৈ আজ্ঞা দিলে। মোমায়ে উৎসাহেৰে গড়গাঁও আৰু ৰংপুৰ নগৰৰ



ফুলনিবাৰী ৰজাৰ মনোমত কৰি সজাই তুলিলে। ৰজা সন্তুষ্ট হৈ মোমাইক 'তামুলী লিগিৰা' পাতিলে। তামুলী লিগিৰা হৈ ৰজাঘৰৰ সকলো কাম যাতে সূচাৰুৰূপে হয় তাৰ ব্যৱস্থা কৰিলে। তেতিয়াৰে পৰা ৰজাঘৰৰ কাম-বন ইমানেই সু-বন্দোবস্ত মতে হ'বলৈ ধৰিলে যে ৰজাই তামুলীক পুৰস্কাৰ দিয়াৰ কথাও চিন্তা কৰিলে। ভাবি- চিন্তি পুৰস্কাৰ হিচাপে তামুলীক 'ৰৰবৰুৱা' খিতাপ দি ৰাজমন্ত্রী পাতিলে। তেতিয়াৰে পৰা তেওঁ সামান্য মোমাই গুচি মোমাই তামুলী ৰৰবৰুৱা হ'ল। এই বাব পোৱাৰ পাছৰে পৰা মোমাই তামুলীৰ কর্মস্পৃহা দুগুনে বৃদ্ধি পালে। কর্মৰ প্রতি তেওঁৰ অকণো হেলা নাছিল। পাটকাইৰ পৰা গুৱাহাটীলৈ পৃথকে পৃথকে মাটিৰ পিয়ল কৰালে। প্রজাৰ মাজত সীমাক লৈ যাতে কাজিয়া নালাগে তাৰ বাবে সকলোকে বাৰীৰ ঢাপ মাৰিবলৈ হুকুম দিলে। প্রতি গাঁৱৰে ল'ৰাক পঢ়িবৰ বাবে পঢ়াশালি পাতি দিলে। ধোবা, নাপিত, কুমাৰ, কমাৰ, কঁহাৰ আদি বৃত্তিৰ মানুহক ব্যৱসায়ৰ বাবে উদ্গনি দিলে। প্রত্যেকে নিজৰ বাৰীত বাঁহ, আম, কঁঠাল, তামোল, পাণ আদি ৰোপণ কৰিবলৈ নিয়ম বান্ধি দিলে। প্রজাসকল যাতে এলেহুৱা আৰু অকর্মণ্য নহয়, পুৰুষ-তিৰোতা সকলোৱে যাতে সমানে পৰিশ্রমী হৈ থাকে তাৰ বাবে তেওঁ কিছুমান নিয়ম প্রণয়ন কৰি দিলে। গধূলি প্রতিগৰাকী তিৰোতাই চাৰিটাকৈ সূতলাহি পকাব লাগিব। মতাবোৰে চালনি, কুলা, খৰাহী বব লাগিব। যদি কোনোৱে এই কর্মৰ প্রতি অৱহেলা কৰে তাৰ বাবে শাস্তি দিয়াৰ ব্যৱস্থা কৰিলে। নগৰৰ সৌষ্ঠৱ ৰক্ষাৰ বাবে শিল্পীসকলক বিভিন্ন কামত নিয়োগ কৰিলে। মুঠতে অলপ বছৰৰ ভিতৰতে ৰাজ্যখনৰ মানুহবোৰ কর্মমুখী হৈ আত্মনির্ভৰশীল হৈ পৰিল। সেইবাবে ৰজাৰ বৰ প্রিয়পাত্র আছিল এইগৰাকী মোমাই তামুলী। এসময়ত পেটৰ ভাত আৰু গাৰ কাপোৰৰ বাবে গণকৰ ঘৰত খৈয়া খটা মোমাই তামুলী নিজৰ পৰিশ্রমৰ বলত ৰাজ্যখনৰ ভিতৰতে সর্বোচ্চ পদত অধিষ্ঠিত হ'ল। যদি গণকৰ ঘৰত কাম-বন নকৰি পেট ভৰাই খাই বহি-শুই দিন নিয়ালেহেতেন, মোমাই তামুলী ৰজাৰ চকুত নপৰিলহেতেন। তেতিয়া টোকোনা হৈয়েই জীৱন কটাব লাগিলহেতেন। কিন্তু নিজৰ পৰিশ্রমৰ বলত নিজৰ লগতে প্রজা আৰু ৰজাঘৰকো তেওঁ টনকীয়াল কৰিলে। কিমান দৰিদ্র মানুহক কর্মমুখী কৰি তেওঁ চহকী কৰি তুলিলে তাৰ লেখ-জোখ নাই। কর্মৰ যোগেদি যে মানুহ ধন্য হ'ব পাৰে মোমাই তামুলীয়ে তাকে উপলব্ধি কৰাই থৈ গ'ল। সেই দেশৰে উত্তৰাধিকাৰী অসম সন্তানসকল এতিয়া পৰমুখাপেক্ষী, এলেহুৱা তথা কর্মস্পৃহাহীন। শাৰীৰিক শ্রমৰ মর্যাদা নুবুজা বাবে তাৰ সুযোগ গ্রহণ কৰিছে মোগলৰ বংশধৰসকলে। শ্রম যুক্ত হৈ থকা যিকোনো কামৰ বাবে আমি তেওঁলোকৰ ওপৰত নির্ভৰশীল। এটা জাতিৰ ভৱিষ্যত যে কর্মই নির্ধাৰণ কৰে সেই কথা বুজি উঠাৰ আগতে আমি ভৰিৰ তলৰ মাটিখিনিও হেৰুৱাই পেলাম। সেইবাবে বর্তমান সময়ত যুদ্ধৰ প্রস্তুতিৰ বাবে লাচিত ৰৰফুকনতকৈ কর্মৰ যোগেদি মোগলৰ বংশধৰসকলৰ প্রয়োজন নোহোৱা কৰিবলৈ মোমাই তামুলী ৰৰফুকনৰ প্রয়োজনহে অধিক বুলি বিবেচিত কৰো। কাৰণ আমি নিজক সুৰক্ষিত কৰাৰ স্বার্থতে নিজৰ মাজতে কর্ম-সংস্কৃতি গঢ়ি তুলিব লাগিব। অন্যথা এটা সময়ত আমি সৰু ঘৰ, চ'ৰাঘৰ, ৰৰঘৰ তেওঁলোকক এৰি দি বাটৰ কাষত আশ্রয় ল'ব লাগিব।

লেখকৰ ঠিকনা অধ্যাপক, অসমীয়া বিভাগ,
গুৱাহাটী বিশ্ববিদ্যালয়, গুৱাহাটী
ম'বাইল নং ঃ ৯৪৩৫১৪১৮২৬

মোমাই তামুলীৰ কর্মস্পৃহা ইমানেই বেছি আছিল যে গণকৰ ঘৰ-বাৰীৰ চাৰিওফালে সুদৰকৈ চাপ মাৰি ফুলৰ বাগিছাও পাতিছিল। বাৰী-ঘৰ হ'-মাৰি ভাত খাব পৰা। এনে ঘৰ-বাৰী দেখি বাউকৰাই ৰ' লাগি চায়। এদিন ৰজা সেই বাটেৰে যাওঁতে ইমান সুদৰ ঘৰ-বাৰী দেখি তাতে কৈ কাৰ ঘৰ-বাৰী আৰু কোনে ইমান পৰিপাটিকৈ সাজিছে সুধিলে। গণকে ক'লে যে মোমাই নামেৰে লুখুৱাশনীয়া ল'ৰা এটা আছে, সিয়েই কৰা।

‘টো’, ‘তো’, ‘টা’, ‘টি’ আদিৰ কথা
ব্যাৱহাৰিক ব্যাকৰণভিত্তিক আলোচনা

■ শোণিত হাজৰিকা

মূল আলোচনাত প্ৰৱেশ কৰাৰ পূৰ্বে এই কথাকেইটা বুজি লোৱাটো প্ৰয়োজনীয় বুলি অনুভৱ কৰো। অষ্ট্ৰেলিয়াৰ বিশিষ্ট ভাষাতত্ত্ববিদ ক্ৰিষ্টোফাৰ মছেলৰ তত্ত্বাৱধানত ইউনেস্ক’ই চলোৱা সমীক্ষাত এই কথা পোহৰলৈ আহিছিল যে বিশ্বৰ সৰ্বমুঠ ৭৩৫৮ টা ভাষাৰ ভিতৰত ৪৪৬ টা ভাষাৰ মৃত্যু ঘটিছে আৰু বাকী থকা ৬৯৫২ টা ভাষাৰ ২৫০০টা সংকটাপন্ন। এই সংখ্যাৰ তাৰতম্যও হ’ব পাৰে; কাৰণ কিছুমান দুৰ্গম অঞ্চলৰ ভাষাৰ তথ্য এতিয়াও ইয়াত সন্নিৱিষ্ট নোহোৱাকৈয়ে থাকি গৈছে।

ভাৰতবৰ্ষত কথিত প্ৰায় ১৩৫২টা ভাষাৰ সৰহখিনিয়েই সম্প্ৰতি সংকটাপন্ন। বিশ্বায়ন বা গোলকীকৰণ (globalisation) তথা অৰ্থনৈতিক উদাৰীকৰণৰ বাবেই হওক অথবা অন্য কোনো শক্তিশালী ভাষাৰ গ্ৰাসত পৰিয়েই হওক নাইবা অন্যান্য কাৰণতেই হওক, আপেক্ষিকভাৱে দুৰ্বল ভাষাবোৰ আজি বিলুপ্তিৰ পথত বা গভীৰ সংকটত। ধ্ৰুপদী ভাষাৰূপে স্বীকৃত, মহিমামণ্ডিত আমাৰ অসমীয়া ভাষালৈকো এতিয়া অনেক ভাবুকি বা প্ৰত্যাহ্বান আহি পৰিছে। আমাৰ ককা-আইতা, আনকি মা-দেউতাহঁতৰ মুখতো আখৈ ফুটাদি ফুটা খণ্ড বাক্য, জতুৱা-ঠাঁচ, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আদিৰ সৈতে আজিৰ প্ৰজন্মৰ সম্পৰ্ক নোহোৱা হ’ল। অথচ আমাৰ আইৰ মুখৰ সুৱদি-সুৰীয়া ভাষাটোৰ এইবোৰেই অনন্য সম্পদ, মণি-মৰকতবুলীয়া বহুমূলীয়া ৰতন।

মূল বিষয়বস্তু উপস্থাপন কৰাৰ আগেয়ে দুগৰাকী বিশিষ্ট সাহিত্যিকে কোৱা দুটা বিশেষ কথা পঢ়ি চাওচোন, আহক। ‘সুগন্ধি পখিলা’ৰ কবি হীৰুদাই (হীৰেন ভট্টাচাৰ্যদেৱে) কৈছিল—- ‘তুমি ইংৰাজী ভালেই লিখা বা বেয়া লিখা, তাত ইংৰাজী ভাষাটোৰ একো আহে-নাযায়। তুমি বা আন, ইংৰাজী ভাষাত লিখাসকলে জাবৰ লিখিলেও ইংৰাজী ভাষাৰ মৰ্যাদাৰ কোনো হীনডেঢ়ি নঘটে। কিন্তু আমি এটা কথা উপলব্ধি কৰা উচিত যে যিসকলে অসমীয়া ভাষাত, অৰ্থাৎ আমাৰ মাতৃভাষাত লিখা-পঢ়া কৰে, তেওঁলোকে যদি ভুলকৈ অসমীয়া লিখে, তেতিয়া কিন্তু অসমীয়া ভাষাটোৰ প্ৰচুৰ ক্ষতি হ’ব।’

২০২০ চনৰ মাৰ্চ মাহৰ ‘সাতসৰী’ত অনুৰাধা শৰ্মা পূজাৰীয়ে তেখেতৰ সম্পাদকীয় লেখাত এযাৰ অতি গুৰুত্বপূৰ্ণ কথা লিখিছিল— ‘পূৰ্ণাংগ, স্বতন্ত্ৰ ভাষা অসমীয়া ভাষাৰ শুদ্ধ উচ্চাৰণ, শুদ্ধ প্ৰয়োগ নকৰা বা ভুল শব্দ ক’লেও বা লিখিলেও দোষণীয় (দূষণীয়) বুলি বিবেচিত নোহোৱা পৰিৱেশে অসমীয়া ভাষাৰ ক্ষতি সাধন কৰি গৈছে। অথচ একেখিনি মানুহে বিদেশী ভাষা ইংৰাজী ভুলকৈ ক’লে, লিখিলে ক্ষমা কৰিবলৈ টান পায়। কিন্তু মাতৃভাষাৰ ক্ষেত্ৰত ভুল উদাৰচিত্তে গ্ৰহণ কৰা হয়।’ বিশিষ্ট সাহিত্যিকগৰাকীৰ এই কথাষাৰ শুদ্ধ আৰু চিন্তনীয় নহয়নে বাৰু?

এতিয়া আমি মূল আলোচনাটোলৈ যাওঁ।

শব্দত ‘টো’ আৰু ‘তো’ যোগ কৰিবলগীয়া হ’লে প্ৰায়েই খেলিমেলি লাগে। বহুতে ‘টো’-ৰ ঠাইত ‘তো’ লিখা আৰু ‘তো’ ব্যৱহাৰ কৰিবলগীয়া ঠাইত ‘টো’ ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। এই বিসংগতিটো দেখুৱাই, শুদ্ধ ব্যৱহাৰৰ প্ৰতি আগ্ৰহ আৰু সচেতনতা বৃদ্ধি কৰিবলৈকে এই লেখাটো আগবঢ়োৱা হৈছে। তলৰ বাক্যকেইটা চাওকচোন—

১। তোমাকতো! তোমাকটো মই কথাটো কৈছিলো। ২। জীৱনটো! জীৱনতো ক্ষণস্থায়ী। ৩। সেইটোতো! সেইতোটো ডাঙৰ কথাই হ’ল! ৪। মইতো! মইটো আগতেই জানিছিলো। ৫। তইতো! তইটো এনেকুৱা কৰিব নালাগিছিল।

ওপৰৰ পাঁচটো বাক্যৰ আৰম্ভণিতে দুটাকৈ বিকল্প শব্দ দিয়া হৈছে। কোনটো ৰূপ শুদ্ধ সেইটো জানিবলৈ আমি নিজেই নিজকে পৰীক্ষা কৰি চাব পাৰো। প্ৰথমতে লিখা বাক্য পাঁচটাৰ প্ৰতিটোৰে প্ৰথমৰ শব্দৰূপটোৱেই শুদ্ধ, দ্বিতীয়টো ৰূপ শুদ্ধ নহয়।

'টো' আৰু 'তো' দুয়োটাই প্ৰত্যয়। 'টো' হৈছে নিৰ্দিষ্টতাবাচক বা নিৰ্দেশাত্মক প্ৰত্যয় (Enclitic Definitives) আৰু 'তো' হৈছে স্বাৰ্থিক প্ৰত্যয় (Pleonastic Suffixes)। কেৱল 'টো'ৰেই নহয়, 'টি', 'টা' আদি আৰু অনেক নিৰ্দেশাত্মক প্ৰত্যয় আছে। আনহাতে, 'তো'ৰ উপৰি আৰু ভালেমান স্বাৰ্থিক প্ৰত্যয় আছে। কোনো কোনো ব্যাকৰণত এইবোৰক আনুষংগিক অব্যয় বোলা হৈছে। হেমচন্দ্ৰ বৰুৱাৰ মতে এইবোৰ উপশব্দ। আমি এইবোৰৰ সংজ্ঞা বিচাৰ নকৰি, প্ৰয়োগ বা ব্যৱহাৰত অধিক গুৰুত্ব দিয়া উচিত। মানুহ, জন্তু বা প্ৰাণী, বস্তু আদিৰ পুংলিংগ আৰু ক্লীৱ লিংগবাচক একবচনৰ সৈতে 'টো' ব্যৱহাৰ কৰা হয়। যেনে— ল'ৰাটো, নিগনিটো, গৰুটো, সেইটো, ছাতিটো, ঘৰটো, কথাটো, উপহাৰটো।

আনহাতে, আদৰ বা মৰমৰ অৰ্থত অথবা তুলনামূলকভাৱে ক্ষুদ্ৰাৰ্থত 'টি' ব্যৱহাৰ কৰা হয়। হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাই পুংলিংগত 'টি' আৰু স্ত্ৰীলিংগত 'টী' ব্যৱহাৰ হয় বুলি কৈছে। আজিকালি এনে পাৰ্থক্য ৰখা নহয় আৰু 'টি'-ৰহে ব্যৱহাৰ হয়। যেনে— মাগুৰ মাছ ভাগত দুটিকৈহে পৰিল। ল'ৰাটি কাৰ হে? এনেনো মৰম লাগিছে! ছোৱালীটি বৰ তজবজীয়া দেই! উপহাৰটি বৰ ধুনীয়া। পেহীটি এদিন আহিবিচোন আমাৰ ঘৰলৈ। সংখ্যাবাচক শব্দৰ পিছত 'টা' যোগ হয়— পাঁচটা, দহটা, এশটা ইত্যাদি। কেতিয়াবা পাঁচোটা, সাতোটা, দহোটা আদিও কওঁ বা লিখো। এইবোৰ শুদ্ধ। কিন্তু পিচত 'টি' থাকিলে সংখ্যাবাচক শব্দৰ শেষ বৰ্ণত উ-কাৰ যোগ হয় (অৰ্থাৎ পাঁচুটি, সাতুটি, দহুটি হয়) বুলি সত্যনাথ বৰাই কৈ গৈছে যদিও আজিকালি কাৰ্যতঃ পাঁচোটি, সাতোটি, দহোটি বুলিহে লিখা হয়।

এই 'টো' বা 'টি' প্ৰত্যয়ৰ বাবে ইংৰাজীত 'The' article ব্যৱহাৰ কৰা হয়। The-এ অসমীয়াত কেৱল টো, 'টি'-ৰ অৰ্থই যে প্ৰকাশ কৰে এনে নহয়, ইয়াৰ উপৰি জন (মানুহজন), জনী (ছোৱালীজনী), খন (কিতাপখন), খনি (শৰাইখনি), পাহ (ফুলপাহ), ডাল (সূতাডাল), খিলা (পাতখিলা), গছ (বস্তিগছ, চাকিগছ), গছি (বস্তিগছি), ধাৰ (মণিধাৰ), ধাৰি (মালাধাৰি) আদি নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰো বুজায়। কেৱল একবচনৰ ক্ষেত্ৰতেই নহয়— বহুবচনত বোৰ, বিলাক, খিনি, হঁত, সকল, জাক, পাল, বৃন্দ, গণ (মুনিগণ), ৰাজি (সৃষ্টিৰাজি), বৰ্গ (ছাত্ৰবৰ্গ), গুচ্ছ (প্ৰবন্ধগুচ্ছ) আদি বুজাবলৈও ইংৰাজীত The ব্যৱহাৰ কৰা হয়।

টো-ৰ ব্যৱহাৰ মনত ৰাখিবলৈ এই কথাটোত গুৰুত্ব দিলেই হ'ল যে নিৰ্দিষ্টকৈ (specifically) বুজাবলৈ ইংৰাজীৰ The-ৰ অৰ্থত 'টো' হয়। যেনে—

ঘৰটো (ঘৰ-টো)— The house
দিনটো (দিন-টো)— The day
বাটটো (বাট-টো)— The way /The path
কথাটো (কথা-টো)— The matter
কবিতাটো (কবিতা-টো)— The poem

লক্ষণীয় যে এই 'টো'-ৰ পিচতো আকৌ স্বতন্ত্ৰভাৱে 'ও' (also) বহিব পাৰে। যেনে—

ঘৰটোও (ঘৰ-টো-ও) ঃ ঘৰটোও সাজিব লাগে।

বাটটোও (বাট-টো-ও) ঃ বাটটোও দেখোন ঠেক হৈ আহিছে!

কবিতাটোও (কবিতা-টো-ও) ঃ মই গল্পটোও পঢ়িলোঁ, কবিতাটোও পঢ়িলো।

সিদ্ধান্তটোও (সিদ্ধান্ত-টো-ও) ঃ তোমাৰ সিদ্ধান্তটোও জনাবা।

যোৱাটোও (যোৱা-টো-ও) ঃ পুৱা সোনকালে উঠি খোজ কাঢ়ি এপাক ফুৰিবলৈ যোৱাটোও আজিকালি তেওঁৰ বাবে কষ্টকৰ হৈ পৰিছে।

এতিয়া তলৰ বাক্য দুটা চাওক। এটাত 'টো' যোগ হৈছে আৰু আনটোত 'তো' যোগ হৈছে—

(১) ঘৰটো ধুনীয়া।

(২) ঘৰতো নবহে মন সমনীয়া, পথাৰতো নবহে মন...

দুয়োটাই শুদ্ধনে? হয়, দুয়োটাই শুদ্ধ। প্ৰথমটো (ঘৰটো) প্ৰত্যয়যুক্ত আৰু দ্বিতীয়টো (ঘৰতো) বিভক্তিযুক্ত। ঘৰ+ (অ)ত+ও ঘৰতো, সপ্তমী বিভক্তি যোগ হৈছে। অৰ্থাৎ, ইয়াত (ঘৰটো) মানে 'the house' আৰু 'ঘৰতো' মানে 'at home also'।

এইদৰে সপ্তমী বিভক্তি 'ত' (অত)-ৰ লগত 'ও'

(ইংৰাজীত 'also', 'in addition to') যোগ গৈ 'তো' (ত+ও) হোৱাৰ অন্য দুটামান উদাহৰণ তলত দিয়া হ'ল।

ৰৰপেটাতো (ৰৰপেটাত-ও) ঃ মাজুলীতেই নহয়, ৰৰপেটাতো সত্ৰ আছে।

ওচৰতো (ওচৰত-ও) ঃ মোৰ ওচৰতো ইয়াৰ একো উত্তৰ নাই।

মনতো (মনত-ও) ঃ কথাটো মোৰ মনতো খেলাইছিল, তাৰ মনতো খেলাইছিল।

হাততো (হাতত-ও) ঃ তোমাৰ দেখোন হাততো বোকা, ভৰিতো বোকা!

ভাগিলতো (ভাগিলত-ও) ঃ তাৰ ম'বাইলটো ভাগিলত সি যিমান দুখ পাইছে, হাতখন ভাগিলতো সিমান দুখ (বেজাৰ) পোৱা নাই।

কথাতো (কথাত-ও) ঃ তেওঁৰ কথাত মই যিমান সুখী হ'লো, তোমাৰ কথাতো সিমানেই সুখী হ'লো। (ওপৰৰ 'টো'-ৰ উদাহৰণত দেখুওৱা 'কথাটো'-ৰ সৈতে ইয়াত দেখুওৱা 'কথাতো' পদৰ পাৰ্থক্য মন কৰিবলগীয়া।)

উল্লেখযোগ্য যে নিৰ্দিষ্টতাবাচক টো-ৰ পিচতো সপ্তমী বিভক্তি 'ত' (অত) + ও (also) হ'ব পাৰে, অৰ্থাৎ (-টোতো) হক্সৱ পাৰে। যেনে—

ঘটিটোতো পানী নাই, কেটলিটোতো পানী নাই। (ঘটি-টোত-ও, কেটলি-টোত-ও)

অকল এই পকী ঘৰটোতেই নহয়, সৌ খেৰী ঘৰটোতো ভালেমান মানুহ থাকে। (ঘৰ-টোত-ও)

আনহাতে তলৰ বাক্যকেইটাত 'তো'ৰ ব্যৱহাৰ চাওক—

(ক) ৰমেনেতো ব্যাকৰণ শিকিব। (আনে শিকিব নে নিশিকিব মই নাজানো, কিন্তু ৰমেনে যে শিকিব মই নিশ্চিত। মই যিজন! যিটো ৰমেনক জানো, তেওঁ! সি ব্যাকৰণ শিকিবই।)

(খ) ৰমেনে ব্যাকৰণতো শিকিবই। (ৰমেনে আন নিশিকিলেও ব্যাকৰণ শিকিব। সি ব্যাকৰণ শিকিবলৈ বেছি আগ্ৰহী।)

(গ) ৰমেনে ব্যাকৰণ শিকিবতো। (ৰমেনে ব্যাকৰণ শিকাটো খাটাং। সি যে ব্যাকৰণ শিকিব, সেইটো সি মোক দৃঢ়তাৰে জনাইছিল।)

(ঘ) ৰমেনে ব্যাকৰণ শিকিবতো? (প্ৰশ্নবোধক হোৱাৰ লগে লগে বক্তাৰ সন্দেহ, সংশয়, অনিশ্চয়তা আদি প্ৰকাশ পাইছে। অৰ্থাৎ মই নাজানো ৰমেনে শিকিব নে নিশিকে। সঁচাকৈ শিকিবতো? শিকাটো নিশ্চিতনে?)

এই তিনিওটা বাক্যতে (চতুৰ্থটোৰ বাদে) 'তো' প্ৰত্যয় যোগ হোৱা পদটোত দৃঢ়তা বা জোৰ (emphasis) প্ৰয়োগ কৰা হৈছে। কিন্তু পদকেইটাৰ অৰ্থৰ লৰচৰ হোৱা নাই, অৰ্থাৎ প্ৰত্যেকবাৰেই এইটোহে বুজোৱা হৈছে যে ৰমেনে ব্যাকৰণ শিকিব, নিশিকাকৈ নাথাকে। এই 'তো'-টো সপ্তমী বিভক্তিত + ও (also) = তো নহয়। এইখিনিতে 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচাৰ্যৰ এফাকি কবিতালৈ মনত পৰিছে--

'তুমিতো জানাই,
এই কবিৰ মাথোঁ এটা চোলা
তাৰো ছিগো ছিগো চিলাই।'

ইয়াত 'তুমিতো'ৰ ব্যৱহাৰ লক্ষণীয়। একেদৰে, তলৰ বাক্যকেইটাতো 'তো'হে হ'ব, 'টো' নহয়।

সিতো নাহিলেই, তাৰ ভনীয়েকো নাহিল। (ইয়াত 'সিটো' নহয়।)

মোৰ কথাৰ প্ৰতি তোমাৰতো একো কাণসাৰেই নাই! ('তোমাৰটো' নহয়।)

তাৰতো অনেক আপত্তি, সেইবোৰত কোনে গুৰুত্ব দিয়ে! ('তাৰটো' নহয়।)

এই বিষয়ে মোকতো কোনেও জনোৱা নাই! ('মোকটো' নহয়।)

কেতিয়াবা নিৰ্দিষ্টতাবাচক 'টো'ৰ পিচত এই 'তো'-টো একেলগেও হ'ব পাৰে। যেনে—

সেইটোতো হয়েই!
কথাটোতো মিছা নহয়।

সি কোৱাটোওতো সঁচা। ছাতিটোতো ভাগিলেই, লগতে ম'বাইলটোও পানীত পৰিল।

তোমাৰ সমস্যাটোতো গভীৰেই।

বহুতেই এইবোৰত ভুল কৰে। 'টো' আৰু 'তো'ৰ মাজত বহুজনে খেলিমেলি কৰা দেখা যায়। আশা কৰো যে এই কথাখিনিয়ে 'টো' আৰু 'তো'ৰ বেমেজালি অলপ হক্সলেও দূৰ কৰাত সহায় কৰিব।

লেখকৰ ঠিকনা গোলাঘাট



এই সময় আৰু সেই সময়

■ মাধুৰীমা ঘৰফলীয়া

কেতিয়াবা কেতিয়াবা মন আৰু বাস্তৱিক পৰিৱেশৰ মাজত এক বিৰাট বিচ্ছিন্নতা আহি পৰে। অথচ সাধাৰণতেই তেনে সময়বোৰত পঢ়া টেবুলখনৰ সৈতে নিজৰ সকলোতকৈ মৰমৰ কণমানিটো সন্মুখত থাকে। টেবুলখনত সিঁচৰতি হৈ থাকে তাৰ পেঞ্চিল বক্স, কিতাপ, বহীবোৰ। মাজে মাজে সি সোধে—

এইটো এনেকৈয়ে কৰিম নে?

অন্যমনস্কভাৱে উত্তৰ দিওঁ

— হুম... উম... তেনেকৈয়ে।

কেইবাশাৰী বাক্যৰে দিব লগা উত্তৰটো দুটা বা তিনিটা শব্দৰ মাজতে আবদ্ধ হৈ ৰয়। কিয়নো তেতিয়ালৈকে মোৰ মনটো কিতাপৰ পৃষ্ঠাৰ পৰা বহু দূৰলৈ আঁতৰি যায়। ঠিক আন এক সময়লৈ।

সেই সময়লৈ, যি সময়ত মই নিজেই শিশু আছিলো। কিশোৰী আছিলো।

আৰু হঠাৎ অনুভৱ কৰো—

এই সময় আৰু সেই সময়ৰ মাজত যেন দীঘলীয়া নদী এখন একা-বেঁকাকৈ বৈ গ'ল!

কেতিয়া গ'ল, কেনেকৈ গ'ল, উমানেই নাপালো!

সেই সময়...

লানি পাতি খোজকাঢ়ি অহা স্কুলীয়া ল'ৰা-ছোৱালীবোৰৰ সৰহভাগৰে কিতাপ-বহীবোৰ কঢ়িয়াব পৰাকৈ বেগ নাথাকে বাবে হাতেৰে বুকুৰ মাজত ৰাখি কঢ়িয়াই লৈ আনে। ঘাম লাগি লাগি বহী আৰু কিতাপৰ চুকবোৰ ভাঁজ খাই লডা পাতে। ঘামৰ চিন পিন্ধি থকা বগা চোলাটো বা চাদৰখনতো পৰে। ফুট ফুট ক'লা দাগেৰে কোনোবাটো চোলা বা কোনোবাখন চাদৰ ভৰি পৰে। ভৰিৰ পতাকেইখন আৱৰি ৰখা চেণ্ডেলবোৰৰ কোনোবাযোৰৰ গোৰোহাডোখৰ ক্ষয় গৈ নোহোৱা হয়। পথাৰত হাল বাই বা ভূঁই ৰুই, ঘাঁহ কাটি আহি লৰালৰিকৈ গাটো ধুই স্কুললৈ অহাৰ বাবে কাণৰ কাষত বোকা লাগি থাকিব পাৰে। নতুবা বোকাৰে একাঁঠু হৈ থকা গাঁৱৰ পথটো পাৰ হৈ আহি পথৰ কাষৰ খালৰ পানীৰে বোকাবোৰ ধুলেও পানী শুকাই যোৱাৰ লগে লগে ভৰিত সেইবোৰ জিলিকি উঠিছে!

পুৱা ন বজাতে ভাতকেইটামান খাই আহি আবেলি তিনিবজালৈকে একো খাবলৈ নোপোৱাৰ বাবে পেট শুকাই গৈছে।

তথাপি ল'ৰা-ছোৱালীবোৰৰ মুখখন উজ্জ্বলি থাকে। চকুবোৰ তিৰ্‌বিৰ কৰি থাকে। স্কুললৈ

আহোঁতে-যাওঁতে গোটেই বাটটো মাকে খাদ্য খুৱাবৰ সময়ত কল-কলোৱা চৰাই পোৱালিৰ দৰে সিহঁত কল-কলাই যায়।

স্কুলবোৰ তেতিয়াও শিক্ষাৰ প্ৰাৰ্থনা গৃহ আছিল। মাথোঁ শিক্ষাৰ পৃথিৱীখন আজিৰ দৰে ইমান বিশাল উৎসৱে সাঙোৰ খাই নাছিল। পাঠ্যপুথি, পুথিভঁৰাল আৰু শিক্ষাগুৰুগৰাকীয়েই আছিল শিক্ষাৰ সকলো ৰহস্য আৰু জ্ঞানৰ ভঁৰাল। কেতিয়া কোনোবাটো চিন্তাৰ উজুটিৰ উত্তৰ শিক্ষাগুৰুৰ কাষতো পোৱা নাছিল। তথাপি সকলোবোৰ ধুনীয়াকৈ চলি গৈছিল।

গাঁৱৰ কোনোবা এঘৰত বিয়া-বাৰু ওলালে স্কুলৰ ডেস্ক-বেঞ্চবোৰ গৈ বিয়া ঘৰৰ ভোজৰ থলীত লানি পাতি পাৰি দিয়া হৈছিল। কোনোবাটি কিশোৰে আকৌ



ভাল সাজপাৰৰ অভাৱত স্কুলীয়া সাজযোৰকেই ইফালে-সিফালে যাবলৈ ব্যৱহাৰ কৰিছিল।

নাই, নাই তথাপি ক'তোৱে একো ৰৈ যোৱা নাছিল। শিক্ষা, শিক্ষার্থী, শিক্ষক কোনোৱে।

পিছে আজিৰ দৃষ্টিৰে তুলনা কৰি চালে সেই ব্যৱস্থাৰ মাজত বহু দুৰ্বলতা থকা যেন লাগিব। বহু সীমাবদ্ধতা যেনে— শিশুৰ ব্যক্তিগত কৌতূহল, সৃষ্টিশীলতা বা ভিন্ন ধৰণে শিকাৰ প্ৰয়োজনীয়তাক সকলো সময়তে সমানে গুৰুত্ব দিয়া নহৈছিল যেন লাগিব।

কিন্তু এই সকলোবোৰ একাষে ৰাখি যদি ভালকৈ চাওঁ তাৰ মাজতো এটা বিৰাট ডাঙৰ পার্থক্য দেখা পাম। সময়।

তেতিয়াৰ শিশুৰ হাতত সময় আছিল।

পঢ়াৰ পিছত খেলিবলৈ সময় আছিল। গল্পৰ কিতাপ পঢ়িবলৈ সময় আছিল। কেতিয়াবা একো নকৰাকৈ বহি থাকিবলৈও সময় আছিল।

বিপৰীতে আজি... আজিৰ শিশুৰ হাতত কেৱল পাঠ্যপুথিয়ে নাই, স্মার্ট ক্লাছ আছে, ডিজিটেল সামগ্ৰী আছে, ইণ্টাৰনেট, শিক্ষামূলক ভিডিঅ' আছে। এটা বিষয় নুবুজিলে মুহূর্ততে বিভিন্ন উৎসৰ পৰা তাৰ ব্যাখ্যা বিচাৰি উলিয়াব পৰা ব্যৱস্থা আছে।

শিক্ষা এতিয়া কেৱল 'শুনা আৰু লিখা'তে সীমাবদ্ধ হৈ থকা নাই। শিক্ষণ পদ্ধতিও বহু পৰিমাণে সলনি হৈছে। শিশুৰ বাবে জ্ঞানৰ পৃথিৱীখন আগতকৈ বহুগুণে ডাঙৰ হৈ পৰিল।

লগতে যোগ হ'ল প্ৰতিযোগিতা। ক্লাছৱৰ্ক, হোমৱৰ্ক, ভিন্ন ধৰণ প্ৰজেক্ট। আৰু পৰীক্ষাবোৰ?

এটা শেষ নহওঁতেই আন এটাৰ চিলেবাছ আহি যায়!

শিক্ষাৰ পৰা মূল্যায়নলৈকে, কেৱল মনৰ বাবে খেলা- ধূলাৰ কৰাৰ পৰা পুৰস্কৃত হোৱালৈকে আজিৰ শিশুৰ জীৱনটোলৈ লক্ষ্য কৰিলে কেতিয়াবা এনে লাগে সিহঁতে হয়তো কেৱল শিকি থকা নাই, সদায় মূল্যাংকন হৈ আছে।

নিজৰ কণমানিটিক পঢ়ুৱাই থাকোঁতে কেতিয়াবা ভাবো—

'এই কণমানীবোৰে ইমানবোৰ পৰীক্ষাৰ মাজেৰে উশাহ কেতিয়া লয় বাৰু?'

অৱশ্যে এয়া সত্য মূল্যায়ন শিক্ষাৰ এক গুৰুত্বপূর্ণ অংশ। শিশুৱে কি শিকিছে, কিমান শিকিছে, ক'ত অসুবিধা হৈছে সেইবোৰ বুজিবলৈ পৰীক্ষাৰ প্ৰয়োজন। কিন্তু সমস্যা তেতিয়া আৰম্ভ হয় যেতিয়া কাৰোবাৰ বাবে নম্বৰটোৱেই শিক্ষাৰ একমাত্ৰ মাপকাঠি হৈ পৰে। নম্বৰৰ ওপৰত ভিত্তি কৰিয়ে শিশু এটিৰ সামগ্ৰিক জ্ঞানৰ মূল্যায়ন কৰা হয়! পাহৰি যোৱা হয় শিশু এটিয়ে কোনো এটা বিষয়ত কম নম্বৰ পোৱা অর্থ এইটো নহয় যে

শিশুটিয়ে শিকিব নোৱাৰে। এনেকুৱাটোও হ'ব পাৰে যে সেইখিনি শিশুটিয়ে বুজি পোৱা নাছিল বা সেই সময়ত শিশুটিয়ে ভয় খাইছিল, ভাগৰি গৈছিল।

নতুবা সেই সময়ত শিশুটি শিক্ষার্থী নহৈ মাত্র শিশু হৈ পৰিছিল!

সকলোবোৰ মাথোঁ দুৰন্ত গতিত আগবাঢ়ি গৈ আছে। শিক্ষা, প্রযুক্তি, শিক্ষাৰ পদ্ধতি সকলো। জ্ঞানৰ অজস্র উৎসৰ সৃষ্টি হৈ গৈ আছে। পিছে এই সকলোবোৰৰ মাজত এই শিশুবোৰৰ শিশুকালটো কিমান ৰৈ গৈছে? আগৰ সময়ত স্কুলৰ পৰা আহি কিতাপ থৈয়ে খেলিবলৈ যোৱা শিশুটিৰ ঠাইত আজিৰ বহু শিশুক বহু সময়ত স্কুলৰ পৰা আহি হোমৱর্ক লৈ বহা দেখো।

আগৰ সময়ৰ গৰমৰ বন্ধ মানে খেলিবলৈ অফুৰন্ত সময়। এই সময়ত গৰমৰ বন্ধ মানে হয়তো ভিন্ন ধৰণৰ প্রজেক্ট, হলিডে হোমৱর্ক আদি!

সেই সময়ত এখন ছবি আঁকাৰ আঁৰত কোনো উদ্দেশ্য নাথাকিবও পাৰে। পাটিদৈ, আলতীয়া মাটি আদিৰ সহায়ত সজা ভিন্ন শিল্পবোৰৰ কোনো উদ্দেশ্য নাছিল। কিন্তু এই সময়ত এইবোৰ কৰিলে হয়তো এক্টিভিটি হিচাপে মূল্যায়ন হ'ব। মুঠতে শৈশৱটোও যেন গৈ গৈ 'এক্টিভিটি' হৈ পৰিছে!

এইবোৰ ভাবিলে কষ্ট হয়। আচলতে আমি কি হেৰুৱাইছো, আৰু কি পাইছো?

অৱশ্যে ইয়াৰ অর্থ এয়া নহয় যে এৰি অহা সময়বোৰ সম্পূর্ণ ভাল আৰু বর্তমানবোৰ বেয়া। এয়া সঠিক বিশ্লেষণ হ'ব নোৱাৰে। কিন্তু বর্তমান যে প্রতিযোগিতা, মূল্যায়ন আদিয়ে অধিক চাপৰ সৃষ্টি কৰিছে সেয়াও অস্বীকাৰ কৰিব নোৱাৰি।

এদিন পঢ়ুৱাই থাকোঁতে মোৰ কণমাটিটোৱে কিতাপখন বন্ধ কৰি কৈছিল—

'আৰু নপঢ়ো মা, এতিয়া খেলিবলৈ যাওঁনে?'

মোৰ মুখৰ পৰা স্বাভাৱিকভাৱেই ওলাবলৈ লৈছিল—

'নোৱাৰা, পঢ়া শেষ কৰি লোৱা আগতে।' কিন্তু বাক্যটো আধৰুৱা হৈ ৰ'ল। নিজৰ শৈশৱলৈ মনত পৰিল। ময়োতো এনেকৈ পঢ়া শুনাক ডেও দিকেতিয়াবা খেলিবলৈ গৈছিলো। ময়োতো কেতিয়াবা ইচ্ছাকৃতভাৱে হোমৱর্কবোৰ নকৰাকৈ আছিলো। পৰীক্ষাৰ আগদিনা ভয় খাইছিলো। কেতিয়াবা কম নম্বৰ পাইছিলো। কিন্তু সেই কম নম্বৰবোৰ বাবে মোৰ শৈশৱটো হেৰাই যোৱা নাছিল। কাৰণ তেতিয়া নম্বৰ জীৱনৰ কেৱল এটা অংশহে আছিল, জীৱনটো নম্বৰ হৈ পৰা নাছিল!

এদিন মোৰ সন্তান ডাঙৰ হ'ব। তাৰ হাতত হয়তো তেতিয়া কিতাপ নাথাকিব। নিজৰ কামত, নিজৰ পৃথিৱীত ব্যস্ত থাকিব। হয়তো সেইদিনা মই তাৰ পুৰণি বহী এখন উলিয়াই চাম।

এটা ভুল উত্তৰ...

এশাৰী কাটি দিয়া বাক্য...

এখন অদ্ভুত ডিজাইনৰ গাড়ীৰ ছবি...

বহুতো অস্পষ্ট হাতৰ লিখনি...


হয়তো চকুহাল সজল হৈ উঠিব। তেতিয়া জানো মই নম্বৰবোৰ বিচাৰি ফুৰিম? ওহো... মই বিচাৰিম মোৰ সেই সৰু ল'ৰাটোক, যি মোৰ কাষত বহি কৈছিল— 'আৰু নপঢ়ো মা, এতিয়া খেলিবলৈ যাওঁনে?' তেতিয়াই হয়তো মই ভালকৈ বুজি পাম যে শৈশৱৰ আটাইতকৈ মূল্যৱান অধ্যায়বোৰ কোনো পাঠ্যপুথিত নাছিল। সেইবোৰ আছিল চোতালত, বৰষুণত, খেলপথাৰত। মাকৰ কোলাত। বন্ধুৰ হাঁহিত। কিতাপখন বন্ধ কৰি বাহিৰৰ পৃথিৱীখন চাই থকা সেই সৰু সৰু মুহূর্তবোৰত।

সেইবুলি এতিয়া আমি নিজৰ শিশুটিক শিক্ষাৰ দৌৰত অংশগ্রহণ কৰাত বাধা দিম এনে কথাও নহয়! আমি সিহঁতক পঢ়ুৱাম, আধুনিক পৃথিৱীৰ বাবে প্রস্তুত কৰিম। সময়ৰ গতিৰ সৈতে তাল মিলাই সপোন দেখিবলৈ শিকাম। কিন্তু তাৰ লগতে সিহঁতৰ শৈশৱটোও জীয়ন দি ৰাখিম। কাৰণ, আকৌ এদিন শিক্ষা সলনি হ'ব।পাঠ্যক্রম সলনি হ'ব। শিক্ষণ পদ্ধতি, প্রযুক্তিবিদ্যা সকলো সলনি হৈ গৈ থাকিব।

কিন্তু শিশুকাল? শিশুকাল এবাৰেই আহে।

আমি এই সময় আৰু সেই সময়ৰ মাজত সেয়েহে এখন সৰু সেঁতু গঢ়িম।

লেখকৰ ঠিকনা নয়ডা



আত্ম সজাগতা ছাত্র জীৱনৰ অন্যতম চালিকা শক্তি

■ অর্চনা বৰঠাকুৰ

What is 'Self' ?

Self বা স্বয়ম মানে কি আচলতে ? Self হৈছে এটা reality, এটা বিমূর্ত বাস্তৱ। এনেকুৱা এটা বাস্তৱ, য'ৰ পৰা আমি সৰহ সময়তে দূৰত থাকো। অথচ আমাৰ উত্তৰণৰ বাবে, আমাৰ বিকাশৰ বাবে এই বাস্তৱক জনা, বুজা বা উপলব্ধি কৰাতো অতি প্রয়োজনীয়। বয়স্ক মানুহেই বহু সময়ত উপলব্ধি কৰিব নোৱাৰা এই বাস্তৱতা ছাত্র জীৱনত সহজে বুজি নোপোৱাটোৱেই স্বাভাৱিক। আচলতে এই বিষয়ক কথা পতাৰ, আলোচনা কৰাৰ পৰিৱেশ এটাই আমাৰ ছাত্র-ছাত্রীসকলে বহুত সময়ত

নাপায়। বিদ্যালয় বা ঘৰুৱা পৰিৱেশত ছাত্ৰ-ছাত্ৰীসকলক কেৱল পাঠ্যক্ৰমকেন্দ্ৰিক পৰিৱেশ এটা দিয়াতকৈ আত্ম সজাগতাৰ পৰিৱেশ এটা দিয়াতো অতি প্ৰয়োজনীয়। আত্ম সজাগতা ছাত্ৰ-ছাত্ৰীৰ দক্ষতা তেওঁলোকৰ সামগ্ৰিক ব্যক্তিত্বত সদায় উজ্বলি থাকে।

আত্ম সজাগতাক আমি কেইটামান বিশেষ বিষয়ত ভাগ কৰি ল'ব পাৰো—

১। মানসিক বা psychological প্ৰয়োজনীয়তা সম্পৰ্কে সজাগতা।

২। প্ৰতিৰক্ষা Defense সম্পৰ্কে সজাগতা।

৩। উদ্দেশ্য বা Motive সম্পৰ্কে সজাগতা।

৪। মূল্যবোধ বা Value সম্পৰ্কে সজাগতা।

এগৰাকী ছাত্ৰই তেওঁৰ মানসিক প্ৰয়োজনীয়তাৰ সম্পৰ্কত স্পষ্ট হোৱা উচিত। মানসিকভাৱে তেওঁ কি বিচাৰে, কোনবোৰ দিশত তেওঁ অধিক দৃঢ় হোৱা উচিত, কোনবোৰ মানসিক কাৰকক তেওঁ ত্যাগ কৰা প্ৰয়োজন, এইবোৰ বিষয়ত তেওঁ ভালকৈ নুবুজিলে, তেওঁৰ চিন্তা প্ৰক্ৰিয়া সদায়েই অস্থিৰ আৰু পৰনিৰ্ভৰশীল হৈ থাকিব।

ঠিক সেইদৰে নিজৰ সুৰক্ষা সম্পৰ্কে সজাগ হোৱাতো আত্ম সজাগতাৰ অন্যতম এক চৰ্ত। নিজৰ সুৰক্ষা সম্পৰ্কে সজাগ নোহোৱা ছাত্ৰ-ছাত্ৰীয়ে সামান্য জটিল পৰিস্থিতিত পৰিলেও নিজকে নিৰাপত্তা দিব নোৱাৰে। আনকি তেনে পৰিস্থিতিত আচলতে কেনে আচৰণ কৰা উচিত সেই সম্পৰ্কতো তেওঁলোকৰ স্পষ্টতা নাথাকে।

আন এক অতি প্ৰয়োজনীয় সজাগতা হৈছে নিজৰ উদ্দেশ্য সম্পৰ্কে সজাগতা। সকলোৰে জীৱনৰ কিছুমান উদ্দেশ্য থাকে। সেই উদ্দেশ্য সম্পৰ্কত যদিহে স্পষ্টতা নাথাকে তেতিয়া হ'লে জীৱনটো দিশহীন জাহাজৰ নাবিকৰ দৰে অৱস্থা হয়। নিজৰ দায়িত্ব, কৰ্তব্য, একোতে priorities কৰিব নজনা হয় তেনে মানুহে।

আন এক অতি প্ৰয়োজনীয় সজাগতা হৈছে মূল্যবোধ সম্পৰ্কে সজাগতা। ব্যক্তি জীৱন তেতিয়াহে সফল হয়, যেতিয়া তেওঁৰ জীৱনৰ মূল্যবোধ থাকে আৰু এই মূল্যবোধ পালন কৰিবলৈ তেওঁৰ মাজত দৃঢ়তা থাকে।

মূল্যবোধে মানুহৰ ব্যক্তিত্বক সন্তোলিত কৰে।

আত্ম সজাগতা থাকিলে আমি সদায় পৰিস্থিতি অনুযায়ী আচৰণৰ বাবে নিজকে প্ৰস্তুত কৰিব পাৰো, যাক ক'ব পাৰি 'Pro activeness' অথবা 'Being Proactive'। Proactive মানে যিকোনো এটা পৰিস্থিতিত সচেতনভাৱে স্ব-ইচ্ছাৰে নিজৰ জীৱনত প্ৰয়োগ কৰা মূল্যবোধেৰে জনোৱা সহাৰি। Proactive নোহোৱা মানুহৰ সমস্যাৰ শেষ নাথাকে। যিকোনো পৰিস্থিতিত আমি যদি reactive আচৰণ কৰো, তেন্তে পৰিস্থিতিটো প্ৰায়েই নেতিবাচক হোৱা দেখা যায়। জীৱনৰ সকলো কথাৰ প্ৰতি প্ৰতিক্ৰিয়াশীল আচৰণ কৰা মুঠেও জৰুৰী নহয়। তাৰ পৰিৱৰ্তে ধৈর্য ধৰি, সেই সময়খিনি পাৰ হৈ যোৱালৈ যদি আমি ৰৈ দিব পাৰো, তেন্তে সময় আমি বিচাৰাৰ ধৰণৰে হ'ব। সমস্যাটো হয় আমাৰ মাজত সেই ধৈর্যশীলতাৰ অভাৱ।

আন এটা বিশেষ সমস্যা হয় আমি আচলতে জীৱনৰ কোনবোৰ কথাৰ প্ৰতি অধিক সজাগ হ'ব লাগে, সেই বিষয়ত আমাৰ স্পষ্টতাৰ অভাৱ। এতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে অধ্যয়নৰ প্ৰতি সজাগ হোৱাতো, নিজৰ সন্তোলিত ব্যক্তিত্ব গঠনৰ প্ৰতি সজাগ হোৱাতো মূল দায়িত্ব। তাৰ পৰিৱৰ্তে যদি সমবয়সৰ আনসকলৰ সৈতে নিজকে তুলনা কৰি, নিজৰ মৌলিকতা দৃঢ় কৰাৰ প্ৰতি সজাগ নহৈ আনৰ ধাৰণাৰে, আনৰ শৈলীৰে জীৱন জীয়াব বিচাৰে, তেনে ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত মানসিক উৎকৰ্ষ সাধন বাধাপ্ৰাপ্ত হয়।

সজাগ হ'ব লাগে নিজকে গঢ়াৰ নামত।

সজাগ হ'ব লাগে নিজকে প্ৰকৃত মানৰ সম্পদ হিচাপে গঢ় দিয়াত। প্ৰত্যেক মানুহেই জন্ম মুহূৰ্তৰ পৰাই এক ক আৰু অনন্য। গতিকে নিজৰ মৌলিকতাৰ প্ৰতি মনোযোগী হৈ, নিজকে যথার্থ অনন্য ব্যক্তি হিচাপে গঢ়িবৰ কাৰণে যি সজাগতাৰ প্ৰয়োজন সেয়াই আত্ম সজাগতা। সেই সজাগতা সকলোৰে থকাতো বৰ জৰুৰী।

লেখকৰ ঠিকনা গুৱাহাটী



অসমীয়া মাধ্যমৰ ভৱিষ্যৎ

■ ৰাতুল কিশোৰ ডেকা

অসমৰ ভাষা, সাহিত্য, শিক্ষা, সংস্কৃতি, সমাজ, ৰাজনীতি, সাংবাদিকতা তথা প্ৰশাসনৰ সৈতে জড়িত অধিকাংশ লোকে সচৰাচৰ নিজৰ সন্তানক মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত পঢ়ুওৱা পৰিলক্ষিত নহয়। এই কথাখিনি গভীৰভাৱে ফঁহিয়াই চালে কেইবাটাও কাৰণ বিচাৰি পোৱা যায়, যিবোৰ জাতি হিচাপেও আমাৰ বাবে শুভলক্ষণ নহয় ।

প্ৰথমতে অসমীয়া মাধ্যমত পঠিয়াবলৈ এৰি দিয়াৰ মুখ্য কাৰণেই হ'ল অসমীয়া মানুহৰ হীনমন্যতাবোধ। এই হীনমন্যতাবোধ ইমান গভীৰলৈ শিপাইছে যে ইংৰাজী সলসলীয়াকৈ ক'ব নোৱৰাটো বহুতৰ কাৰণে লজ্জাৰ বিষয় হৈ পৰিছে। তেওঁলোকে ভাবে যে ইংৰাজী ভালকৈ ক'ব নোৱৰাৰ বাবেই তেওঁলোক পদে পদে সমস্যাৰ সন্মুখীন হৈছে। জীৱনত উচ্চস্থানত থকাৰ পৰা বঞ্চিত হৈছে। ভৱিষ্যৎ প্ৰজন্মই যাতে তেওঁলোকে সন্মুখীন হোৱা সমস্যাৰ সন্মুখীন নহয়, নিজকে সপ্ৰতিভভাৱে সকলোতে উপস্থাপন কৰিব পাৰে, সেই উদ্দেশ্যেই তেওঁলোকে নিজৰ সন্তানক ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ুৱায় আৰু তাকে কৰি মনে মনে এক তৃপ্তি লাভ কৰে।

দ্বিতীয়তে, অন্ধ অনুকৰণত অভ্যস্ত আমাৰ এচাম লোকে সলসলীয়াকৈ ইংৰাজী ক'ব পৰাটোক এক গৌৰৱৰ কাৰণ বুলিও ভাবে। তেওঁলোকে এই কথা নাজানে যে ভালকৈ ইংৰাজী ক'ব পৰা মানে বেছি

অসমীয়া মাধ্যমত পঠিয়াবলৈ এৰি দিয়াৰ মুখ্য কাৰণেই হ'ল অসমীয়া মানুহৰ হীনমন্যতাবোধ। এই হীনমন্যতাবোধ ইমান গভীৰলৈ শিপাইছে যে ইংৰাজী সলসলীয়াকৈ ক'ব নোৱৰাটো বহুতৰ কাৰণে লজ্জাৰ বিষয় হৈ পৰিছে। তেওঁলোকে ভাবে যে ইংৰাজী ভালকৈ ক'ব নোৱৰাৰ বাবেই তেওঁলোক পদে পদে সমস্যাৰ সন্মুখীন হৈছে।

প্ৰতিভা নহয়, ই এটা 'স্কিল'হে। কম্পিউটাৰৰ কাম জনাটো যিদৰে এটা স্কিল, ইংৰাজী ক'ব পৰাটোও ঠিক তেনেকুৱা এটা স্কিল ।

তৃতীয়তে, অসমীয়া মানুহৰ জাতীয়তাবাদ বৰ দুৰ্বল বুলি ক'বই লাগিব। আমাৰ ভাষাটোক লৈ গৌৰৱবোধ বৰ কম। পশ্চিম বংগৰ বিশ্ববিদ্যালয়ত ইংৰাজী সাহিত্যৰ অধ্যাপকৰ মুখতো বাংলা উপন্যাসৰ সংলাপ লাগি থাকে। ছাত্ৰ-ছাত্ৰীৰ মুখতো বাংলা গল্প-উপন্যাসৰ সংলাপ। আমাৰ ইয়াত তেনে পৰিৱেশ আশা কৰিব নোৱাৰি। বিহাৰৰ লোকে হিন্দী-ভোজপুৰী নেৰে, দিল্লী-পাঞ্জাবত হিন্দী নেৰে, দক্ষিণত আকৌ হিন্দীত নকয়। সকলোৱে নিজৰ নিজৰ ভাষিক বৈশিষ্ট্যবোৰ বজাই ৰাখিবলৈ চেষ্টা কৰে। বাংলা নিউজ চেনেলৰ নাম ৰাখে আমাৰ বাংলা, সোণৰ বাংলা, ৰূপসী বাংলা বুলি । আমাৰ চেনেলবোৰৰ নাম অমুক লাইভ, অমুক টাইম, অমুক ৩৬৫, অমুক নিউজ। এইবোৰক অন্ধ আনুগত্য বুলি ক'বনে অত্যধিক আন্তৰ্জাতিক হ'বলৈ কৰা চেষ্টা বুলি ক'ব?

চতুৰ্থতে, কিছু লোকে অসমীয়া মাধ্যমত পঢ়ুৱাবলৈ আশা কৰিলেও অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ বৰ্তমানৰ শোচনীয় অৱস্থায়ে তেওঁলোকক আগবাঢ়িবলৈ নিদিয়ে। কোনো ধৰণৰ সুবিধা নথকা, প্ৰয়োজনীয় আন্তঃগাঁথনি নথকা, আধুনিক সা-সৰঞ্জাম নথকা, সহ-পাঠ্যচৰ্চা সম্বন্ধীয় কাৰ্যকলাপৰ (co-curricular activities) সুবিধা নথকা এখন বিদ্যালয়ত আপুনি আপোনাৰ সন্তানক জানি-বুজি কেনেকৈ পঠিয়ায়? অসম জাতীয় বিদ্যালয়ৰ দৰে স্কুল অসমৰ প্ৰতিখন ঠাইত আছে জানো? বহুতে উপায়হীন হৈ, বাধ্যত পৰিও সেয়ে সন্তানক ইংৰাজী মাধ্যমৰ স্কুললৈ পঠিয়াবলৈ লৈছে।

পঞ্চমতে, মহাত্মা গান্ধীয়ে কৈছিল 'এটি শিশুৰ শাৰীৰিক বিকাশৰ কাৰণে মাকৰ গাখীৰ যিমান প্ৰয়োজনীয়, তাৰ মানসিক বিকাশৰ কাৰণে মাতৃভাষা সিমান প্ৰয়োজনীয়।' কিন্তু এই কথাটোক অনুধাৱন কৰিব পৰা লোকো আমাৰ মাজত কমি আহিছে। এইবোৰৰ ফল আমি সকলোতে ভুগিবলৈ বাধ্য হৈছো। আমাৰ ল'ৰা-ছোৱালীয়ে চেতন ভগত-দুৰ্জয় দত্ত পঢ়ে কিন্তু সৌৰভ কুমাৰ চলিহা-মহিম বৰাক চিনি নাপায়। আনকি কোনো কোনো ল'ৰা-ছোৱালীয়ে নিজৰ মাক-দেউতাকে লিখা কিতাপৰ নামো নাজানে। ইয়াতকৈ লজ্জা বা মাক-দেউতাকৰ কাৰণে অনুতাপৰ কাৰণ কি থাকিব পাৰে? সাহিত্যিক পিতৃ-মাতৃয়ে অসমীয়া ভাষা-সাহিত্যৰ কথা টেটু ফালি চিঞৰি চিঞৰি কয় কিন্তু খোদ তেওঁলোকৰ ঘৰৰ সন্তানেই অসমীয়াত এশাৰী বাক্য লিখিব নোৱাৰে।

এই সমস্যাৰ পৰা উদ্ধাৰ পাবলৈ চৰকাৰে অৱশ্যে এটা পদক্ষেপ ল'ব পাৰে। সেয়া হ'ল এ পি এছ চি বা অসমৰ আন যিকোনো গুৰুত্বপূৰ্ণ পৰীক্ষাত অসমীয়া কাকত এখন বাধ্যতামূলক কৰোৱা। কেৱল এই কামটো কৰিব পাৰিলেই অসমৰ ল'ৰা-ছোৱালীয়ে অসমীয়া পঢ়িলেহেঁতেন বা ভাষাটোৰ গুৰুত্ব উপলব্ধি কৰিলেহেঁতেন। কিন্তু আমাৰ ব্যৱস্থাটোত থকা এই বৃহৎ সুৰুঙাটোৰ বাবেই আমাৰ প্ৰজন্মই ভাষাটোক ক্ৰমাৎ অৱহেলা কৰিবলৈ ধৰিছে আৰু বয়স্কসকলেও সন্তানৰ কথা, ভৱিষ্যতৰ কথা ভাবি ইংৰাজী মাধ্যমলৈ ঢাপলি মেলিছে।

কিন্তু কথা হ'ল আপুনি মূৰত আঘাত পালে আঘাতৰ উপশমৰ কথা ভবা উচিত নে মূৰটোৰ কোনো প্ৰয়োজন নাই বুলি তাক কাটি পেলোৱা উচিত?

লেখকৰ ঠিকনা গুৱাহাটী
ফোন নং ঃ ৮৬৩৮৭২৪৭৪২

ন'বেল বিজয়ী ক্রিকেটাৰ, অলিম্পিয়ান

■ দীপাংকৰ কৌশিক

শিৰোনামটো দেখি ছাগে আচৰিত হৈছে! ন'বেল বঁটাৰ সৈতে ক্রিকেট আৰু অলিম্পিকৰ আৰু কি সম্পৰ্ক আছে। সম্পৰ্ক আছে। এনে দুগৰাকী ন'বেল বিজয়ীৰ কথাৰে এই লেখা।



১৯০০ পেৰিছ অলিম্পিকৰ ক্রিকেটত বিজয়ী দলটো

আয়াৰলেণ্ডৰ বিখ্যাত নাট্যকাৰ, ঔপন্যাসিক ছেমুৱেল বেকেটৰ জন্ম হৈছিল ১৯০৬ চনৰ ১৩ এপ্রিলত। বাল্যকালৰেপৰা তেওঁ ক্রিকেটৰ প্রতি আকৃষ্ট হৈছিল। ডাবলিনৰ ট্রিনিটী কলেজত পঢ়ি থকাৰ সময়ত তেওঁ নিয়মীয়াকৈ ক্রিকেট খেলিছিল। আধুনিক সাহিত্যৰ ছাত্র বেকেট আছিল বাঁওহতীয়া মিডিয়াম পেচ বলাৰ আৰু বেটাৰ। পেছাদাৰী ক্রিকেট বেছি খেলা নাছিল যদিও ডাবলিন বিশ্ববিদ্যালয়ত পঢ়াৰ সময়ত ইংলেণ্ডৰ ক্লাব নৰ্ডাম্পটনশ্বায়াৰৰ বিৰুদ্ধে তেওঁ দুখন প্রথম শ্রেণীৰ মেচ খেলিছিল। সেয়া আছিল ১৯২৫-২৬ চনৰ কথা। ডাবলিন বিশ্ববিদ্যালয়ৰ হৈ খেলা মেচ দুখনৰ চাৰিটা ইনিংছত বেকেটে মাত্র ৩৫ ৰাণ কৰিছিল। সর্বোচ্চস্ক'ৰ আছিল ১৬। বল হাতত লৈও পিছে মেচ দুখনত সফল নহ'ল বেকেট। মুঠতে ২০ অ'ভাৰ বলিং কৰি তেওঁ খৰছ কৰিছিল ৬৪ ৰান। উইকেট লাভত ব্যর্থ হৈছিল। ক্রিকেট কেৰিয়াৰ বৰ বিশেষ দীঘলীয়া নহ'ল বেকেটৰ। পৰৱর্তী সময়ত সাহিত্য আৰু শিক্ষকতাত মনোনিৱেশ কৰে তেওঁ। ১৯৫৩ চনত লিখা 'ৰেটিং ফৰ গডো' নাটকখনৰ জৰিয়তে সমগ্র বিশ্বতেইপৰিচিত হৈপৰিছিল বেকেট। 'এবছার্ড থিয়েটাৰ'ৰ অন্যতম পুৰোধা বেকেটে লিখা বিখ্যাত উপন্যাস তিনিখন আছিল— Molloy, Malone Dies, The Unnamable । উপন্যাস আৰু নাটকৰ ক্ষেত্রত নতুন ধাৰাৰ সৃষ্টি কৰা সাহিত্যিকগৰাকীলৈ ১৯৬৯ চনত আগবঢ়োৱা হৈছিল সাহিত্যৰ ন'বেল বঁটা। প্রথম শ্রেণীৰ ক্রিকেট খেলা প্রথম আৰু এতিয়ালৈ একমাত্র ন'বেল বঁটা বিজয়ীৰূপে পৰিগণিত হৈছিল বেকেট। ক্রিকেটৰ বাইবেল হিচাপে পৰিচিত 'উইজডেন'তো নাম অন্তর্ভুক্ত হৈছিল তেওঁৰ। এনেদৰে 'উইজডেন'ত স্থান পোৱা একমাত্র ন'বেল বিজয়ীও বেকেট। এনে কৃতিত্বৰ অধিকাৰী এতিয়ালৈ আৰু কোনো নাই।

ন'বেল বিজয়ী ক্রিকেটাৰ যেনেদৰে বেকেট তেনেদৰেই আৰু এগৰাকী খেলুৰে আছে যিয়ে অলিম্পিকত পদক জয়ৰ পাছত ন'বেল বঁটাও লাভ কৰিছিল। তেওঁ হৈছে গ্রেট বৃটেইনৰ ফিলিপ ন'ৱেল বেকাৰ।

সেয়া আছিল ১৯২০ চনৰ এণ্টৱার্প অলিম্পিকৰ



ফিলিপ ন'ৰেল বেকাৰ

কথা। ১৫০০ মিটাৰ দৌৰত বৃটেইনৰ ট্ৰেক এণ্ড ফিল্ড দলৰ অধিনায়কগৰাকী সামান্য ব্যৱধানত পৰাস্ত হৈছিল সতীর্থ এলবার্ট হিলৰ হাতত। ৰূপৰ পদকতে ক্ষান্ত থাকিবলগীয়া হৈছিল তেওঁ। এই সফলতাৰ ৩৯ বছৰ পাছত সেই এথলীটগৰাকীয়ে লাভ কৰিছিল শান্তিৰ ন'বেল বঁটা। নিৰস্ত্রীকৰণৰ ক্ষেত্রত কৰা কামৰ স্বীকৃতিস্বৰূপে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছিল। ১৯২৯ চনত সংসদলৈও নির্বাচিত এইগৰাকী ব্যক্তিয়ে The League of Nations at Work আৰু Disarmament শীর্ষক গ্রন্থ দুখনো লিখিছিল। ন'বেল বঁটা গ্রহণ অনুষ্ঠানৰ ভাষণত তেওঁ পাৰমাণৱিক অস্ত্রৰ ভাবুকিৰ প্রসংগ উত্থাপনেৰে কৈছিল—

'Disarmament is ...for every nation. the safest and the most practicable system of defense'-। মন্ত্রী হিচাপে আকৌ ১৯৪৮ চনত লণ্ডনত অলিম্পিক আয়োজনৰ ক্ষেত্রত তেওঁ গুৰুত্বপূর্ণ ভূমিকা লৈছিল। প্রথম বিশ্বযুদ্ধৰ আগত আৰু পাছত অলিম্পিক (১৯১২ চনৰ ষ্টকহম অলিম্পিকত ৮০০ আৰু ১৫০০ মিটাৰ দৌৰত)ত অংশ লৈছিল বেকাৰে। 'শান্তিৰ প্রাংগণ'ত সফলতা অর্জনৰ লগতে শান্তিৰ ন'বেল বঁটা লাভেৰে নিজৰ নাম যুগমীয়া কৰিলে তেওঁ। অলিম্পিক আৰু ন'বেল বঁটাৰ সমন্বয়েৰে বেকাৰে লিখিলে নতুন ইতিহাস। ইফালে আকৌ ১৯০০ চনৰ পেৰিছ অলিম্পিকত অনুষ্ঠিত হৈছিল 'জেণ্টেলমেনছ গেম'। সেইবছৰৰ ১৯-২০ আগষ্টত হোৱা



সতীর্থসকলৰ সৈতে ছেমুৱেল বেকেট

একমাত্র খেলখনত প্রতিদ্বন্দ্বতিতা কৰিছিল গ্রেট বৃটেইন আৰু ফ্রান্সে। হয়, ফ্রান্সে খেলিছিল ক্রিকেট। মেচৰ প্রথমদিনা বৃটেইনে বেটিং কৰি ১১৭ ৰাণ কৰিছিল। প্রত্যুত্তৰত ফ্রান্স দলটো ৭৮ ৰাণতে অল আউট হৈছিল। দ্বিতীয় ইনিংছত বৃটেইনে ৫ উইকেটৰ বিনিময়ত ১৪৫ ৰান কৰি ইনিংছ ঘোষণা কৰে। এনেদৰে আয়োজক দেশখনৰ দলটোক জয়ৰ বাবে প্রয়োজন হৈছিল ১৮৫ ৰানৰ। বৃটেইনৰ বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ফ্রান্সে ২৬ ৰানতে সকলোকেইটা উইকেট হেৰুৱাইছিল। ১৫৮ ৰানত জয়ী হোৱাৰ সূত্রে অলিম্পিক ক্রিকেটৰ প্রথম চেম্পিয়ন হিচাপে বিবেচিত হয় গ্রেট বৃটেইন। বিজয়ী দলটোৱে ৰূপৰ আৰু ৰানাৰ আপ দলে ব্রঞ্জৰ পদক লাভ কৰে। ১৯১২ চনতহে সেই মেচখন অলিম্পিক ক্রীড়া হিচাপে স্বীকৃতি লাভ কৰে আৰু তেতিয়াই দল দুটাকো স্বর্ণ আৰু ৰূপৰ পদক প্রদান কৰা হয়। অলিম্পিকৰ সেই ঐতিহাসিক মেচখনত বৃটেইন দলৰ নেতৃত্বত আছিল চি বি কে বীচক্রফ'ফট আৰু ফ্রান্সৰ অধিনায়ক আছিল ফিলিপ টমালিন। মেচখনত বৃটেইনক প্রতিনিধিত্ব কৰিছিল ডেভন এণ্ড ছমাৰছেট ৰাগুৱার্ছনামৰ ক্লাবটোৱে। আকৌ ফ্রান্সৰ হৈ খেলিছিল ফ্রেন্স এথলেটিক ক্লাব ইউনিয়নে। বেলজিয়াম আৰু নেডাৰলেণ্ডছেও অলিম্পিকৰ ক্রিকেটত সেইবাৰ অংশ লোৱাৰ কথা আছিল যদিও অন্তিম মূহূর্তত দেশ দুখনে নাম প্রত্যাহাৰ কৰে। সুদীর্ঘ ১২৮ বছৰ পিছত আকৌ ক্রিকেট উভতি আহিছে অলিম্পিকলৈ। আমেৰিকা যুক্তৰাজ্যৰ লছ এঞ্জেলছত হ'বলগীয়া ২০২৮ চনৰ অলিম্পিকত অন্তর্ভুক্ত হৈছে টী-২০ ক্রিকেট। পুৰুষ আৰু মহিলা উভয় শাখাতে হ'ব পদকৰ যুঁজ। অলিম্পিকত ক্রিকেটৰ অন্তর্ভুক্তিয়ে ভাৰতৰ বাবে নতুন আশা কঢ়িয়াই অনা বুলি ক'ব পাৰি।

লেখক ঠিকনা গুৱাহাটী



নীৰৱতাৰ মনস্তত্ত্ব

■ শুভম গোস্বামী

কাৰণ নীৰৱতাৰ অর্থ কেৱল শব্দহীনতা নহয়। ইয়াৰ অর্থ নির্ভৰ কৰে- কোন ব্যক্তিৰ সৈতে, কেনে পৰিস্থিতিত আৰু কিয় আমি নীৰৱ হৈ আছো। ঘনিষ্ঠতাৰ মাজৰ নীৰৱতা স্বাভাৱিক হ'ব পাৰে, কিন্তু আচম্বিতা বা উত্তেজনাপূর্ণ পৰিস্থিতিত একেই নীৰৱতাই মন-মগজুক অস্বস্তিত পেলাব পাৰে।

এটা কোঠাত দুজন লোক নীৰৱে বহি আছে। তেওঁলোকৰ মাজত কোনো কথা-বতৰা নাই। টেবুলৰ ওপৰত দুকাপ চাহ। বাহিৰত গাড়ীৰ শব্দ। নিস্তব্ধতা ভাঙি মাজে মাজে কেৱল দুয়োৰে ম'বাইলৰ নটিফিকেচন। কেইছেকেণ্ডমানৰ নীৰৱতা। তাৰ পিছত এজনে ম'বাইলটো হাতত তুলি লয়।

কিয়? কথা ক'বলগীয়া নাছিল নেকি? নে নিস্তব্ধ সময়খিনি বেছি দীঘলীয়া হৈ পৰিছিল? আমি নীৰৱতাক প্রায়ে 'কথাৰ অভাৱ' বুলি ভাবো। কিন্তু মনোবিজ্ঞানৰ দৃষ্টিৰে নীৰৱতা নিজেই একধৰণৰ যোগাযোগ। কেতিয়াবা নীৰৱতাই শান্তি দিয়ে, কেতিয়াবা অস্বস্তিৰ সৃষ্টি কৰে। কেতিয়াবা আকৌ শব্দৰে প্রকাশ কৰা বহু কথাতকৈ বেছি ভাৱ প্রকাশ কৰে নীৰৱতাই।

কিন্তু সকলো নীৰৱতা একে নহয়। আপুনি আপোনাৰ আটাইতকৈ ঘনিষ্ঠ ব্যক্তিগৰাকীৰ সৈতে বহি থাকিলে হয়তো একেবাৰে কথা নাপাতিও ঘণ্টাৰ পিছত ঘণ্টা থাকিব পাৰে। কিন্তু এগৰাকী অচিনাকি ব্যক্তিৰ সৈতে লিফ্টত মাত্র ৩০ ছেকেণ্ড থিয় হৈ থাকিলেই সেই নীৰৱতা কিয় অস্বস্তিকৰ লাগে? কাৰণ নীৰৱতাৰ অর্থ কেৱল শব্দহীনতা নহয়। ইয়াৰ অর্থ নির্ভৰ কৰে- কোন ব্যক্তিৰ সৈতে, কেনে



পৰিস্থিতিত আৰু কিয় আমি নীৰৱ হৈ আছো। ঘনিষ্ঠতাৰ মাজৰ নীৰৱতা স্বাভাৱিক হ'ব পাৰে, কিন্তু আচহুৱা বা উত্তেজনাপূৰ্ণ পৰিস্থিতিত একেই নীৰৱতাই মন-মগজুক অস্বস্তিত পেলাব পাৰে। সেইবাবেই লিফ্‌টত অচিনাকি মানুহৰ কাষত থিয় হৈ থাকোতে আমি এনেই ম'বাইলটো চাওঁ। বিশেষ কাম নাথাকিলেও আমি মগজুক ব্যস্ত কৰিব বিচাৰো।

কেতিয়াবা নীৰৱতাত মগজু অস্থিৰ হয়, কিয়নো মানুহৰ মগজুৱে তথ্য বিচাৰে। কোনোবাই কথা কৈ থাকিলে আমি তেওঁৰ শব্দ, মুখৰ অভিব্যক্তি, কণ্ঠস্বৰ আৰু আচৰণৰ পৰা পৰিস্থিতিৰ বিষয়ে অনুমান কৰিব পাৰো। কিন্তু নীৰৱতাত এই তথ্যবোৰ কমি যায়। তেতিয়া মগজুৱে খালী ঠাইবোৰ নিজেই পূৰ কৰিবলৈ আৰম্ভ কৰে। 'তেওঁ খং কৰিছে নেকি?', 'মই কিবা ভুল ক'লো নেকি?', 'কিবা হ'ব নেকি?', 'তেওঁ কিয় একো কোৱা নাই?' — এনেধৰণৰ প্ৰশ্ন কিছুমান আমাৰ মনলৈ আহে। সমস্যাটো হ'ল, মগজুৱে সদায় সঠিক উত্তৰ নাপায়। আৰু যেতিয়া তথ্য কম থাকে, তেতিয়া আমাৰ অনুমানেই কেতিয়াবা সত্য যেন লাগিবলৈ আৰম্ভ কৰে। সেইবাবেই কোনোবাই এটা মেছেজৰ উত্তৰ নিদিলে আমি কেতিয়াবা নিজৰ মনতে কিছুমান ধাৰণা গঢ়ি লওঁ— 'তেওঁ ব্যস্ত হ'ব পাৰে', 'ফোনটো হাতত নাথাকিব পাৰে', অথবা 'তেওঁ হয়তো সঁচাকৈয়ে কথা পাতিব বিচৰা নাই'। কিন্তু উত্তৰ নোপোৱাৰ সেই নীৰৱ সময়খিনিত আমাৰ মগজুৱে সম্ভাৱনাৰ বহু দুৱাৰ খুলি দিয়ে।

কেতিয়াবা নীৰৱতাই শান্তি দিয়ে। নীৰৱতা সদায় অস্বস্তিকৰ নহয়। কেতিয়াবা নীৰৱতা প্ৰয়োজনীয়। এগৰাকী ব্যক্তিয়ে দিনটো অফিচৰ কোলাহল, ফোন, মিটিং, মেছেজ, গাড়ী, সামাজিক যোগাযোগ আদিত ব্যস্ত থকাৰ পিছত ঘৰলৈ আহি অলপ সময় খিৰিকীৰ কাষত অকলশৰে বহি থাকিব বিচৰাটো অস্বাভাৱিক নহয়। কোনো ফোন নাই, কোনো কথা নাই, মাথোঁ নীৰৱতা। এই নীৰৱতাত মগজুৱে বাহিৰৰ তথ্যৰ পৰা অলপ আঁতৰি নিজৰ ভিতৰৰ কথাবোৰ শুনাৰ সুযোগ পায়। সেইবাবেই কিছুমান মানুহে অকলে একাপ কফি খাবলৈ, অকলে অলপ খোজ কাঢ়িবলৈ বা কেতিয়াবা একো নকৰাকৈ বহি থাকিবলৈ ভাল পায়। অকলশৰীয়া হোৱা আৰু

একান্ত সময় বিচৰা-দুয়োটা একেই কথা নহয়।

নীৰৱতা কেতিয়াবা শাস্তিও হয়। সকলো নীৰৱতা সুস্থ নহয়। সম্পৰ্কত 'ছাইলেণ্ট ট্ৰিটমেণ্ট' বুলি কোৱা আচৰণৰ ক্ষেত্ৰত এগৰাকী ব্যক্তিয়ে ইচ্ছাকৃতভাৱে আন এগৰাকী ব্যক্তিৰ সৈতে কথা পতা বন্ধ কৰি দিয়ে, হয়তো শাস্তি দিবলৈ, নিয়ন্ত্ৰণ কৰিবলৈ অথবা অসন্তুষ্টি প্ৰকাশ কৰিবলৈ। বাহিৰৰ পৰা একো হোৱা যেন নালাগে। কোনো উচ্চবাক্য নাই, কন্দলো নাই। কিন্তু তেনেক্ষেত্ৰত নীৰৱতাই বার্তা হৈ পৰে। 'মই তেওঁৰ সৈতে কথা নাপাতো'— এনে মৌনতাই আনজন ব্যক্তিৰ মনত অনিশ্চয়তা, অপমান বা উদ্বেগ সৃষ্টি কৰিব পাৰে। ইয়াত নীৰৱতা আৰু যোগাযোগৰ মাজৰ সীমা অতি সূক্ষ্ম। কেতিয়াবা কথা নোকোৱাটোও কথা কোৱাৰেই এটা ৰূপ।

কিছুমান নীৰৱতা শব্দতকৈ বেছি শক্তিশালী। কোনো এগৰাকী ব্যক্তিয়ে খবৰ এটা শুনি একো নক'লে। কোনো মাতৃয়ে সন্তানৰ কিছুমান কথাৰ উত্তৰত মাথোঁ কিছু সময় মৌন হৈ থাকিল। কোনো বন্ধুৱে ক্ষমা বিচৰাৰ পিছতো একো উত্তৰ নিদিলে। এই মৌনতাবোৰৰ অর্থ বেলেগ বেলেগ হ'ব পাৰে। হয়তো দুখ, খং, হতাশা, অবিশ্বাস অথবা কেতিয়াবা একেবাৰে কোনো অর্থই নাথাকিব পাৰে। এইটোৱেই নীৰৱতাৰ ক্ষতিকাৰক দিশ, ই স্পষ্ট নহয়। শব্দৰ অর্থ বুজিব পাৰি, কিন্তু মৌনতাৰ অর্থ অনুমান কৰিব লাগে।

ম'বাইলৰ যুগত নীৰৱতা আৰু জটিল হৈ পৰিছে। এসময়ত কোনো ব্যক্তিয়ে আপোনাক ফোন নকৰিলে আপুনি হয়তো ভাবিছিল-তেওঁ ব্যস্ত। এতিয়া আপুনি দেখিব পাৰে— Online, Last seen, Seen, Typing… আৰু তাৰ পিছত একো নাই। ডিজিটেল যুগে নীৰৱতাক আৰু অধিক দৃশ্যমান কৰি তুলিছে। এতিয়া মৌনতা মানে কেৱল কোনো কথা নোকোৱা নহয়; কেতিয়াবা এটা মেছেজ 'seen' কৰাৰ পিছতো ব্যক্তিগৰাকীৰ পৰা কোনো প্ৰত্যুত্তৰ নোপোৱা। এটা নীলা টিকে মানুহৰ মগজুক বহু ঘণ্টাৰ চিন্তাৰ খোৰাক দিব পাৰে। আমি এতিয়া তথ্যৰ যুগত বাস কৰিছোঁ, কিন্তু সেই তথ্যৰ মাজতো অনিশ্চয়তা কমা নাই, বৰং কেতিয়াবা বাঢ়িছে।

মৌন হৈ থাকিব জনাটোও এটা দক্ষতা। আমি কথা ক'বলৈ শিকোঁ, কিন্তু মৌন হৈ থাকিবলৈ শিকোনে? কাৰোবাৰ কথা মাজতে নাকাটি শুনি থকা, তৎক্ষণাত উত্তৰ নিদিয়া, নিজৰ খং কিছু সময় নিয়ন্ত্ৰণ কৰা, প্ৰতিটো খালী মুহূর্ত ম'বাইলেৰে পূৰ নকৰা-

নীৰৱতা কেতিয়াবা শাস্তিও হয়। সকলো নীৰৱতা সুস্থ নহয়। সম্পৰ্কত 'ছাইলেণ্ট ট্ৰিটমেণ্ট' বুলি কোৱা আচৰণৰ ক্ষেত্ৰত এগৰাকী ব্যক্তিয়ে ইচ্ছাকৃতভাৱে আন এগৰাকী ব্যক্তিৰ সৈতে কথা পতা বন্ধ কৰি দিয়ে, হয়তো শাস্তি দিবলৈ, নিয়ন্ত্ৰণ কৰিবলৈ অথবা অসন্তুষ্টি প্ৰকাশ কৰিবলৈ।

এইবোৰ সৰু কথা যেন লাগিলেও মানুহৰ মানসিক স্বাস্থ্যত ইয়াৰ মূল্য আছে। কেতিয়াবা উত্তৰটো তৎক্ষণাত দিয়াতকৈ অলপ সময় নীৰৱে থকাটোৱেই ভাল। আৰু কেতিয়াবা তাৰ সম্পূর্ণ বিপৰীত-বহুদিন ধৰি নোকোৱা কথাটো অৱশেষত কৈ দিয়াটোৱেই প্ৰয়োজনীয়।

নীৰৱতা স্বয়ং ভাল বা বেয়া নহয়। ই এক পৰিস্থিতি। এগৰাকী ব্যক্তিৰ বাবে যি নীৰৱতা শান্তি, আন এগৰাকীৰ বাবে সেইটোৱেই একাকীত্ব। এগৰাকীৰ বাবে নীৰৱতা চিন্তা কৰাৰ সময়, আন এগৰাকীৰ বাবে ই প্ৰত্যাখ্যানৰ সংকেত। সেইবাবেই হয়তো নীৰৱতাক বুজিবলৈ শব্দৰ দৰে ইয়াকো শুনিব লাগে, কাৰণ মানুহে সদায় মুখেৰে কথা নকয়। কেতিয়াবা চকুৱে কয়, কেতিয়াবা আচৰণে কয়। আৰু কেতিয়াবা- কোনো শব্দ নথকাকৈও মানুহে বহু কথা ক'ব পাৰে।

লেখকৰ ঠিকনা গুৱাহাটী



দুর্গতিনাশিনী দুর্গা আদ্যাশক্তি মহামায়া

■ প্রাপ্তি শর্মা

যি শক্তিয়ে বিশ্বজগতক পৰিচালিত কৰিছে সেই শক্তিয়েই হৈছে আদ্যাশক্তি। এই শক্তিক এগৰাকী নাৰীৰ ৰূপত কল্পনা কৰা হয় তেওঁৰেই হৈছে আদ্যাশক্তি মহামায়া। ভাৰতবর্ষ এখন শক্তিকেন্দ্রিক দেশ সেয়েহে ভাৰতবর্ষত অতীজৰে পৰাই দেৱী শক্তিয়েই ধর্মৰ ক্ষেত্রত মুখ্য ভূমিকা লোৱা দেখা গৈছে। অকল ভাৰতবর্ষতেই নহয় প্রাচীন কালত গ্রীচ আৰু ৰোমতো মাতৃশক্তিৰ পূজা অর্চনা কৰা দেখা গৈছিল।

ভাৰতবর্ষত নাৰীক শক্তি আৰু মাতৃৰূপে জ্ঞান কৰা হয়। প্রজনন শক্তিৰ আধাৰ স্বৰূপা নাৰীয়েই দেৱী। ভাৰতবর্ষত কেৱল হিন্দু ধর্মতেই নহয় জৈন আৰু বৌদ্ধ ধর্মাৱলম্বীসকলেও শক্তিক বিভিন্ন ৰূপত পূজা কৰিছিল। শিখগুৰু গুৰু গোবিন্দ সিং ও চণ্ডীৰ উপাসক আছিল।

আজিও আমি শৰৎকালত যাক অকালবোধন বুলিও কোৱা হয় যদিও শক্তিৰ অধিষ্ঠাত্রী দেৱী দুর্গাৰ আৱাহন কৰো। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে শৰৎকালত পালন কৰা দুর্গা পূজাক কিয় অকাল বোধন বুলি কোৱা হয়। আগতে বসন্ত কালত অনুষ্ঠিত বাসন্তী পূজাৰহে প্রচলন আছিল। কিন্তু ভগৱান শ্রীৰামচন্দ্রই ৰাক্ষস ৰাজ ৰাৱনক বধ কৰাৰ নিমিত্তে দুর্গা দেৱীৰ আশীষ বিচাৰি শৰৎকালত দেৱীৰ



বোধন কৰিছিল। অকালতে দেৱীৰ বোধন কৰি শ্রীৰামচন্দ্রই দেৱীৰ শক্তি প্রাপ্তি কৰি অধর্মৰ পৰাজয় ঘটাই জগতত ধর্মৰ প্রতিষ্ঠা কৰিছিল। পিছলৈ শৰৎকালত অনুষ্ঠিত পূজাই শাৰদীয় দুর্গা পূজা হিচাপে বেছি জনপ্রিয় হৈ পৰে। আজিও শৰৎ ঋতুৰ আগমণৰ লগে লগে সকলোৰে মন উছাহেৰে ভৰি পৰে। স্বর্গৰ পৰা ধৰাৰ বুকুলৈ নামি আহি মা দুর্গাই সকলো অপায় অমংগল, অপশক্তিৰ নাশ কৰে বুলি বিশ্বাস কৰে। শক্তিৰ অধিষ্ঠাত্রী এই দেৱী দুর্গাৰ নামৰ বুৎপত্তি হ'ল 'দ' ই দৈত্য বুজাই, 'উ'ৰে বিঘিনি নাশ, 'ৰেফ'য়ে ৰোগনাশ, 'গ' ই পাপনাশক আৰু 'আ' কাৰে শত্রু নাশক বুজায়। গতিকে দৈত্য দানৱ, বিঘিনি, ৰোগ,

পাপ আৰু শত্ৰু ভয়ৰ পৰা যিয়ে আমাক ৰক্ষা কৰে তেওঁয়েই হৈছে মহামায়া দেৱী দুৰ্গা। মাতৃৰ ৰূপত শক্তিৰ অধিষ্ঠাত্ৰী দেৱী দুৰ্গাই হৈছে সৃষ্টিৰ আদ্যাশক্তি স্বৰূপা।

দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ আৰু পূজাৰ প্ৰচলন সম্পৰ্কে বিভিন্ন মতবাদ আছে যদিও দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ অশুভ শক্তি তথা অসুৰ নাশৰ নিমিত্তেই হৈছিল। মহিষাসুৰৰ লগতে আন আন অসুৰ শুম্ভ নিশুম্ভকে ধৰি দৈত্যাসুৰৰ বধৰ উদ্দেশ্যেই দেৱী দুৰ্গাৰ আৱিৰ্ভাৱ হৈছিল। দেৱী দুৰ্গাৰ কেনেকৈ আৱিৰ্ভাৱ হৈছিল সেই সম্পৰ্কেও— ভিন্ন কাহিনী বা উপাখ্যান পোৱা যায়।

শিৱপুৰাণৰ মতে প্ৰাচীন কালত দুৰ্গম নামৰ এক শক্তিশালী দৈত্যাসুৰৰ উৎপাতত দেৱতাগণ থাকিব নোৱাৰা হৈছিল। দৈত্যাসুৰৰ ওপৰত ব্ৰহ্মাৰ বৰদান আছিল সেয়েহে সকলো বেদ লুপ্ত কৰি পেলাইছিল। যাৰ ফলত বেদ অদৃশ্য হোৱাৰ বাবে কোনো বৈদিক কাম কাজ সম্পন্ন হোৱা নাছিল। ব্ৰাহ্মণ আৰু দেৱতাগণৰ ওপৰত মহাপ্ৰলয় হোৱাৰ দৰে হৈছিল কিয়নো যাগ যজ্ঞ, হোম, তপস্যা, দান বন্ধ হৈ গৈছিল যাৰ পৰিণতিস্বৰূপে পৃথিৱীত এশ বছৰ পৰ্যন্ত বৰষুণ হোৱা নাছিল। সেয়েহে চৌদিশে হাহাকাৰ সৃষ্টি হৈছিল। নদ নদী, নল, সৰোবৰ, কুঁৱা সকলো শুকাই গৈছিল। ভোক-পিয়াহত পৃথিৱীৰ সমস্ত জীৱ-জন্তু মৃত্যুমুখত পৰিছিল সেয়ে দেৱতাগণে এই সংকটৰ পৰা মুক্তি লাভ কৰিবলৈ মহেশ্বৰী যোগমায়াৰ শৰণাপন্ন হ'ল।

দেৱতাগণে যোগমায়াক অনুৰোধ জনালে যে 'মহামায়া আপোনাৰ প্ৰজাগণক ৰক্ষা কৰক। ভোজন আৰু পানীৰ অভাৱত সকলো সংজ্ঞাহীন হৈ পৰিছে। ত্ৰিলোক ধ্বংস হোৱাৰ পথত সেয়েহে হে মাতা আপুনি যিদৰে শুম্ভ নিশুম্ভ, চণ্ড মুণ্ড, ৰক্তবীজ, মধু কৈতভ আৰু মহিষাসুৰ আদি অসুৰক বধ কৰি আমাক ৰক্ষা কৰিছিল এতিয়াও দুৰ্গমাসুৰৰ অত্যাচাৰৰ পৰাও আমাক ৰক্ষা কৰক।'

দেৱতাগণৰ প্ৰাৰ্থনা শুনি কৃপাময়ী দেৱীয়ে নিজৰ অনন্ত চকুৰ্দ্বাৰা যুক্ত স্বৰূপৰ দৰ্শন কৰালে। দেৱীয়ে অনন্ত চকুৰ পৰা অশ্ৰুজলৰ ধাৰা প্ৰৱাহিত কৰিলে সকলো লোক তৃপ্ত হ'ল। নদী আৰু সৰোবৰসমূহ পানীৰে উপচি পৰিল। পৃথিৱীত শাক-পাচলি, ফল-মূল অংকুৰিত হ'বলৈ ধৰিলে। দেৱীৰ কৃপাত সমস্ত দেৱতাগণ মনুষ্যৰ লগতে সকলো প্ৰাণী চিৰকৃতজ্ঞ হ'ল।

এইবাৰ দেৱীয়ে দেৱতাসকলক উদ্দেশ্যি সুধিলে 'হে দেৱতাগণ আপোনাসৱৰ আৰু কি কাম সিদ্ধ কৰিব লাগে।'

দেৱতাগণে ক'লে 'হে মা আপুনি যিদৰে সমস্ত জীৱজগতক অনাবৃষ্টিৰ পৰা সংকটমুক্ত কৰিলে এতিয়াও দুষ্ট দুৰ্গমাসুৰক বধ কৰি সি অপহৃত কৰা বেদসমূহক উদ্ধাৰ কৰি ধৰ্মৰ প্ৰতিষ্ঠা কৰি ধৰ্মৰ ৰক্ষা কৰক।'

দেৱী ভগৱতীয়ে 'এবমস্ত' বুলি কৈ অন্তৰ্ধান হ'ল। দেৱীৰ এই কথাত ত্ৰিলোকত যেন আনন্দৰ জোঁৱাৰ উঠিল। ইতিমধ্যে এইকথাৰ ৰহস্য ভেদ কৰি দুৰ্গমাসুৰে দেৱতালোকক ঘেৰি ধৰিলে। এই কথা গম পাই কৰুণাময়ী মাতৃ ভগৱতীয়ে দেৱলোকৰ চাৰিওফালে নিজৰ তেজশক্তিৰে এখন দেৱালয় বনাই দেৱী অসুৰৰ মুখামুখি হ'ল। দেৱীক দেখিয়েই অসুৰবাহিনীয়ে আক্ৰমণ কৰিবলৈ ধৰিলে। দেৱীয়ে দিব্য শৰীৰৰ দ্বাৰা কালী, তাৰা, ছিন্নমস্তা, শ্ৰীবিদ্যা, ভুৱনেশ্বৰী, ভৈৰৱী, বগলামুখী, ধুমাৱতী, ত্ৰিপুৰ সুন্দৰী আৰু মাতংগী দশ অৱতাৰ ধৰি অসংখ্য অস্ত্ৰ-শস্ত্ৰলৈ দুৰ্গমাসুৰৰ শ শ অক্ষৌহিনী সেনাক মুহূৰ্তৰ ভিতৰতে কাটি পেলালে। এইবাৰ দেৱীয়ে হাতৰ ত্ৰিশূল লৈ দুৰ্গমাসুৰৰ বধ কৰি সমস্ত বেদসমূহ উদ্ধাৰ কৰি দেৱতাগণৰ হাতত অৰ্পণ কৰিলে। দুৰ্গমাসুৰক বধ কৰাৰ কাৰণেই দেৱী দুৰ্গা নামেৰে জনাজাত হয় আৰু দুৰ্গতিনাশিনী হেতুকেও আমি দেৱীমাক দুৰ্গা বুলিও কওঁ।

আন এক পু�ৰাণ দেৱী ভাগৱত পুৰাণ অনুসৰি দেৱী দুৰ্গাৰ আৱিৰ্ভাৱৰ কাৰণ হৈছে যেতিয়া তাৰকাসুৰৰ উৎপাতত দেৱতাসকল অতীষ্ঠ হৈ পৰিছিল তেতিয়া তেওঁলোক ভগৱান বিষ্ণুৰ শৰণাপন্ন হ'ল। বিষ্ণুৰ নিৰ্দেশ অনুযায়ী দেৱতাসকলে দেৱীৰ আৰাধনা কৰিবলৈ ধৰিলে। দেৱতাসকলৰ আৰাধনাত দেৱী সন্তুষ্ট হৈ এক আদ্যাশক্তিৰ প্ৰকাশ হয়। এই আদ্যাশক্তিয়েই হিমালয় পুত্ৰীৰূপে প্ৰকট হৈ অসুৰ নিধনৰ লগতে সময়ে সময়ে দেৱতাসকলৰ মংগল সাধন কৰে।

আদ্যাশক্তি মহামায়া দেৱী দুৰ্গাক লৈ পুৰাণসমূহত

বিভিন্ন আখ্যান আছে যদিও তাৰেই মাজতে 'মহিষাসুৰ বধ' আখ্যানটো আটাইতকৈ জনপ্ৰিয়। মহিষাসুৰ আছিল অতি পৰাক্ৰমী অসুৰ। কঠোৰ তপস্যাৰ জৰিয়তে মহিষাসুৰে পৰমপিতা ব্ৰহ্মাৰ পৰা বৰদান লাভ কৰিছিল আৰু সেই বৰ অনুসৰি মহিষাসুৰক কোনো দেৱতা, মানুহ বা দৈত্যই বধ কৰিব নোৱাৰে। সেয়েহে মহিষাসুৰৰ বধ কোনো নাৰীৰ হাতত হে হ'ব। পৰমপিতা ব্ৰহ্মাৰ বৰ পাই মহিষাসুৰৰ উৎপাত বাঢ়ি গৈছিল। পাতাল লোক আৰু মৰ্ত্যলোকত আক্ৰমণ কৰি নিজৰ অধীন কৰাৰ পিছত মহিষাসুৰে ইন্দ্ৰলোকতো আক্ৰমণ কৰিবলৈ ধৰিলে। চণ্ডী পুৰাণ অনুসৰি দেৱৰাজ ইন্দ্ৰ আৰু মহিষাসুৰৰ মাজত প্ৰায় এশ বছৰ ধৰি যুদ্ধ হৈছিল। এই যুদ্ধত দেৱৰাজ ইন্দ্ৰই পৰাজয় বৰণ কৰিবলগীয়া হোৱাত প্ৰজাপিতা ব্ৰহ্মাক লগত লৈ অন্য দেৱতাসকলৰ সৈতে দেৱাদি দেৱ-মহাদেৱ আৰু ভগৱান বিষ্ণুৰ ওচৰ পালেগৈ। মহাদেৱ আৰু বিষ্ণুৰ আগত তেওঁলোকৰ দুখ-যাতনাৰ সমগ্ৰ বৰ্ণনা দিলে। মহাদেৱ আৰু বিষ্ণুৱে তেওঁলোকৰ দুখৰ কথা অনুভৱ কৰিব পৰাত তেওঁলোকৰ মুখৰ পৰা মহাতেজ নিৰ্গত হয়। পৰমপিতা ব্ৰহ্মাৰ লগতে আন আন দেৱতা ইন্দ্ৰ, সূৰ্য, বায়ু, অগ্নি আদি দেৱতাসকলৰ দেহৰ পৰাও তেজ নিৰ্গত হয় আৰু সমগ্ৰ তেজ একত্ৰিত হৈ এক নাৰী শক্তিৰ সৃষ্টি হয়। এই মহাশক্তি নাৰীৰ দেহৰ বিভিন্ন অংগ-প্ৰত্যংগসমূহো দেৱতাগণৰ তেজৰ পৰা সৃষ্টি হয়। মহাদেৱৰ তেজৰ পৰা মুখ, বিষ্ণুৰ তেজৰ পৰা হাত, ব্ৰহ্মাৰ তেজৰ পৰা ভৰি, চন্দ্ৰৰ তেজৰ পৰা স্তনদ্বয়, সূৰ্যৰ তেজৰ পৰা ভৰিৰ আঙুলি, অগ্নিৰ তেজৰ পৰা ত্ৰিনয়ন। অতীৱ সুন্দৰী, মহাশক্তিৰ অধিকাৰিণী দেৱীক মহাদেৱে নিজৰ শূলৰ পৰা আন এটা শূল দিয়ে। বিষ্ণু, চন্দ্ৰ, ইন্দ্ৰ তিনিও দিলে বজ্ৰ, ব্ৰহ্মাই দিলে কমণ্ডলু, সূৰ্যই দিলে তেজ, জলদেৱীয়ে পদুমৰ মালা দিলে। এই সকলোবোৰ পাই দেৱী ঐশ্বৰ্যময়ী অত্যন্ত সুন্দৰী শক্তিময়ী হৈ প্ৰকট হ'ল। শক্তিৰ আধাৰস্বৰূপা দেৱীক গিৰিৰাজ হিমালয়ে বাহনস্বৰূপে সিংহ দিলে। মহিষাসুৰে এই অপৰূপ সৌন্দৰ্যৰ অধিকাৰী দেৱীক দেখা পাই বিবাহৰ প্ৰস্তাৱ দিয়ে। মহিষাসুৰৰ এই কৰ্মত দেৱী অত্যন্ত ক্ৰোধান্বিত হয় আৰু দেৱীয়ে সু-সজ্জিত সিংহবাহিনী লগত লৈ মহিষাসুৰৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। এইদৰে ন দিন যুদ্ধ কৰি মহাশক্তিৰ অধিকাৰিণী মহাদেৱীয়ে দহ দিনৰ দিনা হাতৰ খৰ্গৰে মহিষাসুৰৰ শিৰচ্ছেদ কৰে। মহিষাসুৰ বধৰ খবৰ পাই দেৱতাগণ উল্লাসিত হয় আৰু দেৱীৰ স্তুতি কৰিবলৈ ধৰে আৰু দেৱীয়ে দেৱতাসকলক সদায় সহায়তা কৰাৰ আশ্বাস দি অন্তৰ্ধান হয়।

বিভিন্ন পুৰাণত ভিন্ন নামেৰে মহামায়া জগত জননী দুৰ্গা দেৱীৰ অজস্ৰ ৰূপৰ বৰ্ণনা কৰা হয় যদিও নৱৰাত্ৰিৰ এই নটা ৰূপত শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতিপদৰ পৰা নৱমীলৈকে বিশেষকৈ এই নটা দিনত দেৱীৰ নটা ৰূপৰ পূজা-অৰ্চনা কৰা হয়। জনবিশ্বাস মতে দুৰ্গা পূজাৰ এই নটা দিনত অৰ্থাৎ নৱৰাত্ৰিত দেৱীৰ এই নটা ৰূপ জাগ্ৰত হয় সেয়েহে বহুতে এই নৱৰাত্ৰিৰ নটা দিন উপবাসে কটাই দশমীৰ দিনাহে ব্ৰতভংগ কৰে। দেৱী দুৰ্গাৰ এই নটা ৰূপ হৈছে—

১। শৈলপুত্ৰী, ২। ব্ৰহ্মচাৰিণী, ৩। চন্দ্ৰঘণ্টা, ৪। কুষ্মাণ্ডা, ৫। স্কন্দমাতা, ৬। কাত্যায়নী, ৭। কালৰাত্ৰি, ৮। মহাগৌৰী, ৯। সিদ্ধিদাত্ৰী আৰু দশমীৰ দিনা দেৱীক অপৰাজিতা নামেৰে জনা যায়।

পৃথিৱীত ৰাক্ষস, অসুৰৰ উৎপাতত দেৱতা আৰু মানুহ তিষ্ঠিব নোৱাৰাৰ কাৰণে দেৱীৰ আৱিৰ্ভাৱ হৈছিল আৰু মহাশক্তিৰ অধিকাৰী দেৱী দুৰ্গাই মানুহ আৰু দেৱতাৰ সুৰক্ষাৰ খাতিৰত আসুৰিক শক্তিৰ সংহাৰ কৰি শান্তিৰ প্ৰতিষ্ঠা কৰিছিল। এই সংহাৰ কোনো জীৱৰ বলি দি হোৱা নাছিল বৰঞ্চ মানুহৰ ভিতৰত থকা আসুৰিক প্ৰবৃত্তি তথা ৰিপুসমূহৰহে বিনাশ আছিল। আজিও আমি প্ৰত্যেকেই আসুৰিক প্ৰবৃত্তি তথা সমাজৰ অপশক্তিসমূহক নাশ কৰি সমাজত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ উদ্দেশ্যে দেৱীমাৰ আশীষ বিচাৰো।

এই বিশ্বাস আস্থাৰ ভিত্তিতেই ভক্তসকলে শৰৎ কালত অতি আড়ম্বৰেৰে দুৰ্গা পূজা পালন কৰে যাতে মহামায়া আদ্যাশক্তিৰ আগমনত আসূয়া অশান্তি , ৰোগ ব্যাধি, অধৰ্মীৰ বিনাশৰ জৰিয়তে পুনৰ ধৰ্ম আৰু শান্তিৰ প্ৰতিষ্ঠা হয়। আৰু চৌদিশে মন্ত্ৰোচ্চাৰণ কৰে—

'যা দেৱী স্ৱৰ্বভূতেষু শক্তিৰূপেণ সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।'

লেখকৰ ঠিকনা তেজপুৰ
ফোন নং ঃ ৯৯৫৪৭৮৩৭৬৩, ৯৯১৩০১২১২৯

এখন সুস্থ সমাজ আৰু আজিৰ প্ৰজন্ম

■ প্ৰতুল শৰ্মা



সন্তানৰ ভৱিষ্যৎ আমি মাক-বাপেকবোৰে কংক্ৰিত কৰিব পাৰিম নে এইটো এটা অভিভাৱকবোৰৰ ডাঙৰ চিন্তা। আমাৰ সন্তানবোৰক প্ৰকৃতাৰ্থত মানুহ হিচাপে গঢ় দিবলৈ প্ৰত্যেক অভিভাৱকে সপোন দেখে। কিন্তু বাস্তৱ জানো সিমান মসৃণ।

বৰ্তমান সমাজত আমি ভৱিষ্যতৰ বাবে জীৱনৰ Protection বিচাৰি জীৱন বীমা কৰো অথবা স্বাস্থ্য বীমা কৰি ৰাখো। এই চিন্তাবোৰ ভৱিষ্যৎ সুৰক্ষাৰ বাবে বহুত Positive হয়। কাৰণ উপাৰ্জনৰ মূল মানুহজনৰ কিবা ক্ষয়-ক্ষতি হ'লে পৰিয়ালৰ সামূহিক ক্ষয়-ক্ষতি হয়। এইটো আমি তথাকথিত সমাজ ব্যৱস্থাও সকলোৱে জ্ঞাত।

লগতে আমি ল'ৰা-ছোৱালী হালৰ বাবে বা সন্তানৰ বাবে ভাল স্কুল, ভাল টিউচন, ভাল শিক্ষক, ভাল 'Mark' কঢ়িয়াবলৈ বহুতো ব্যৱস্থা লওঁ। আমাৰ বৈষয়িক জীৱনত সকলো বস্তু আমি কংক্ৰিত কৰি ল'ব বিচাৰো। যেনে— ঘৰটো ভালকৈ সজোৱা, আচ-বাবোৰ ভাল, দামি বা স্থায়ী, গাড়ীখন ভালৰো ভাল। কিন্তু বহুতোৰ জীৱনত এই সকলোবোৰ একেলগে পোৱা সম্ভৱ নহয়। তথাপি টকা-পইচা প্ৰচুৰ পৰিমাণে হ'লে এই বৈষয়িক বিষয়বোৰৰ আমি অভাৱ পৰিপূৰ্ণ কৰিব পাৰো।

কিন্তু সন্তানৰ ভৱিষ্যৎ আমি মাক-বাপেকবোৰে কংক্ৰিত কৰিব পাৰিম

নে এইটো এটা অভিভাৱকবোৰৰ ডাঙৰ চিন্তা। আমাৰ সন্তানবোৰক প্ৰকৃতাৰ্থত মানুহ হিচাপে গঢ় দিবলৈ প্ৰত্যেক অভিভাৱকে সপোন দেখে। কিন্তু বাস্তৱ জানো সিমান মসৃণ।

সেয়ে ল'ৰা-ছোৱালীবোৰক শিশু অৱস্থাৰ পৰা এটা সুস্থ পৰিৱেশত ৰাখিবলৈ এটা পৰিৱেশ গঠন কৰিব লাগিব পৰিয়ালত। যেনে— সজ আচৰণ, জ্যেষ্ঠজনক সন্মান, পৰিয়ালৰ ওচৰ-চুবুৰীয়া অথবা আত্মীয়-স্বজনৰ লগত স্বাভাৱিকতা প্ৰদৰ্শন। এইবোৰৰ আমি নজৰ ৰাখিব লাগিব। এইক্ষেত্ৰত ঘৰখনত মাকজনীৰ ভূমিকা গুৰুত্বপূৰ্ণ হয়। মাকজনীয়ে ল'ৰা-ছোৱালীৰ লগত একাত্ম হৈ তেওঁলোকৰ আচৰণ-বিচৰণত নজৰ ৰাখিব লাগিব।

তদুপৰি মাজে মাজে পৰিয়ালত চলি থকা অনুষ্ঠান, আত্মীয়-স্বজনৰ উপস্থিতিয়েই ল'ৰা-ছোৱালীক বৌদ্ধিক দিশৰ উৎকৰ্ষণ সাধন কৰে। আৰু এই পৰিয়ালৰ নান্দনিক পৰিৱেশেই ল'ৰা-ছোৱালী 'Confident' অথবা 'Smart' হ'বলৈ উদ্‌গনি যোগায়।

অন্যথা, মাক-বাপেকে ল'ৰা-ছোৱালীক জোৰ কৰি 'Smart' হ'বলৈ উপদেশ দিয়া ব্যৱস্থাটো অমূলক বুলি ক'ব পৰা যায়।

এইখিনিতে এটা আলোকপাত কৰিব লগা কথা হ'ল এজন ভাল অভিভাৱক আৰু শিশুসকলৰ বাবে কথা অনুশাসন। আমি মাক-বাপেকেবোৰে এজন ভাল অভিভাৱক হয় নে নহয় নিজকে প্ৰশ্ন কৰিব লাগিব। অভিভাৱকবোৰৰ অধ্যায়নৰ (Learning) বহুত প্ৰয়োজন আছে। য'ক শিশুবোৰক উৎকৰ্ষ সাধনৰ বাবে এটা পৰিৱেশ স্থাপন হয়— 'ঘৰখনত'।

ল'ৰা-ছোৱালীবোৰক যদি আমি উপযুক্ত অনুশাসনৰ মাজেদি আগুৱাই দিব নোৱাৰো তেন্তে উপযুক্ত বয়সত সিহঁতৰ পৰা মাক-বাপেকবোৰে উচিত মান্যতা পোৱাটো টান হয়। উদাহৰণস্বৰূপে মাক-বাপেকে কেতিয়াবা ল'ৰা-ছোৱালীক এইটো নকৰিবি, সেইটো নকৰিবি, আলহি আহিলে ওলাই নাহিবি, নিজৰ কোঠাত পঢ়ি থাকিবি, ৰাস্তাত গৈ থকা সময়তো মানুহক মাতবোৰ কৰিবলৈও বাধা প্ৰদৰ্শন কৰা দেখা যায়।

এনেকুৱা ধৰণে কেতিয়াবা মাক-বাপেকক তথাকথিত অনুশাসনে ল'ৰা-ছোৱালীক বিপথে পৰিচালিত কৰে। যাৰ ফলত পিতৃ-মাতৃ আৰু সন্তানৰ মাজত থকা মান্যতা আধ্যাত্মিক সম্পৰ্ক বিঘ্নিত হোৱা দেখা যায়।

আজি কেইদিনমান আগতে গুৱাহাটীত ঘটি যোৱা এটা ঘটনা— এহাল নৱবিবাহিত দম্পত্তিয়ে পৰস্পৰে হিংসাত ঘৃণিত হৈ অট্টালিকাতে মুণ্ডন শিৰচ্ছেদ কৰা ঘটনা সকলোৰে দৃষ্টিগোচৰ হৈছে। ইয়াৰ আঁৰত আছে ড্ৰাগ্‌চ অথবা নিচাযুক্ত দ্ৰব্য সেৱন আৰু নিজৰ মাজত থকা প্ৰেমিক-প্ৰেমিকাৰ নীতিজ্ঞানে শূন্য স্বভাৱ-মাসিক অৱস্থা।

প্ৰচুৰ মাক-বাপেকৰ মৰম যেতিয়াই যিকোনো বস্তু শিশুৰ মাজত সুলভ কৰি দিয়া বা সহজতে পোৱা, মাক-বাপেকৰ ফিতাহী মৰা কথা, মৰ্যাদাৰ দোহাই দি আধুনিক বেশ-ভূশাত ব্যস্ত থকা, নিজকে সংস্কৃবান বুলি জাহিৰ কৰা মিছা অভিনয়ে সমাজ তথা ল'ৰা-ছোৱালীক বিপথগামী কৰিছে।

ফলত মাক-বাপেকবোৰে বহুত চেষ্টা কৰিও ল'ৰা-ছোৱালীৰ লগত অথবা তেনেকুৱা সন্তানৰ লগত আত্মীয়তা কৰিবলৈ টান হ'ব।

তথাকথিত সমাজত আৰু এটা ব্যধি অথবা প্ৰচলিত বেয়া ব্যৱস্থা হৈছে— আত্মীয়-স্বজনৰ মাজত দূৰত্ব বৃদ্ধি হৈছে। আপোনজনৰ লগত কথাৰ সুৰছন্দৰ পৰিধিৰ পৰিবৰ্তন ঘটিছে— য'ত কেতিয়া পৰিয়াল-পৰিৱেশ বিঘ্নিত হৈছে। উপযুক্ত মান্যতা প্ৰদৰ্শনৰ অভাৱে আত্মমৰ্যাদা হানি কৰিছে।

গতিকে, এখন সুস্থ সমাজ পাবলৈ হ'লে সাধৰণতে মাক-বাপেকবোৰ প্ৰকৃত অভিভাৱকৰ নিদৰ্শন হ'বলৈ চেষ্টা বা কচৰৎ কৰিব লাগিব। য'ত সামাজিক সুস্থিৰতা, মান্যতা, অধ্যাত্মিকতাৰ সংযোগ অথবা প্ৰজ্ঞাৰ বান্ধোন, সহনশীলতা ইত্যাদি শব্দবোৰৰ বাস্তৱ প্ৰতিচ্ছবিত হয়।

লেখকৰ ঠিকনা গুৱাহাটী

কঁহুৱা

শৰতৰ বুকুত শৈশৱৰ নষ্টালজিয়া

■ ড° গীতাঞ্জলি গোস্বামী



শৰৎ আহিলেই মোৰ মনটো পুৰণি দিনবোৰলৈ উৰি যায়। বৰষুণৰ দিনবোৰ শেষ হৈ আকাশখন ফৰকাল হৈ পৰে। শীতল হৈ পৰে বতাহ। পথাৰ আৰু নদীৰ পাৰত শুভ্ৰ কঁহুৱা ফুলেৰে ভৰি পৰে। কঁহুৱা হালিবলৈ ধৰিলেই মনত শৈশৱৰ বহু নষ্টালজিয়া সজীৱ হৈ উঠে।

সময় এতিয়া বহু সলনি হ'ল। বহু মানুহ আমাৰ জীৱনৰ পৰা আঁতৰি গ'ল। বহু ঠাই আগৰ দৰে নাই। কিন্তু কিছুমান স্মৃতি সদায় সজীৱ হৈ থাকে। কঁহুৱা মোৰ বাবে স্মৃতিৰ এখিলা পাত হৈ থাকি গ'ল। কঁহুৱা দেখিলেই যেন শৈশৱলৈ উভতি যাওঁ। মোৰ এজন মামাৰ এখন ট্ৰাক আছিল। সেই সময়ত গাঁৱত কাৰোবাৰ ট্ৰাক থকাটো বৰ ডাঙৰ কথা আছিল। ট্ৰাকখনৰ শব্দ শুনিলেই আমি আনন্দত দৌৰি গৈছিলো। ট্ৰাকখনে সাধাৰণতে গাঁওখনৰ বহুতৰ বহু বস্তু কঢ়িয়াই আনিছিল। সেইবোৰক লৈ আমাৰ আনন্দ আছিল সুকীয়া। এদিন মামাই ট্ৰাকখন নদীৰ পাৰলৈ কিবা কামত পঠিয়াইছিল। মামাই আমাক কৈছিল, 'আজি ট্ৰাকখন নদীৰ পাৰলৈ গৈছে। আবেলি তোমালোকে একোডালকৈ কঁহুৱা পাবা।' কথাষাৰ শুনি আমাৰ আনন্দৰ সীমা নাছিল। আমি তেতিয়া সৰু আছিলো। কঁহুৱা যে এবিধ ঘাঁহ, সেই কথা আমি নাজানিছিলো। আমাৰ বাবে কঁহুৱা আছিল খেলৰ বস্তু। আবেলি ট্ৰাকখন আহিলেই আমি দৌৰি গৈছিলো। কোনোবাই এডাল, কোনোয়ে দুডাল সেইটোও আমাৰ মাজত এক সৰু প্ৰতিযোগিতা আছিল। এডাল কঁহুৱা হাতত পোৱাটোৱেই যেন সেইদিনাৰ আটাইতকৈ ডাঙৰ আনন্দ আছিল।

শৈশৱৰ সুখবোৰ কিমান সৰু সৰু কথাত লুকাই আছিল। এডাল কঁহুৱা, কেইজনমান লগৰীয়া এইবোৰেই আমাৰ বাবে এখন সম্পূৰ্ণ পৃথিৱী আছিল। আজি সেই ট্ৰাকখন নাই। মামাৰ ঘৰখনো আগৰ দৰে নাই। সেই পদুলিও নাই। বহু মানুহো নাই। কিন্তু শৰৎ আহিলেই কঁহুৱা দেখিলেই মনলৈ সেই দিনবোৰ আকৌ উভতি আহে।

অসমৰ প্ৰকৃতিত শৰতৰ এক বিশেষ স্থান আছে। বৰষুণৰ পিছত আকাশ ফৰকাল হয়, ৰ'দ কোমল হয় আৰু বতাহত শীতল পৰশ অনুভৱ হয়। নদীৰ পাৰ আৰু পথাৰত যেতিয়া কঁহুৱা ফুলে, দূৰৰ পৰা এনে লাগে যেন সেউজীয়া মাটিৰ ওপৰত কোনোবাই এখন শুভ্ৰ দলিচা পাৰি থৈছে।

কঁহুৱাৰ বৈজ্ঞানিক নাম 'Saccharum Spontaneum'। ই এক তৃণজাতীয় উদ্ভিদ। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ নদীৰ পাৰ, চাপৰি, পলসুৱা মাটি আৰু জলাশয়ৰ ওচৰত কঁহুৱা যথেষ্ট দেখা যায়। সৰুতে এইবোৰ ইমান নাজানিছিলো। কটন কলেজত উদ্ভিদ বিদ্যা বিভাগৰ ছাত্ৰী হৈ পঢ়াৰ সময়তহে কঁহুৱাক নতুনকৈ চিনি পাইছিলো। তেতিয়াহে জানিলো, শৈশৱৰ সেই শুভ্ৰ ফুলবিধ কেৱল দেখিবলৈ ধুনীয়াই নহয়, প্ৰকৃতিৰ বাবেও ই যথেষ্ট গুৰুত্বপূৰ্ণ।

কঁহুৱাৰ শিপাই মাটি ধৰি ৰখাত সহায় কৰে। নদীৰ পাৰৰ মাটি খহি যোৱাত কিছু পৰিমাণে বাধা দিয়ে। বানপানীৰ পিছত নতুন মাটিতো কঁহুৱা সোনকালে গজি উঠে। অসমৰ ঘাঁহনিবোৰো বহু বন্যপ্ৰাণীৰ বাবে গুৰুত্বপূৰ্ণ। কাজিৰঙা, মানস আদি অঞ্চলৰ ঘাঁহনিত গঁড়, হাতী, বনৰীয়া ম'হ আদি বিভিন্ন প্ৰাণীয়ে খাদ্য আৰু আশ্ৰয় লাভ কৰে। কঁহুৱা এনে ঘাঁহনিৰ এক অংশ। সেয়ে কঁহুৱা আমাৰ প্ৰকৃতিৰো এক অপৰিহাৰ্য অংশ।

কঁহুৱাৰ পৰম্পৰাগত ঔষধি ব্যৱহাৰৰ কথাও জনা যায়। বিশেষকৈ ইয়াক মূলতঃ আয়ুৰ্বেদ আৰু লোকচিকিৎসাত ব্যৱহাৰ কৰাৰ কথা জনা যায়। কিছুমান পৰম্পৰাগত চিকিৎসা পদ্ধতিত ইয়াক মূত্ৰৰ সমস্যা, হজমৰ সমস্যা আৰু কিছুমান আন শাৰীৰিক সমস্যাত ব্যৱহাৰ কৰা হৈছিল। আধুনিক গৱেষণাতো কঁহুৱাত কিছুমান উপকাৰী উদ্ভিদ-উপাদান থকাৰ কথা প্ৰমাণ পোৱা গৈছে। কঁহুৱা সন্দৰ্ভত অধিক গৱেষণাৰ প্ৰয়োজন আছে। পুৰণি দিনত শুকান কঁহুৱাও মানুহৰ ব্যৱহাৰ্য সম্পদ আছিল। আধুনিক সময়ত এই ব্যৱহাৰ বহু কমি গৈছে। তথাপি পুৰণি গাঁৱলীয়া জীৱনৰ সৈতে কঁহুৱাৰ এক বিশেষ সম্পৰ্ক আছিল।

বহু অসমীয়া গীত আৰু সাহিত্যতো কঁহুৱাৰ উল্লেখ আছে। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ বিখ্যাত গীত 'কঁহুৱা বন মোৰ অশান্ত মন' কঁহুৱাৰ সৈতে জড়িত আটাইতকৈ পৰিচিত গীতসমূহৰ এটা। ইয়াত চঞ্চল কঁহুৱাক মানুহৰ অশান্ত মনৰ সৈতে তুলনা কৰা হৈছে। আন এটা গীতত কঁহুৱাৰ সুন্দৰ প্ৰয়োগ হৈছে 'তোমাৰ উশাহ কঁহুৱা-কোমল'। ইয়াত কঁহুৱা প্ৰেম আৰু কোমলতাৰ প্ৰতীক হিচাপে প্ৰতিফলিত হৈছে।

গীতিকবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' নামটোও কঁহুৱা আৰু শৰতৰ সৌন্দৰ্যৰ সৈতে জড়িত। এইবোৰৰ পৰা বুজিব পাৰি যে অসমীয়া গীত আৰু সাহিত্যত কঁহুৱাৰ এক সুকীয়া স্থান আছে। কঁহুৱা মোৰ বাবে কেৱল এটা উদ্ভিদ নহয়। ই কেতিয়াবা শৈশৱ, কেতিয়াবা প্ৰেম আৰু কেতিয়াবা পুৰণি স্মৃতি।

কঁহুৱাই শিকায় জীৱনৰো পাঠ। বতাহ দিলে কঁহুৱা দোলে। বৰষুণত নত হয়। বান আহিলে বহু কঁহুৱা উটি যায়। কিন্তু পানী কমি গ'লে আকৌ গজি উঠে। মানুহৰ জীৱনো তেনেকুৱাই। জীৱনত কেতিয়াবা কঠিন সময় আহে। কেতিয়াবা আমি নত হ'ব লগা হয়। কেতিয়াবা বহু কথা হেৰুৱাব লগা হয়। কিন্তু সেইটো শেষ নহয়। নিজৰ শিপাডাল শক্তিশালী কৰি ৰাখিব পাৰিলে আকৌ নতুনকৈ উঠিব পৰা যায়। কঁহুৱা কোমল, কিন্তু দুৰ্বল নহয়।

আজিৰ দিনত নদীৰ পাৰৰ পৰিৱৰ্তন, নগৰীকৰণ আৰু মাটিৰ ব্যৱহাৰ সলনি হোৱাৰ বাবে বহু প্ৰাকৃতিক ঘাঁহনি কমি আহিছে। কঁহুৱাৰ দৰে সৰু সৰু উদ্ভিদবোৰৰো প্ৰকৃতিত নিজৰ কাম আছে। সেয়ে ইয়াক সংৰক্ষণ কৰাটোও প্ৰয়োজনীয়। কঁহুৱা অসমৰ নদীমাতৃক সমাজৰ সৈতে জড়িত। কঁহুৱা ব্ৰহ্মপুত্ৰৰ চাপৰিৰ সৈতে জড়িত। কঁহুৱা অসমৰ ঘাঁহনিৰ সৈতে জড়িত। কঁহুৱা পুৰণি গ্ৰাম্য জীৱনৰ সৈতে জড়িত। কঁহুৱা আমাৰ গীত আৰু সাহিত্যৰ সৈতে জড়িত। আৰু মোৰ বাবে কঁহুৱা মোৰ শৈশৱৰ এক নষ্টালজিয়া।

কঁহুৱা সেয়ে মোৰ বাবে কেৱল শৰতৰ ফুল নহয়। ই মোৰ অতীতৰ সৈতে বৰ্তমানৰ সংযোগ। ই মোৰ শৈশৱৰ এক মধুৰ স্মৃতি। আৰু যেতিয়ালৈ শৰৎ আহিব, যেতিয়ালৈ নদীৰ পাৰত কঁহুৱা দুলিব, তেতিয়ালৈ মোৰ সেই শৈশৱৰ দিনবোৰো হয়তো মোৰ মনৰ ভিতৰত এনেদৰেই জীয়াই থাকিব।

লেখকৰ ঠিকনা কলকাতা



দুর্গা পূজা, শেৱালি আৰু কিছু অনুভৱ

■ ডেইজী পাঠক

আগতে পূজা বুলি ক'লেই আনন্দত মনটোৱে নাচি-বাগি থাকিছিল। পূজা কেতিয়া আহিব, কেতিয়া আহিব কেলেণ্ডাৰখন চাই চাই দিন হিচাপ কৰি থাকো। পূজাত কি কি কিনিম মনতে গুণাগাঁথা কৰি থাকো। মোৰ পূজাত নতুন কাপোৰ কিনাতকৈ বেছি চখ আছিল পুতলা কিনাৰ। প্ৰত্যেকদিনাই গধূলি সময়ত মা-দেউতা আৰু ভাইটিহঁতৰ লগত পূজা চাবলৈ যাওঁ আৰু সদায় এটা এটা পুতলা কিনো আৰু ৰাতি মোৰ লগতে শুৱাই ৰাখো। মাজে মাজে ৰাতি উঠি পুতলাকেইটাৰ কাপোৰো উৰাই দিওঁ ঠাণ্ডা পাব বুলি।

এদিন গধূলি সময়ত আমি সকলোৱে পূজা চাবলৈ ওলাই গ'লো। চাৰিওফালে উৎসৱমুখৰ পৰিৱেশ। ঠায়ে ঠায়ে পূজা মণ্ডপ আৰু বাট-পথবোৰ আলোকসজ্জিত কৰি জকমকীয়া কৰি তুলিছিল। কেইবাখনো পূজাথলীত দেৱীক দৰ্শন কৰাৰ পিছত আমি এখন ষ্টুডিঅ'ৰ সন্মুখত উপস্থিত হ'লো যিহেতু আমি সেইদিনাখন ফটো উঠিম বুলি ভাবিছিলো। পূজাৰ বতৰ কাৰণে সকলোফালে দোকানবিলাক ৰাস্তাৰ কাষতে বহিছিল। ষ্টুডিঅ'ৰ ভিতৰত আমি সোমাবলৈ লওঁতেই মই এখন দোকানত এটা প্লাষ্টিকৰ টেলিফোন দেখা পালো। মই যিহেতু টেলিফোন প্ৰথমবাৰৰ বাবে দেখিছিলো সেই কাৰণে মা আৰু দেউতাক বাৰে বাবে টেলিফোনটো কিনি দিবলৈ অনুৰোধ কৰিলো। মাহঁতে ক'লে ফোনটো কিনি দিম প্ৰথমতে আমি ফটো উঠি লওঁ। মই ক'লো, 'মই ফটো নুঠো, তোমালোকে উঠা ফটো।' মা আৰু দেউতাই বহুতবাৰ মোক ফটো উঠিবলৈ কোৱাৰ পিছতো মই ফটো উঠিবলৈ নগ'লো, দোকানখনৰ কাষতে ৰৈ থাকিলো যাতে টেলিফোনটো বেলেগে কিনি লৈ নাযায়। মাহঁতে ফটো উঠি অহাৰ পিছত মোক টেলিফোনটো কিনি দিলে আৰু মই আনন্দত আত্মহাৰা হ'লো। সেইদিনাখন ৰাতি ফোনটো লৈ কিমান যে কাৰ লগত কথা পাতিলো মনত পৰিলে আজি হাঁহি উঠি যায়।

শৰতৰ আগমনৰ লগে লগে শেৱালি জোপাইয়ো নিজৰ সুগন্ধি বিয়পাবলৈ সাজু হয়। শেৱালিৰ সুগন্ধই ৰাতিপুৱাৰ পৰিৱেশটো সুন্দৰ কৰি তোলে আৰু নীলা আকাশত ভাঁহি ফুৰা শুকুলা ডাৱৰবোৰে আনে বেলিৰ

জিলিকনি আৰু পূজাৰ বতৰা। শেৱালি ফুলক হিন্দু ধর্ম আৰু অসমীয়া সংস্কৃতিত অত্যন্ত পৱিত্র বুলি গণ্য কৰা হয়। শাৰদীয় দুর্গা পূজা লক্ষ্মী পূজাত এই ফুল অপৰিহার্য। দোকমোকলিতে নিয়ৰসিক্ত দুৱৰিৰ ভাঁজত লুকাই থকা তলসৰা শেৱালিৰ শুভ্র দলিচাই চৌদিশ শুৱনি কৰি তোলে।

নদীৰ পাৰত বতাহত হালি জালি থকা কহুৱাকেইজোপাই এক অজানা শিহৰণ জগায়।

পূজাৰ বতৰত নতুন কাপোৰ পিন্ধাৰ আনন্দ আৰু গধূলি সময়ত মণ্ডপে মণ্ডপে ফুৰাৰ মাদকতাই মনলৈ লৈ আহে ল'ৰালিৰ সোণালী দিনবোৰ।

মহাষ্টমীৰ অঞ্জলি, ঢাকৰ টেৰা, সন্ধিয়াৰ আৰতি আৰু ধুনুচি নাচৰ মাজেৰে মণ্ডপবোৰ জীৱন্ত হৈ উঠে। শৰতক লৈ যেন অনুভৱৰ শেষ নাই। এচুকত কোনো এঘৰৰ ৰেডিঅ'ৰ পৰা ৰিণিকি ৰিণিকি কৈ ভাঁহি আহে—

শাৰদী ৰাণী তোমাৰ হেনো নাম
তুমি মোৰ নিচেই আপোন...
এয়াইতো শৰৎ.... এয়াইতো আহিন

এই ঋতু হ'ল উৎসৱৰ ঋতু। শৰতেই আগমন জনাই দুর্গতি নাশিনী দেৱী দুর্গাৰ... আকাশ-বতাহ কঁপাই ধ্বনিত হোৱা—

য়া দেৱী সর্বভূতেষু শক্তি ৰূপেন সংস্থিতা
নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমো নমঃ।

মন্ত্র উচ্চাৰণৰ মাজেৰে দেৱী দুর্গা ধৰাৰ বুকুলৈ নামি আহে সমাজৰ অসূয়া-অশান্তি, অপায়-অমংগল, অসুৰৰূপী শক্তিক নাশ কৰিবলৈ। হিংসা-দ্বেষ, কপটতা বিসর্জন দি ভক্তসকলে দেৱীৰ চৰণত মূৰ দোৱাই শক্তি, বিদ্যা-বুদ্ধি, ঐশ্বর্য-বিভূতি কামনা কৰি দেৱীমাৰ আশীস মাগে।

সময় সলনি হয়, মানুহো সলনি হয়। সময়ৰ সোঁতে বহুতো সাল-সলনি ঘটাই। সময়ৰ সোঁতত উটি-ভাঁহি আজি মই ক'ৰবাত। আজি শেৱালিও নাই, পূজা 'এই আহিব এই আহিব' বুলি মনত সেই আনন্দও নাই, আছে মাথোঁ কিছু স্মৃতি।

কিন্তু হঠাতে কেতিয়াবা ক'ৰবাত শেৱালিৰ সুগন্ধ নাকত লাগিলে মনটো আকৌ জীপাল হৈ উঠে। লগতে মনটোও উৰা মাৰি যায় ল'ৰালিৰ সেই সোণোৱালী দিনবোৰলৈ। মনত পৰে সেই দোকানবোৰত পুতলা টেলিফোন কিনা কথা। এটা প্লাষ্টিকৰ টেলিফোন পাই আপোনপাহৰা হোৱা দিনবিলাক আকৌ ঘূৰাই আনিব মন যায়। প্রতিযোগিতাৰে ভৰা এই পৃথিৱীখনৰ পৰা অলপ আঁতৰি আহি সুগন্ধেৰে ভৰা শেৱালিজোপাৰ তলত খন্তেক বিৰতি ল'বলৈ মন যায়।

এইয়া দুর্গা পূজাৰ আগমনৰ লগত জড়িত কিছু নিজা অনুভৱ। সৰু সৰু ল'ৰা-ছোৱালীবিলাকে কিজানি দুর্গা পূজাত পুতলা পিষ্টলেৰে গুলী ফুটাব, বেলুন তথা পুতলাবিলাকৰ সৈতে উমলিব। আপোনালোকৰ বহুতেই হয়তো সৰুকালত খেলা বস্তু কিনিছিল। সকলোৱে কিজানি পূজাৰ দিনকেইটালৈ অধীৰ আগ্রহেৰে বাট চাই আছিল। এতিয়া হয়তো বহুতে কেলেণ্ডাৰখন চাইছে দুর্গা পূজালৈ আৰু কিমানদিন আছে বুলি...।

লেখকৰ ঠিকনা বাংগালুৰু



অক্টোবৰ মাহ।
কঁহুৱা ফুলা শৰতৰ ঋতু।
নিয়ৰ আৰু শেৱালীৰ বতৰ।
ঠাণ্ডাৰ দিনবোৰ অহাৰ সময়।

কেইবছৰমান আগতে এই সময়ছোৱাৰ ওপৰতে এটা লেখা দিছিলো। অলপ অনুভৱ যোগ কৰিবলৈ মন যোৱাত কিছু সংশোধন কৰি লিখিলো।

শাৰদীয়

■ **মনিষা গৌতম**



নিয়ৰসিক্ত পুৱতিনিশা ৰাতিফুলা শেৱালী ফুলবোৰৰ হেতা-ওপৰা লাগে; যেন কোনে সোনকালে সৰি পৰি দূৰবিডৰা আঁকোৱালি ল'ব পাৰে! ৰাতিপুৱা থুপি থুপি ফুলৰ চাদৰ এখনে সেউজীয়াক আৱৰি ৰাখে। ঠাণ্ডাৰ আবেশ আঁতৰাই আগচোতাললৈ ওলালেই ওমাল ৰ'দ আৰু অদূৰত কুঁৱলীৰ লাজুকী প্ৰস্থান।

দেওবাৰৰ দিনটোত চালনী এখন লৈ এপাহ-এপাহকৈ শেৱালী ফুলবোৰ বুটলি মা-ক দিওঁগৈ... ইয়াৰ পাছৰ কামবোৰ তেওঁৰ। অলপ খাৰ বনাব, অলপ শুকুৱাই সামৰি থব। বুটলোতে ফুলৰ ঠাৰিবোৰ লাগি আঙুলিকেইটা কমলাবুলীয়া হয়, ফুলৰ গোন্ধটো নাকত লাগি ৰয়। বাখৰুৱা শেৱালী কেইপাহমান পঢ়াটেবুলত থবৰ মন নোযোৱা নহয়, পিছে আলসুৱা ফুলবোৰ আধাবেলাতে মৰহি যায়। তথাপি কেইপাহমানে টেবুল শুৱনি কৰে। কোঠাটো যে তেতিয়া আহিনময় হয়!


আহিনৰ এই দিনবোৰত, বজাৰত গ্ৰাহকৰ ভীৰৰ প্ৰকোপত দোকানীৰ সময় নোহোৱা হয়। নিৰ্দ্ধাৰিত সময়তকৈ সোনকালে খোলা দোকানবোৰ ৰাতি দেৰীলৈকে গ্ৰাহকৰ উথপ্‌থপত সাৰ পাই থাকে। পূজা চাবলৈ নতুন কাপোৰ এজোৰ দিলেও চলে নিদিলেও আক্ষেপ নাই। প্ৰচণ্ড গৰমৰ ওৰ পেলাই অলপ ঠাণ্ডাৰ আবেশ থকা ইমান ধুনীয়া বতৰ এটা অনাৰ বাবে শৰতক বৰ ভাল লাগে।

লেখকৰ ঠিকনা দিল্লী

স্বপ্ন তৰংগ

■ অংগনা ভট্টাচার্য

আজি তগৰ বাইদেউৰ
জোৰণ। ক্ষন্তেক
পাছতেই জোৰণ
আহি পোৱাৰ কথা।
ইতিমধ্যে
আয়তীসকলে
জাউৰিয়ে-জাউৰিয়ে
গাই থকা বিয়ানামত
ৰভাঘৰ ৰজনজনাই
গৈছে।



'কোনদিনা চাইছিলা বাটৰে বাটচ'ৰা
ঐ ৰাম কোনদিনা চাইছিলা কামিহে।
কোনদিনা চাইছিলা নলবাৰীৰ আইদেউক
ঐ ৰাম গমকে নাপালো আমি হে।'

আজি তগৰ বাইদেউৰ জোৰণ। ক্ষন্তেক পাছতেই জোৰণ আহি পোৱাৰ কথা। ইতিমধ্যে আয়তীসকলে জাউৰিয়ে-জাউৰিয়ে গাই থকা বিয়ানামত ৰভাঘৰ ৰজনজনাই গৈছে।

জোৰণ দিবলৈ অহা মানুহখিনিক খুৱাবলৈ জহা ধানৰ চিৰাবোৰ ডাঙৰ খৰাহি দুটামানত লৈ মা আৰু সৰুজনী পেহীয়ে ধুবলৈ ধৰিছে। বৰমাহঁতে চুবুৰীয়া খুড়ীকেইগৰাকীৰ সহায়ত দৰাঘৰীয়াৰ অন্যান্য খোৱা-বোৱাৰ হিচাপ চম্ভালিছে।

ৰুণি আৰু মই ভাল সাজ দুযোৰ পিন্ধি কইনা সজোৱা কোঠাটোত সোমালোহে মাত্ৰ, খুড়ীয়ে ক'লে—

'ৰুলি আৰু ৰুণি তহঁত দুজনী আহিলি, ভালেই কৰিলি। খুড়াৰে কেমেৰা এটা ভাড়ালৈ অনাৰ কথা আছিল নহয়, সুধি আহগৈচোন, আনিলেনে নাই। অলপ পাছতেই দেখোন জোৰণ আহিবই। আৰু এটা কথা ক'বি— ৰীল বেছিকৈ আনিবলৈ। হিচাপ কৰি কৰি ফটো উঠিবলৈ নাই।'

'বাৰু হ'ব দিয়া' বুলি খুড়ীক কৈ আমি আহি কণ খুড়াক বিচৰাত লাগিলো। খুড়াই আছিল ৰাজু দাদাহঁতৰ লগত লগ লাগি ৰভা সজোৱাৰ কাম কৰি। আমি পোনেই গৈ খুড়াক সুধিলো।

খুড়াই তেওঁৰ পিন্ধি থকা পেণ্টৰ জেপৰ পৰা কেমেৰা এটা উলিয়াই আমালৈ চাই মিচিকিয়ালে। ক'ব নোৱাৰাকৈয়ে আমাৰো মুখত হাঁহি বিৰিঙি উঠিল। আমি খুড়ীক ভাল খবৰটো দিবলৈ ভিতৰলৈ লৰ মাৰিলো।

ন-বাজি ফুলৰ দৰে উজ্জ্বল গুলপীয়া ৰঙৰ মিহিকৈ বুটা বছা এযোৰ বৰ ধুনীয়া শান্ত-সৌম্য কাপোৰ তগৰ বাইদেউক পিন্ধোৱা হৈছে। ডিঙিত সোণৰ গলপতা আৰু কাণত এযোৰ জাংফাই কেৰু। হাতত এযোৰ সোণৰ বালা আৰু সোঁহাতৰ আঙুলিত ম'ৰানেজীয়া আঙুঠি এটা। খোপাত নার্জি আৰু ৰঙা গোলাপ ফুলেৰে খুড়ীয়ে বৰ ধুনীয়াকৈ খোপা এটা বান্ধি দিছে। ওঁঠত পাতল গুলপীয়া ৰঙৰ লিপষ্টিক অকণ, চকুত পাতলকৈ কাজল আৰু গাল দুখনত অকণমান ৰ'জ পাউদাৰ। এইখিনিৰেই কইনা সজোৱা কাম শেষ। এতিয়া আলহী-দুলহীৰ মানুহবোৰে কইনাৰ সৈতে এক'পি ফটো উঠিব বিচাৰিছে।

কৰিবহে লাগে। আমি জানো এনেকৈ নিজৰ ঘৰখনৰ পৰা ওলাই অহা নাই? বলক, বাহিৰলৈ বলক। বুকু ডাঠ কৰক বাইদেউ, ছোৱালীৰ মাকবোৰ এনেয়ো বৰ সাহসী হ'বই লাগে।'

বৰমা সামান্য শান্ত হ'ল। তথাপি তেওঁ তগৰ বাইদেউৰ ওচৰলৈ নাহিল। চাদৰৰ আঁচলটোৰে মুখ ঢাকি তাৰ পৰাই তগৰ বাইদেউৰ ফালে চাই থাকিল। মা-বৰমাহঁতৰ চকুলো দেখি মোৰ কলিজাটো কিহবাই হেঁচা মাৰি ধৰিলে। এনেতে ৰুণিয়ে মোক কাণৰ কাষত ফুচফুচাই ক'লে—

'বাহিৰলৈ ব'ল, টেক্সিৰ হর্ণ শুনিছো। জোৰণ আহি পালেহিয়েই চাগৈ।'

ময়ো অলপ কাণ উনালো। হয়, গাড়ীৰ হর্ণ শুনিছো।

'জোৰণ আহিছে জোৰণ' বুলি চিঞৰি ৰুণি আৰু মই আগফাললৈ দৌৰ দিলো।

'দোলাই আনা দুলীয়া

'চাকৰিৰ এই মহঙা দিনত কোনো ল'ৰাৰেই হাতত চাকৰি নাই। চাকৰি পাবলৈ হয়তো এসোপা টকা দিয়া, নহ'লে চৰকাৰৰ কৃপাত জংঘলৰ পৰা আহি চাকৰিত সোমোৱা। ছোৱালী বিয়া দিবলৈ উপযুক্ত ল'ৰা বিচাৰি পোৱাটোৱেই টান। তাৰ মাজতেই যে পঢ়ি-শুনি দুখনকৈ ডাঙৰ ডাঙৰ ফার্মাচী খোলা ল'ৰাজনক তগৰৰ কাৰণে পোৱা গ'ল, সেয়া জানো কম কথা?

জোৰণ অহাৰ আগতেই কইনাই ঘৰৰ ডাঙৰ মানুহখিনিৰ ওচৰত সেৱা ল'লে। ফেকুঁৰি ফেঁকুৰি কান্দি তাইৰ গাল-মুখ ক'লা পৰি গ'ল। ইফালে বাৰাণ্ডাখনৰ ইপাৰে বৰমায়েও ৰাউচি জুৰিলে। মায়ে নিজৰ চকুপানী মচি বৰমাক বুজালে—

'চাকৰিৰ এই মহঙা দিনত কোনো ল'ৰাৰেই হাতত চাকৰি নাই। চাকৰি পাবলৈ হয়তো এসোপা টকা দিয়া, নহ'লে চৰকাৰৰ কৃপাত জংঘলৰ পৰা আহি চাকৰিত সোমোৱা। ছোৱালী বিয়া দিবলৈ উপযুক্ত ল'ৰা বিচাৰি পোৱাটোৱেই টান। তাৰ মাজতেই যে পঢ়ি-শুনি দুখনকৈ ডাঙৰ ডাঙৰ ফার্মাচী খোলা ল'ৰাজনক তগৰৰ কাৰণে পোৱা গ'ল, সেয়া জানো কম কথা? ধৈর্য নেহেৰুৱাব বাইদেউ, বৰ ভাল ঘৰ এখন পাইছো, ভাল ল'ৰা এজন পাইছো। তাইক বুজাই-পৰাই আমি শান্ত

জাপি আনা লগুৱা
জোৰণ আহি ৰৈ আছে
আদৰো গৈ ওলোৱা।'

আগচোতাল পাওহি মানে আমাৰ আয়তীসকলে বিয়ানামেৰে জোৰণ দিবলৈ অহা মানুহখিনিক সম্ভাষণ জনাইছে। ডাঙৰ আৰু সৰু দুয়োজনী বৰমাই কইনাৰ দৰে মূৰলৈকে ওৰণি লৈ হাতত শৰাই আৰু বানকাঁহীত তামোল-পাণ, একোছা ধান, দুটামান খুচুৰা পইচা আৰু চাকি এগছ জ্বলাই লৈ দৰাঘৰীয়াক আদৰিবলৈ সাজু হ'ল।

দৰাঘৰৰ মানুহ আহি বহাৰ লগে লগেই সৰুফুল আৰু সোণজিৰি বাইদেৰে চাদৰ-মেখেলা পিন্ধি খোৱাপানী দিলে। খুড়াই মনে মনে দৰাঘৰীয়া মানুহ গণিলে আৰু মোক ক'লে—

‘সৰু বৌক ক’গৈ যে তেওঁলোকে দিয়া কথা অনুসৰিয়ে মুঠতে বাৰজন মানুহ আহিছে।’

মই সাউতকৈ গৈ মাক কথাযাৰ ক’লো। চেগুন গছৰ পাতেৰে সজোৱা আহল-বহল প্লেটবোৰ ৰাণু মামীয়ে বেঞ্চকেইখনত দি গৈছে। মায়ে কেইবাটাও চৰিয়া উলিয়াই আনি এখন বেঞ্চত ৰাখিছে। দুটা ডাঙৰ চৰিয়াত আছে গোল-গোল ফুলা-ফুলা লুচি ভাজি, এটাত ৰসগোল্লা, এটাত লালমোহন, এটাত মিহিদানা, এটাত নাৰিকলৰ লাড়ু, এটাত তিলৰ লাড়ু, এটাত শুকানকৈ পোৰা নাৰিকলৰ পিঠা, এটাত ঘিলা পিঠা আৰু এটাত ক্ৰীম আছে। মই মাক সুধিলোঁ—

‘ইমানসোপা বস্তু একেলগে দিবি নেকি মা?’

‘ৰসগোল্লাটো পাছত দৈ-চিৰাৰ সৈতে দিম। এতিয়া চাহৰ সৈতে ইমানখিনিকে দিম অকল।’

‘এইসোপা খাই উঠি আকৌ দৈ-চিৰাও খাব? মাজতে শৰাইখন ভাঙিলে দেখোন মাহ-প্রসাদো খাব?’

‘ধেই এইজনী, লাহেকৈ ক’, কোনোবাই শুনিব। খোৱা কথা এনেকৈ ক’বলৈ নাপায় নহয়! তেওঁলোক আজি আমাৰ অতিথি। পাৰো মানে আতিথ্য কৰিব লাগিব।’

‘তাতকৈ দেখোন ভাত খুৱাবই পাৰিলিহেতেঁন!’

‘জোৰণ দিবলৈ আহি ভাত খায় নেকি? এইখিনিও নাজান? কাইলৈ ৰাতিহে দৰাঘৰীয়াই ভাত খাব। তই এইবোৰ চিন্তা বাদ দি ৰুণিৰ লগ লাগি আলহীসকলক তামোল-পাণ দেগৈ যাহ। আৰু শুন, চুৰ্ণীখন যে ষ্টাইলতে এনেই ডিঙিত ওলোমাই থৈছ, পিন এটা মাৰি ল’ব নোৱাৰ? যোৱাবাৰেই মেট্ৰিক পাছ কৰিলি, ডাঙৰ যে হ’লি পাহৰিয়েই গ’লি চাগৈ!’

মায়ে নিজৰ পিন্ধি থকা কাপোৰযোৰৰ পৰা পিন দুটা খুলি মোৰ কান্ধত থকা চুৰ্ণীখনৰ দুয়োফালে পিন দুটা মাৰি দিলে।

মই ৰুণিৰ সৈতে সজাই থোৱা তামোল-পাণৰ বটা দুখন হাতত লৈ আলহীসকলক এফালৰ পৰা সুধি গ’লো। পেহী আৰু বৰদেউতাহঁতে সকলোকে মাত লগাই গৈছে। এনেতে কোনোবাই ক’লে—

‘কইনাক বাহিৰলৈ উলিয়াই আনিব লাগে।’

অৱশেষত, তিনিঘণ্টা মানৰ মূৰত জোৰণ পিন্ধোৱাৰ



নীতি-নিয়ম আৰু খোৱা-বোৱা সকলোখিনি সম্পন্ন হৈ গ’ল। মানুহবোৰ ঘৰাঘৰি গ’ল। চাহ-মিঠাই আৰু দৈ-চিৰা খাই সকলোৱে পুনৰ নিজৰ-নিজৰ কামত ধৰিল। ৰাতিটো পুৱালেই বিয়া। কিমান যে কাম পৰি আছে!

তগৰ বাইদেউক নিজৰ ৰুমলৈ গৈ অলপ জিৰণি ল’বলৈ দিয়া হৈছে। সৰুফুল বাইদেউ আৰু ৰুণিও তাইৰ সৈতে আছে। মোক কাইলৈৰ বাবে কেইডালমান ফুলৰ মালা গুঠিবলৈ দিছিল। মালাকেইডাল গুঠি আজৰি হৈ মই কইনাৰ ৰুমলৈ আহিলো।

ৰুমটোত সোমায়েই কইনাঘৰৰ উল্লাসৰ সলনি দেখা পালো এক বিপৰীত ছবি।

তগৰ বাইদেৱে ওলোটামুৱাকৈ বিচনাখনত শুই আছে। সৰুফুল বাইদেউ আৰু ৰুণিৰ মুখ দুখন গোমোঠা। সিহঁত বহি থকা বিচনাখনতে এখন ডায়েৰী দেখিলোঁ। খোলা ডায়েৰীটোৰ এখিলা পাতত লিখা আছে কবিতাৰ এটা পংক্তি। মই দুয়োজনীৰে মুখলৈ চালো। সিহঁতে মোৰ চকুলৈ চাই নাথাকিল। লওঁ-নলওঁকৈ মই ডায়েৰীখন হাতত তুলি ল’লো—

‘তোমালোকৰ বাবেই মই
অকাতৰে উছৰ্গা কৰিব পাৰো

মোৰ সমস্ত সময় আৰু ভৱিষ্যৎ
চোৱা ! কিমান নৃশংসভাৱে বিধ্বস্ত হৈ যায়
মোৰ কোঠাৰ সমস্ত সময়।
প্ৰিয় কলমবোৰ...
প্ৰিয় ৰঙা ৰং বগা ৰং
আৰু নিজৰ হাততেই বিধ্বস্ত হয়
মোৰ ভালপোৱা...'

কবিতাৰ পংক্তিটো পঢ়ি মোৰ মনত পুলক জাগি উঠিল।

মই ৰুণিক সুধিলো—

'ইমান ধুনীয়া কবিতাটো ক'ত পালিনো?'



তাইৰ মাত নাই। মই আকৌ এবাৰ সুধিলো। তাই ক'লে—

'এইখন তগৰ বাইদেউৰ ডায়েৰী।'

মই অলপ থতমত খালোঁ।

এই ৰূমটোৰ পৰিবেশৰ সৈতে বাহিৰৰ পৰিবেশটো যেন কিবা মিলা নাই। বাহিৰত এতিয়া দৈময়ন্তী পেহীয়ে কেইটামান হাঁহ বাচিবলৈ ধৰিছে। আজি ৰাতিৰ সাজত হাঁহৰ মাংস, বিলাহীৰ মিঠা টক, বেঙেনা ভাজি, আলু-কবি-মটৰৰ তৰকাৰী আৰু দাইলেৰে বিয়াৰ কামত হাত লগোৱা গাঁৱৰ ল'ৰাকেইজন, ওচৰ-চুবুৰীয়া আৰু আলহীক ভাতসাঁজ খুওৱাৰ ব্যৱস্থা কৰা হৈছে। মই কাইলৈ কইনাই পিন্ধিবলগীয়া কাপোৰকেইযোৰ পৰ্ব অনুসৰি মিলাই থওঁ বুলি আহিছিলো। কিন্তু কথাবোৰ যেন কৰবাত খাপ খোৱা নাই। মই ৰুণিক সুধিলো—

'ঐ ৰুণি, মন মাৰি আছ যে কিয়? তগৰ বাইদেৰে আকৌ কন্দা-কটা কৰিছে নেকি?'

তাই যেন এনেকুৱা এটা প্ৰশ্নৰেই অপেক্ষাত আছিল। তাই মোৰ ওচৰলৈ আহি ক'লে—

'ৰুলি, চাহিচোন আজি আমাৰ বাইদেউৰ কিবা এটা হৈছে।'

'কি হ'ল? তাই দেখোন শুই আছে।'

মই ক'লো।

'নাই অ', তাই শুৱা নাই।'

এইবুলি ৰুণিয়ে গৈ তগৰ বাইদেউৰ কাষতে বহিলহি আৰু তাইক ক'লে—

'বাইদেউ, এতিয়া ৰুলিও আছে। কি হৈছে তোৰ ক'চোন আমাক। বিশ্বাস কৰ, আমি কাকো একো নকওঁ।'

মই একো আওভাও নাপাই সিহঁতলৈ চাই ৰ'লো।

সঁচাসচিকৈ তগৰ বাইদেউ উঠি বহিল। দেখিলেই ধৰিব পাৰি— কান্দি কান্দি তাইৰ মুখখন উখহি গৈছে। নতুনকৈ পিন্ধোৱা তাইৰ শিৰৰ সেন্দূৰ কপাললৈ বৈ পৰিছে। কপালৰ ফোঁটটো আধা মচ খাই গৈছে। কাইলৈ বিয়া তাইৰ। আজি এই অৱস্থা? মোৰ মনটো হঠাতে কিবা বেয়া লাগি গ'ল। তগৰ বাইদেউ পঢ়াত বৰ ভাল। তাই এইবাৰ বি এ ফাইনেল পৰীক্ষা দিব। সাধাৰণ কথাত তাই বিচলিত নহয়। মোৰ দৰেই তায়ো বেছিভাগ সময় কিতাপ পঢ়িয়েই কটায়। মই তাইৰ ওচৰলৈ গ'লো। তাইলৈ চাই ময়ো সুধিলো—

'কি হৈছে অ' বাইদেউ?'

তাই হুকহুকাই কান্দিবলৈ ধৰিলে। ৰুণি, সৰুফুল বাইদেউ আৰু মই নিৰুপায় হৈ পৰিলো। তাইৰ পিঠিখনত থপৰিয়াই দি মই পুনৰ তাইৰ খোলা ডায়েৰীখন হাতত তুলি ল'লো। একো ধৰিব নোৱাৰি মই তাইক ক'লো—

'ঘৰৰ চাৰিওফালে আলহী আছে। কোনোবাই তই কান্দি থকা বুলি গম পালে আমি কি বুলি ক'ম দেচোন।'

তাই ফেকুৰি ফেকুৰি ক'লে—

'কবিৰঞ্জন ঢুকাল।'

সৰুফুল বাইদেৰে ৰুণি আৰু মোৰ ফালে আচৰিত হোৱাৰ দৰে চাই তাইক সুধিলে—

'কোন কবিৰঞ্জন?'

'কবিতা লিখা কবিৰঞ্জন অ'।'

‘মই নাজানো যে।’

‘নাজানি ভালেই কৰিলি। কি ধুনীয়া কবিতা লিখিছিল তেওঁ। আলফাত থাকিলেও সদায় অহিংসাৰ বাটটোহে বিচাৰিছিল। সেউজীয়া ভালপোৱা, মানুহক ভালপোৱা, অসমক ভালপোৱা কবিৰঞ্জনক পুলিচে কালি শিয়াল মৰাদি গুলীয়াই মাৰিলে।’

‘তই ক’ত গম পালি?’

‘আজিৰ বাতৰি কাকতখনৰ প্ৰথম পৃষ্ঠাটো চাবি।’

‘আজি বাতৰিত পাইছো স্বাধীনতা ফুকন নামৰ আলফা নেতা এজনৰ মৃত্যু হৈছে বুলি। তাৰমানে স্বাধীনতা ফুকনেই?’

‘এৰা, স্বাধীনতা ফুকন তেওঁৰ অন্য এটা নাম। তেওঁ নিজেই বাচি লোৱা নাম। ইমান গুণ থকা ল’ৰাবোৰো যদি এনেকৈ মাৰি শেষ কৰে, অসমখনত থাকিব কি?’

‘কিন্তু আজি এইবোৰ তই কি কথা কৈ আছ? কাইলৈ তোৰ বিয়া। তই কিয় এইবোৰ দেশৰ খবৰত ইমানকৈ মন দিছ?’

‘দেশৰ খবৰ অকল নহয় সৰুফুল, কবিৰঞ্জন মোৰ মনৰ মানুহ আছিল। মই আজি কি অৱস্থাত আছো তহঁতক কেনেকৈ বুজাও?’

‘কি?’

আমি তিনিও একেলগে চিঞৰি দিলো। থতমত খাই তিনিও ক্ষন্তেক ৰৈ গ’লো। মই সাহস কৰি তাইক সুধিলো—

‘তেওঁ দেখোন বিদ্রোহী আছিল! নিষিদ্ধ সংগঠনৰ নেতা আছিল!’

তাই সামান্য খং কৰি ক’লে—

‘ছাব্বিছ বছৰীয়া ডেকা আছিল, যদি কিবা ভুল কৰিছিলেও, শুধৰণিৰ বাট নাছিল জানো? ধৰি-বান্ধি আনি বুজাই-পৰাই ল’ব লাগিছিল।’

‘তয়েই কৈছিলি দেখোন যে তেওঁ নিজে বাচি লোৱা নামটো স্বাধীনতা আছিল বুলি? স্বাধীনতাই জানো কাৰোবাৰ যুক্তি মানিব? সেইবাবেই তেওঁলোকক আঁতৰাই পঠিওৱা হ’ল।’

‘আঢ়ৈ মাহ আগতে যে নলবাৰীত মন্ত্রীজন মৰিছিল, তেওঁৰ শৰীৰৰ টুকুৰাবোৰ হেনো চাৰিওপিনে চিটিকি পৰিছিল। সেইবোৰ বিচাৰি বিচাৰি আনি প’ষ্টম’ৰ্টেমৰ বাবে সাজু কৰোতেই দেখিলে যে এখন ভৰি নাই। আকৌ পুলিচে গৈ সেই ঠাইৰ তলে-ওপৰে বিচাৰিলে, দেখিলে ওখ গছ এজোপাৰ ডালত হেনো ভৰিখন সোমাই আছিল। কবিৰঞ্জনক যে কালি মাৰিলে, কিমান বা শাস্তি পাইছিল মৰাৰ আগতে!’

তগৰ বাইদেউ আকৌ ফেকুঁৰি উঠিল।

ক্ষন্তেক পাছত তাই সামান্য সুস্থিৰ হ’ল। আমালৈ চাই ক’লে—

‘এই কবিতাৰ বহীখন পঢ়চোন। তেওঁৰ কবিতা পঢ়িলে বুজি পাবি কি নিৰ্মল অন্তৰৰ মানুহ আছিল তেওঁ!’

এইবুলি কৈ তেওঁ গাৰুৰ তলৰ পৰা এখন বহী উলিয়াই আমাৰ হাতত দিলে। বহীখনৰ ওপৰত লিখা আছে—

‘কবিৰঞ্জনৰ কবিতা’। আমি তিনিও একেলগে বহীখন খুলিলো। তেওঁ লিখা কবিতাবোৰ হয়তো বাতৰি কাকতত প্ৰকাশ পাইছিল। তগৰ বাইদেৰে সেইবোৰ বহীখনত টুকি থৈছিল।

বৰ ধুনীয়া অৰ্থৱহ কবিতাবোৰ পঢ়ি মোৰ দুচকুও সেমেকি উঠিল।

এঠাইত ৰৈ গ’লো আমি—

‘কিমান দিনলৈ বাচি থাকিম মই
এই যে চিতাত তুলি দিয়া যুঁজাৰু বন্ধুৰ মৃতদেহ
হে কবিসকল...
এই মুহূৰ্তত মই এইটোৰে ক’ব পাৰো
মই কবিৰঞ্জন উত্তপ্ত হ’ব খোজা এটা কবিতাৰ নাম
এটা সংকল্প কঠোৰ
একেখন চিতাই হ’ব দিয়া মোৰ বাবেও।
কিমান দিনলৈ বাচি থাকিম মই?
শত্রু শিবিৰত হাঁহি-খিকিন্দালিৰ উছৱ হ’ব...
বিলাতী মদৰ গোন্ধত ৰমৰমাই যাব
সন্ধ্যাৰ উছৱমুখৰ বজাৰ।
থিৰ হৈ পৰি থাকিব
এই কথা কওঁ এই কথা কওঁ এটা কবিতা
কেনেকৈ সহিব মোৰ আয়ে
মোৰ অকাল মৃত্যু?

তথাপি বন্ধু যুঁজিবতো লাগিবই আমি যুঁজাৰু মানুহ।

যুদ্ধৰ বাবেই লিখিছো কবিতা দিনৰ পিছত দিন কিমান দিনলৈ বাচি থাকিম মই?'

'বাপৰে! কি লিখিছে তেওঁ! নিজৰ জীৱনটোকেই দেখোন তুলি ধৰিছে!'

ৰুণিয়ে কিছু আৱেগিক হৈ ক'লে। মোৰ একো ক'বলৈয়ে মন নগ'ল।

মই তগৰ বাইদেউলৈ চালো। তাই তলমূৰ হৈ ডায়েৰীখনত কিবা লিখি আছে। ৰুণিয়ে বহীখন জপাই তাইৰ কাষতে থৈ দিলে। বাইদেৱে ডায়েৰীখন আমাৰ হাতত তুলি দিলে। আমি একেলগে ডায়েৰীখন চালো। স্পষ্ট আখৰেৰে তাত তাই লিখিছে—

'তুমি কবিৰঞ্জন!
তুমি উত্তপ্ত হ'ব খোজা এটা কবিতাৰ নাম
তোমাৰ সংকল্প কঠোৰ
যুঁজিবতো লাগিবই তুমি যুঁজাৰু মানুহ
যুদ্ধৰ বাবেইতো লিখিছা কবিতা
দিনৰ পাছত দিন
কিমান দিনলৈ বাচি থাকিম বুলি ভাবিছা তুমি?
কিছুদিনলৈ?
ওঁহো!

কবিৰঞ্জনৰ প্ৰেমিকাৰ বুকুত সেউজীয়া বাচি থকালৈকে
শৰীৰত শেষ বিন্দু তেজ থকালৈকে
তুমি জীয়াই থাকিবা
সকলোৰে অজানিতে
লুকুৱাই থ'ম মই তোমাক
সকলোৰে পৰা
মোৰ বুকুত।
তুমি উত্তপ্ত হ'ব খোজা এটা কবিতা হৈয়েই
জীয়াই থাকিবা মোৰ অন্তৰত
সকলোৰে অজানিতে
তোমাৰো অজানিতে।'

আমি মুখ মেলি ৰ'লো। আমাৰ বুজিবলৈ একো বাকী নাথাকিল। ৰুণিয়ে তাইৰ কান্ধখন জোকাৰি তাইক সুধিলে—

'কৰবাত লগ পাইছিলি তাক?'

'লগ পাইছিলোতো। বাতৰি কাকতৰ সাহিত্য পৃষ্ঠাত আৰু...'

'আৰু? আৰু ক'ত?'

'আৰু প্ৰায়েই ৰাতি সপোনত।'

ৰুণিয়ে তাইক এৰি দিলে। নিৰলে ব'বলৈ ধৰা দুয়ো ভনীয়েকৰ চকুপানীখিনিক ধৰি ৰাখিবলৈ মোৰ শক্তি নাছিল। নিজৰাৰ পানীৰ দৰে স্পষ্ট এঢল আৱেগ দেখি ময়ো কৰবাত ৰৈ গ'লো নেকি?


নিস্পৃহভাৱে মই মেজত থকা বাতৰি কাকতখনৰ প্ৰথম পৃষ্ঠাটোত পুনৰ চকু ফুৰালো। তাত বৰ বৰ হৰফেৰে লিখা আছে— 'যোৰহাটৰ গেন্ধেলীত আলফাৰ সহকাৰী প্ৰচাৰ সচিব স্বাধীনতা ফুকন আৰক্ষীৰ গুলীত ঠাইতে নিহত।' মই দুখোজ পিছুৱাই আহিলো। বুকুখন ধৰফৰাই উঠিল। নিজকে ক্ষন্তেক সামৰিবলৈ লৈছিলোহে মাত্ৰ বাহিৰৰ পৰা খুড়াই মাত লগালে—

'ৰুলি, ৰভা সজোৱা আৰু কলপটুৱা কাটি থকা ল'ৰাকেইজনৰ কাৰণে চাহ আৰু গোল্লা আনচোন। ইহঁতে ভাত দেৰিকৈ খাব। চাহত অলপ আদা থেতেলিয়াই দিবি।'

মই কাকতখন মেজখনতে ৰাখি কি কৰো কি নকৰোকৈ বাহিৰলৈ ওলাই আহিলো। তগৰ বাইদেউৰ চকুপানীখিনি চাগৈ মোৰ দুচকুলৈ নামি আহিছিল! মই তাইৰ ৰঙা পৰা চকু দুটা মনৰ মাজত লৈ আদা এডোখৰ পতাত থেতেলিয়াবলৈ ধৰিলো। কাণত বাজি থাকিল খুড়ীহঁতে কামৰ মাজতে ধেমালিতে গাই থকা বিয়ানাম কেইফাঁকিমান আৰু মনলৈ আহি থাকিল তগৰ বাইদেৱে লিখা দুটামান কবিতাৰ পংক্তি—

'তুমি কবিৰঞ্জন!
তুমি উত্তপ্ত হ'ব খোজা এটা কবিতাৰ নাম
তোমাৰ সংকল্প কঠোৰ
যুঁজিবতো লাগিবই তুমি যুঁজাৰু মানুহ
যুদ্ধৰ বাবেইতো লিখিছা কবিতা
দিনৰ পাছত দিন
কিমান দিনলৈ বাচি থাকিম বুলি ভাবিছা তুমি?
কিছুদিনলৈ?
ওঁহো!' (সমাপ্ত)

লেখকৰ ঠিকনা নলবাৰী



বাবু, ৰিণি আৰু লাটু তিনিওটাক পুৱা স্কুললৈ উলিয়াই পঠিওৱাৰ সময়কণত মাক বসুধাৰ ভৰিত যেন দুখন পাখিহে গজি উঠে। উৰি ফুৰিবলগীয়া হয় মানুহজনী। বনকৰা ছোৱালীজনীৰ হাতত ইহঁতৰ এটা দায়িত্বও এৰি দিয়া নাযায়। নিজ হাতেৰে কিবা এটা খুৱাই দিনটোলৈ পঠিয়াই দিব নোৱাৰিলে মনটো বৰ বেয়া লাগি থাকে।

মাটি আখৰা

■ দীপামণি শইকীয়া

'ৰ'বা ৰ'বা। গাখীৰকণ খাই শেষ কৰা তিনিওটাই। স্কুল বাছ গুচি গ'লে দেউতাৰাই অট' এখনকে ধৰি থৈ আহিবগৈ। লৰালৰি নকৰিবাচোন।'

অপাৰ শূন্যগৰ্ভৰ ঠিক সোঁমাজত ওপঙি উঠা টেবুলখনলৈ চাই বসুধাই কৈ উঠিল।

বাবু, ৰিণি আৰু লাটু তিনিওটাক পুৱা স্কুললৈ উলিয়াই পঠিওৱাৰ সময়কণত মাক বসুধাৰ ভৰিত যেন দুখন পাখিহে গজি উঠে। উৰি ফুৰিবলগীয়া হয় মানুহজনী। বনকৰা ছোৱালীজনীৰ হাতত ইহঁতৰ এটা দায়িত্বও এৰি দিয়া নাযায়। নিজ হাতেৰে কিবা এটা খুৱাই দিনটোলৈ পঠিয়াই দিব নোৱাৰিলে মনটো বৰ বেয়া লাগি থাকে। কিবা এটা খুৱাই, ভাগে ভাগে টিফিন পেক কৰি বেগত ভৰাই তিনিওটাকে স্কুল বাছত উঠাই দিয়াৰ পিছত তেওঁ, ৰাধাই বনাই আনি দিয়া চাহকাপ হাতত তুলি লয়। চাহ কাপ খাই

খাইয়ে ইয়াৰ পিছৰ কামখিনিৰ তদাৰক কৰি থাকে বসুধাই। গিৰিয়েক ৰাজেন ছাৰে ন-মান বজাত অফিচলৈ ওলাই যায়। হাতত থকা দুঘণ্টা সময়ত হাই-উৰুমি নকৰিলেও তেওঁৰ চব্জি-ভাত-দালকণ বনোৱা হৈ যায়গৈ।

—অহ্। এতিয়া বাৰু তোমালোকৰ দৌৰাদৌৰি কৰি খেলিবলৈ সময় আছেনে?

ডাইনিং টেবুলখনক কেন্দ্ৰ কৰি ঢপলিয়াই থকা ল'ৰা-ছোৱালীকেইটাক বসুধাই এটি এটিকে ধৰি চকীত বহুৱাই দিয়ে। তাৰ পিছত ডিঙিত গামোচা একোখনকৈ বান্ধি দিয়ে প্ৰত্যেককে। এই গামোচা বন্ধা বুদ্ধিটো ৰাধাই তেওঁক দিছে। নহ'লে খোৱা বস্তু স্কুলৰ ড্ৰেচত লাগিলে পুনৰ এবাৰ সলাই পিন্ধাবলৈ সময় নাথাকে। গৰম ব্ৰেডকেইটাত জাম আৰু বাটাৰ লগাই প্ৰত্যকৰে আগত প্লেটত তেওঁ দি গ'ল। ৰাধাই প্লেটৰ কাষে কাষে তিনিওটাকে এগিলাচ কৈ গাখীৰ দিলে।

'হেৰা। নিউজপেপাৰখন বাহিৰত নাইচোন। ভিতৰলৈ আনিছা নেকি?'

চোতালৰ পৰা ৰাজেনে চিঞৰি কোৱা মাতযাৰ তেওঁৰ কানত পৰিলত ৰাধাক তেওঁ 'দাদাই কি বিচাৰিছে চাগৈ যাচোন' বুলি পঠিয়াই দি নিজে লাটুৰ কাষৰ চকীখনত বহি ল'লে।

'চোতালত শেৱালি ফুলবোৰ সৰি গোটেইখন জোনাক হৈ আছে। তুমি কি কৰি আছানো? ৰাধা আছেই দেখোন সিহঁতৰ লগত। পুৱাৰ পৰা গধূলিলৈ কিমান আৰু ঘৰখনৰ ভিতৰতে পাকঘূৰণি খাই থাকাহে বসুধা'

হাতত পেপাৰখন লৈ ভিতৰলৈ সোমাই অহা ৰাজেনে এক প্ৰকাৰ ভোৰভোৱায়ে কথা কেইযাৰ ক'লে।

ৰাজেনে কি কয়, নকয় সেইবোৰ কাণ দি শুনিবলৈ এইকন সময়ত বসুধাৰ উপায় নাই। এইফালে ল'ৰাহঁতে বিহু দেখুৱাব, সিফালে সিজনে অন্য এখন দুনিয়াত ঘূৰি ফুৰিব। মাজত পৃষ্ঠ হৈ থাকিব বসুধা! সেইয়াই নিয়ম!

নিশা বসুধা ৰিণি আৰু লাটুৰ লগত শোৱে। কোঠাৰ আনখন বিচনাত বাবু শোৱে দেউতাকৰ লগত। শুই পৰা সন্তানকেইটাৰ মুখকেইখন চাই চাই টোপনি যাবলৈ নাপালে, বসুধাৰ দুচকুলৈ নিদ্ৰা নানামে। মাকৰ কাষত নিৰ্ভয় হৈ নিশ্চয়তাৰ আড়ম্বৰে শুই থকা শিশু দুটাৰ মুখ দুখনে বসুধাৰ মনলৈ এক অমল প্ৰশান্তি আৰু পৰিপূৰ্ণতাৰ অনুভৱ টোৱাই ৰয়।

তেওঁ লাটুৰ কাষত বহি গিলাচেৰে গাখীৰ এঢোক কি খুৱাই দিলেহে, ৰিণিয়ে ইফালে ওফোন্দ পাতিলেই 'তুমি খুৱাই নিদিলে ময়ো নাখাওঁ মা!'

সৰু দুটাক খুৱাই মেলি আজৰি হৈ এইবাৰ বাবুৰ ফালে মন কৰিলত টেবুলৰ ওপৰত খালি প্লেটখন বসুধাৰ চকুত পৰিল। ইহঁতহালৰ লগত লাগি থাকোতে সি চাগে খায়ে অটালে। পৰম সন্তুষ্টিৰে বসুধাই এইবাৰ ল'ৰাটোলৈ মূৰ তুলি চালে।

কিন্তু বাবু ক'ত?

এইমাত্ৰ চকীতে বহি আছিল সি। খাই উঠি হাত-মুখ ধুবলৈ গ'ল চাগে বুলি তাৰ চিন্তা বাদ দি তেওঁ ৰিণি আৰু লাটুলৈ দুচকু ঘূৰাই আনিলে। পিছে তেওঁৰ দুকাষে সিহঁত হালো নাই। বিস্মিতিত ফাটি যোৱা দুচকুৰে দুকাষৰ খালি চকী দুখনলৈ বসুধাই কিছুপৰ তেনেকৈয়ে চাই ৰ'ল আৰু তাৰ পিছত তেওঁ বুকুৰ জোৰেৰে চিঞৰ লগালে—

'বাবু! ৰিণি! ... ৰাধা হঠাৎ ক'লৈ গ'ল ইহঁতকেইটা হয়?'

একাকিন ঘৰটোৰ বেৰত খুন্দা খাই শব্দবোৰে তেওঁকেই দুনাই গুমৰি উঠিল। এইবাৰ চোতালত ল'ৰা-ছোৱালীকেইটাৰ দৌৰ-ঢোপ শুনা যেন পাই তেওঁ উধাতু খাই বাৰান্দালৈ ওলাই আহিল। গেটলৈকে উদং বহল চোতালখনত দেও-মনিচ এটাও হ'লে পিছে তেওঁৰ চকুত নপৰিল। ইহঁতৰ চতুৰালিক তেওঁ জানে নহয়! নিশ্চয় ক'ৰবাত লুকাই থাকি মাকক হাবাথুৰি খুৱাইছে। সৰ ডাঙৰটোৰে বুদ্ধি হ'ব!

'এইয়া দেখিলো তোমাক বাবু!' —বুলি তেওঁ চোতালত বেৰা দি লগাই থোৱা শেৱালি জোপাৰ পিছফালে হঠাৎ থিয় দিলেগৈ। কিন্তু তাতো সিহঁত নাই। এইবাৰ বসুধাৰ সঁচাকৈয়ে খং উঠিল।

'ৰাধা! ক'ত মৰি আছগৈ তই? স্কুল সময় মতে পাবগৈ লাগে। সিহঁতক বিচাৰি নান কেলেই?'

চিঞৰ মাৰি কথাযাৰ কৈ তেওঁ শেৱালি জোপাৰ তলৰ পৰা খৰখোজেৰে উভতিল। ভৰিৰ তলত পৰি থকা শেৱালি কেইপাহত খোজ বচাই দিবলৈ তেওঁৰ আজি আৰু মনত নাথাকিল।

ভিতৰলৈ সোমাই আহি তেওঁ প্ৰথম বেতৰ টেবুল-

চকী লগাই থোৱা বাৰান্দাৰ বাওঁফালৰ কোনটোত চকু দিলে। পুৱা নিউজ পেপাৰখন লৈ ৰাজেন সদায় এইখিনিতে বহে।

পিছে মানুহজন আজি তাত নাই। এইবাৰ বসুধা মানুহজনীৰ ভিতৰখন ভয়ংকৰ ধৰণে কঁপি উঠিল। চকুৰ পচাৰতে ক'ত নোহোৱা হৈ পৰিল ইমানকেইটা মানুহ! তেওঁ পাকঘৰ, গা ধোৱা ঘৰ সৰতে বিচাৰিলে ৰাধাক, তায়ো ক'তো নাই! কিং কর্তব্যবিমূঢ় আৰু অসহায় হৈ এসময়ত তেওঁ বাৰান্দাত বহি লৈ চিঞৰি চিঞৰি কান্দিবলৈ লাগিল।



তেওঁৰ হিয়া ধূনি কান্দোন শুনিয়ে কিজানি কোনোবা দুজনী তেওঁৰ কাষ চাপি আহিল আৰু তেওঁক ধৰি ধৰি শোৱা ৰুমলৈ লৈ গৈ বিচনাত শুৱাই দিলেগৈ। সিহঁতৰ এজনীয়ে ক্ষীপ্রতাৰে ইনজেকচন এটা তেওঁৰ বাওঁহাতৰ বাউসিত দিয়াৰ লগে লগে দিঠকৰ সকলো যন্ত্রনাক ডেওকি তেওঁ টোপনিৰ কোলাত ক্রমান্নয়ে ঢলি পৰিল।

— ছাৰক আজিৰ এই কথাটো নজনাবি। গম পালে আমাৰ দুজনীক খেদিব কামৰ পৰা বুজিছ! বুঢ়ীৰ মনত নাথাকে এইবোৰ। আমি দুজনীয়ে নক'লে ছাৰে গম নাপায় দে।

টোপনি যোৱা মানুহজনীলৈ চাই নার্চৰ ড্রেচত থকা ছোৱালীজনীয়ে, ইজনীক ক'লে। সিহঁতহালৰ বার্তালাপৰ কিয়দংশও গৈ পিছে চেতনাবিহীন বসুধাৰ মগজু নুচুলেগৈ।

মানুহজনীক শুৱাই সিহঁত দুজনী ঘৰৰ অন্য কামত লাগিলগৈ। সঁচা ক'বলৈ গ'লে সিহঁতহাল মিলিয়ে বসুধাৰ ঘৰখন চলাই আছে। কেতিয়াবা সামান্য গাফিলতি হৈ যোৱাৰ বাহিৰে বসুধাৰ সম্পূর্ণ ধ্যান ৰাখি আহিছে দুইজনীয়ে।

—মিনতি, তই ফটোৰ মালাডাল সলাই দে। দুপৰীয়ালৈ ছাৰ আহি পাবহিয়ে। দিল্লী আহি পৰহিয়ে পালেহিতো। আজি দিল্লীৰ পৰা গুৱাহাটীৰ ফ্লাইট। মই বেড শ্বীটকেইখন সলনি কৰি দিওগৈ। মুঠতে আমাৰ কামৰ কোনো ধৰণৰ খুঁট যাতে ছাৰৰ চকুত নপৰে। বছৰ-দুবছৰত দুই এটা সপ্তাহৰ বাবে আহে। বাকী দিনবোৰত আমাক চকিদাৰী কৰি নাথাকে দেচোন।

আবেলি তিনিমান বজাত মানুহজন বসুধাৰ কোঠালৈ সোমাই আহি মাত দিলেহি—

—মা!

বসুধাই বিচনাৰ পৰাই ভাগৰুৱা দুচকু মেলি সন্মুখৰ চেহেৰাটোক মনত পেলাবলৈ চেষ্টা কৰিলে। কিমান চিনাকী অথচ সঠিকভাৱে অমুকেই বুলি ক'ব পৰা নাযায়।

— কোন বাৰু? অৱশেষত তেওঁ হাৰ মানি সুধিয়ে পেলালে।

— মা, মই লাটু!

লাটু!

ক্ষণিকতে তেওঁৰ দুচকুৰ স্মিত জোনাকী পৰুৱা দুটা জলমলাই উজলি!

— অহ! ক'লৈ গুচি গৈছিলি? ক'ম বিচাৰিলো নে মই তহঁতক! পিছ ৰাতিতে টোপনি ভাগি যায়। দুচকু লাগি ধৰিলে তহঁতলৈ টিফিন বনাবলৈ যদি দেৰি হৈ যায়গৈ। দেউতাৰাই কয়, ৰাধাকো কিছুমান দায়িত্ব দিব পাৰা দেখোন। কেলেই কামত উজটি খাই ফুৰা অনবৰত। বনকৰা মানুহৰ হাতত তহঁতকেইটাক এৰিব পাৰিনে বাৰু? কেনে অবুজন মানুহ! পিছে তই কত ইমান দেৰী কৰিলি?

স্কুলৰ বাছ কিজানি কেতিয়াবাই গুচি গ'ল। ৰ'হ মই দেউতাৰক কওঁ থৈ আহিবগৈ! আৰু ইহঁত হাল ক'ত, বাবু আৰু ৰিণি?

বিচনাৰ পৰা উঠিবলৈ চেষ্টা কৰা পৌঢ়া মানুহজনীক পুনৰ বিচনাত শুৱাই দি মানুহজনে বেৰত সতেজ এডাল ফুলৰ মালা পিন্ধাই থোৱা দেউতাকৰ ফটোখনত চকু দি নিজৰ দুচকু হাতৰ তলুৱাৰে মোহাৰি ল'লে।

তেনেতে পকেটত থকা ফোনটোৱে ভাইব্ৰেট কৰি উঠাত তেওঁ ফোনটো কানত ল'লে,

— ঘৰ পালিগৈ নে? মাক কেনে দেখিছ এইবাৰ?

— মোক চিনি পোৱা নাছিল, মনত পেলাই দিবলগীয়া হৈছে। গতিকে গম পাইছই, অৱস্থাটো আৰু বেয়ালৈ গৈ আছে। আই থিংক ৱি চুড টেক ডা মেটাৰ এ বিট ম'ৰ ছিৰিয়াছলি নাও! এজনী নার্চৰ ওপৰত দায়িত্ব এৰি দি আমি সকলো ঠিকেই আছে বুলি ভাবিব নোৱাৰো বাবুদা! যি কি নহওক তই আহি ল', তাৰ পিছত কিবা এটা সিদ্ধান্ত ল'বই লাগিব।

কথাকেইটা কৈ লাটুৱে ককায়েক বাবুৰ ফোনটো কাটি দিলে।

দ্বিতীয় দিনা পুৱা বহু দেৰিকৈ সাৰ পালে লাটুৱে। জেটলেগৰ বাবে দুই-এদিন সদায়ে এনেকেয়ে যায়। এইবাৰো ব্যতিক্রম হোৱা নাই। চাৰে-ন ঘণ্টাৰ পার্থক্য আছে 'টাইম জ'নৰ'। ইফালে মাকৰ অৱস্থাটোৱেও বুকুৰ ভিতৰত শিল বহি যোৱাৰ দৰে দুঃচিন্তাৰ ভৰ দিবলৈ ধৰিছে। বিচনাত পৰি থাকিয়ে লাটুৱে কোঠাৰ চিলিংখনলৈ শূন্য দৃষ্টিৰে চাই ৰ'ল।

— লাটু! ইমান পৰলৈকে শুই আছ? ৰ'হ খিৰিকীখন খুলি দিও।

লাটুৱে মুখ ঘুৰাই মানুহজনীলৈ চালে। মাকে খিৰিকীখন খুলি পর্দাখন কোঁচাই দিয়াৰ লগে লগে বিচনাখনত এসোপা ৰ'দ হামখুৰি খাই পৰাৰ দৰে পৰিলহি। ইতিমধ্যে মাক আহি তাৰ কাষত বহিছেহি।

— মা! ইমান পুৱাতে কিয় উঠা তুমি? এতিয়াতো অলপ আৰাম কৰিবলৈ শিকা।

— এহ পুৱা পাঁচ বজাত চকু নিজে নিজে খুলি যায়অ'। অত বছৰৰ অভ্যাস, মৰিলে লগত যাব!

মাকে হাঁহি এটা মাৰি কথাষাৰ ক'লে।

— মৰাৰ কথা নকবা মা! সেইবোৰ কথা ক'বলৈ এতিয়া তোমাৰ বয়স হোৱা নাই!

— দেউতাৰৰ হ'বলা হৈছিল বয়স? যাও বুলিয়ে দেখোন সাউত কৈ গুচি গ'ল। ৰিটায়াৰ হোৱাৰ পিছৰ জীৱনটোক লৈ কত কল্পনা আছিল মানুহজনৰ! তহঁতকেইটা লিখা-পঢ়াক লৈ আঁতৰি যোৱাৰ পিছত আমি নকৈ জীৱনটোক চিজিল কৰিবলৈ চেষ্টা কৰিছিলো, দেউতাৰাক তহঁতৰ লগত লাগি থাকোতে দিবলৈ নোপোৱা সময়বোৰ দিবলৈ চেষ্টা কৰিছিলো!

মাকে চাদৰৰ আঁচলেৰে নিজৰ সেমেকা দুচকু মোহাৰি ল'লে।

সময়ক সঠিকভাৱে মনত পেলাই চকুলো টোকা মাকজনীক দেখি লাটুৰ তথাপিও ভাল লাগিল। পাহৰা যেন লগা কথাবোৰ মাকৰ ভিতৰত এতিয়াও তাৰমানে জীয়াই আছে।

— অহ মই সেই পুৰণি ৰেকর্ডকে আকৌ আৰম্ভ কৰি দিলো চাচোন। অতদিনৰ মূৰত তই ঘৰলৈ আহিছ! ঔম ভালে আছে নে? আৰু পলাশী? সিহঁতে অসমীয়া ক'ব পৰা হৈছেগৈ নে?

মাকৰ প্রশ্নৰ উত্তৰটো দিবলৈ লাটুৱে উথ্‌পথপ লগালে।

— মা, ঔমে অসমীয়া ক'ব নোৱাৰিলেও বুজি পায় আৰু তোমাৰ বোৱাৰীৰ কথা কি নো কম? অসমীয়া শিকাৰ চখত নিজৰ মাতৃভাষা মাৰাঠী পাহৰিবৰে হৈছেগৈ।

এষাৰ মিছা কথায়ো যদি মাকক জীৱনটোৰ প্রতি মোহগ্রস্ত কৰি তুলিব পাৰে, তেনে মিছা মতাত আপত্তিনো কি! কথাষাৰ কৈ উঠি লাটুৱে ভাবিলে।

— আৰু বাবুৰ কি খবৰ? ফোন আহে তাৰ। মানুহটো অহাৰহে তিনি বছৰৰ ওপৰ হ'ল। সি বিয়া বাৰুৰ কথা আৰু চিন্তা নকৰেনে দুনাই? তহঁতে তাক নুবুজাৰ কেলেই লাটু?

— মা! দাদাক অলপ সময় লাগিব। বৌৰ লগত ডির্ভচ হোৱাৰ দুবছৰ হৈছেহে। এইবোৰ ঘা ইমান সহজে ক'ত নো শুকাই মা? তুমিতো জানাই! অহা সপ্তাহত দেউতাৰ বছেৰেকীয়া শ্রাদ্ধত পোৱাকৈ সিও ঘৰলৈ আহি আছে। এইবাৰ তুমিও দাদাক বিয়াৰ বাবে জোৰ দি ধৰিবা।

লাটুৰ কথাষাৰত মাকে তলমূৰ কৰিয়ে সন্মতিত

মূৰ জোকাৰিলে।

— লাটু, কেতিয়াবা কেনে লাগে জাননে? লিখা-পঢ়াত তহঁতে ইমান ভাল হোৱাটোৱে যেন কাল হ'ল। নিজৰ প্ৰতিভাৰে তহঁতে আকাশৰ চিলাৰ দৰে উচ্চতা ভেদি গৈ থাকিলি আৰু আমি মাটিৰ পৰা তহঁতক চাই বিভোৰ হৈ ৰ'লো। ...আৰু যেতিয়া বেলি ঢলি পৰা পৰত ঘৰলৈ উভতিবলৈ চালো, তেতিয়াহে মন কৰিলো, আমাৰ হাতৰ পৰা ৰচী কোন কেতিয়াবাই চিঙি পৰিছে, আকাশত ঠিকনা লোৱা তহঁতক এতিয়া আৰু মাটিত ঘূৰাই পোৱাৰ উপায় নাই!

— মই বুজো মা!

— দিল্লীত ৰিণিক লগ কৰি আহিছ কিজানি? কেনে আছে তাই?

— মা, মই দিল্লীত নামি ৰিণিবাৰ ঘৰত এৰাতি থাকি আহিছো। তাই ঠিকে আছে, জীয়েকৰ লগত ব্যস্ত থাকে। চাকৰিৰ ব্যস্ততা আছেই ইফালে। ভিনদেউৰ 'টান্সফাৰেব'ল জ'ব' ঘৰখন চলোৱাৰ সকলো দায়িত্ব তাইৰ ওপৰত। দেউতাৰ সকামত আহিবলৈ মিলাব নোৱাৰাৰ বাবে মনত দুখ লৈ কথাবোৰ জনালে মোক।

তাই তোমাক দিল্লীত তাইৰ লগত থাকিবলৈও লগ ধৰাৰ কথা এষাৰো উলিয়াইছিল। কৈছিল তুমি গৈ থাকিলে তাইৰো লগ এটা হ'ব, বেমাৰে আজাৰে তুমিও ওচৰত ভাল ডাক্তৰ, হাস্পতাল পাই থাকিবা।

— পলাশীও দেখোন দিনটো ঘৰত অকলে থাকে লাটু? তাই তেনে কোনো প্ৰস্তাৱ দিলে জনাবি মোক।

কথাষাৰ কৈ মাক যাবলৈ বুলি উঠিল। দুৱাৰেৰে ওলাই যোৱা মানুহজনীৰ শেষৰ কথাষাৰত থকা তীব্ৰ উষ্মাত বহু দেৰীলৈ লাটু মেৰুদণ্ড বিহীন এটা মানুহৰ দৰে কোঙা হৈ বিচনাখনতে বহি ৰ'ল!

দুটাকৈ সক্ষম পুতেক থাকোতে মাকে বিয়া দিয়া জীয়েকৰ ঘৰত নাথাকেগৈ। দৰকাৰ হ'লে অকলে এইখন ঘৰতে এন্ধাৰত ঘুৰ্মুতিয়াই ৰ'ব! মাকৰ সেইয়াই শেষ সিদ্ধান্ত বুজিলে সি।

সড়খলিত সপোনৰ এঢলীয়া এটা গৰাত থিয় হৈ আছে মাক। এইফালে যদি বুকুৰ উত্তাপেৰে আৱৰি টানি লোৱা নাযায় চিৰদিনৰ বাবে এন্ধাৰ হেলনীয়াত হেৰাই পৰিবলৈ উপক্ৰম হৈছে মানুহজনী! লাটুৰে বেৰত থকা ঘড়ীটোলৈ চাই মনে মনে এটা হিচাপ লগালে আৰু তাৰ পিছত সুদূৰ ৱাছিংটনৰ ঘৰৰ নম্বৰটোত ফোন লগালে। সিফালে পলাশীয়ে তুলিল ফোনটো।

— কাই ছল্লা আহে? তুমচী আই খুপ খুছ আছেল না! আফতাৰ অল, ফাইনেলি হাৰ চান ইজ বাই হাৰ চাইড নাও!

পলাশীৰ ব্যংগ্য সুৰটোক উপেক্ষা কৰি উত্তৰত লাটুৱে সৰলতাৰে সৈতে ক'লে।

— মাৰ অৱস্থা ভাল নহয় পলাশী। এনেদৰে অকলে অকলে এৰিব লাগিলে, মানুহজনীক আমি হেৰুৱাব লাগিব। আমি মাক লগত ৰাখিলে তোমাৰ কিনো অসুবিধা হয়? জীৱনৰ শেষ সময়খিনিত এইখন সংগ দিব নোৱাৰিলে সন্তান হোৱাৰ কি লাভ কোৱাচোন!

— তুমি এটা কাম কৰা, তুমি মাক আনি লোৱা, মই মোৰ দেউতাকো মাতি আনো! কাৰণ তোমাৰ মাৰাৰ প্ৰতি যি দায়িত্ব আছে মোৰ দেউতাৰ প্ৰতিও একেই দায়িত্ব আছে।

— পলাশী! মোৰ মাৰ অৱস্থাৰ লগত তোমাৰ দেউতাৰাৰ অৱস্থাৰ তুলনা নহয়। তেওঁ সামাজিকভাৱে 'এক্টিভ' এজন সুখী মানুহ! পুতেক-বোৱাৰীয়েকৰ লগত নাতি-নাতিনীৰ সৈতে তেওঁৰ পৰিপূৰ্ণ জীৱন।

— তোমাৰ মাৰাকো কোৱানা 'কিট্টী পাৰ্টি' ইত্যাদিত জইন কৰি লওক। নামঘৰ যাওঁক! নিজেও সুখী থাকক, আমাকো সুখত এৰি দিয়ক। বাই দা ৱে, মাক লগত আনি ল'বলৈ বাবুদাদাক নোকোৱা কিয়? তুমিয়েতো তেওঁৰ একমাত্ৰ পুত্ৰ নহয়!

— পলাশী, তুমি জানা দাদাই ডিৰ্ভচ হোৱাৰ পিছত গাৰ্লফ্ৰেণ্ডৰ লগত একেলগে আছে। এইবোৰ কথা মাক বুজাব নোৱাৰিম আমি।

— অহ ৰিয়েলি! সেইটোৱে যদি সমস্যা তেনেহ'লে বিয়া পাতি ল'বলৈ কোৱা না বাবুদাক। প্ৰয়োজন হ'লে ময়ে বিয়াৰ প্ৰস্তাৱ লৈ কইনাৰ ঘৰলৈ যাম। বাবুদাৰ তাত থাকিলে গুৱাহাটীৰ ঘৰখনলৈ অহা-যোৱা কৰি থাকিবলৈও সুবিধা হ'ব মাৰ। লণ্ডনৰ পৰা দূৰত্বনো কি কণ? বাবুদা ঘৰগৈ পালে এইবাৰ বিষয়টো উলিয়াই সিদ্ধান্ত এটা লৈ পেলাবা বুজিছা। আশাকৰো শাহু আইয়ে মাৰাঠী বোৱাৰী নালাগে বুলি কোৱাৰ দৰে

ইউৰোপীয়ান কইনা নালাগে বুলি আকৌ কোনোধৰণৰ নাটক নকৰিব এইবাৰ!

লাটুৱে পলাশীৰ একো একোডাল শেলৰ দৰে তীর্যক কথাবোৰৰ মাজতে ফোনটো কাটি দি চোতাললৈ ওলাই আহিল। বিশ্বাস নহয়, এইজনী ছোৱালীৰ মোহময়তাত মুগ্ধ সি এদিন ঘৰৰ সম্মতিৰ অবিহনে বিয়া পতাৰ দৰে সিদ্ধান্ত এটা লৈ পেলাইছিল। মাকে কৈছিল তাক, তেওঁ তোৰ সৰু সৰু অনুভৱবোৰ বুজি পাব নে লাটু? বৰ অনুভৱী জাতিৰ মানুহ আমিবোৰ। অসমীয়া মানুহ!

পদুলিমুৰলৈ ওলাই আহি মামৰে ধৰা গেটখনৰ ৰেলিঙত দুহাত দি লাটুৱে সন্মুখৰ পথটোলৈ ঘোলা দৃষ্টিৰে চাই ৰ'ল। চকুৰ আগেৰে তীব্ৰ গতিত পাৰ হৈ গৈছে গাড়ীবোৰ। নিৰবচ্ছিন্ন এডাল মালাৰ দৰে! এতিয়া খোজেৰে বাটতো ইপাৰ-সিপাৰ হোৱাটো একৰকম অসম্ভৱ কথা। মাথোঁ বিছ-পঁচিছ বছৰৰ আগলৈকে কিমান বেলেগ আছিল কথাবোৰ! শিল-মাটিৰ এই উপ-পথটোত কাৎচিতহে দুই এখন গাড়ী দেখা গৈছিল। বাটৰ সিটো পাৰে থকা ওখ ওখ কলমৌৰ হাবিখনত ফুলি থকা বেঙুনীয়া ফুলবোৰ চোতালত থিয় দিলেই চকুত পৰিছিল। পদুলিৰ পৰা সামান্য আগবাঢ়ি বাটৰ অলপ ওখ আৰু বহল ঠিক সৌখিনিত আহি ৰৈছিলহি সিহঁতৰ স্কুলবাছখন। বাওঁ চকা দুটা ওখত আৰু সোঁ চকা দুটা পথৰ সমানখিনিত থকাৰ বাবে পিছফালৰ পৰা কেনে কেৰেচীয়া দেখা গৈছিল বাছখন! সেইবোৰ দিনত সৰু সৰু ভৰিবোৰ পদদানিত থৈ বাছত উঠিবলৈয়ো আনকি সিহঁতক দেউতাকৰ সহায়ৰ প্ৰয়োজন হৈছিল।

বাছৰ ভিতৰখনত এবাৰ সোমাই বহি পৰাৰ লৈকে লাটুহঁতৰ নাকত আহি লাগিছিল ধূপৰ সুগন্ধ! পুৱাতে গা পা ধুই টিপটিপিয়াকৈ তেল লগাই চুলিখিনি ফনিয়াই অহা ড্ৰাইভাৰ ভদ্ৰ কাইক ডাঙৰ ল'ৰা-ছোৱালীবোৰে জোকাইছিল।

'ভদ্ৰকাই, সন্মুখৰ গ্লাচত ইমান কৈ নাৰ্জী মালা আঁৰি লৈছা যে ৰাস্তা কেনেকৈ দেখিবা কোৱা পিচে?'

তাৰ পিচত খিলখিল-হিচহিচ হাঁহিত ভৰি পৰিছিল বাছৰ ভিতৰখন।

'এ বাবাহঁত। চিটে চিটে বহি লোৱা। নহ'লে খুন্দা খুন্দলি খালে মই জগৰীয়া নহ'ম কিন্তু।'

বাছৰ ভিতৰত লৰা-ধপৰা কৰি থকা সিহঁতলৈ চাই অসহায় হৈ পৰা ভদ্ৰকায়ে কৈছিল।

হেৰাই যোৱা সহজ এচোৱা সময় আৰু সৰল মুখবোৰলৈ মনত পেলাই লাটু তেনেকৈয়ে তাতে বহু পৰ থিয় দি ৰ'ল।

সিদিনা গধূলিলৈ সি অহাৰ খবৰ পাই লগত পৰিয়াল লৈ মাহীয়েকৰ ল'ৰা বিজিত আহি ৰাজগড়ৰ সিহঁতৰ ঘৰ ওলালহি। এনেয়ে সি থাকে আকৌ বেলতলাত। মাহীয়েকক দেখি ভাল লাগিল লাটুৰ। কেঁচুৱা নাতিয়েকজনীৰ লগত ব্যস্ত হৈ থাকোতে হাঁহিৰে উপচি আছে তেওঁৰ মুখ। বৈধব্যৰ শেতা ৰঙে ম্লান কৰিব পৰা নাই মানুহজনীক। সন্ধিয়াটো সিহঁতৰ লগতে কটাই ৰাতি ভাত সাজ খাই উঠি বিজিতহঁত যাবলৈ বুলি ওলাল। ল'ৰা-ছোৱালী তিনিটাকে ধৰি ছটাকৈ মানুহ চোতালত পার্ক কৰি থোৱা মাৰুতি 'য়্যেন এষ্টিল' গাঞ্জীখনত কোনোমতে ঠেলা-হেঁচাকৈ উঠি বহিল। বিজিত হাইস্কুল এখনত অংকৰ শিক্ষক। দৰমহাৰ সীমিত উপার্জন তাৰ। লাটুহঁতৰ দৰে ইলাহী জীৱনবোধৰ পৰা বহু দূৰত্বত সিহঁতৰ অৱস্থান। কিন্তু পদুলি মুখত সিহঁতক আগবঢ়াই থৈ গেটখন জপাওতে লাটুৰ এনে লাগিল, তাৰ চকুৰ সন্মুখতে সেই এধানমানি গাড়ীখনত সুখৰ এটি আটোমটোকাৰি টোপোলা ভৰাই লৈ তাৰ দৈন্যতাক ইতিকিং কৰিহে যেন গুচি গ'ল বিজিত!

সি আহত, শৰবৃদ্ধ এটা মন লৈ বিচনাখনত বাগৰ দিলেহি।

কি জীৱন এইয়া!

এটা সিদ্ধান্ত ল'ব নোৱাৰাকৈ পিঞ্জৰাত আৱদ্ধ তাৰ অৱস্থান! সীমাহীন চিন্তাৰ চাকনৈয়াত আৱর্তিত হৈ থাকোতেই এসময়ত লাটুৰ দুচকু জাপ খালেগৈ। পিছৰাতি, গাত কাৰোবাৰ হাতৰ স্পর্শত অকস্মাত টোপনি ভাঙি গ'ল তাৰ। ডিম লাইটৰ পোহৰত চকু মেলি চাই দেখে, কাষত বিচনাত বহি লৈ তালৈ অপাৰ মমতাৰে চাই আছে মাকে। দেখি সি শোৱাৰ পৰা উঠি মাকক সুধিলে—

— মা, টোপনি অহা নাই নেকি তোমাৰ? কিয় উঠি আহিলা?

— নাই অ! শুইয়ে আছিলো। ফেনৰ বতাহত পিছ ৰাতি ঠাণ্ডাত সাৰ পাই যাও সদায়। আজি সাৰ পাই মনত পৰিল, তয়ো কিজানি ঠাণ্ডা পাইছ। গতিকে কাপোৰখন গাত দিবলৈ বুলি উঠি আহিলো।

— মই জানো আগৰ সেই সৰু ল'ৰাটো মা? ঠাণ্ডা পালে কাপোৰ মই নিজেই গাত লম নহয়। তুমি কিয় উঠি আহিব লাগে?

— তাকে মনত নাথাকে অ' লাটু! তহঁত এতিয়া ডাঙৰ মানুহ হলি। সৰুতে তিনিওটাৰ লগত দৌৰি ফুৰোতে সদায়ে ভাবিছিলো, কেতিয়া তহঁতকেইটা ডাঙৰ হবি। কেতিয়া মই অকণ আজৰি হ'ম! দেউতাৰাৰ লগত বহি চাহ কাপ খাম। খবৰ কাগজ পঢ়িম। পিছে জীৱন কাৰোৰ পৰিকল্পনালৈ ৰৈ নাথাকে...!

— মা, মোক ক্ষমা কৰি দিবা। তুমি আমাক দিয়া সময় আৰু চেনেহৰ একোৱেই তোমাক আমি ঘূৰাই দিব নোৱাৰিলো!

— তহঁতক ডাঙৰ হোৱা চাই থকাটো আছিল এটা নিচাৰ দৰে। সেই আদৰ-চেনেহ ঘূৰাই পোৱাৰ আশাত ল'ৰা-ছোৱালীক মাক-বাপেকে ডাঙৰ নকৰে লাটু।

লাটুৰ চকুৰ কোণেৰে ৰৈ অহা চকুপানী হাতৰ তলুৱাৰে মোহাৰি দি পুতেকক কৈ যায় তেওঁ।

— জীৱনে আপোন মানুহখিনিক দূৰ কৰে, অবুজন মনে তাকে যে মানি ল'ব নোখোজে। তই টোপনি যা। ময়ো বিচনাখনত কাটি হওঁগৈ। পোহৰ হ'বলৈ এতিয়াও বহুপৰ বাকী!

পর্দা ঠেলি ওলাই যোৱা মানুহজনীলৈ চাই সি হুকহুকাই কান্দি উঠিল। সেই একেটাই শোৱা কোঠা, য'ত আজি সি শুই আছে, এসময়ত সিহঁত আটাইকেইটা শুইছিল। কোঠাটোৰ আনখন বিচনাত দেউতাক আৰু দাদাক শুইছিল। গধূলি সময়কণত ইখন বিচনাৰ পৰা সিখন বিচনালৈ জঁপিয়া-জঁপি, গাৰু দলিওৱা দলি খেল, ক'ত উৎপাত, কোৰ্হাল! আজি সেই একেটাই কোঠা, বতাহত বেজি এটা সৰি পৰা শব্দও কাণত আহি পৰাকৈ নির্জন-নিটাল, নিঃশব্দ!

'সেইটো ৰূমত শুবলৈ মই এৰি দিলো লাটু। তহঁতৰ স্মৃতিবোৰৰ ভৰত টোপনি যাব নোৱাৰো। মই কিজানি মনৰ বেমাৰী হৈ গৈছো। মোৰ দৰে কিমান মানুহ এনেদৰে অকলে শেষ সময়খিনি পাৰ কৰিছে। স্বাভাৱিক কথাই দেচোন আজিৰ দিনত।'

মাকে পিচদিনা তাক কৈছিল।

মাকৰ মুখত ইটো-সিটো কথা শুনি থাকোতে দুখৰ ওপৰত লাটুৰ মনত এটা সুখবোধ তথাপিও বিৰিঙি ৰৈছিল। মাকে লাটুৰ কাষত সম্পূর্ণ স্বাভাৱিক হৈ কথাবোৰ কৈছে। দুনাই বিভ্রমত সোমাই ককবকোৱা নাই মানুহজনীয়ে। কেয়াৰ টেকাৰ দুজনীয়ে জনাইছে, 'বৰমাক' ইমান সুখী দেখা সিহঁতৰ মনতেই নপৰে। মাকে মছন্দৰী, নহৰু পিচি চাটনি বনাইছে লাটুৰ বাবে। নৰসিংহৰ কোমল পাত পিচি বনাইছে শিঙি মাছৰ জোল। সি থকাৰ আপাহতে দুই এজন আলহীও আহি আছে এই কেইদিন। খবৰ খাতি নিদিয়াকৈ হঠাৎ আহি ওলোৱাজনকো মাকে ভাত এসাজ খোৱাই পঠিয়াইছে!

আবেলি সি বাৰান্দাতে বহি আছিল। দেউতাকৰ শ্রাদ্ধৰ বাবে মাত্র চাৰিটা দিন বাকী। গধূলিলৈ বাবুদাও আহি পাবহি। লাটুৱে সকামটোৰ বাবে প্রয়োজনীয় বয়-বস্তুৰ লিষ্ট এখন বনাবলৈ চেষ্টা কৰি আছিল। তেনেতে মাক তাৰ ওচৰৰ চকীখনত আহি বহিলহি। সি কিছুপৰ আগতে দেখিছিল, মাকে বেৰৰ পৰা ফ্রেম কৰি থোৱা ফটো কিছুমান নমাই লৈ ভিজা কাপোৰ এখনেৰে চফা কৰি আছে। হাতত লৈ অহা সেই ফটোকেইখন এইবাৰ সন্মুখৰ টেবুলখনত থৈ তাৰে পৰা এখন তুলি লাটুৰ ফালে আগবঢ়াই দি মাকে ক'লে—

— এইখন বেগত ভৰাই লবি। এইবাৰ আমেৰিকালৈ যাওঁতে লগত লৈ যাবি এইখন। ঔমক দেখুৱাবি। সি দেউতাকক লৈ বৰ গৌৰৱবোধ কৰিব!

হায়াৰ ছেকেণ্ডাৰীত সি অসমৰ ভিতৰত প্রথম স্থান লৈ উর্ত্তীণ হৈছিল। তাৰে প্রমাণপত্রখন দেউতাকে বৰ ধুনীয়াকৈ 'ৱালনাট' কাঠৰ ফ্রেম এটাৰে বন্ধাই ড্রয়িং ৰূমত লগাই লৈছিল। মাকে এতিয়া সেইখনকে তাৰ হাতত তুলি দিছে।

— মা! এইখন ইয়াতে থাকিবলৈ দিয়া। এইবোৰ স্মৃতি নহ'লে ঘৰখন ঘৰ যেনেই নালাগিব দেখোন!

— খালি বেৰবোৰে ইমান কষ্ট নিদিয়ে লাটু,

যিমান বেৰত ওলমাই থোৱা এই ফটোবোৰে দিয়ে। —কৈ যায় মাকে।

— তহঁত মন গ'লে, সা-সুবিধা মিলাই ঘৰখনলৈ বছৰ-দুবছৰৰ মূৰত একোবাৰ আহ, দুদিনলৈ ঘৰখন আগৰ দৰেই ভাল লগা হৈ উঠে। কিন্তু গুচি যোৱাৰ পিচত দুনাই সেই শূন্যভৰ আৰম্ভ হৈ যায়। এটা কুঁৱাৰ এন্ধাৰ দ' খিনিলৈ কোনোবাই যেন মোক প্ৰতিবাৰেই আকৌ এবাৰ গতিয়াই পেলাই দিয়ে। তললৈ সৰি পৰোতে মই ওপৰলৈ মূৰ তুলি চাবলৈ চেষ্টা কৰো, আকাশৰ পোহৰ-বৃত্তটো দূৰৰ পৰা দূৰ হৈ গৈ থাকে। এই খবৰবোৰে তহঁতৰ সংসাৰবোৰো চুৰেগৈ। তহঁতে কিজানি ভাৱ, তহঁতৰ ধ্যান, সহানুভূতি পাবলৈ এইবোৰ মই কৰা নাটক! তাতোকৈ কিমান দুখত জীয়াই থাকে মানুহ! সকলোবোৰ পাগল হৈ নাযায় নহয়!

— মা কি কৈছা এইবোৰ। তুমি নাটক কৰিবা বুলি কিয় ভাবিম আমি? বৰঞ্চ তোমাক কাষত ৰাখিব নোৱাৰাৰ বাবে মোৰ কিমান গ্লানি তুমি কি নাজানা?

— মাৰে হও তহঁতৰ। মুখেৰে নক'লেও তহঁতৰ দুখ-যাতনাবোৰ সৰ বুজি পাও। মোৰ বাবে তহঁতে এনেদৰে কষ্টত থকাতো মই কিদৰে সহো কচোন? সেয়ে ভাবিছো তহঁতক এইবাৰ একেবাৰে আজৰি কৰি দিওঁ!

— মানে আজৰি মানে? —আশংকাত লাটুৰ মাত কঁপি উঠে ।

— মোৰ যে ইমান কষ্ট তাৰ মূৰতে এচোৱা সময়ৰ সোঁৱৰণি। তহঁতৰ সোঁৱৰণি। মোক এৰি দেউতাৰেও গুচি গ'ল। কিন্তু নিশ্চয়তা দি গ'ল যে এই যোৱাৰ পৰা তেওঁ আৰু কোনোদিনে ওভতি নাহে। গতিকে দেউতাৰাক মনত পেলাই মই কৰা দুখত অপেক্ষা নাথাকে। কিন্তু তহঁতক এবাৰ দেখিবৰ বাবে এটা এটা দিনকৈ বছৰ বছৰ জুৰি কৰিব লগা অপেক্ষাই মোক অহৰহ একু�ৰা জুইত জ্বলাই ৰাখে লাটু। মোক বেমাৰী কৰি তোলে, মই প্ৰলাপ বকো। তহঁতৰ জানো এইবোৰ খবৰ শুনি ভাল লাগে?

— তেনেহ'লে কি কৰিব খুজিছা তুমি মা?'

— মই বৃদ্ধাশ্ৰমলৈ যাব খুজিছো। তহঁত দুটাই এইবাৰ মোৰ বাবে এইকণ ব্যৱস্থা কৰি থৈ যা। পাৰিলে এই ঘৰটোও বেচি দে। মোক তহঁতৰ পৰা পা-পইচাও নালাগে। দেউতাৰাৰ পেঞ্চনটোকে খৰচ কৰি অটাব নোৱাৰো। ঘৰটো বেচা টকাখিনি তহঁত তিনিওটাই সমানে ভগাই লবি।

— মা এইবোৰ কি কৈছা তুমি? বহাচোন মোৰ কাষত। বহা! —কথাখিনি কৈ ভিতৰলৈ উঠি যাব লোৱা মাকজনীক লাটুৱে হাতত ধৰি পুনৰবাৰ বহুৱাই দিয়ে।

— তহঁতৰ সোঁৱৰণিবোৰৰ পালক হৈ মই ভাগৰা নাই লাটু! কিন্তু আশা-অপেক্ষা এইবোৰ যেন দেওলগা বালিঘোঁৰা চৰাই। সময়ৰ বলুকাত মানুহক অহৰহ দেওধনি নাচ নচুৱাই ৰয়!

— মা তুমি এইবাৰ সঁচাকৈয়ে প্ৰলাপ বকিছা। এখন ঘৰ থাকোতে, আমি জীয়াই থাকোতে তুমি বৃদ্ধাশ্ৰমলৈ কিয় যাবা কোৱা?

লাটুৰ মাতত কঠোৰতা স্পষ্ট হৈ পৰিছে।

— ধেৎ অকৰাটো! বৃদ্ধাশ্ৰমলৈ মানুহ হ'বলা ঘৰ-সন্তান নথকাৰ বাবে যায় নেকি? আৰু তাত মই অকলে নাথাকোগৈ নহয়! আন বহু মানুহ থাকিব। চাবলৈ গ'লে নতুন জীৱন এটাৰ দৰেই হ'ব। তাৰোপৰি তহঁতো নিজৰ নিজৰ সংসাৰত কোনো গ্লানি নোহোৱাকৈ ব্যস্ত হৈ পৰিব পাৰিবি। সকলোৰে ভালহে হ'ব। এইখন কথাকো নুবুজনে বাৰু?

কথাষাৰ কৈ মাকে সন্মুখৰ টেবুলখনত থোৱা ফ্ৰেমকেইটাৰ মাজৰ পৰা বিচাৰি দেউতাকৰ ফটো এখন হাতত তুলি ল'লে আৰু এখাজ দুখোজ কৈ লাটুৰ কাষৰ পৰা উঠি, আঁতৰি যাবলৈ উদ্যত হ'ল। লাটুৱে দেখিলে টেবুলখনত অনাদৃত হৈ পৰি ৰ'ল, সিহঁতৰ শৈশৱৰ ক'লা-বগা আন বহুকেইখন ফটো। কোনোবাখনত মাকৰ কোলাত সি, ৰিণি নাইবা বাবু। আন কোনোবাখনত আকৌ মাক-দেউতাকৰ লগত সিহঁত আটাইকেইটা একেলগে। চৰম কিবা এটা হেৰুওৱাৰ হাহাকাৰত লাটুৱে বহাৰ পৰা উঠি এখন হাত মাকৰ ফাললৈ মেলি দিলে। পিছে তেতিয়ালৈ দীঘলীয়া বাৰান্দাখনেৰে ভালেকেইখোজ আগবাঢ়ি যোৱা মাকজনীৰ শুকুলা আঁচলখন লাটুৰ প্ৰসাৰিত হাতে আৰু ঢুকি নাপালেগৈ।

পূৰ্ব প্ৰকাশ ঃ প্ৰান্তিক, ছেপ্টেম্বৰ, ২০২০

লেখকৰ ঠিকনা দিল্লী



তীর্থস্থান

■ যশোৱন্ত নিপুণ

সন্ধিয়াৰ আগেয়ে তাৰ গান গোৱা শেষ হ'ল। উপেনদাই ঠিক সময়তে মঞ্চত উঠিলে আৰু ঠিক সময়তে গান গোৱা শেষ কৰিলে। অনুষ্ঠানৰ প্ৰধান আকৰ্ষণ আছিল সি। য'লৈকে যায় তাতে সি তাৰ ওচৰৰ সকলোকে নিষ্প্ৰভ কৰা সূৰ্যটোৰ দৰে হৈ পৰে। সি আধা ঘণ্টামানৰ বাবেহে গান গোৱাৰ কথা আছিল। তথাপি তাক এবাৰ চাবৰ

কাৰণে মানুহ হিলদল ভাঙি আহিল। অৱশ্যে নতুন কথা এয়া নহয়। আজি দুকুৰি বছৰৰো অধিক সি গান গাইছে আৰু তাৰ গানেৰেই শিশু, ডেকা-বুঢ়া সকলোৰে মনৰ মাজত নিজৰ বাবে এটা ঘৰ সাজি লৈছে।

সৰু অঞ্চলটোৰ সৰু অনুষ্ঠান এটালৈ সি নাহিবই বুলি বহুতে সন্দেহ কৰিছিল। সি এজন ডাঙৰ গায়কেই অকল নহয়, এজন ডাঙৰ শিল্পী আৰু বহুত কিবাকিবি। লিখা-মেলা, ছবি পৰিচালনা, ছবিৰ সংগীত পৰিচালনা, গীত গোৱা আৰু লিখা, গীতৰ সুৰ দিয়া, আলোচনীৰ সম্পাদনা আৰু কত কি কাম তাৰ। অসমৰ আৰু বাহিৰৰ বিখ্যাত শিল্পী-সাহিত্যিকৰ লগতো তাৰ কাম-কাজ চলি থাকে। বাতৰি কাকতত তাৰ খবৰ ওলায়ে থাকে। গুণমুগ্ধ অসংখ্য লোকৰ লগতে দুই-এজন তাক বৰ বেয়াকৈ গালি পৰা মানুহো নোহোৱা নহয়। কিছুমানে অদ্ভুত অদ্ভুত কাৰণ উলিয়াই তাৰ মাজত একোৰেই ভাল বিচাৰি নোপোৱা হয়, আৰু সিহঁতে কেৱল তাৰ দোষ খোচৰে। পিছে সেইবোৰক সি বৰ এটা গুৰুত্ব নিদিয়ে বুলিয়েই ভাব হয়। ৰাইজেও তাৰ গালৈ কাকত-পত্ৰৰ ওখ ঠাইৰ পৰা বোকা ছটিয়াই ভাল পোৱা মানুহখিনিকলৈ মূৰ নঘমায়। হাতীয়ে ক'ৰবালৈ গ'লে পথৰ দুই-এটা কুকুৰেতো ভুকিবই।

অনুষ্ঠানটোৰ কাম-কাজৰ লগত এইবাৰ ময়ো জড়িত হ'লো। লগতে আদৰণি সমিতিৰো সদস্য। সেইবাবেই তাৰ ওচৰত গৈ থিয় হোৱাৰ সুযোগ পালো। নহ'লে তাৰ কাষলৈ যাকে-তাকে আহিবলৈ দিয়া হোৱা নাছিল। ৰাইজে য'তে পায় তাতে তাক বুকুত সুমাই ল'ব খোজে। পিছে ইমানসোপা মানুহৰ মৰমৰ হেঁচাত সি চেপেটা লাগিবও পাৰে।

আগেয়ে মোৰ এমূৰ জপৰা চুলি আছিল। তেল ঘঁহি, ষ্টাইল মাৰি ধুনীয়াকৈ ৰাখিছিলো। কিন্তু মাজতে দুকুৰি বছৰেই পাৰ হৈ গ'ল। মূৰৰ চাৰিওফালে আৰু কাণৰ কাষত বেৰ এটাৰ দৰে কেইডালমান চুলিহে এতিয়াও বিদায় নোলোৱাকৈ কিন্তু যাওঁ যাওঁকৈ ৰৈ আছে। সেইকেইডালো বগা হৈ যোৱা কত বছৰ হ'ল তাৰ হিচাপ নাই। মানুহটোও অলপ শকত হ'লো, পেটটো ওলাই গ'ল। বয়সতকৈ মোক বেছি বুঢ়া বুঢ়া যেন লাগে বুলি লগৰবোৰে কয়। কথাষাৰ শুনিলে ভাল নালাগে যদিও হাঁহি উৰুৱাই দি কওঁ— 'চাকৰিৰ পৰা অৱসৰ পোৱাৰ সময় হ'লহি। এই সময়ত ডেকা হৈ থাকিওনো কিডাল কৰিম?'

সি কিন্তু চল্লিশ বছৰীয়া তজবজীয়া মানুহটোৰে হৈ আছে। মোক চিনি নাপাবও পাৰে বুলি ভাবিছিলোৱেই।

চশমাৰ মাজেৰে মোৰ ফালে চাই সি হাঁহি এটা মাৰিলে। তাৰ কাষলৈ অহা অচিনাকি অইনসকলৰ ফালে চায়ো সি তেনেকৈয়ে হাঁহিছিল।

'দাদা, মোক চিনি পাইছেনে?' সেমেনা-সেমেনিকৈ সুধিলো। সিতো দুকুৰি বছৰৰ আগৰ আমাৰ ঘৰত ভাত-পানী খাই ৰাতি থাকি যোৱা, নদীলৈ গা ধুবলৈ গ'লে আমাকো লগত লৈ যোৱা উপেনদাটো নহয়। সি এতিয়া ডাঙৰ শিল্পী, সকলোৰে হিয়াৰ আমঠু, তাৰ গান আজি দুকুৰি বছৰে মানুহৰ মুখে মুখে। আমাৰ দৰে এলেকৰ পেলেকক পাহৰি যোৱাটো তাৰ বাবে অতি সহজ কথা।

চশমাৰ মাজেৰে মাজেৰে মোক আকৌ খুব ভালকৈ চালে। বুজিলো সি একেবাৰেই ধৰিব পৰা নাই।

মই কওঁ নকওঁকৈ আকৌ ক'লো, 'দাদা, মই তাৰিণী।'

'তাৰিণী, তাৰিণী, মানে'! সি তথাপি মোক চিনি পোৱা নাছিল।

'দাদা, আপোনাৰ বংশীধৰ মহাযে, তেওঁৰ ল'ৰা...।'

'অ' তই, বংশীমহাহঁতৰ তাৰিণী। তোক চিনিবই পৰা নাছিলো দেখোন। অ' কপাল!' সি জাঁপ মাৰি উঠি মোক সাবটি ধৰিলে। ঠিক সৰুতে নদীলৈ গা ধুৱাবলৈ মোক কোলাত উঠোৱাৰ আগেয়ে সি সাবটি ধৰা যেন অনুভৱ হ'ল। মানুহবোৰৰ আগত মোৰ অলপ লাজেই লাগিল।

'দাদা, চিনিব নোৱাৰিবই। আপুনি গাঁও এৰি যোৱাৰ কিমান বছৰ পাৰ হৈ গ'ল। মই বুঢ়াই হ'লো।' চুলি নোহোৱা তালুত হাতখন ৰাখি ক'লো।

'এস্! কি কৰ তই। চাচোন মোক।' সি পিন্ধি থকা টুপীটো খুলি তাৰ মূৰত দুবাৰমান খৰকৈ হাত

ফুৰাই ক'লে। মোৰ দৰেই তাৰো মূৰৰ মাজভাগ খালি হৈ গৈছে। সেই কাৰণেই কিজানি সি টুপীটো পিন্ধি থাকে। 'চুলি কেতিয়াবাই পকিল। ৰং কৰি থাকো।' সি ডাঙৰকৈ প্ৰাণখোলা হাঁহি এটা মাৰিলে। তাৰ হাঁহিটো আগৰ দৰেই নিৰ্মল আৰু সৰল।

সি মোক কাষতে বহুৱাই ল'লে। হুকুম দিয়াৰ সু�ৰত ক'লে, 'পিছে গাঁৱৰ ল'ৰাটোৰে মোক 'আপুনি' বুলিছ আকৌ কিয়? আগৰ দৰেই মাতিবি। নহ'লে দূ�ৰৰ দূৰৰ লাগিব, বুজিলিতো।'

মই হাঁহিলো। ইমান ওখ হৈ যোৱাৰ পাছতো সি কিজানি এই মাটিৰ গোন্ধটো পাহৰি যোৱা নাই।

'মহা-মাহীৰ কেনে? কিমান বছৰ হ'ল, দেখাই নাই। ভালে আছেনে?' সি সুধিলে।

সুযোগ পাই তাৰ লগত এষাৰ-দুষাৰ কথা পাতিবলৈ ইজন-সিজনকৈ আহি ভিৰ কৰিছে। মই উত্তৰ দিয়াৰ আগতেই সি সেইসকলৰ লগত ব্যস্ত হৈ পৰিল। লক্ষ্য কৰিলো, তাৰ কথা-বতৰাত একো ভেম নাই, অহংকাৰ নাই। সি যেন আমাৰ দৰেই এজন নিচেই সাধাৰণ মানুহহে।

আই-পিতা ঢুকোৱাৰ বহু বছৰ হ'ল। উপেনদাই গম নাপায়। তেওঁলোক ঢুকোৱাৰ খবৰবোৰ তাক দিব নোৱাৰিলো। দুকুৰি বছৰৰো আগেয়ে সি যি গান গাবলৈ ওলাই গ'ল তাৰ পাছত আমাৰ ঠাইলৈ আৰু তেনেকৈ ঘূৰি আহিবলৈ সময় উলিয়াবই নোৱাৰিলে। সি যাযাবৰ, অতি ব্যস্ত শিল্পী। গৈ লগ কৰাটো সহজ হৈ থকা নাছিল।

আমাৰ ঘৰৰ পৰা পশ্চিমৰ নদীখনৰ দলং পাৰ হৈ অলপ দূৰ গ'লেই উপেনদাহঁতৰ ঘৰ আছিল। আই উপেনদাহঁতৰ দূৰ সম্পৰ্কীয় মাহীয়েক। সি আৰু ভায়েক অনন্তও আমাৰ তালৈ তেতিয়া আহিয়েই থাকে। গাঁৱৰ ভাওনা-সবাহ আদিত আমাৰ ঘৰত প্ৰায়ে ৰাতি থাকে, ভাত-পানী খায়। সেই সময়ত সি পুৱাতে উঠি বৰগীত গাইছিল। কি সুন্দৰ তাৰ কণ্ঠ, কি সুন্দৰ তাৰ সুৰ, 'তেজৰে কমলাপতি, পৰভাতে নিন্দ...'। পিতাই শুনি বৰ ভাল পাইছিল। তাক আকৌ গাবলৈ কয়। সিও গাই যায়। অনন্ত তেতিয়া বৰ সৰু। কিন্তু সিও বৰ সুন্দৰকৈ দুটা-এটা গান মন গ'লে গাইছিল। মোক কেতিয়াবা উপেনদাই কান্ধত উঠাই নদীলৈ গা ধুবলৈ লগত নিছিল। নদীত সাঁতুৰি, গা ধুই থকা সময়খিনিতো সি সংগীতময় হৈ চিঞৰি চিঞৰি গান গায়। আচলতে সি আৰু অনন্তই কিজানি গান তেজত লৈয়ে জনম লৈছিল।

তাৰ বিশেষ এটা কথা মোৰ এতিয়াও মনত পৰে। বৰষুণ দিলে সি মন দি বৰষুণৰ শব্দ শুনে; আমি যেনেকৈ গান শুনো তেনেকৈ। বৰষুণতো বোলে গানৰ সুৰ থাকে। বতাহ-ধুমুহায়ো বোলে গান গাই থাকে যিটো আমি অলপ মন দিলেই শুনিব পাৰো। এই কথাবোৰ সি আমাক প্ৰায়ে কৈছিল।

সি পাছলৈ ভাল গায়ক হ'ব বুলি পিতাই আইক মাজে মাজে কোৱা শুনিছিলো। তেওঁৰ কথাটো বৰ সুন্দৰকৈ ফলিয়ালে। কিন্তু সি ইমান ডাঙৰ এজন গায়ক-শিল্পী হ'ব বুলি বোধহয় আমাৰ ঠাইখনৰ কোনেও ভাবিবই পৰা নাছিল। অকল সিয়েইতো নহয়, অনন্তয়ো তাৰ দৰেই ডাঙৰ গায়ক এজন হৈ কাললৈ অলেখ মানুহৰ মন জিনি থৈ গ'ল।

হঠাতে সি মোৰ ফালে চাই ক'লে, 'আজি তহঁতৰ ঘৰতে ভাত খাম। মাহীৰ হাতৰ আঞ্জা-ভাতৰ সোৱাদ মুখত লাগি আছে অ'। আৰু জুই পুৱাই পুৱাই মেল মাৰি আলু পুৰি খাইছিলো যে!'

মই কিবা কোৱাৰ আগতেই সি আকৌ ছাত্ৰকেইজনমানৰ লগত কথা পতাত ব্যস্ত হৈ পৰিল। চিন্তা এটাত পৰি গ'লো। ওচৰৰ টাউনৰ ভাল হোটেল এখনত তাৰ আৰু লগত অহাকেইজনৰ থকাৰ ব্যৱস্থা কৰা আছে। সি মোৰ ঘৰত গৈ থাকিলে অসুবিধা নাপাবনে? তাৰ দৰে বিখ্যাত শিল্পী-গায়ক এজনক খুৱাবলৈ মোৰ ঘৰত আছেইনো কি ? ঘৰৰ কোনখন বিছনাত তাক শুবলৈ দিম?

কিন্তু সি আগৰ পৰাই খেয়ালী মনৰ মানুহ। মই কথাবোৰ ভাবি থাকোতেই ঘপহকৈ উঠি ক'লে, 'ব'ল তহঁতৰ ঘৰলৈ যাওঁ। দেৰি নকৰো। কাইলৈ পুৱা সোনকালেই যাব লাগিব নহয়।'

লগত অহাকেইজন হোটেলতে থাকিব। গাড়ীৰ কাষলৈকে তাক আগবঢ়াই দিবলৈ জাকে জাকে মানুহবোৰ আহিল। সি সকলোকে নমস্কাৰ জনাই বিদায় লৈ গাড়ী ষ্টাৰ্ট কৰিলে।

গৰুগাড়ীৰ বেগত গাড়ীখন আগুৱাইছিল।

‘ইমান লাহে লাহে চলাইছ কিয়?’ মই অলপ আচৰিতেই হৈছিলো।

‘একো নহয় অ’। পথাৰখন, ঘৰবোৰ আৰু ৰাস্তাটো ভালকৈ চাইছো। ময়ো ইয়াতে আছিলোতো এদিন। আৰুবা কেতিয়া এইবোৰ দেখা পাওঁ। কিজানি দেখা নাপাৱেই।’ সি হাঁহি কথাযাৰ কৈছিল যদিও তাক কিবা উদাস উদাস যেন লাগিল।

জোনাকেৰে গোটেইখন ভৰি পৰিছিল। মই আই-পিতা কেতিয়াবাই পাৰ হোৱাৰ কথাটো ক’লো। তাৰ মনটো যেন সেমেকি আহিল। কিন্তু সহজ সু�ৰতে ক’লে, ‘লগ পাম বুলি ভাবিছিলো। কিন্তু মোৰেই আহোঁতে দেৰি হৈ গ’ল দে।’

বাটত আমাৰ উচ্চতৰ মাধ্যমিক স্কুলখন পৰে। আমাৰ স্কুল বুলি এই কাৰণেই ক’লো, তাতেই উপনদা, মই, অনন্ত আৰু মোৰ ভাই দুটাই পঢ়িছিলো। অৱশ্যে আমি ভর্তি হোৱাৰ আগেয়েই সি স্কুল এৰি কলেজ পাইছিল আৰু আমি স্কুল এৰাৰ আগতে সি বিশ্ববিদ্যালয় পাৰ হৈ, কিছুদিনলৈ গান গাবলৈ এৰি আকৌ কিবা পঢ়িবলৈ বিদেশ পাইছিলগৈ।

স্কুলৰ আগত সি গাড়ী ৰখাই নামি গ’ল। ময়ো লগতে নামিলো। লোহাৰ গেটখনৰ চেঁচা হৈ থকা ৰদ দুডাল হাতেৰে ধৰি মুখখন গভীৰ কৰি সি থিয় হৈ ৰ’ল। আৰু তেতিয়াই ফাংচনৰ পৰা অনন্তৰ গান এটাৰ কলিবোৰ আমাৰ কাষে�ৰে বতাহত উৰি যাবলৈ ধৰিলে। তাৰ মুখলৈ চালো। সি মন দি গানটো যেন শুনিবলৈ চেষ্টা কৰিছে। তাৰ মুখখন গভীৰ হৈয়ে থাকিল; একো পৰিৱর্তন দেখা নাপালো। অনন্তৰ কথা তাৰ মনত পৰি থাকেনে? মনত পৰিলে দুখ লাগেনে?

স্কুলৰ সন্মুখৰ মুকলি ঠাইখিনিলৈ দেখুৱাই ক’লো, ‘তাতে আমি প্রার্থনা কৰিছিলো। তোৰ মনত আছেনে দাদা?’

সি মূৰ দুপিয়ালে, ‘সেইবোৰ কেনেকৈ পাহৰিম?’

‘অনন্তই কি ধুনীয়াকৈ প্রার্থনা লগাই দিছিল। তাৰ কেতিয়াবা বৰকৈ মনত পৰে দাদা। কিয় যে ইমান সোনকালে গুচি গ’ল?’ নকওঁ বুলি ভাবি থকা কথাযাৰেই হঠাত মুখৰ পৰা দুখৰ সুৰ এটাৰে ওলাই গ’ল।

সি একো নকৈ আকৌ মূৰ দুপিয়ালে। আগৰ কথাবোৰেৰে মোৰ মন ভৰি পৰিল। হাফপেণ্ট পিন্ধি অনন্ত স্কুললৈ আহে, তাৰ মাতটো বৰ ভাল কাৰণে হেডছাৰে প্রায়ে তাক প্রার্থনা লগাই দিবলৈ কয়। এদিন সি উপেনদাৰ লগত গান গাবলৈ গুচি যায়।

এই সকলোবোৰ যেন দুদিন আগতেহে ঘটি গৈছে। অথচ মাজতে কত বছৰ পাৰ হৈ গ’ল! অনন্তই শিল্পীৰ দল এটা কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গান গাই ঘূৰি ফুৰিছিল। তাৰ হৃদয় পৰশা গানবোৰ মানুহে নাপাহৰে, পাহৰিব নোৱাৰে। সেইবোৰ মানুহৰ বুকুত লাগি ৰৈ গৈছে, বুকুত লাগিয়েই থাকিব।

আমি আকৌ গাড়ীত আহি বহিছিলো।

‘তই আজিকালি কবিতা লিখনে?’ সি সুধিলে।

‘নাই, নিলিখো।’ মই ক’লো।

হাইস্কুলৰ পৰাই মই কবিতা লিখিছিলো আৰু পাছলৈ বাতৰি কাকত আৰু আলোচনীত দুই-এটা প্রকাশো হৈছিল। সেই দিনবোৰত পৃথিৱীখন বৰ সহজ আছিল, বৰ ৰোমাণ্টিক আছিল। কিন্তু কেতিয়া যে ৰূপ সলাই পৃথিৱী কর্কশ গদ্যময় হৈ পৰিল ধৰিবই নোৱাৰিলো। কবিতাৰ কিতাপ এখন উলিয়াম বুলি তেতিয়া ভাবি আছিলো। ভাবি থাকোঁতেই দিনবোৰ, বছৰবোৰ পাৰ হৈ গ’ল আৰু মই লিখা কবিতাবোৰো হেৰাই থাকিল। এতিয়া বহু চেষ্টা কৰিলেও সেইবোৰৰ এটা শাৰীও মনলৈ নাহে। আৰু নতুনকৈ কবিতাতো মনলৈ নাহেই। কর্কশ পৃথিৱীখনৰ দৰেই ময়ো আজি এটা নিৰস গদ্যময় মানুহহে।

‘লিখিব লাগে। কিয় নিলিখ?’ অন্যমনস্ক হৈ সি স্কুলৰ ফালে চাই থাকিল অলপ পৰ। তাৰ পাছত সোঁহাতৰ তর্জনীৰে বুকুত বৃত্তৰ দৰে কিবা এটা আঁকি ক’লে, ‘চা, মোৰ এইখিনি শূন্য হৈ গৈছে। আৰু শূন্যটো ডাঙৰ হৈয়ে গৈ আছে। কিন্তু এই শূন্যটোও বৰ পবিত্র।’

সি কি বুজাব খুজিছিল ধৰিব নোৱাৰিলো। গানবোৰৰ দৰেই তাৰ কথাবোৰো কেতিয়াবা কাব্যময় হৈ পৰে। বোধহয় স্কুলৰ দিনবোৰলৈ মনত পৰি তাৰ বেয়া লাগিছিল।

ঘৰ যেতিয়া পাওঁ তেতিয়া শ্রীমতীয়ে ধন মানে মোৰ প্রাইমাৰী স্কুললৈ যাবলৈ আৰম্ভ কৰা নাতিটোৰ লগত বহি চোতালতে জুই পুৱাই আছে। স্কুল বন্ধ কাৰণে

দেউতাকে তাক ইয়াতে দুদিনমান থাকি যাবলৈ থৈ গৈছিল।

পদূলিত ৰোৱা ডাঙৰ গাড়ীখনলৈ সিহঁতে চকু বহল কৰি চাইছিল। মোৰ লগত নমা মানুহজন যিমানে ওচৰ চাপি আহিল সিমানেই শ্ৰীমতীৰ চকু দুটা বহল হৈ যাবলৈ ধৰিলে। তেওঁ যেন একো বিশ্বাসেই কৰিব পৰা নাই।

মোৰ বুকুখন ক'ব নোৱৰাকৈ ফুলি উঠিল। কি বুলি ভাবিছে শ্ৰীমতীয়ে মোক? এলা-পেচা মানুহ নেকি মই? মোৰ আই উপেনদাৰ মাহীয়েক আছিল। আমাৰ ঘৰখন উপেনদাহঁতৰ নিজৰ ঘৰৰ দৰে আছিল। কত দিন উপেনদা আৰু অনন্তই আমাৰ ঘৰত থাকি গৈছে, ভাত খাই গৈছে!

শ্ৰীমতীয়ে গোটেই অসমৰ হিয়াৰ আমঠুজনক এতিয়া কি খুৱাব, কি পিন্ধিবলৈ দিব, ক'ত শুবলৈ দিব? তেওঁ অস্থিৰ হৈ পৰিল। হ'বৰ কথাই। দেৱতাজনক আদৰিবলৈ মূৰা ঘৰখনতনো আছে কিটো? কথাটোৱে মোকো ইতিমধ্যে চিন্তাত পেলাই থৈছিলেই।

সি শ্ৰীমতীৰ মনৰ অৱস্থাটো ধৰিব পাৰিলে। বোধহয় সেইবাবেই হোহোৱাই হাঁহি ক'লে, 'তোমালোকে যি খোৱা তাকে খাম। খুব সাধাৰণভাৱে ঘৰৰ এসাঁজ খাবৰ মন গৈছে। হোটেলত আৰু এই প্ৰগ্ৰেমবোৰত খাই খাই আমুৰাই গৈছে। কেতিয়াবা নিজে ৰান্ধি খাবলৈ মন যায়। কিন্তু সময় নাপাওঁ। সুবিধাও নহয়।'

সি বাথৰুমত হাত-মুখ ধুবলৈ সোমাল। মই সেই ছেগতে শ্ৰীমতীক পাগঘৰত কিবা সহায় কৰিব পাৰিম নেকি সুধিলোগৈ। তেওঁ চকুৰেই মোক দাবি মাৰি, 'নাই, একো দৰকাৰ নাই। সহায় কৰি বৰ ফটাব নালাগে।' ধৰণৰ ইংগিতেৰে মূৰ জোকাৰিলে। তেওঁক মহা বিপদত পেলালো মই। কিন্তু তাৰ দৰে বিখ্যাত মানুহ এজনে হঠাতে মোৰ দৰে অপদাৰ্থ এটাৰ ঘৰত থাকিবলৈ ওলাব বুলি কেনেকৈ আগতীয়াকৈ জানিব পাৰো মই?

জুইৰ কাষত বহি সি ধনক কোলাত তুলি লৈ কিবাকিবি কৈছিল। তেতিয়াহে সি মোৰ ঘৰ-সংসাৰৰ কথা সুধিলে।

ভাই দুটাই কেতিয়াবাই নগৰত ঘৰ-বাৰী কৰি উঠি গ'ল। ল'ৰাটোৰ কথাও ক'লো। বহু চেষ্টাৰ পাছত চাকৰি এটা পালে। নিজে চাই ছোৱালী আনিলে। এতিয়া সি পৰিয়াল লৈ তাৰ অফিচৰ কাষতে ভাৰাঘৰত থাকে। তাতেই মাটি অলপ লৈ ঘৰ এটা সজাৰ কথা চিন্তা কৰি আছে।

উপেনদাৰ কথাবোৰ অসমখনে জানে। কিন্তু নজনা কথাও বহুত আছে। বিদেশত থাকোঁতেই সি বাহিৰৰ এজনী বিয়া কৰাইছিল। ল'ৰা এটাও হ'ল। কিন্তু সি পৰিয়াল তাতে এৰি ঘূৰি আহিল। ল'ৰা-তিৰোতাৰ লগত তাৰ এতিয়াও সম্পৰ্ক আছেনে? তাৰ পৰিয়ালৰ কথা সুধিবৰ মন এটা হৈছিল। কিন্তু নুসুধিলো। শিল্পী মানুহৰ জীৱন আমাৰ দৰে ঘটিৰামবোৰৰ হিচাপত জোখ-মাখ কৰিবলৈ যোৱাটো উচিত কথা নহয়।



নাৰিকল দিয়া টেকেলি পিঠাৰে শ্ৰীমতীয়ে ডাঙৰ ডাঙৰ কাপত আমাক চাহ দি গৈছিল। উপেনদাই টেকেলি পিঠা আগেয়ে বৰ ভাল পাইছিল। সেই কথাবোৰ শ্ৰীমতীয়ে মোৰ মুখৰ পৰা বহুবাৰ শুনিছে। আজিকালি পিছে সি বিখ্যাত অন্য এজন মানুহ। কিন্তু খোৱাৰ ধৰণ দেখি গম পালো ডেকাকালৰ জুটিবোৰ এতিয়াও তাৰ জিভাই পাহৰি যোৱা নাই।

ধনৰ টোপনি ধৰিছিল। শ্ৰীমতীয়ে

তাক উঠাই নি ভাত খুৱাই শুৱাই থ'লেগৈ।

জুইত আকৌ মই খৰি জাপি দিলো।

জোনাকত দূৰৰ পাহাৰখন ঢাকিব খোজা কুঁৱলিবোৰ মেঘ যেন লাগিছিল। ফাংচনৰ পৰা কোনোবাই গোৱা উপেনদাৰ গান এটাৰ কলি ভাঁহি আহিছিল।

'তহঁতৰ খেৰীঘৰ দুটা ভাঙি পেলালি?' সেইফালে মন নিদি সি সুধিলে।

'কেতিয়াবাই ভাঙিলো। ল'ৰাটোৱে থাকিব বুলি এইটো বান্ধিলো।' পকীঘৰটোলৈ আঙুলিয়াই ক'লো।

'অ', হয় দে। পুৰণি মানুহবোৰেই ৰৈ থাকিব নোৱাৰে। পুৰণি ঘৰবোৰ ক'ত থাকিব?' সি ক'লে।

'কথাটো সঁচা।' মই শলাগিলো।

সি উদাসভাৱে হাঁহিলে। অলপ ৰৈ কিবা ভাবি সৰুকৈ ক'লে, 'গাড়ীত বটল এটা আছে। অলপ খাব পাৰিলে ভাল আছিল। কিন্তু তোমাৰ এওঁ আকৌ বেয়া পাব নহয়। তোৰতো সেইবোৰ নচলে কিজানি?'

'নাই, নাই। মই নাখাওঁ।' মই মিছা মাতিলো। মাজে মাজে ময়ো সুযোগ-সুবিধা পালে সেইটুপি অলপ নধৰা নহয়। শ্ৰীমতীয়েহে মুখত নাওমান গোন্ধ পালেই মহাভাৰত আৰম্ভ কৰি দিয়ে। সি মদ অলপ বেছিকৈয়ে খায় কিজানি। মঞ্চতো কেতিয়াবা ঢলং পলংকৈ উঠি গান গায় বুলি কাকতে-পত্ৰই পঢ়া মনত পৰে।

'মহা, আৰু মাহীৰ কথা বৰকৈ মনত পৰিছে অ'।' তাৰ মাতটো গহীন।

মই তাৰ মুখলৈ চালো। জুইৰ পোহৰত মুখৰ ৰেখাবোৰ স্পষ্ট হৈ আহিছে। জুইৰ মাজে�ৰে সি যেন বহু দূৰলৈ, বহু বছৰ আগৰ ক'ৰবালৈ চাই পঠিয়াইছে।

মই একো নক'লো। আই-পিতাৰ কথা, পাৰ হৈ যোৱা সেই দিনবোৰৰ কথা মনত পৰিল। উপেনদাহঁত আহিলে কেতিয়াবা এনেকৈয়ে নিশা জুই একুৰা জ্বলাই লৈ আমি চাৰিওফালে বহিছিলো। আই-পিতা, ভাই দুটা, উপেনদা, অনন্ত। আৰু আজি? উপেনদা আৰু মোৰ লগত বহি আছে কেৱল শূন্যতা আৰু সেই শূন্যতা যেন সোঁৱৰণিবোৰে অধিক গভীৰ কৰি তুলিছে।

সি হুমুনিয়াহ এটা এৰিলে। 'সিহঁত কিজানি ইয়াতেই আছে। সেই কাৰণেই কওঁ', সি চাৰিওফালে সোঁহাতখন ঘু�ৰাই দেখুৱাই ক'লে, 'এই ঠাই বৰ পবিত্ৰ।'

ক'ব নোৱৰাকৈয়ে মনটো উৰুঙা উৰুঙা হৈ গ'ল।

নদীপাৰৰ উপেনদাহঁতৰ ঘৰ-মাটি কেতিয়াবাই সি বিক্ৰী কৰিলে। এতিয়া তাতে এটা তিনিমহলীয়া বিল্ডিং উঠিছে। সি চাবলৈ যাব নেকি এবাৰ, সুধিলো।

'নাযাওঁদে। চাইনো আৰু কি কৰিম।' সি মূৰ জোকাৰিলে।

সি তৃপ্তিৰে ভাতসাঁজ খাইছিল। আলু-বেঙেনাপো�ৰাৰ পিতিকা, লেচেৰা ভজা, দাইলত দিয়া কঠালগুটিৰে সাধাৰণ এসাঁজ ভাত।

'মই ভালপোৱা বস্তুবোৰকেই ৰান্ধিলা দেখোন?' প্ৰাণখোলা হাঁহি এটা মাৰি শ্ৰীমতীক সুধিছিল সি।

'আপোনাৰ কথাবোৰ এওঁ কৈয়ে থাকে নহয়। মই ভাবিলো দাদা, আপুনি কিজানি ভাল পাব।' শ্ৰীমতীয়ে কৈছিল।

কাম-কাজ অঁটাই ধনে সাৰ পালে ভয় খাব পাৰে বুলি শ্ৰীমতীয়ে গৈ তাৰ কাষতে শুইছিলগৈ। উপেনদাই চোতালত কিছুসময় একো-এটা নোকোৱাকৈ খোজ কাঢ়িলে। তাৰ পাছত নুমাই যোৱা জুইকুৰাৰ আঙঠাবোৰৰ কাষত বহিল। ময়ো কাষতে বহিলো।

'চা।' সি পাহাৰখনলৈ দেখুৱাই ক'লে। 'পাহাৰখনৰ দৰে সদায় একে ঠাইতেই থাকো বুলিলেও আমি থাকিব নোৱাৰো। যোৱাৰ সময় আহে।'

সি কি বুজাব খুজিছে ধৰিব নোৱাৰিলো। এনেয়ে শলাগিলো।

'কিন্তু যোৱাসকল একেবাৰে গুচি নাযায়।' সি মোৰ বুকুৰ ওপৰত সোঁহাতৰ তৰ্জনীৰে এটা বৃত্ত আঁকিলে। 'সিহঁতৰ অলপমান ইয়াতেই থাকি যায়।'

শ্ৰীমতীয়ে মোৰ শোৱাকোঠাৰ কাষৰ কোঠাটোতেই তাৰ বিছনা ঠিক কৰি থৈছিল। নতুন খমখমীয়া চাদৰ পাৰিছিল, গাৰুত নতুন গিলিপ লগাইছিল আৰু খিৰিকীৰ পৰ্দাবোৰো সলাই থৈছিল। নতুন টেবুলক্লথ পাৰি থোৱা টেবুলখনত গৰম পানীৰ ফ্লাস্ক এটা। সি শুবলৈ লৈ কৈছিল, 'ভাগৰ লাগিছে, কিন্তু টোপনি কিজানি নাহিবই সোনকালে।'

ময়ো কাষৰ কোঠাৰ বিছনাত পৰি লেপখন টানি ল'লো গায়ে-মূৰে। খিৰিকীৰ পৰ্দাৰ ফাঁকেৰে দূৰৰ পাহাৰখনলৈ কিছুসময় চাই থাকিলো। মনটো খালি

খালি লাগি গ'ল। আই-পিতাৰ কথা বৰকৈ মনলৈ আহিবলৈ ধৰিলে। সিহঁত গুচি যোৱাৰ কত বছৰ হ'ল? এই ঘৰখন আগেয়ে হাঁহি-খিকিন্দালিৰে ভৰি থাকিছিল। আগৰ খেৰীঘৰ দুটাতকৈ বহু ডাঙৰকৈ পকীঘৰটো সজালো। কিন্তু থাকো মই আৰু শ্ৰীমতীয়েহে। মাজে মাজে দুই-তিনিদিন ল'ৰাটোৱে পৰিয়ালটো লৈ আহি থাকি যায়। এই দুদিন ধন থকাৰ কাৰণেই ঘৰখন অলপ জাগি আছে। এনেয়ে গোটেইখনে আমন-জিমনকৈ বহি থকা যেন লাগে। উপেনদাৰ কথাই ঠিক। পাহাৰৰ দৰে মানুহে ৰৈ যাওঁ বুলিও একে ঠাইতে ৰৈ যাব নোৱাৰে।

লাহে লাহে মোৰ চকু দুটা মুদ খাই আহিবলৈ ধৰিছিল।

কিমান সময় টোপনিত মৰাৰ দৰে পৰি আছিলো ক'ব নোৱাৰো। কিবা এটা শব্দত সাৰ পালো। দেৱাল ঘড়ীটোলৈ চালো। আন্ধাৰত কাটা দুডাল জিলিকি আছিল। আঢ়ৈ বাজি গৈছে।

ফাংচনৰ ফালৰ পৰা অনন্তৰ গান এটাৰ কলি ভাঁহি আহি আছে। কিয় জানো মোৰ বৰ ভাল লগা গানটোৱে আজি কলিজাটো শালি যাবলৈ ধৰিলে। 'পৃথিৱী তোমাৰ পথেৰেই ওলালো আজি, নাজানো কাহানিবা আহিমনে উভতি...।' হয়, ওলাই যোৱা বাটটোৰে সি যি গ'ল আৰু উভতি নাহিল। কোন কেতিয়া গুচি যায় তাৰ ঠিকনা নাথাকে। কিন্তু, উপেনদাই কোৱাৰ দৰে, যোৱাসকলেও কিবা অলপমান আমাৰ ক'ৰবাত এৰি থৈ যায়।

শব্দটো স্পষ্ট হৈ আহিল। উপেনদাই শুই থকা কোঠাৰ পৰাই শব্দটো আহিছে। কোনোবাই যেন কান্দিছে। কি হ'ল? গাড়ীৰ পৰা বটলটো আনি সি অলপমান ধৰি ল'লে নেকি?

অনন্তৰ গানটো শেষ হ'ল। কিন্তু কন্দাৰ শব্দটো তেতিয়াও বন্ধ হোৱা নাই।

বেলেগ এটা গান ভাঁহি আহিবলৈ ধৰিলে। অনন্তৰে আৰু এটা গান।

কন্দাৰ শব্দটো ডাঙৰ হৈ আহিল। সৰু ল'ৰা এটাৰ দৰে যেন কোনোবাই কান্দিছে। আৰু কাষত নিচুকাবলৈও যেন কোনো নাই।

জাঁপ মাৰি বিছনাৰ পৰা উঠিলো। বাহিৰলৈ ওলাই গৈ উপেনদা শুই থকা কোঠাৰ দুৱাৰত টুকুৰিয়ালো। 'উপেনদা, অ' উপেনদা...।'

কন্দাৰ শব্দ বন্ধ হ'ল।

অলপ পাছত উপেনদাই দুৱাৰখন খুলি দিলে। শ্ৰীমতীয়ে দিয়া খমখমীয়া এৰী চাদৰখন সি গাত মেৰিয়াই লৈ আছে।

'উপেনদা?'

'আহ, ভিতৰলৈ আহ।' তাৰ মাতটো সেমেকা। সি লাহে লাহে বিছনাত গৈ বহিল।

ময়ো গ'লো ভিতৰলৈ। খিৰিকীৰ পর্দাকেইখন এফালে টানি থোৱা আছে। কুঁৱলি ফালি অহা ম্লান জোনাক কোঠাটোৰ চাৰিওফালে সিঁচৰতি হৈ পৰিছে। দূ�ৰৰ পাহাৰখন ধোঁৱাৰ দৰে অস্পষ্টকৈ দেখা গৈছে।

লাইটটো জ্বলাই দিলো। উপেনদাৰ চকু দুটা ৰঙা পৰিছে। গাল-মুখৰ চকুপানীৰ দাগবোৰ ভালকৈ মচি পেলাবলৈ সি কিজানি চেষ্টাই কৰা নাই।

দূ�ৰৰ পৰা গানৰ কলিবোৰ ভাঁহি আহিয়েই আছে— 'আমাৰ অহা-যোৱাৰ সৈতে, ক'তেনো ঋতুৰ অহা-যোৱা মিলে...।'


টেবুলখনলৈ চকু গ'ল। তাত উপেনদাৰ ঘড়ীটো, চশমাযোৰ আৰু টুপীটো। সেইবোৰৰ লগতেই এখন সৰু বন্ধোৱা পুৰণি, প্ৰায় চিনিব নোৱৰা হৈ যোৱা ফটো চশমাযোৰত ভেজা দি থিয় হৈ আছে। সেইখন অনন্তৰ ফটো। বোধহয় হায়াৰ ছেকেণ্ডাৰীৰ শেষৰ শ্ৰেণীত পঢ়াৰ সময়ৰ ফটো হ'ব।

মই তাৰ ফালে চালো। সি বাঁওহাতেৰে চকু দুটা ঢাকি ধৰিছে। অনন্তৰ গানৰ কলিবোৰে আজি যেন খুব গভীৰ হৈ আমাক খুন্দিয়াই যাবলৈ ধৰিছে—

'যি বাটে বসন্ত আহে
সেই বাটেই উৰি গুচি গ'ল
ছাই হৈ গ'ল
গছৰ হেজাৰ শুকান পাত...।'

হাত এখন এৰী চাদৰৰ তলেৰে বুকুৰ ওপৰত ৰাখি সি ওঁঠ দুটা চেপি ধৰিছে। আৰু মোৰ ভাব হ'ল, —তাৰ বুকুতো এটা শূন্য আছে। আমাৰ সকলোৰে বুকুত এটা শূন্য থাকে। আৰু সেই শূন্য এক তীর্থস্থান।

লেখকৰ ঠিকনা বাংগালুৰু



এন অকাৰেঞ্চ এট দি আউল ক্ৰীক ব্ৰীজ

মূল ঃ An Occurrence at the Owl Creek Bridge

লেখক ঃ Ambrose Bierce
অনুবাদক ঃ **নয়নজ্যোতি শর্মা**

আলাবামাৰ উত্তৰ প্ৰান্তত থকা এখন ৰেলৰ দলঙৰ ওপৰত ঠিয় হৈ মানুহজনে প্ৰায় বিশ ফুট তলৰ মসৃণ জলগতিৰ ফালে তলমুৰ কৰি চাই আছে। তেওঁৰ দুয়োখন হাত একেলগ কৰি পিছফালে সৰুগাঁঠিত এডাল ৰছীৰে বান্ধি থোৱা আছে। তেওঁৰ ডিঙিতো এডাল ৰছী ঘেৰ ধৰি বান্ধ খাই আছে। ৰছীডাল তেওঁৰ মূৰৰ ওপৰত থকা শকত কাঠৰ বাটাম এডালত বান্ধি থোৱা আছে আৰু দীঘল মূৰ এটা তেওঁৰ আঁঠুলৈকে নামি আহিছে। ৰেলআলিৰ লোহা দুচটাক ধৰি থকা কাঠৰ ওপৰৰ পাৰি থোৱা দুখন পাতল তক্তাৰ ওপৰত ফাঁচীকাঠত ওলোমাবলৈ সাজু হোৱা মানুহকেইজন কেন্দ্ৰীয় সৈন্যবাহিনীৰ দুই চিপাহী আৰু এজন চাৰ্জেণ্ট, যি সম্ভৱতঃ আগসময়ত এজন পুলিচৰ উপ-অধীক্ষকৰ লেখীয়া পদবীত কাম কৰিছিল আৰু ফাঁচীত ওলমিবলগীয়া মানুহজন থিয় হৈ আছে। তেওঁলোকৰ পৰা কিছু আঁতৰত সামৰিক পোছাক পৰিহিত এজন বন্দুকধাৰী বিষয়া থিয় হৈ আছে। তেওঁ এজন কেপ্তেইন আছিল। দলংখনৰ দুয়োমূৰে দুজন চিপাহী এক বিশেষ ভংগীমাত থিয় হৈ আছিল। সিহঁতৰ হাতৰ বন্দুকটো বাঁওকান্ধৰ সন্মুখত দেহৰ সমান্তৰালকৈ বুকুৰ ওপৰেৰে পোন হৈ আছিল আৰু বন্দুকটোৰ নালডাল হাতৰ আগভাগত লাগি আছিল। এই নিয়মমাফিক আৰু অস্বাভাৰিক ভংগীয়ে সিহঁতৰ দেহাটোও পোন কৰি ৰাখিছিল। দলংখনৰ

মাজভাগত কি ঘটি আছে সেয়া সিহঁতৰ লক্ষণীয় নাছিল, সিহঁতে কেৱল ৰেলআলিটো দুয়োটা মূৰৰ পৰাই অলংঘনীয় কৰি ৰাখিছিল।

চিপাহী দুজনৰ পৰা সিপাৰে দেখা পোৱাত আৰু কোনোৱেই নাছিল, ৰেলপথটো কিছুদূৰ পোনে পোনে গৈ হাবিখনত সোমাইছিল আৰু কেকুঁৰী এটাত অদৃশ্য হৈ পৰিছিল। নিঃসন্দেহে কিছু আঁতৰত সৈন্যবাহিনীৰ অন্য এটা ছাউনী আছিল। নিজৰাটোৰ আনটো পাৰে এক বিস্তৃত এঢলীয়া ভূখণ্ড আছিল তাতে দেখা গৈছিল উলম্ব গা-গছেৰে তৈয়াৰ কৰা এখন বেৰৰ দৰে প্রতিৰক্ষণ আৱৰ্তনী য'ত মাজে মাজে বন্দুকৰ মুখখন উলিয়াবলৈ কিছুমান সুৰুঙা দেখা গৈছিল আৰু কেৱল এটা ডাঙৰ বাট দেখা গৈছিল যিফালেৰে দলংখন পহৰা দি থকা পিতলৰ টোপ এটাৰ নলীডাল ওলাই আছিল। বেৰখনৰ সিপাৰৰ ছাউনীটো আৰু দলংখনৰ মাজতে এঢলীয়াখিনিত দর্শকসকল থিয় দি আছিল। তেওঁলোক আছিল বন্দুকটো মাটিত গোজ মাৰি সোঁকান্ধত কিছু ভেজা দি থিয় কৰাই লৈ হাতেৰে খামুচি ধৰি 'সাৱধান' ভংগীত থিয় দি থকা চিপাহীৰ এটা শাৰী। শাৰীটোৰ সোঁফালে এজন লেফ্‌টেনেণ্ট থিয় দি আছিল যাৰ হাতৰ তৰোৱালখনৰ আগটো মাটিত লাগি আছিল আৰু বাঁওহাতখন সোঁহাতৰ ওপৰত আছিল। দলংখনৰ ওপৰত থকা মানুহ চাৰিজনৰ বাদে গছৰ পাত এটায়ো লৰচৰ কৰা নাছিল। শাৰীপাতি থকা সৈন্যকেইটাই নিশ্চল, শৈলস্থিৰ হৈ দলঙত ঘটি থকা ঘটনাৱলী লক্ষ্য কৰি আছিল। নিজৰাৰ ফালে মুখ কৰি থকা সেই সৈনিকবোৰক দলংখন সুশোভিত কৰি থকা প্রস্তৰ মূর্তি যেন হে লাগিছিল। কেপ্তেইনজনেও হাত বান্ধি, নির্বাক হৈ আদেশাধীন সৈন্যসকলৰ কাম-কাজবোৰ চাই আছিল, কিন্তু তেওঁ কোনো সংকেত দিয়া নাছিল। মৃত্যুৱে যেতিয়া দুন্দুভি বজাই সঘোষ সংকেতেৰে আগুৱাই আহে, মৃত্যুৰ সৈতে চিৰপৰিচিত সকলেও আনুষ্ঠানিক সন্মান প্রদর্শন কৰি তেওঁক আদৰি অনাটো নিয়ম। আৰু সেনাবাহিনীত নীৰৱতা আৰু ধৈর্যই হৈছে সন্মানৰ সর্বশ্রেষ্ঠ অভ্যাস।

যিজন মানুহক ফাঁচীকাঠত ওলোমাবলৈ লৈ অনা হৈছিল তেওঁ বয়স আনুমানিক পয়ত্রিছৰ ওচৰা-ওচৰি আছিল। তেওঁৰ সাজ-পাৰ দেখি তেওঁক এজন খেতিয়ক যেন লাগিছিল। তেওঁৰ শৰীৰৰ গঢ় দেখি তেওঁ সম্ভ্রান্ত যেনেই অনুমান হৈছিল। তেওঁৰ নাকটো পোন আছিল, মুখখন সুস্থিৰ আছিল আৰু বহল কপালখনৰ পৰা ওলোৱা আৰু পিছফালে আঁচুৰি থোৱা পোন, দীঘল, ক'লা চুলিবোৰ কাণৰ পিছফালেৰে বৈ গৈ আটিল কৈ খাপ খাই ধৰা কোটচোলাটোৰ কলাৰলৈকে বৈ পৰিছিল। তেওঁৰ একোছা মোহ আৰু জোঙা দাঢ়ি আছিল যদিও মুখমণ্ডলত থৰঙা পাতলীয়া দাঢ়ি নাছিল; তেওঁৰ চকু দুটা ডাঙৰ আৰু ধোঁৱাবৰণীয়া আছিল আৰু চকুযুৰিত এনে এক কাৰুণ্য ফুটি উঠিছিল যি অভিব্যক্তি ফাঁচীকাঠত ওলমিবলৈ লোৱা মানুহৰ মুখত সততে দেখা নাযায়। নিশ্চিতভাৱে তেওঁ কোনো দাগী অপৰাধী নাছিল। অৱশ্যে স্বতন্ত্র সেনাবাহিনীৰ কঠোৰ নিয়মে সাধু মানুহকো মৃত্যুদণ্ডেৰে দণ্ডিত কৰাৰ নজিৰ আছিল।

সকলো আয়োজন সম্পূর্ণ হোৱাৰ পিছত চিপাহী দুজন নিজৰ ঠাইৰ পৰা আঁতৰি গ'ল আৰু একোটুকুৰা তক্তা স্থানান্তৰ কৰিলে। চার্জেণ্টজনে কেপ্তেইনৰ ফালে ঘূৰিলে, চেল্যুট কৰিলে আৰু তেওঁৰ পিছফালে থিয় হ'ল, লগে লগে তেৰোঁ নিজৰ ঠাইৰ পৰা এখোজ আঁতৰি দিলে। এইবাৰ অপৰাধী আৰু চার্জেণ্টজন তিনিটা ৰেলৰ চিৰিৰ ওপৰত পাৰি থোৱা একেটা তক্তাৰ ওপৰত থিয় দি থাকিল। মানুহজন থিয় হৈ থকা মূৰটোৱে অলপৰ কাৰণেহে চাৰি নম্বৰ চিৰিটো স্পর্শ নকৰাকৈ আছিল। কেপ্তেইনৰ ভৰত ইমানপৰে অটুত হৈ থকা সমতা এইবাৰ চার্জেণ্টগৰাকীয়ে ৰক্ষা কৰি আছিল। কেপ্তেইনৰ আদেশত চার্জেণ্টে এখোজ আঁতৰি দিবলৈ সাজু হৈ আছিল যাৰ ফলত মানুহজনক দুই চিৰিৰ মাজেৰে সৰকি পৰিব।

এই আয়োজন মানুহজনৰ দৃষ্টিত সৰল আৰু ফলপ্রসূ আছিল। তেওঁৰ চকু আৰু মুখমণ্ডলত কোনো আৰাল নাছিল। তেওঁ কিছুপৰ ভৰিৰ তলৰ থৰক্-বৰক্ পাটখনলৈ চালে তাৰ পিছত তেওঁৰ নজৰ পিছলি তলেৰে উদ্দাম গতিত বৈ যোৱা চঞ্চল পানীৰ ধাৰাটোত পৰিল। তগবগকৈ উটি যোৱা এচিলা কাঠে

তেওঁৰ দৃষ্টি আকর্ষণ কৰিলে আৰু তেওঁ বহুপৰলৈকে তাকেই চাই থাকিল। ওপৰৰ পৰা চালে সেয়া কিমান যে লাহে লাহে উটি যোৱা যেন লাগিছিল। সঁচাকৈয়ে নিজৰাটো ইমান মন্থৰ আছিল নে!

তেওঁ চকু দুটা মুদি শেষবাৰৰ বাবে নিজ পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ কথা ভাবিবলৈ ধৰিলে। ইমানপৰে পুৱাৰ বেলিয়ে সোণ সিঁচি থোৱা বোঁৱতী পানী, নামনিৰ ফালে মাজে মাজে ৰৈ যোৱা কুঁৱলীৰ মেঘ, দুর্গটো, চিপাহীসকল, পানীত উটি যোৱা কাঠ আদিয়ে তেওঁক ভ্ৰমিত কৰি ৰাখিছিল। আৰু নতুনকৈ তেওঁ অন্য এক অশান্তিকৰ চিন্তাই তেওঁক আমনি দিবলৈ ধৰিলে। ঘৰ-পৰিয়ালৰ চিন্তাৰ মাজতেই এক অনগ্রাহ্য, অনির্ণেয় অথচ স্পষ্ট, তীক্ষ্ণ, ধাতৰীয় আঘাতৰ শব্দ আহি তেওঁৰ কাণত পৰিল যি শুনিবলৈ সাইলাখ কমাৰে হাতুৰীৰে মৰা কোবৰ লেখীয়া আছিল। তেওঁ শব্দটোৰ উৎসৰ উমান লগাবলৈ চেষ্টা কৰিলে কিয়নো শব্দটো একে সময়তে নিকট আৰু দূৰৱৰ্তী যেন লাগিছিল। সেই শব্দটি পর্যাবৃত্ত আছিল অথচ মৃত্যুঘণ্টাৰ ধ্বনিৰ দৰে মন্থৰ আছিল। প্ৰতিটো ধ্বনিৰ বাবে তেওঁ অধৈর্যভাৱে, এক অজ্ঞাত সংশয়েৰে বাট চাইছিল। ধীৰে ধীৰে দুটি ধ্বনিৰ মাজৰ নৈশব্দ দীর্ঘকালীন হৈ আহিছিল, আৰু এই বিলম্বই তেওঁক পাগল কৰি তুলিবলৈ ধৰিছিল। সেই বিলম্বিত ধ্বনিৰ প্ৰাৱল্য আৰু তীক্ষ্ণতা ক্ৰমাৎ বাঢ়িছিল। এই তীক্ষ্ণ শব্দই তেওঁৰ কাণত চুৰিকাঘাত কৰিছিল আৰু তেওঁৰ মুখেৰে এক চিৎকাৰ বাহিৰ হোৱাৰ উপক্ৰম হৈছিল। এই শব্দটো দৰাচলতে তেওঁৰ হাতঘড়ীটোৰ পৰা আহিছিল।

তেওঁ পুনৰ চকুহালি মেলিলে আৰু তলৰ জলধাৰালৈ চালে। 'যদি মই কোনোমতে হাতখন মুকলি কৰি ল'ব পাৰো', তেওঁ ভাবিলে, 'মই ডিঙিৰ ৰছীডাল খুলি সহজেই নিজৰাৰ পানীত জঁপিয়াই পৰিব পাৰিম'। এবাৰ পানীত বুৰ মাৰিলে আৰু মোক বন্দুকৰ গুলীয়ে চুব নোৱাৰিব। তাৰ পিছত মই যদি গায়ে-মূৰে সাঁতোৰ মাৰিব পাৰো, তেতিয়া হ'লে পাৰত উঠি হাবিখন পাৰ হৈ ঘৰলৈ দৌৰিব পাৰিম। ভাগ্য ভাল মোৰ ঘৰখন এতিয়াও সৈন্যবাহিনীৰ অধিগ্ৰহণৰ বাহিৰত আছে, মোৰ পত্নী আৰু সন্তানকেইটিক এতিয়াও এই আক্ৰমণকাৰীৰ হাঁতো�ৰাই খামুচি ধৰিব পৰা নাই।'

ইতিমধ্যে মানুহজনে এই কথাখিনি ভাবি থকা সময়তে কেপ্তেইনে চার্জেণ্টৰ ফালে চাই মূৰ দুপিয়াই সংকেত দিলে আৰু চার্জেণ্ট তেওঁৰ ঠাইৰ পৰা এখোজ আঁতৰি গ'ল।

(II)

পেইটন ফার্কোৱাৰ আছিল আলাবামাৰ এক পুৰণি আৰু সম্ভ্ৰান্ত বংশৰ অৱস্থাপন্ন খেতিয়ক। তেওঁ কেইবাজনো ক্ৰীতদাসৰ মালিক আছিল আৰু অন্য মালিকবোৰৰ দৰেই এক ৰাজনীতিক আছিল। স্বাভাৱিকভাৱেই তেওঁ বিচ্ছিন্নতাবাদৰ এক গুৰিধৰোঁতা আছিল আৰু দক্ষিণৰ নীতিৰ এক অন্যতম সেৱক আছিল। এক মনোভূত কর্তৃত্বশীলতাৰ পৰিপ্ৰেক্ষিতত, যাৰ বিশদ বিৱৰণ ইয়াত অদৰকাৰী, তেওঁ কৰিণ্ঠৰ যুদ্ধত পৰাজয় বৰণ কৰা সেই সাহসী সেনাবাহিনীৰ সৈতে যুদ্ধত অংশগ্ৰহণ কৰিব নোৱাৰিলে আৰু সেই গ্লানিময় অপাৰগতাৰ ভৰত কুণ্ঠিত হৈ থাকি অন্তঃস্থ উদ্যমৰ প্ৰৱাহ ঘটোৱাৰ বাবে, ভিতৰৰ সৈন্যজনৰ প্ৰকাশ ঘটোৱাৰ অর্থে আৰু এক প্ৰাপ্তিৰ সুযোগ লাভৰ আশাত এক মাহেন্দ্ৰ ক্ষণৰ অপেক্ষা কৰি আছিল। আৰু তেওঁ নিশ্চিত আছিল যে অন্য সকলোৰে দৰেই যুদ্ধই সেই সুযোগ তেওঁক প্ৰদান কৰিব। এই সময়ছোৱাত তেওঁ যিমান পাৰে কৰিছিল। দক্ষিণৰ স্বার্থত তেওঁৰ বাবে কোনো কামেই সৰু বৰ নাছিল, বাহিৰত সাধাৰণ মানুহ হ'লেও যিজন মানুহৰ অন্তৰাত্মাটো এজন সৈনিকৰ আছিল, যিজনে বৰ বেছি অভিজ্ঞতা নোহোৱাকৈয়ে যুদ্ধ আৰু প্ৰেমত সকলো পদক্ষেপেই শুদ্ধ বুলি কোৱা ভয়ংকৰ আপ্তবাক্যশাৰীৰ অর্ধেক অংশৰ ওপৰত হ'লেও পৰম বিশ্বাস পোষণ কৰিছিল, তেনে লোকৰ বাবে কোনো অভিযানেই বিপদসংকুল নাছিল।

এদিন সন্ধিয়া ঘৰৰ সন্মুখতে এখন বেঞ্চত বহি

ফার্কোৱাৰ আৰু তেওঁৰ পত্নী জিৰাই আছিল, তেনেতে ধোঁৱাবৰণীয়া পোছাক পৰিহিত চিপাহী এজন আহি পানী এগিলাচ খুজিলে। শ্ৰীমতী ফার্কোৱাৰে সানন্দে তেওঁৰ সুশ্ৰী, লনি হাতেৰে ঘৰৰ ভিতৰলৈ পানী আনিবলৈ গ'ল। তেওঁ ভিতৰত থকা সময়ছোৱাতে পতিদেৱে ঘোঁৱাত উঠি অহা সৈনিকজনক অধিৰ আগ্ৰহেৰে যুদ্ধৰ বাতৰি সুধিলে।

'আমেৰিকান সৈনিকসকলে ৰেলপথবোৰ মেৰামতি কৰি আছে,' মানুহজনে ক'লে, 'আৰু পৰৱৰ্তী আক্ৰমণৰ বাবে সাজু হৈছে। তেওঁলোক আগুৱাই আহি আউল ক্ৰীকৰ দলংখন পাইছেহি, দলংখন সাজু কৰি তুলিছে আৰু উত্তৰ পাৰে এক মজুতখানাও নিৰ্মাণ কৰিছে। অধিনায়কে ইতিমধ্যে আদেশজাৰী কৰিছে আৰু সকলোকে এই কথাটো জনাই দিছে যে কোনো মানুহে যদি ৰেলপথ, দলং আৰু সুৰংগবোৰৰ সামান্যতম অনিষ্টও কৰা দেখা পাই, তেওঁক পোনছাটেই ফাঁচীকাঠত ওলোমোৱা হ'ব। মই সেই আদেশ নিজ চকুৰে দেখিছো।'

'ইয়াৰ পৰা আউল ক্ৰীক দলঙলৈ কিমান দূৰ হ'ব বাৰু?' ফার্কোৱাৰে সুধিলে।

'প্ৰায় ত্ৰিছ মাইল।'

'দলঙৰ এইটো ফালে সৈন্যবাহিনীৰ ছাউনী নাই নেকি?'

'প্ৰায় আধা মাইল মান আহি এটা সৰু ছাউনী আছে, আৰু দলঙৰ মূৰত মাত্ৰ এটা চিপাহী আছে।'

'ধৰা হ'ল সাধাৰণ মানুহ এজনে, যিয়ে ফাঁচীকাঠৰ বিষয়ে বিশেষ নাজানে— যদি ছাউনীটো কোনোমতে অতিক্ৰম কৰে আৰু যদি সেই সৈনিকজনকো বগৰাই পেলাই' ফার্কোৱাৰে স্মিত হাঁহি মাৰি সুধিলে, 'তেতিয়া বাৰু কি হ'ব?'

সৈনিকজনে কিছুপৰ ভাবিলে। 'মই এমাহ আগতে সেইফালেৰে আহিছিলোঁ,' তেওঁ ক'লে— 'যোৱা শীতৰ সময়ত হোৱা বানপানীয়ে কাঠৰ দলংখনৰ ওচৰতে বহুবোৰ ভাহি অহা কাঠৰ টুকুৰা জমা কৰি থোৱা মই দেখিছোঁ। শুকাই কৰ্কৰীয়া হোৱা সেই টুকুৰাবোৰ এতিয়া লাগনী-খৰিৰ দৰে জ্বলিব।'

তেতিয়ালৈ শ্ৰীমতী ফার্কোৱাৰে পানীৰ গিলাচটো লৈ আহিছিল। মানুহজনে সেয়া কোৎ কোৎ কৈ পী খালে, তেখেতক ধন্যবাদ জনালে, গিৰিয়েকৰ ফালে চাই মূৰ দোৱালে আৰু ঘোঁৱা চেকুৰাই আঁতৰি গ'ল। এঘণ্টা মান পিছত যেতিয়া আন্ধাৰ নামিল, তেওঁক পুনৰায় সেই খেতিখোলা পাৰ হৈ উত্তৰমুৱা হৈ যিফালৰ পৰা আহিছিল সেইফালেই গুচি যোৱা দেখা গ'ল। তেওঁ প্ৰকৃততে কেন্দ্ৰীয় সৈন্যবাহিনীৰ এগৰাকী বিষয়া আছিল।

(III)

পেইটন ফার্কোৱাৰ যেতিয়া পোনে পোনে দলঙৰ ফাকেৰে সৰি পৰিছিল তেতিয়ালৈ তেওঁ সংজ্ঞা হেৰুৱাইছিল আৰু তেওঁৰ মৃতপ্ৰায় অৱস্থা হৈছিল। ডিঙিত অনুভৱ কৰা এক তীব্ৰ হেঁচা আৰু শ্বাসৰুদ্ধকৰ অৱস্থাই তেওঁক সেই অজ্ঞানতাৰ পৰা — যি তেওঁৰ বাবে বহুকাল ব্যাপী থকা যেন লাগিছিল, সাৰ পোৱাইছিল। তেওঁৰ ডিঙিৰ পৰা কিছুমান নিম্নমুখী বেদনাৰ অধৈর্য, তীক্ষ্ণ ৰেখা শৰীৰৰ প্ৰতিটো পেশীৰে প্ৰৱাহিত হৈ আছিল। এই অসহ্য বেদনা যেন কিছুমান স্পষ্টভাৱে নিৰ্ধাৰিত ৰেখাৰে বিভাজিত হৈ এক অদম্য আৰু দ্ৰুত সময়ৰ মূৰকত নিয়মিতভাৱে চমকি উঠিছিল। যেন স্পন্দিত হৈ থকা অগ্নিৰ একো একোটা প্ৰৱাহে তেওঁক এক অসহ্যকৰ মাত্ৰাৰ উত্তাপলৈ তপতাই আছিল। তেওঁৰ মূৰত এক খুন্দা-খুন্দলিৰে ভৰপূৰ অনুভৱৰ বাদে অন্য চেতনা নাছিল। এই অনুভৱৰ সৈতে কোনো চিন্তা সংযুক্ত হৈ নাছিল। তেওঁৰ স্বভাৱত থকা বুদ্ধিমত্তা ইতিমধ্যে লোপ পাইছিল আৰু তেওঁৰ শৰীৰটো কেৱল সেই দণ্ডময় অনুভৱ কৰিবলৈ হে সমর্থ হৈ আছিল। তেওঁ অৱশ্যে এক গতি অনুভৱ কৰি আছিল। তেওঁ যেন এক উজ্জ্বল মেঘ-বলয়ত আবদ্ধ হৈ আছিল, তেওঁ সেই মেঘবলয়ৰ প্ৰজ্বলিত হৃদপিণ্ডটো হৈ পৰিছিল আৰু এক বৃহৎ পেণ্ডুলামৰ দৰে অকল্পনীয়ভাৱে বিশাল অর্ধবৃত্তৰ মাজত দোলন খাই আছিল। তেনেতে হঠাৎ, এক ভয়াৱহ ক্ষিপ্ৰতাৰে তেওঁক আৱৰি ৰখা পোহৰৰ পিণ্ডটি ওপৰলৈ উধালে আৰু এক বিশাল খলকনি উঠিল, এক প্ৰচণ্ড গর্জন তেওঁৰ কাণত পৰিল আৰু চৌপাশে অন্ধকাৰ আৰু শীতলতা

বিয়পি পৰিল। তেওঁৰ চিন্তাৰ ক্ষমতা ঘূৰি আহিল আৰু গম পালে যে ডিঙিৰ ৰছীডাল ছিগি যোৱাৰ ফলত তেওঁ নিজৰাৰ পানীত পৰি গ'ল। সেই সময়ত তেওঁৰ ডিঙিত অন্য কোনো ফাঁচ লগাবৰ প্ৰয়োজন নাছিল, ডিঙিত লাগি থকা ৰছীডালে ইতিমধ্যেই তেওঁৰ শ্বাস-প্ৰশ্বাস অৱৰোধ কৰি ৰাখিছিল আৰু হাওঁফাওঁত পানী সোমোৱাৰ পৰা ৰক্ষা কৰি আছিল। নদী এখনৰ তলিত ফাঁচী লাগি মৰিবলৈ ওলোৱা কথাটো এক হাস্যাস্পদ কথা আছিল। তেওঁ আন্ধাৰৰ মাজতে চকু দুটা মেলিবলৈ চেষ্টা কৰিছিল আৰু ওপৰৰ ফালে এছাটি পোহৰ দেখা পাইছিল, কিন্তু সেই নিশকতীয়া পোহৰ অত্যন্ত দূৰৱৰ্তী আছিল, সি কোনোপধ্যেই আয়ত্বাধীন নাছিল। তেওঁ ক্ৰমে পানীত ডুব যাবলৈ ধৰিছিল আৰু সেই পোহৰ ক্ৰমে নিশকতীয়া হৈ অৱশেষত এক ক্ষীণ ৰেখা হৈ পৰিছিল। তেনেতে পোহৰছাটি ক্ৰমে উজ্জ্বল হৈ আহিবলৈ ধৰিলে, তেওঁ গম পালে যে লাহে লাহে তেওঁ ওপৰলৈ উধাবলৈ ধৰিছে, অৱশ্যে তেতিয়ালৈ তেওঁ কিছু নিৰুদ্বেগ হৈ পৰিল কিয়নো তেওঁৰ কষ্টবোৰ তেতিয়ালৈ শাম কাটিছিল। 'ফাঁচীকাঠতো ওলমিলো, পানীত ডুবি মৰিব খুজিও সাৰি আহিলো, এতিয়া আৰু মোৰ গুলী খাবৰ মন নাই। নাই; এনেকৈ নহ'ব, মুঠতে মই গুলী নাখাওঁ'।

তেনেতে তেওঁ হাতত এক চোকা বিষ অনুভৱ কৰিলে আৰু তেতিয়াহে গম পালে যে অজানিতেই তেওঁ হাতৰ ৰছীডাল খুলিবলৈ চেষ্টা কৰি আছে। বাটৰুৱা এজনে অমনোযোগী ভাবেৰে বাজীকৰৰ বল খেলা চাই থকাৰ দৰেই তেৱোঁ কি হ'ব সেয়া নাভাবি অমনোযোগী ভাবেৰেই গাঁঠিটো খোলাত লাগিল।

বহু কষ্ট হ'ল! অতিমাত্রা, অমানৱীয় শক্তি প্ৰয়োগ কৰিবলগীয়া হ'ল। আহ, বৰ কষ্টকৰ কাম আছিল। চমৎকাৰ! ৰছীডালৰ গাঁঠি খুলি গ'ল, তেওঁৰ হাত দুখন মেল খালে আৰু তেওঁ পানীত ওপঙি উঠিল আৰু উজ্জ্বল পোহৰত দুইফালে নিজৰ দুখন হাত জান-নাজানকৈ দেখা পালে। তেওঁ নিজৰ হাত দুখনক এক নতুন দৃষ্টিৰে চাবলৈ ধৰিলে আৰু প্ৰথমতে এখন আৰু পিছত আনখন হাতে ডিঙিত লাগি থকা গাঁঠিটো খুলিবলৈ চেষ্টা কৰা দেখা পালে। সোনকালে হাত দুখনে গাঁঠিটো খুলি পেলালে আৰু আঁতৰলৈ দলিয়াই দিলে। পানীত চৰি ফুৰা সাপ এডালৰ দৰে ৰছীডাল কিছুপৰ দুলি থাকিল। 'নাই নাই, ৰছীডাল পুনৰ আগৰ ঠাইত ৰাখা!' তেওঁৰ এনে লাগিল যেন তেওঁ হাত দুখনক এনেদৰে চিঞৰি ক'লে, কাৰণ ততাতৈয়াকৈ গাঁঠিটো খুলিবলৈ চেষ্টা কৰোতে তেওঁ নৰক যন্ত্রণা ভুগিছিল। তেওঁৰ ডিঙিত এক অসহ্য বিষৰ উদ্ভৱ হৈছিল, তেওঁৰ মগজুত যেন একুৰা জুই জ্বলিছিল, কলঢোপ কলঢোপকৈ ঢিপঢিপাই থকা কলিজাটো ঢমহকৈ উঠিছিল আৰু মুখেৰে বাহিৰলৈ ওলাই আহিব যেন লাগিছিল। তেওঁৰ গোটেই শৰীৰত এক যন্ত্রণাই বাহ লৈছিল আৰু অসহ্য পীড়াত গোটেই শৰীৰ থক্‌থকাই কঁপিছিল। কিন্তু অবাধ্য হাত দুখনে তেওঁৰ আদেশ মনা নাছিল। সিহঁতে দ্রুত আৰু নিম্নমুখী আঘাতেৰে পানীত কোবাবলৈ ধৰিলে আৰু তেওঁক জলপৃষ্ঠলৈ তুলি আনিলে। তেওঁ মুখমণ্ডল পানীৰ ওপৰলৈ উঠি অহা অনুভৱ কৰিলে, তেওঁৰ দুচকু উজ্জ্বল সৌৰ ৰশ্মিয়ে ছাট মাৰি ধৰিলে, তেওঁৰ বুকুখন ভয়ানকভাৱে ওফন্দি উঠিল আৰু এক সৰ্বগ্রাসী, কষ্টতম যন্ত্রণাৰে সৈতে তেওঁৰ হাওঁফাওঁত এসোঁতা বতাহ সোমাল আৰু তেওঁৰ মুখেৰে এক চিৎকাৰ নিৰ্গত হ'ল।

লাহে লাহে সমগ্র শাৰীৰিক সংবেদন তেওঁৰ আয়ত্বলৈ আহিল। নিশ্চয়কৈ সেই সংবেদন অতি সষ্টম আৰু সজাগ আছিল। শৰীৰৰ আভ্যন্তৰীণ তন্ত্রসমূহৰ খেলিমেলিৰ মাজতে তেওঁৰ সংবেদনশীলতাক কিহবাই যেন এনেদৰে প্ৰখৰ আৰু উষ্ম কৰি তুলিছিল যে আগতে অনুভূত নোহোৱা কিছুমান চেতনাকো সেইবোৰে গ্রহণ কৰিব পাৰিছিল। তেওঁৰ পানীৰ পৌনঃপুনিক টোবোৰ আৰু সিহঁতে তেওঁৰ মুখত আহি মৰা খুন্দাৰ শব্দবোৰ শুনিছিল। তেওঁ নিজৰাৰ পাৰে পাৰে থকা হাবিখনলৈ চাইছিল আৰু প্ৰত্যেকজোপা গছ, প্ৰত্যেকটো পাত আনকি পাতবোৰৰ সিৰা-উপসিৰা আৰু তাত থকা ফৰিংবোৰ, ৰং-বিৰঙৰ পোকবোৰ আৰু ইটো ডালৰ পৰা সিটো

ডালৈলৈ মকৰাজালৰ দেং মেলা ধোঁৱা-বৰণীয়া মকৰাবোৰকো দেখা পাইছিল। শত-সহস্ৰ ঘাঁহৰ ওপৰত পৰি থকা নিয়ৰৰ কণিকাবোৰৰ ওপৰত বিচ্ছুৰিত বৰ্ণালীও তেওঁ দেখিছিল। নিজৰাৰ চাকনৈয়াৰ ওপৰে ওপৰে উৰি থকা ম'হবোৰৰ কুণকুণনি, জিঞাৰ পাখিৰ ভুনভুননি, বঠা মাৰি চৰি ফুৰা নাৱৰ দৰে পানীত চৰি ফুৰা মকৰাবোৰৰ ঠেঙৰ সৰসৰণি আদিবোৰে মিলি যেন এক সংগীতময় মূৰ্চ্ছনাৰ সৃষ্টি কৰিছিল। তেনেতে এটা মাছ তেওঁৰ চকুৰ আগেৰে সৰকি গ'ল আৰু মাছটোৱে পানীত ৰেখা টনাৰ শব্দটোও যেন তেওঁ শুনা পালে।

তেওঁ এপাকত নিজৰাৰ ফালে মুখ কৰি পানীৰ ওপৰলৈ উঠি আহিল আৰু গোটেই পৃথিৱীখন তেওঁক কেন্দ্ৰ কৰি ঘূৰ্ণনৰত যেন বোধ হ'ল য'ত তেওঁ দলংখন, দুৰ্গটো, দলঙৰ ওপৰত থকা সৈনিকবোৰ, কেপ্টেইন, চাৰ্জেণ্ট, দুই চিপাহী, আৰু জল্লাদ সকলোকে দেখা পালে। নীলা আকাশখনৰ বিপৰীতে তেওঁলোকৰ ক'লা অৱয়বটি সুস্পষ্ট হৈ জিলিকিছিল। সিহঁতে তেওঁৰ ফালে আঙুলি টোৱাই কিবাকিবি কৈ আছিল। কেপ্টেইনজনে হাতত পিষ্টলটো উলিয়াই লৈছিল যদিও বাকীসকল খালী হাতে থকা বাবে তেতিয়ালৈও গুলি চলোৱা নাছিল।

সিহঁতে কুৎচিত আৰু ভয়ানকভাৱে ল'ৰা-ঢপৰা কৰি আছিল আৰু সিহঁতৰ আকৃতিবোৰো দৈত্যাকাৰ আছিল। তেনেতে গুলি চলোৱাৰ এক তীক্ষ্ণ শব্দ শুনিবলৈ পোৱা গ'ল আৰু কিহবাই তেওঁৰ সন্মুখৰ পানীখিনিত ইমান বেগত আহি খুন্দা মাৰিলে যে তেওঁৰ মুখত পানী ছিটিকি পৰিল।

তেনেতে তেওঁ দ্বিতীয় শব্দটিও শুনা পালে আৰু এজন সৈনিকক কান্ধত উদ্যত বন্দুকটো লৈ থকা দেখা গ'ল যাৰ মুখখনৰ পৰা এচপৰা মেঘৰ দৰে নীলা ধোঁৱা উৰি আছিল। তেওঁ বন্দুকটোৰ নলীডালৰ মাজৰ সুৰুঙাটোৱে গুলি চলোৱা মানুহজনৰ চকুটো দেখা পালে। তেওঁ লক্ষ্য কৰিলে যে মানুহজনৰ চকুটো ধোঁৱা বৰণীয়া আছিল আৰু তেওঁ ক'ৰবাত পঢ়া মনত পৰিল যে ধোঁৱা বৰণীয়া চকুৰ মানুহবোৰ অতি নিপুণ চিকাৰী আৰু প্ৰায়বোৰ বিখ্যাত চিকাৰীৰেই ধোঁৱা বৰণীয়া চকু থাকে। অৱশ্যে এইজনে তেওঁৰ লক্ষ্য ভেদ কৰিব পৰা নাছিল।

তেনেতে এক ওভটামুৰা চাকনৈয়াই ফাৰ্কোৱাৰক আধা পাক ঘূৰাই আনিলে আৰু তেওঁ পুনৰ হাবিখন আৰু দুৰ্গটোৰ মুৰা হ'ল। এক স্পষ্ট, উচ্চ প্ৰাবল্যৰ একেঘেয়ামী মাত এটা তেওঁৰ পিঠিৰ ফালে নিজৰাৰ আনটো পাৰৰ পৰা আহিবলৈ ধৰিলে আৰু এক তীক্ষ্ণতাৰে ওচৰ-পাজৰৰ সকলো শব্দ, আনকি তেওঁৰ কাণত বুদবুদাই থকা টোৰ শব্দকো তল পেলালে। নিজে এগৰাকী সৈন্য নহ'লেও তেওঁ সৈন্যৰ শিবিৰলৈ সঘনে অহা-যোৱা কৰিছিল আৰু সেই সতৰ্ক, অদ্ৰুত, সশ্বাস আদেশৰ উদ্দেশ্য তেওঁ বুজি পাইছিল; নিজৰাৰ পাৰত লেফটেনেণ্টজনে ৰাতিপুৱাৰ কচৰৎ কৰাই আছিল। সেই শীতল আৰু নিৰ্দয়ী কণ্ঠ আছিল শৃংখলিত, তাৰ প্ৰক্ষেপণ আছিল শান্ত, পূৰ্বাভাসযুক্ত, সি সৈন্যবাহিনীক সুস্থিৰ কৰি ৰাখিব পাৰিছিল আৰু নিখুঁত শুদ্ধতাৰে জুখি জুখি লোৱা বিৰতিৰ অন্তত সেই নিষ্ঠুৰ কণ্ঠই কৈছিল—

'কোম্পানী!... এটেনশ্যন!... চোল্ডাৰ আৰ্মছ! ... ৰেডী!... এইম!... ফায়াৰ!...

ফাৰ্কোৱাৰে পানীত বুৰ মাৰিলে — যিমান তললৈ পাৰে সিমান তললৈ নামি গ'ল। পানীৰ প্ৰৱাহে তেওঁৰ কাণত নায়েগ্ৰা প্ৰপাতৰ দৰে কোলাহলৰ সৃষ্টি কৰিলে, তৎসত্বেও তেওঁ গুলীচালনাৰ বজ্ৰনিনাদ শুনা পালে, উপৰিভাগৰ ফালে উঠি আহোতে তেওঁ এটা ফালে চেপেটা হোৱা ধাতুৰ চমকদাৰ টুকুৰাবোৰ নাচি নাচি তললৈ নামি অহা দেখা পালে। কিছুমানে তেওঁৰ মুখত আৰু হাতত স্পৰ্শ কৰিলে আৰু নিম্নমুখী হৈ আঁতৰি গ'ল। এটা গুলি তেওঁৰ চোলাৰ কলাৰ আৰু ডিঙিৰ মাজত সোমাই গ'ল, অসহ্যকৰ ভাবে উষ্ম সেই টুকুৰাটো তেওঁ হাতেৰে আঁতৰাই দিলে।

এসোঁতা উশাহ ল'বলৈ পানীৰ পৰা ওপৰলৈ মুখখন উলিয়াই তেওঁ দেখা পালে যে বেছ কিছু সময় পানীৰ তলত সোমাই আছিল, বহুখিনি দূৰ ভটিয়াই আহি তেওঁ এক সুৰক্ষিত ঠাইত আহি পাইছিলহি।

সৈন্যকেইজনে বন্দুকত আকৌ গুলী ভৰাই লৈছিল; ৰ'দত জিলিকি উঠা বন্দুকৰ লোহাৰ নালবোৰ বেৰেলৰ পৰা উলিয়াই বতাহৰ ফালে টোঁওৱা হৈছিল আৰু হেঁচা মাৰি খাজত গুজি দিয়া হৈছিল। সৈনিক দুজনে পুনৰ স্বাধীনভাৱে, নিৰৰ্থক গুলি চলাইছিল।

চিকাৰৰ লক্ষ্য হৈ পৰা সেই মানুহজনে কান্ধৰ ওপৰেৰে ঘূৰি চাই এই গোটেই ঘটনাৱলী দেখা পালে; এইবাৰ তেওঁ টোৰ লগে লগে ব্ৰহ্মগতিত সাঁতোৰ লগালে। তেওঁৰ মগজুটোও হাত আৰু ভৰিৰ সমানেই ক্ষিপ্রগতিত চলি আছিল, বিদ্যুতৰ দৰে ত্বৰিৎ গতিত তেওঁ ভাবিলে—

বিষয়াজনে তেওঁৰ মনত যুক্তি খেলালে, 'হয়তো একেই ভুল দুনাই নকৰে। এটা বন্দুকৰ গুলিৰ পৰা ৰক্ষা পৰাটো কঠিন নহয়। কিন্তু তেওঁ হয়তো এইবাৰ ইচ্ছা মতে গুলি চলোৱাৰ হুকুম দিছে। হে ভগৱান, ইমানবোৰ গুলিৰ পৰা মই কেনেকৈ ৰক্ষা পৰিম!'

তেনেতে তেওঁৰ ছফুটমান আঁতৰত পানীত জপংকৈ কিবা এটা শব্দ হ'ল আৰু তাৰ পিছে পিছে শুনা গ'ল এক প্রচণ্ড, বেগী শব্দ, শব্দটো আকৌ কমি গ'ল, এনে লাগিল যেন ই বতাহৰ মাজেৰে পুনৰ দুৰ্গটোলৈ উভতি গ'ল আৰু এক বিস্ফোৰণ ঘটি নদীখনক যেন গভীৰতালৈকে জোকাৰি পেলালে। এখন উত্থিত পানীৰ দলিচাই তেওঁক মেৰিয়াই ধৰিলে, গোটেই পানীখিনি তেওঁৰ ওপৰত ভাঙি পৰিল, তেওঁৰ দৃষ্টিত বাধা জন্মিল, শ্বাস অৱৰুদ্ধ হ'ল। অর্থাৎ টোপটোও যুদ্ধত নামি পৰিল।

আঘাতগ্রস্ত পানীৰ সেই আলোড়নৰ পৰা মূৰ জোকাৰি আজৰি হৈ তেওঁ লক্ষ্যভ্রষ্ট গুলিবোৰে বতাহৰ মাজেৰে সো-সোৱাই গৈ পলকতে দূৰৈৰ হাবিখনৰ গছৰ ডালত আঘাত কৰাৰ শব্দশুনা পালে।

'সিহঁতে নিশ্চয় দুনাই এনেকুৱা নকৰে', সি ভাবিলে, 'ইয়াৰ পিছত সিহঁতে নিশ্চয় কেটেপা বাৰুদ মাৰিব। মই টোপটোৰ ফালে সতর্ক হৈ চাই থাকিব লাগিব; ধোঁৱা দেখিলেই মই সজাগ হ'ব পাৰিম— গুলীটো সদায় অলপ পলমকৈ আহে, আগত টোপটো ফুটে। মই জানো সেই টোপটো ভাল।'

হঠাৎ তেওঁ অনুভৱ কৰিলে যে তেওঁ লাটুম এটাৰ দৰে গোল গোলকৈ ঘূৰিব লাগিছে। পানীৰ সোঁত, পাৰটো, হাবিখন, দুৰণিৰ দলংখন, দুর্গটো আৰু মানুহবোৰ, সকলো সানমিহলি হৈ অস্পষ্ট হৈ পৰিল। বস্তুবোৰৰ কেৱল বৰণটোহে ধৰিব পৰা হৈ থাকিল ; তেওঁ কেৱল চক্রাকাৰে ঘূৰি থকা পথালিমুৱা ৰং কিছুমান হে তেওঁ দেখা পালে। তেওঁ ইতিমধ্যে এক চাকনৈয়াত বন্দী হৈ পৰিছিল আৰু এক অগ্রগামী দ্রুতি তথা ঘূর্ণনেৰে পাকঘুৰণি খাই তেওঁৰ মূৰ ঘুৰাইছিল, বমনৰ ভাব উদ্রেক হৈছিল। পিছ মুহূর্ততে তেওঁ নিজৰাৰ দক্ষিণ পাৰে শিলৰ ওপৰত থেকেছা খাই পৰিছিল আৰু পিছফালে থক ওখ বালিৰ ঢিপ এটাই তেওঁক শত্রুৰ পৰা আৰাল দি ধৰি থাকিল। হঠাত আহি পৰা এই স্তব্ধতা আৰু শিলত ঘঁহনি খাই হোৱা ঘাঁ টুকুৰাই তেওঁক প্রকৃতিস্থ কৰিলে আৰু তেওঁ আনন্দত উচুপি উঠিল। তেওঁ আঙুলিকেইটাৰে মাটি খামুচিলে, হাতেৰে মুঠিয়ে মুঠিয়ে গায়ে মূৰে বালি ছটিয়াবলৈ ধৰিলে আৰু উচ্চস্বৰে ভগৱানৰ নাম সোঁৱৰিলে। সেয়া যেন হীৰা, মাণিক, পান্নাৰ টুকুৰাহে আছিল, তাতকৈ সুন্দৰ একো বস্তুৱেই তেওঁ ভাবি উলিয়াব পৰা নাছিল। নিজৰাৰ পাৰত দৈত্যাকাৰ কিছুমান সুশোভন গছ দেখা গৈছিল, সিহঁতৰ সাজোনৰ এক নির্দিষ্ট ক্রম তেওঁ লক্ষ্য কৰিছিল, তাৰ পৰা নির্গত ফুলৰ সুবাসো তেওঁ বুকু ভৰাকৈ লৈছিল। গছবোৰৰ মাজেৰে এক আচহুৱা গোলাপী আভা জিলিকি উঠা দেখা গৈছিল আৰু বতাহে তাৰ ঠাল-ঠেঙুলি বোৰৰ মাজেৰে এক ঐশ্বৰিক সংগীতহে যেন বজাইছিল। তেওঁ তেতিয়াই পলাবলৈ সাজু হোৱা নাছিল, শত্রুপক্ষই সেই ঠাইৰ ফালে আগুৱাই নহালৈ তেওঁ সেই সুবিধাজনক ঠাই টুকুৰাৰ পৰা ওলাই অহাৰ ইচ্ছা নাছিল।

এক ফৰফৰণি আৰু মূৰৰ ওপৰৰ ডাল-পাতবোৰৰ মাজেৰে সৰু সৰু কেটেপাৰ দৰে মৰা বাৰুদৰ শব্দ শুনি তেওঁ সপোনৰ পৰা সাৰ পালে। তৎ হেৰুওৱা টোপ চলোৱা মানুহজনে যেনি তেনি টোপ চলাই তেওঁক যেন শেষ বিদায়হে জনাইছিল। তেওঁ গিৰিসাই থিয় হ'ল, এঢলীয়া পাৰটোৰে ওপৰলৈ উঠি গ'ল আৰু হাবিৰ মাজত প্রৱেশ কৰিলে।

সেইদিনা গোটেই দিনটো তেওঁ বেলিৰ অৱস্থান চাই হাবিৰ মাজত বাট বিচাৰি ফুৰিলে। হাবিখনৰ আদি-অন্ত নোহোৱা যেন বোধ হ'ল; কেনিও এটা সুৰুঙাও বিচাৰি পাবলৈ টান হ'ল, আনকি খৰিকটীয়াৰ লুংলুঙীয়া বাট এটাও কেনিও দেখা নগ'ল। তেওঁ যে ইমান অটব্য অৰণ্য এখনৰ নৈকট্যত বাস কৰিছিল সেয়া তেওঁ নিজেও জনা নাছিল। এই কথাটো তেওঁৰ বাবে অতীৱ ৰহস্যময় আছিল। সন্ধিয়ালৈ তেওঁ লবেজান হৈ পৰিল, ভৰিত ব্ৰণৰ সৃষ্টি হ'ল আৰু প্ৰচণ্ড ভোকে তেওঁক অতিষ্ঠ কৰি তুলিলে। কেৱল পত্নী আৰু ল'ৰা-ছোৱালীকেইটাৰ চিন্তাই তেওঁক আগুৱাই গৈ থাকিবলৈ বল দিলে। অৱশেষত তেওঁ এটা এনেকুৱা ৰাস্তা দেখা পালে য'ত তেওঁ চিনাকি পথ এছোৱাৰ সন্ধান পোৱা যেন উমান পালে। সেই ৰাস্তাটো নগৰ এখনৰ বাটৰ দৰেই আহল-বহল আছিল যদিও সেই বাটেৰে মানুহৰ আহ-যাহৰ কোনো চিন নাছিল। তাৰ আশে পাশে কোনো পথাৰ নাছিল, ওচৰে পাজৰে কোনো ঘৰ নাছিল। আনকি দূৰ-দূৰণিলৈ মানুহৰ বসতিৰ উমান দিব পৰাকৈ কুকুৰৰ ভুকভুকনিও কৰ্ণগোচৰ হোৱা নাছিল।

দৃষ্টিকোণ অথবা পাৰ্ছপেক্টিভ শিকোৱা সময়ত শ্ৰেণীত আঁকা ছবিখনৰ দৰে বাটৰ দুয়ো কাষে ওখ গছৰ গা শৰীৰবোৰে দুয়োকাষে এখন দীঘলীয়া দেৱাল সাজিছিল যি অসীমত গৈ এটা বিন্দুত মিলিত হৈছিল। গছৰ সুৰুঙাৰে আকাশলৈ চাই তেওঁ অপৰিচিত আৰু আচহুৱা সাজোনেৰে সজ্জিত বিশাল সোণোৱালী নক্ষত্ৰপুঞ্জ কিছুমান দেখিছিল। তেওঁ বুজিছিল যে সেই সাজোনৰ আঁৰত হয়তো কোনো গোপন আৰু অমঙ্গলীয়া ৰহস্য লুকাই আছিল। দুইফালৰ হাবিত একধৰণৰ কোলাহল শুনা গৈছিল য'ত এবাৰ, দুবাৰ, বহুবাৰ তেওঁ কোনো অজান ভাষাৰ ফুচফুচনি শুনিছিল। তেওঁৰ ডিঙিত প্ৰচণ্ড বিষ হৈছিল আৰু হাতেৰে খেপিয়াই দেখিছিল যে ডিঙিটো বিষমভাৱে ফুলি উঠিছিল। তেওঁ জানিছিল যে ৰহীডাল বান্ধি থোৱা ঠাইত নিশ্চয়কৈ ক'লা ঘেৰ এটাৰ সৃষ্টি হৈছে। তেওঁৰ চকু দুটা উখহি উঠিছিল আৰু বন্ধ নোহোৱাৰ উপক্ৰম হৈছিল। পিয়াহত তেওঁৰ জিভা উখহি উঠিছিল; তেওঁ জিভাখন দাঁত দুপাৰিৰ মাজেৰে উলিয়াই বাহিৰৰ চেঁচা বতাহজাকক স্পৰ্শ কৰি জ্বৰৰ পৰা পৰিত্ৰাণ পাবলৈ বিচাৰিছিল। কি যে মসৃণতাৰে ঘাঁহনিডৰাই সেই অগম্য পথটো এখন দলিচাৰ দৰে ঢাকি ধৰিছিল - তেওঁ ভৰিৰ তলত ৰাস্তাটো অনুভৱ কৰিব পৰা নাছিল।

নিঃসন্দেহে, সেই যন্ত্ৰণাপিষ্ট অৱস্থাতো খোজ কাঢ়ি থাকোতে তেওঁৰ টোপনি আহি গৈছিল, কাৰণ তেতিয়ালৈ তেওঁৰ চকুৰ আগত অন্য এক দৃশ্য ভাহি উঠিছিল। হয়তো এক ভ্ৰমিত অৱস্থাৰ পৰা তেওঁ সুস্থ হৈ উঠিছিল। তেওঁ নিজৰ ঘৰখনৰ পদূলিত থিয় দি আছিল। সকলোবোৰ তেওঁ যিদৰে এৰি গৈছিল সেইদৰেই আছিল, ৰাতিপুৱাৰ উজ্জ্বল পোহৰত সুন্দৰ হৈ জিলিকি আছিল। হয়তো গোটেই ৰাতিটো তেওঁ খোজ কাঢ়ি আহিয়েই আছিল। নঙলা খুলি তেওঁ আহল-বহল বগা বাটটোৰে আগবাঢ়ি গ'ল আৰু মহিলাৰ কাপোৰৰ খৰখৰনি শুনিলে ; তেওঁ দেখিলে তেওঁৰ শান্ত, সৌম্য, সুন্দৰ পত্নীয়ে তেওঁক লগ পাবলৈ আগবাঢ়ি আহিছে। ছিৰিৰ তলত এক অসীম আনন্দভৰা হাঁহি, এক অতুলনীয় লাৱণ্য, অপৰূপ গৰিমাৰে ভৰা সেই নাৰীয়ে তেওঁলৈ বৈ আছিল। আহ, তেওঁক কি যে সুন্দৰ দেখাইছিল। তেওঁ দুহাত প্ৰসাৰিত কৰি সন্মুখলৈ ঢপলিয়ালে। যেতিয়াই তেওঁ পত্নীক হাতেৰে চুই পাওঁ পাওঁ হ'ল তেতিয়াই তেওঁ ডিঙিৰ পিছফালে এক মৰ্মান্তিক আঘাত অনুভৱ কৰিলে ; প্ৰচণ্ড বিস্ফোৰণৰ শব্দেৰে সৈতে এক চকু চাট মাৰি ধৰা শুভ্ৰ পোহৰে তেওঁক আৱৰি ধৰিলে - তাৰ পিছত চৌদিশ তিমিৰাচ্ছন্ন আৰু নিস্তব্ধ হৈ পৰিল !

পেইটন ফাৰ্কোৱাৰৰ মৃত্যু হ'ল; ভঙা ডিঙিটোৰে সৈতে আউল ক্ৰীকৰ দলংখনৰ কাঠ টুকুৰাৰ পৰা ইফালে সিফালে ওলমি থাকিল।

লেখকৰ ঠিকনা নলবাৰী



মিৰেমৰ বুকুত পলসুৱা প্ৰেম

■ ৰঞ্জু শৰ্মা

কাহিনীবোৰ এখন নৈৰ দৰে। সময়ৰ পলসে ক্ৰমান্বয়ে উৰ্বৰ কৰি তোলে। নৈয়ে সুতি সলায়, গতি সলায়, পাহাৰৰ ৰঙামাটিৰে ভৈয়ামত ৰং সানে। নৈয়ে সাজ সলায় কিন্তু নৈখন নমৰে। কাহিনীবোৰো নমৰে। হৃদয়ৰ পলসেৰে মাথোঁ উৰ্বৰ হয়, মানুহবোৰ অমৰ হয়, সময়ৰ শিলালিপিত থিতাপি লয়।

কাহিনীবোৰে এটি প্ৰজন্মক সমৃদ্ধ কৰে...

মিৰেম, ঘন সেউজীয়া পাহাৰটোৰ বুকুৰ এখন শান্ত, নীৰৱ গাঁও। মৃদু, শীতল বতাহৰ সুৰে সুৰে গোৱা শাৰী শাৰী পাইনগছৰ নিচুকনিত মিৰেমে ওমলে, চিয়াঙৰ পানীৰে গহীন হোৱা হাবিখনে মিৰেমৰ ভোক বুজে। মিৰেম প্ৰকৃতিৰ সন্তান, হাবিখনে যেন খুব মৰমেৰে আকোঁৱালি ৰাখিছে মিৰেমক।

সন্ধিয়া ভাগি আন্ধাৰ ঘন হওঁ হওঁ। দিনটোৰ ব্যস্ততা সামৰি সন্ধিয়াটো অহাৰ সময়খিনি পাহাৰটোৰে মিৰেমক আলফুলে সাৱটি ধৰাৰ সময়।...

ঃ নানে, নানে ঔ, দে, পানী এলোটা দে।

পিঠিত কঢ়িয়াই অনা হোৰাটো চোতাললৈ দলিয়াই

গলত পেলাই অনা কাপোৰখনেৰে মুখখন মচি মচি চাংঘৰটোলৈ চাই মিং কঙে চিঞৰে।...

ঘৰৰ ভিতৰত কোনো সাৰসুৰ নাই। গলটো হলাই মিং কঙে ইফাল সিফাল চাবলৈ চেষ্টা কৰিলে।

তেনেতে...

ঃ হো ল'। আনে ঘৰত নাই। আবুৰ সৈতে ভৰাঁললৈ গৈছে।...

সেইয়া খালেঙ। পোন্ধৰ বছৰীয়া খালেঙক দেখিলেই মিং কঙৰ মনটোৱে ধান বনাদি বানিবলৈ ধৰে। ঘামে উটুৱাই অনা মুখখন ততাতৈয়াকৈ এবাৰ মচি লৈ সি তাইলৈ চালে। 'আস এইজনী গাভৰু হোৱাৰে পৰা বৰ ধুনীয়াজনী হৈছে। ৰঙা সেউজীয়া গালেখনেৰে তাইক কি যে অপৰূপ দেখাইছে'।

খালেঙৰ হাতৰ পৰা গিলাচটো প্ৰায় থপিয়াই অনাদি আনি মূহুৰ্তৰ ভিতৰতে সি পানীখিনি পি শেষ কৰিলে।

মিং কঙৰ দৃষ্টিত এক সকৰুণ আবেদন আছে। খালেঙে দেখে সেই আবেদন, তাই বুজেও। মিং কঙৰ চকুহালিয়ে খালেঙৰ বুকুতো কমখন থৌকি-বাথৌ নকৰেনে। তাইৰ ৰঙা চানেকীয়া গাল দুখন অস্তগামী সুৰুযৰ হেঙুলীয়া আভাই আৰু বেছি লাজ লাজ কৰি তুলিলে।

ইফালে সিফালে চাই এপাকত হোৰাটোৰ পৰা টোপোলা এটা উলিয়াই মিং কঙে খালেঙক দিলে।

হাতত গুজি

ঃ হো ল'... পিন্ধিবি।...

ৰঙচঙীয়া কাগজেৰে মেৰিওৱা এটি সৰু টোপোলা। খালেঙৰ দুচকু তিৰবিৰাই উঠিল। কোনোমতে মাতটো উলিয়াই তাই সুধিলে—

ঃ কি এইটো?

ঃ আমান, যোৱাবেলি কামলৈ বুলি টাউনলৈ যাওঁতেই তোলৈ বুলি আনি থৈছিলোঁ। চলুঙত পিন্ধিবি, মোৰ ভাল লাগিব।

একে উশাহত কথাখিনি কৈ মিং কং ঠাইখিনিৰ পৰা সাউৎকৰে নোহোৱা হ'ল। এখন হাতত টোপোলাটো আনখনত খালী পানীৰ গিলাচটো, তেনেকৈয়ে লৈ থাকি মিং কং যোৱা বাটে এপলক নেত্ৰেৰে চাই চাই খালেং নঙলামুখতে কিমানপৰ ৰ'ল তাই চাগে নিজেও নাজানে।

মিৰেমৰ সৰু সৰু 'একুম'বোৰ (চাংঘৰ আজি কেইদিনমানৰ পৰা উৎসৱৰ আয়োজনত ব্যস্ত হৈ পৰিছে। নিৰিবিলি পাহাৰীয়া গাঁওখন মুখৰিত হৈ উঠিছে।... ঘৰৰ তিৰোতাবোৰৰ কামৰ যেন অন্তই নহ'ব। কলহে কলহে আপং তৈয়াৰ কৰি জুহালৰ এচুকত জমা কৰিছে, ধোৱাচাঙত শুকুৰাই থোৱা গাহৰি আৰু মেথোনৰ মঙহবোৰ শেষবাৰৰ বাবে ভালকৈ ৰ'দাইছে, ঝুমথেতিৰ মাজে মাজে লগাই থোৱা লাইপাতবোৰ চপাইছে। মতাবোৰৰো সমানেই কাম। হাবিলৈ গৈ শৰ পহু, কেটেলা পহু, বনৰীয়া গাহৰি গোটাব লাগে, ঝুমতলী, পানীখেতিৰ তলীবোৰ চাফ-চিকুণ কৰি অপকাৰী কীট-পতংগ আৰু অপতৃণ আঁতৰাব লাগে। মুঠতে মিৰেমৰ চোতাল এতিয়া উৎসৱমুখৰ। নহ'বনো কিয়? ছেপ্টেম্বৰ মাহৰ আৰম্ভণীতে চলুঙৰ দিন পৰিছে বুলি ঘোষণা কৰিলেই। দিন।

এইবেলি কেবাঙে উৎসৱলৈ তেনেই তাকৰ ছেপ্টেম্বৰ, মিৰেমবাসীৰ হেপাঁহৰ মাহ, উৎসৱৰ মাহ, জীপাল হৈ থকা অঞ্চলটোৰ সহজ-সৰল মানুহখিনিৰ বাবে মাহ। ছেপ্টেম্বৰ মানেই যে 'চলুং' অহাৰ আগবতৰা। একাকাৰ কৰি 'চলুঙ'ৰ আয়োজন চলিছে।

আনন্দৰ মাহ।

চিয়াঙৰ দুয়োপাৰ সাৱটি এই মাহ পৱিত্ৰ মাহ, এই মাহ উপাসনাৰ মিৰেমৰ সৰু সৰু চাঙঘৰবোৰত দিন-ৰাতি উৎসৱৰ আয়োজনৰ অজুহাত লৈয়েই মিং কং কেইবাদিনো কামলৈ যোৱা নাই। এনেও তাৰ কামটো সদায় যাবলগীয়া কাম নহয়। সপ্তাহত এদিন মাথোঁ পাছিঘাট চহৰৰ মেইন ডাকঘৰলৈ গৈ চিঠিবোৰ গোটাই আনিব লাগে। তাৰ পিছত সপ্তাহজুৰি পাহাৰবোৰ বগুৱা বাই গাঁৱে গাঁৱে চিঠিবোৰ ভগাই ফুৰিব লাগে। কেতিয়াবা কৰাং, কেতিয়াবা লেডুম, কেতিয়াবা মিকং। যি নগন্য সংখ্যক মানুহ দূৰ দেশৰ পৰা আহি কৰ্মৰ খাতিৰত পাহাৰীয়া ঠাইখনৰ চুকে-কোণে থাকিবলগীয়া হৈছেহি। সাধাৰণতে সেইসকলৰ কাৰণেই যেন ডাকঘৰটোও চলি আছে। সপ্তাহটোত ভগাবলগীয়া তেনে একো নাথাকেই। যদিওবা খুব কম, মাজে মাজে পিছে একে সময়তে বিলাত, ছিডো, মানে, এই সকলোবোৰ গাঁৱলৈকে যাবলগীয়া হয়। সেই সময়ত কেতিয়াবা তিনি-চাৰিদিনলৈকে সি ঘৰলৈ নাহে। হাবিতলীয়া বাটবোৰ ভাঙি গাঁৱে গাঁৱে ঘূৰি ফুৰোতে প্ৰায়েই সন্ধ্যা হয়।

দিবলগীয়া চিঠি-পত্রবোৰ 'গাম'জনাৰ (গাঁওবুঢ়া) হাতত জমা দি আজৰি হোৱাৰ পিছত সেই ৰাতিটো সি তেওঁৰ ঘৰতে আলহী হয়।

বাহিৰৰ পৃথিৱীখনৰ সুখ-দুখৰ বতৰা লৈ অহা ডাকোৱাল মিং কঙৰ গাঁৱে গাঁৱে বৰ সন্মান। গামজনাৰ ঘৰত আথে বেথে আপ্যায়ন কৰা আপং আৰু লাইপাতেৰে জুতিলগাই ৰন্ধা গাহৰিৰ মঙহেৰে ভাতসাঁজ খাই ৰাতিটো সি ৰজাৰ দৰে কটাই আহে।

পাহাৰবোৰত সন্ধিয়াতেই ৰাতি গভীৰ হয়। নিশাচৰ পখী আৰু জিলিৰ কোলাহলত ঢিমিক-ঢামাক পোহৰেৰে তিৰ্‌বিৰাই থকা চাঙঘৰবোৰ লাহে লাহে নিজম পৰি আহে। চাঙৰ তলৰ জাক জাক গাহৰিৰ গো-গোৱনিবোৰ নিতাল মাৰে। গাঁৱখনৰ ওখ-চাপৰ পদুলিবোৰত গিৰিহঁতৰ বিশ্বাসী কুকুৰবোৰ ৰখীয়া হয়। মিং কঙৰ বাবে পিছে ইমান সোনকালে নিশা নাহে। আপঙৰ ৰাগীয়ে জিভা দোৰোল নুখুৰালৈকে জুহালৰ ওচৰত বহি সি গাঁওবুঢ়াৰ সৈতে কথা পাতে। দেশৰ কথা, সমাজৰ কথা, গাঁৱৰ কথা, পাহাৰটোৰ কথা। এটা সময়ত ক'ব নোৱাৰকৈয়ে দুয়ো জুহালখনৰ দাঁতিতে 'দ' দৰে ভাঁজটো লৈ শুই থাকে। আঙঠাৰ সৈতে তিৰ্‌বিৰাই থকা জুহালখন গোটেই ৰাতি কথাবোৰৰ সাক্ষী হৈ ৰয়। এৰা, জুহালবোৰ চাং ঘৰবোৰৰ আত্মা, গৃহ দেৱতাৰ জাগ্রত প্রতিনিধি।

তেনেকুৱা দিনতে কেতিয়াবা মিং কঙে চিঠিবোৰৰ লগতে নিজৰ দুনলীয়া বন্দুকটোও লৈ যায়। হাবিৰ মাজৰ লুংলুঙীয়া বাটবোৰৰ কাষৰ ঘন জোপোহাৰ আৰ লৈ বন্দুকটো সাৱটি ওৰে নিশা সি বন গাহৰিলৈ খাপ পিটে। ছিয়াঙৰ পাৰৰ পাহাৰীয়া হাবিবোৰত ৰাতি ৰাতি প্রকাণ্ড বন গাহৰিবোৰ ঘূৰি ফুৰে। একোটা গাহৰিৰ মঙহেৰে এখন গাঁৱে দুদিনলৈ ভোজ পাতিব পৰা জোখৰ গাহৰি এনেহেন চেহেৰা যে অলপ ধতুৰাবোৰে চিকাৰ কৰাটো দূৰৈৰে কথা কায চাপি যাবলৈকে ভয় কৰে। পিছে মিং কঙে তেনেকুৱা ডেকা নহয়। জাক জাক ডেকাৰ মাজত ঠিয় হ'লেও দূৰৈৰ পৰা জিলিকি থকা চেহেৰা মিং কঙৰ । সেইহেন পাহুৰাল ডেকা মিং কঙে বন্দুকৰ এটা গুলিৰে একোটা প্রকাণ্ড বন গাহৰি বগৰাই দিব পাৰে, এপাট শৰ মাৰি দৌৰি থকা বনৰীয়া পহু এটি বগৰাই দিব পাৰে, এঘাপত এটা মিথুনৰ শিৰচ্ছেদ কৰিব পাৰে। যোৱাবাৰ 'চলুং'ৰ সময়ত মিং কঙে চিকাৰ কৰি অনা বন গাহৰিৰ মঙেহেৰেই গোটেই গাঁওবাসীয়ে ভোজভাত খাইছিল। গাঁওবুঢ়াকে আদি কৰি গাঁওখনৰ বয়সীয়াল মানুহবোৰে কিমানদিনলৈকে যে সেই ভোজটোৰ কথাকে কৈ আছিল। ৰাইজখনে মনভৰি মিং কঙৰ প্রশংসা কৰিছিল, হিয়াভৰি তাক আশীর্বাদ কৰিছিল। গাহৰিৰ কাটি অনা দাত দুটা মিংকঙৰ মাকে ধুই-পখালি সযতনে চাঙঘৰৰ 'টুংগু'ত সজাই থৈছিল। মিংকঙৰ বীৰত্বৰ কাহিনী কোৱা আন আৰু কেইবাজোৰো বন গাহৰিৰ দাঁত আৰু মিথুনৰ লাওখোলাৰ সৈতে সেইযোৰেও সেইদিনাৰ পৰা মিংকঙহতঁৰ চাঙঘৰৰ বাঁহৰ বেৰখনৰ শোভা বঢ়াইছিল। পুতেকৰ কৃতিত্বত মিং কঙৰ মাকৰ চেনেহী বুকুখন আৰু এঢাপ ওখ হৈছিল।

সেউজীয়া মিংকঙৰ প্রশংসা শুনি সেইদিনা আন এখন বুকুও কঁপিছিল। মনে মনে, আৰে আৰে। গালুপৰ উদং বাউসীৰে মুকলি হৈ থকা মিংকঙৰ হাত দুখনলৈ এহালি চকুৰে লুকাই চুৰকৈ চাই আছিল।

'আসঃ ইমান আটিল, ইমান বেগী। সেইখন হাতেৰেই সি সেই প্রকাণ্ড বন গাহৰিটো বগৰাই দিছিলনে?'

খালেঙৰ মনত মিং কঙৰ উদং বাউসী দুটা সেইদিনাৰে পৰা এই পৃথিৱীৰ আটাইতকৈ নিৰাপদ আশ্রয় যেন লগা হৈ পৰিছিল।...

মিৰেমৰ 'গাম' তাবাকৰ একমাত্র জীয়ৰী খালেং। বন হৰিণীজনীৰ দৰেই চঞ্চল নীলাভ নয়ন তাইৰ, পাহাৰীয়া জুৰিটিৰ স্ফটিকহেন পানীৰ দৰেই শান্ত-শীতল খালেঙৰ স্বভাৱ। নোদোকা শহাকেইটিৰ দৰেই খালেঙৰো দেহৰ ৰঙ, বগা গুলপীয়া। সমগ্র মিৰেমজুৰি খালেঙৰ ৰূপৰ লগত ফেৰ মাৰিব পৰা দ্বিতীয় এজনী নোলাব। বনশাক-থাৰধি বিচাৰিবলৈ বুলি পিঠিত হোৱাটো লৈ এজাক গাভৰুৰ সৈতে পাহাৰৰ ওখ চাপৰবোৰত ঘূৰি থকাৰ সময়ত খালেঙক সাইলাখ বনৰাণী, পাহাৰ কন্যা এগৰাকীৰ দৰেই লাগে। অপৰূপ অথচ ৰহস্যময়ী। খালেঙৰ মুকুতাসৰা হাঁহিৰ তৰংগই মিৰেমৰ ডেকাজাকৰ বুকুত আৱেগৰ শিহৰণ তোলে। খালেঙৰ সান্নিধ্য সিহঁতৰ প্রতিটোৰে সপোন হৈ উঠে। আলেঙে আলেঙে আটাইজাকে তাইৰ মন পাবলৈ চেষ্টা কৰে। যেন এখন অঘোষিত প্রতিযোগীতাহে। চিকাৰ, ঝুমতলী, গাহৰিৰ দাত খেল, নাচ, গান প্রায় সকলোবোৰ ক্রিয়া এই প্রতিযোগিতাত চামিল হৈ পৰে আৰু নিজৰ আগোচৰেই

বহুতে এই অদৃশ্য প্রতিযোগিতাৰ অংশীদাৰ হৈ পৰে।

ঝুমতলীত কাম কৰি থকা সময়ত নাইবা হাতশালেৰে গালে বই থকা সময়ত খালেং আৰু তাইৰ সখিয়েকসকলে গাঁওখনৰ ঘৰে ঘৰে চলি থকা খৱৰবোৰ পাগুলি পাগুলি তাৰ ৰস লৈ থাকে। এটা সময়ত সিহঁতৰ ফিচিঙা-ফিচিং আলোচনাবোৰ গৈ এইপ্রতিযোগিতাখনতে ঠেকা থাইগৈ। ইজনীয়ে সিজনীলৈ চকু টিপিয়াই খালেঙক জোকাই মেলি তাইৰ মনৰ বুজ ল'বলৈ চেষ্টা কৰে। কেতিয়াবা সেই মেলখন পানী আনিবলৈ যোৱা জুৰিটিৰ পাৰ পায়গৈ। জুহালৰ ওপৰৰ ধোৱাচাঙত শুকুৱাবলৈ থোৱা গোট গোট মাকৈবোৰ আটায়ে গালেৰ খোচনিতে সুমুৱাই লৈ আহে। জুৰিপাৰৰ শিলত আৰামাৰে বহি লৈ সিহঁতে সেই মাকৈবোৰ চোবাই চোবাই বহুপৰ কথা পাতে।

ঃ মিমি খালেঙৰ ওপৰত আলেঙে আলেঙে গাঁৱৰ আটাইবোৰ ডেকাৰে মৰম চকু দেই, তোমাৰ মন পাবলৈ আটাইজাক পাগল হোৱাদি হয়গৈ।

ঃ অ' অ' সৌদিনা খালেঙে পানী আনিবলৈ আহোঁতে সিটো পাৰত কাম কৰি থকা তাকাম ককাইদেউৰে তাইৰ বগা গুলপীয়া কলাফুল দুটিলৈ কেনেকৈ ৰ' লাগি চাই আছিল নেদেখিছিলিনে? বেচেৰাটোৰ হাতৰ পৰা দাখন খহি পৰি কেতিয়া তাৰ ভৰিৰ মাখিচাল কাটিলে গমেই নাপালে।

কথাষাৰ কৈ আটাইজাকে খিলখিলাই হাঁহে। তাৰে মাজৰ এজনীয়ে আকৌ মনত পেলাই দিয়ে।...

ঃ সেইদিনা যে, কিৰেন আৰু জ'মিন ককাইদেউৰ মাজত খালেঙক লৈ লগা গোপন বাজীখনৰ ফলত হালেই বন গাহৰি বিচাৰি গৈ গোটেই ৰাতি হাবিতে কটালে গম পাৱনে? বেচেৰাকিটাৰ ভাগ্যত গাহৰিতো বাদেই বনকুকুৰা এটাও নাহিল। আনি খালেঙৰ ওচৰত ভাল দেখুৱাবলৈ গৈ কিমান যে নগুৰ নাকটি সহিলে। শেষত গৈ নাকে-মুখে কদো বৰলৰ কামোৰ লৈ দুয়োটা ঘৰ সোমালহি।... ছোৱালীজাকৰ মাজত হাঁহিৰ বতাহ বলে। জানে, খালেঙে এই সকলোবোৰ কথা জানে। ধমকেৰে তাই কথাবোৰ সামৰি থয়।

এটি মৃদু

--:- যাহ পাগলী কেইজনী হু গাৱঁৰ ডেকাজাকক মঞ্জই তেনে চকুৰে চাব নোৱাৰো। ভগৱান দঃঞিঃ- পঃলই চব জানে, সকলো বুজে। তেওঁৰে শপত, ককাইদেউ। তহঁতে এনেই কথাবোৰ বঢ়া-কুঢ়া কৰি মোৰ মনত সিহঁত আটাইবোৰ মোৰ আবিং, মোৰ নাথাকিবি।

খালেঙৰ কথাত গাভৰুজাক চুপ হৈ ৰয়। খালেঙৰ সমাহিত ব্যক্তিত্বক সিহঁতেও সন্মান কৰে, তাতে তাই গাঁওখনৰ 'গাম'ৰ জীয়াৰী। সেয়েহে সমনীয়া হ'লেও সিহঁতে তাইক 'মিমি খালেং' বুলিয়েই সম্বোধন কৰে।

পিছে ছোৱালীজাকক তেনেদৰে মুখ বান্ধি থ'লেও যোৱাবেলি চলুঙৰ পৰত মিং কঙৰ আটিল বাউসীদুটি দেখাৰ পিছৰে পৰা আজিকালি খালেঙৰ দুচকুৰে আলেঙে আলেঙে যেন তাকেই বিচাৰি ফুৰে। মিং কঙক তাই অইনবোৰ গাঁৱলীয়া ডেকাজাকৰ সৈতে ৰিজাব নোৱাৰে। কিয় জানো মিং কঙক তাই কাকাইদেৱক বুলিও ভাবিব নোৱাৰে। গাভৰুজাকৰ মাজত মিং কঙৰ কথা ওলালেই তাই সষ্টম হৈ পৰে। মিং কঙৰ সৰু সৰু কথাবোৰ শুনিবলৈ যেন তাই অধীৰ হৈ উঠে।

'ছোৱালীজাকে আনবোৰ ডেকাৰ নিচিনাকৈ তাৰ সৈতেও তাইক এবাৰ জোকাই চোৱা হ'লে। সিও বাৰু বাকী ডেকাজাকৰ দৰে তাইৰ মনটো পাবলৈ আকুল হৈ থাকেনে? লগৰীয়াৰ সৈতে জিদ পাতি হাবিত বন গাহৰি ধৰিবলৈ যায়নে? ঝুমতলীতৰ ঘাঁহ নিৰলাই থাকোঁতে, পাহাৰীয়া জুৰিটোৰ পৰা পানী আনিবলৈ যাওঁতে সিও বাৰু তাইৰ উদং কলাফুল দুটিলৈ ৰ' লাগি চাই থাকেনে?'

...কথাবোৰ ভাবি ভাবি খালেঙৰ গুলপীয়া মুখখন ৰঙা ডালিমবুলীয়া ওঁঠজুৰিত খেলা কৰি যায়হি। পিছে মুহূর্ততে পৰে, জান নেজান, অসংযত হাঁহি এটিয়ে আকৌ তাই সষ্টম হয়। লগৰীয়াকেইজনীৰ শেন চকুৰ পৰা একো এটা বাদ পৰি নাযায়। নাই, তাই সিহঁতক তাইৰ মনৰ কথা জানিব দিব নোৱাৰে। খালেঙে তাইৰ মনৰ খৱৰবোৰ কাকোৱেই জানিবলৈ দিব নোৱাৰে। সেয়েহে যোৱাবেলি চলুঙৰ সেই দিনটোৰ পিছৰে পৰা বুকুত গজালি মেলা খলকনিবোৰ তাই খুব সাৱধানে নিজৰ মাজতে লুকুৱাই ৰাখিছে।

উৎসৱৰ শেষ দিন আছিল সেয়া, সমূহীয়া ভোজ-ভাতৰ দিন। গাঁওজুৰি আনন্দৰ ধল, যেন উদ্‌যাপনৰ অন্তই নহ'ব। ডেকা-গাভৰু? বুঢ়া-আদহীয়া আটাইজাকে মিং কঙৰ গুণ বখানি বন গাহৰিটোৰ মঙহেৰে ভোজ-ভাত খাইছিল, নাচিছিল, গাইছিল। মানুহবোৰে কলহে

কলহে আপং খাই শেষ কৰিছিল, গাঁৱৰ গাভৰু, তিৰোতা আটাইৰে মানুহবোৰক আপং যোগান ধৰি তৎ নাইকীয়া হোৱাৰ উপক্রম হৈছিল। এনেতে মিং কঙৰ মাক ওচৰ চাপি আহি থালেঙক ক'লে।

ঃ আই, আমাৰ ঘৰৰ টুংগুতে আপঙৰ কলহ এটি আছে। তয়েই দৌৰি গৈ লৈ আহগৈ যা। মই বুঢ়ী দেহাটোৰেনো আৰু কিমান অহা-যোৱা কৰিম।

— হ'ব য়ায়ো, মই এতিয়াই গৈ লৈ আহোগৈ। আপঙৰ কলহ আনিবলৈ খালেং মিং কঙৰ ঘৰলৈ পায়গৈ।

চাংঘৰটোৰ জখলাডালতে মিং কং বহি আছিল। উকা দৃষ্টিৰে সন্মুখৰ পাহাৰটোলৈ চাই থকা মিং কঙক দেখি খালেং অলপ অপ্রস্তুত হ'ল। উৎসৱৰ আনন্দ এৰি এনেদৰে অকলশৰে বহি থকাৰ কাৰণ তাই বুজি নাপালে। এনেকুৱাই হয়, মিং কঙক দেখিলে তাইৰ মনটোত অবুজ খেলি-মেলি, মিঠা মিঠা বিষ কিছুমানে আহি খোচা-বিন্ধা কৰেহি। সেই আৱেগৰ ভাষা খালেঙে বুজি নাপায়, মিং কঙক দেখিলে তাইৰ এনে লাগে যেন সেই মুহূর্ততে তাই তাৰ ওচৰৰ পৰা পলাই যাব, অথচ মনটোৱে বিচাৰে তাই যেন তাৰ আটিল বাহু বন্ধনত হেৰাই যাব চিৰদিন, চিৰকাল। অৱশেষত বুকুত খলমলনি লগোৱা হাহাকাৰবোৰক শান্তৱ্দপৰ চোলাটো পিন্ধাই খালেং নঙলাটো খুলি ভিতৰলৈ সোমাই গ'ল। চাং ঘৰৰ জখলাডালৰ ওচৰ পাই তাই ভয়ে ভয়ে মিং কঙৰ মুখলৈ চালে। চকুৱে চকুৱে পৰাত খালেঙৰ সমগ্র দেহাৰে এটি শিহৰণ বৈ গ'ল, কি আছিল সেই দৃষ্টি? তাই বুজি নাপালে। এইয়া শীতকালিৰ পাইনগছৰ বতাহৰ নিচিনা নে পাহাৰীয়া জুৰিটিৰ কল কলাই বৈ যোৱা পানীৰ স্পর্শৰ নিচিনা। মিং কঙে তাইৰ পিনে একেথৰে চাই আছে। তাৰ এই অস্থিৰ, অধীৰ ৱূপ তাই দেখা নাই কাহানিও। দুচকুত যেন তাৰ বহুত কথা। ক'বলগীয়া, শুধিবলগীয়া, অথচ অস্ফুট। আৰু এক মুহূর্তও মিং কঙৰ সেই দৃষ্টিত দৃষ্টি মিলাই থকা খালেঙৰ বাবে অসহনীয় হৈ পৰিল। ভৰিৰ বুঢ়া আঙুলিৰ নখেৰে ৰঙচুৱা চোতালখনৰ মাটি এচিকুটত আঁক-বাঁক কৰি থাকি তাই মিং কঙক ক'লে...

ঃ জখলাদালৰ পৰা নামি দে, ভিতৰলৈ যাওঁ

য়ায়োৱে মোক আপঙ একলহ নিবলৈ পঠিয়াইছে।

মিং কঙে যেন কথাকিটা শুনাই নাই। সি মাথোঁ তলমূৰ হৈ থকা খালেঙৰ ৰ'দ পৰি জিলিকি থকা পিছল সাপৰ পিঠিৰ দৰে তিৰবিৰাই থকা চুলিকোচাৰ পিনে একেথৰে চাই থাকিল। চকুত সেই একেই আকুলতা, অভিমান, আৱেগ, মৰম, আব্দাৰ আৰু যেন বহু কিবা কিবি।

তাৰ পিছৰ কিছু মুহূর্তৰ নীৰৱতাই খালেঙৰ বাবে সময়খিনি আৰু বেছি অসহনীয় কৰি তুলিলে। বনৰীয়া লতা এডালৰ দৰেই ভৰিৰ পৰা বগুৱা বাই উজাই অহা কুহুমীয়া অনুভূতি এটিয়ে তেতিয়া তাইকো মূৰলৈকে মেৰিয়াই ধৰিছিল। এপাকত মিং কং বহাৰ পৰা উঠি জখলাদালেৰে খপ্‌জপাই তললৈ নামি খালেঙৰ একেবাৰে ওচৰলৈ আহিল। বনৰীয়া সুগন্ধি এটিয়ে খালেঙৰ ভিতৰলৈ সুৰসুৰাই বাট ল'লে। তাৰ নিশাহৰ গৰম বতাহে খালেঙৰ শিৰৰ দুই এদাল অবাধ্য চুলিৰ সৈতে খেলা কৰি থাকিল, এপল, দুপল, এটি মাথোঁ দণ্ডতে যেন হেজাৰ প্রহৰৰ আকুলতা।

মিং কঙৰ ঘৰৰ পৰা ওলাই আহি কেতিয়া খালেং নিজৰ ঘৰ পালেহি সঠিককৈ তাইৰ মনত নাই। মনত আছিল মাথোঁ আকোৱগোজ মিং কঙটোৰ অবুজ চাৱনিটো, তাৰ নিশাহৰ কুহুমীয়াখিনি আৰু তাৰ গাৰ পৰা আহি তাইৰ দেহত বগাই ফুৰা ফুৰফুৰীয়া বনৰীয়া এটি গোন্ধ।...

ঃ মিমি খালেং, মিমি খালেং...

গাভৰুজাকৰ মাতত খালেং উচপ খাই উঠিল। ইমান পৰে আপোনপাহৰা হৈ যোৱাবেলিৰ চলুঙৰ কথাবোৰ ভাবি থাকোঁতে কিমান সময় পাৰ হৈ গ'ল তাই ধৰিবই নোৱাৰিলে।

ঃ মিমিয়ে কাৰ বা কথা ভাবি নিজকে লগতে আমাকো পাহৰি গৈছে জানিব পাৰোনে বাৰু? ঘৰলৈ নোযোৱা নেকি, সৌৱা পাহাৰৰ বুকুত আবেলিৰ বেলিৰ লুকাভাকু। কাম সামৰি বেলি শুৱলৈ গ'লেই।

— যা পাগলীকেইজনী, ব'ল ব'ল।

লৰালৰিকৈ কথাখিনি কৈ বহি থকা শিলচটাৰ পৰাই অলপ হাউলী বৈ থকা জুৰিটিৰ পৰা তাই পানী এচলু উঠাই ল'লে। মিং কঙৰ নামৰ আৱেগে ধুওৱা সোঁৱৰণীৰ বিন্দু বিন্দু ঘামে ভুমুকি মৰা তাইৰ ৰঙা মুখখন এচলু পানীৰে পখালি লৈ তাই শিলচটাৰ পৰা উঠি আহিল।

মিৰেমবাসী ৰাইজ শয্যৰ অধিষ্ঠাত্রী দেৱী 'কিনে-

নানে'ৰ ওচৰত বছৰৰ খেতিটোৰ বাবে আশীৰ্বাদ ল'বলৈ সাজু হৈছে। দেৱী 'কিনে-নানে' উৰ্বৰা শক্তিৰ প্ৰতীক, ঐশ্বৰ্যৰ প্ৰতীক। 'কিনে-নানে'ৰ 'কিনে-নানে'ৰ আশীৰ্বাদত ঝুমতলীবোৰ গাভৰু হয়।

আশীৰ্বাদত ঝুমতলীত সোণগুটি ধানে চকু মেলে। গাঁওবাসীৰ সৰু সৰু ভড়ালবোৰ শস্যৰে চহকী হয়। পৃথিৱী মাতৃৰ বুকু খান্দি ধান ছটিয়াই উঠাৰ পিছত এটা সময়ত সোণগুটি ধানে চকু মেলে। এই সময়তে নানা ধৰণৰ পোক-পতংগই আহি নতুন শস্যত আক্ৰমণ কৰেহি। সেয়েহে এই সময়ত কিনে-নানেক পূজা-অৰ্চনাৰে সন্তুষ্ট কৰি লোৱাতো গাঁওবাসীৰ ধৰ্ম। তদুপৰি গাঁৱলৈ যাতে কোনো অপশক্তিয়ে মুৰ তুলি চাব নোৱাৰে তাৰ বাবেও এই পূজা অতি মহত্বপূৰ্ণ

উৎসৱৰ বাবে সমূহীয়া কাম-কাজবোৰ কৰি থকাৰ লগতে সকলোৱে নিজ নিজ ঝুমতলীবোৰৰ পৰা অপতৃণ আৰু বেমাৰী, লেৰেলি যোৱা অস্বাস্থ্যকৰ পুলিবোৰ আঁতৰাই চাফ-চিকুন কৰিছে। মিং কঙেও ইটো-সিটো কামত লাগি আছে যদিও ভিতৰি ভিতৰি মানুহটো যেন অকলশৰীয়া হৈ পৰিছে। সময়ৰ প্ৰটিতো পল, প্ৰটিতো মুহূৰ্ত সি যেন কিবা এটি অসহনীয় উৎকণ্ঠাৰে পাৰ কৰিছে। চিকাৰলৈ বুলি হাবিলৈকে যোৱাটোতো বাদেই, ঝুমতলীলৈ গৈও সি ভালদৰে কামত মন বহুৱাব পৰা নাই। প্ৰটিতো কামেই তাৰ অসম্পূৰ্ণ হৈ ৰৈছে। অলাগতীয়াল হাবিবোৰ জ্বলাই থোৱাই আছে, চৌপাশৰ বেৰবোৰ দি আজৰি হ'বলৈ এতিয়াও বহু বাকী। এইকেইদিন ঘৰতো সি অন্যমনস্ক হৈ আছে। মচুপত (ডেকাচাং) গৈ লগৰীয়া ডেকাজাকৰ লগত হাঁহি-ধেমালি কৰিবলৈও মন নোযোৱা হৈছে। এনেই ৰাতি এপৰলৈ ঘৰ নচপা মাকৰ ভাষাত বনৰীয়া ল'ৰাটো আজিকালি সন্ধিয়াতে আহি ঘৰ সোমাইহি। খোৱা-বোৱাতো বিশেষ মন নাই। জুহালৰ ওচৰতে বহি সিজোৱা শাক আৰু আলুগুটি কেইটিমান খাই সন্ধিয়াতে সি শুই পৰে। কেতিয়াবা আকৌ চাঙঘৰৰ জখলাটোতে বহি দূৰৈৰ ডাঠ হাবিখনলৈ ৰ লাগি চাই থাকে, বহুপৰ।

পুতেকৰ এই পৰিৱৰ্তন মিং কঙৰ মাক পাদমৰ চকুত নপৰাকৈ থকা নাই। সি এতিয়া তেওঁৰ কান সমনীয়া ডেকা, তাতে যোৱা বছৰ মিং কঙৰ দেউতাক ঢুকুৱাৰ পিছৰে পৰা এই এবছৰৰ ভিতৰতে ল'ৰাটো যেন আৰু বেছি ডেকা হৈ পৰিল। সেয়েহে পৰিৱৰ্তনবোৰ তেওঁৰ চকুৰ আগত ঘটি থাকিলেও পাদমে পুতেকক পোনসোটিয়াকৈ একো শোধা নাই। মচুপত থাকিবলৈ আৰম্ভ কৰা, জনা বুজা ডেকা সিহঁত। কোনে জানে মনৰ কথাবোৰ ক'বলৈ ভাল পাব নে নাপায় ?

আন সময়ত কামৰ পৰা আজৰি হ'লেই মিং কঙে পাদমৰ আগে-পিছে ঘূৰি থাকি ইটো সিটো কামত সহায় কৰি দিয়ে। পিঠাগুৰি খুন্দা, জুৰিৰ পৰা খোৱা পানী অনাৰ পৰা আৰম্ভ কৰি হাবিৰ পৰা খৰি বুটলি অনালৈকে প্ৰায় সকলোবোৰ ঘৰুৱা কামতে মাকক সি সহায় কৰে। পিছে সেইদিনা যেতিয়া নৰীয়া পাটিত পৰি থকা স্বত্বেও এবাৰলৈও সি খৱৰ কৰিবলৈ নাহিল পাদম সঁচাকৈয়ে চিন্তাত পৰিল। পুতেকৰ এনে আচৰণৰ কাৰণ জানিবলৈ মানুহজনী উদগ্ৰীৱ হৈ পৰিল।

নিশা মিং কং ঘৰলৈ উভতি আহি জুহালৰ ওচৰতে পাৰি থোৱা কাপোৰখনত দীঘল দি শুই পৰিল। পাদমে পুতেকলৈ বুলি আপং এবাটি আনি ধোৱাচাঙত শুকুৱাবলৈ দি থোৱা মাছ এটুকুৰা চুঙাৰ পৰা উলিয়াই আনি জুহালৰ জ্বলি থকা আঙঠাখিনিলৈ দলিয়াই দিলে। দুবাৰমান ইলুটি সিলুটি কৰি সিজা যেন অনুমান হোৱাত জুহালৰ পৰা উলিয়াই আনি কলপাত এটুকুৰাত থৈ ল'লে। লাইপাত সিজাবলৈ দিয়া বাঁহৰ চুঙা এটি জুহালত উঠিয়েই আছিল। বাতি এটাত তাৰো এবাটি শাকপানী বাকি লৈ পাদম শুই থকা পুতেকৰ ওচৰতে বহি ল'লে।

হো, এইখিনি খাই ল।

মিং কং উঠি বহিল।

আপঙৰ বাতিটোত লাহেকৈ এচুমুক লগাই জুহালত জ্বলি থকা আঙঠাখিনিলৈ সি শূন্য দৃষ্টিৰে চাই থাকিল।

ঃ এই বুটী মাৰে সকলো দেখি আছোঁ। খোৱা-শোৱা বাদ দি কেনেকৈ শুকাই ক্ষীনাই পৰিছ। কিৰেনে কৈছে দুদিনমানৰ পৰা হেনো তই মচুপলৈকেও যোৱা নাই। ঝুমতলীখনো তেনেই আধৰুৱা হৈ আছে। ৰাইজখনৰ আটায়ে চলুঙলৈ সাজু হ'ল অথচ আমাৰখনত এতিয়ালৈকে বেৰখনো শেষ হোৱাগৈ নাই । তোৰ কি হৈছে বোপাই। পাৰ যদি কথাবোৰ মাৰৰ আগত খুলি ক' চোন। জ্বলি থকা জুহালখনলৈ সি একেথৰে চাইয়েই থাকিল। তাৰ বুকুৰ ভিতৰখনো এতিয়া সেই আঙঠাখিনিৰ দৰেই। বাহিৰৰ পৰা শান্ত যদিও সেই উত্তাপত যেন সি

জ্বলি দহি মৰিছে। পাদমে আকৌ সুধিলে...

ঃ বোপাই অ', তোৰ এই মাৰে এতিয়াও জীয়াই আছোঁ। এনেকৈ নিজে নিজে জহি-খহি নাজাবি অ' বোপাই। তোৰ মনত কি লৈ ফুৰিছ এই মাৰকে ক'। আই দঃঞি-পঃলৰ শপত মোৰ সাধ্যৰ ভিতৰত থাকিলে তোৰ মনৰ আশা পূৰণ নকৰাকৈ নাথাকো।

মাকৰ আশ্বাসে মিং কঙক কিছু পোহৰ দেখুৱালে। দীঘলীয়া উশাহ এটিৰ লগত এমুঠিমান সাহস গোটাই আনি সি মুখ খুলিলে।

ঃ আনে, গাঁওবুঢ়া তাবাকৰ ছোৱালী খালেঙলৈ মোৰ মন তাইক দেখাৰে পৰা ছোৱালীজনীলৈ মোৰ মৰম ওপজে। আজি খাইছে। যোৱাবেলি চলুঙৰ সময়ত এবছৰে মই নিজৰ মাজতে কথাবোৰ লৈ ফুৰি ভাগৰি পৰিছোঁ। বহুদিন কম বুলি চেষ্টা কৰিও মই তাইক ক'ব পৰা নাই। মোৰ মনে কয় তাইও হয়তো কথাটো বুজে। আৰু মোৰ গভীৰ বিশ্বাস খালেঙেও মোকেই মনে-প্ৰাণে বিচাৰে।

মিং কঙৰ মাক নিশ্চুপ হৈ ৰ'ল।...

অত'দিনে তাৰ মনৰ ভিতৰখন চেপি-খুন্দি ৰখা শিলডোখৰ লাহে লাহে যেন গলিবলৈ আৰম্ভ কৰিছে। অলপ ৰৈ মিং কঙে পুণৰ আৰম্ভ কৰে...

মোক সহায় কৰ অ' আনেই। গাঁওবুঢ়াৰ ঘৰত তয়েই কথাটো উলিয়াগৈ। বেছি একো দিব নোৱাৰিলেও এমোনা তাদাক (বিশেষ মনি এবিধ) আৰু পাঁচোটামান মিথুন আমিও যাচিব পাৰিম। সৰুকৈ হ'লেও মোৰ ডাকঘৰৰ চাকৰি এটা আছে, ভড়ালটোও পৰি মৰা নহয়। আমি তাইক সুখত ৰাখিব পাৰিম আনেই। খালেঙক নাপালে যে মই জীয়াই থাকিবই নোৱাৰিম। খালেং নোহোৱা জীৱন মোৰ বাবে অসাৰ।

আপং এবাটি শেষ কৰি কৰি সেইদিনা মিং কঙে মাকৰ আগত মনৰ সকলো ভাৱনা উজাৰি দিছিল। নিৰ্বিকাৰ হৈ পাদমে কথাবোৰ মাথোঁ শুনি গৈছিল। বহুদিনৰ মূৰত মাকৰ সন্মুখত মনৰ কথাবোৰ খুলি ক'বলৈ পাই মিং কঙৰ মনটো বহুখিনি পাতল লাগিল। অপ্ৰকাশিত দুখৰ বোজটো ইমানদিনে অকলশৰে কঢ়িয়াই সি যেন ভাগৰি পৰিছিল।

পাদমে তালৈ একেথৰে চাই থাকিল। শিলহেন ল'ৰাটোৰ ইমান দুৰ্বল, ইমান কাতৰ ৰূপ তেওঁ আগে-পিছে দেখা নাই। বুজে, মিং কঙৰ মাকে তাৰ সকলো দুখ বুজে, কিন্তু কিছুমান কথাৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত মানুহে ইচ্ছা কৰিলেও সলনি কৰিব নোৱাৰে। যেনেকৈ নোৱাৰে খালেঙক নিজৰ কৰি পোৱাৰ পুতেকৰ এই অবাস্তৱ আশাটো পূৰণ কৰিবলৈ। পাদমে ভালদৰে জানে এই কথা অসম্ভৱ। গাঁওবুঢ়াৰ ঘৰলৈ খালেঙক খুজিব যোৱা প্ৰস্তাৱটো কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। নিয়তিয়ে যে হ'বলগীয়া ঘটনাবোৰ তেনেদৰেই ঠিক কৰি থৈছে। সময়ৰ আগত আমি মানুহবোৰ তেনেই অসহায়।

সেইদিনা ওৰে নিশা পাদম জুহালখনৰ ওচৰতে বহি থাকিল। জুহালত আঙঠাবোৰ তেতিয়াও তিব্‌বিৰাই আছিল। পাদমৰ দৰেই সিহঁতৰো যেন বুকুৱে বুকুৱে জুই।

পাদমে মিং কঙক কথা দিছে। আই দঃঞি-পঃল'ৰ নাম লৈ শপত খাইছে, সাধ্যানুসাৰে তেওঁ তাক সহায় কৰিব। মানুহজনীয়ে সেইদিনা ওৰে ৰাতি কথাবোৰ ভাবিলে, অসম্ভৱৰ ডাঠ আৱৰণখন খুচুৰি আছে নেকি কেনেবাকে এটি আশাৰ সূৰন্ধ্ৰ। বাপমৰীয়া মিং কঙক, হিয়াৰ আমঠু আউলগলা কথাবোৰৰ মাজৰ মুচুৰি চালে, একমাত্ৰ পুতেকক তেওঁ এনেদৰে অসহায় অৱস্থাত এৰি দিব নোৱাৰে।

চলুঙৰ এই শুভ পৰা সমিধানৰ ওৰটো বিচাৰি অৱশেষত পাদম এক সিদ্ধান্তত উপনীত হ'ল। সময়তেই কথাবোৰ মীমাংসা কৰি পেলাব পাৰিলে ভাল। কিনে নানে সৌভাগ্যৰ দেৰী। পাদমৰ দৃঢ় বিশ্বাস, আইৰ আশীৰ্বাদে মিং কঙৰ জীৱনলৈ আশাৰ বতৰা কঢ়িয়াই আনিব। গাঁওবুঢ়াৰ ঘৰলৈ ঢাপলি মেলিলে। লগত প্ৰতিবিন্দু ৰ'দকাঁচিয়লি নতুন আশা।

ৰাতিপুৱাৰ নিৰ্মল ৰ'দজাক উঠি অহাৰ লগে লগে পাদম মিং কং। এৰা প্ৰতিটো নৱজাত প্ৰভাতেই নতুনৰ আৱম্ভণ, পাদম আৰু মিং কং আহি গাঁওবুঢ়া তাবাকৰ আগত কথাখিনি পিছতেই ঘৰখনৰ ওপৰেৰে সৰু-সুৰা ধুমুহা এটি পাৰ হৈ গ'ল। আনন্দখিনিৰ ঠাই এটি চেপা উত্তেজনাই আহি দখল কৰি ল'লে।

খোলোচাকৈ কোৱাৰ কিছুপৰ মুহূৰ্তৰ ভিতৰতেই যেন চলুং উৎসৱৰ মিং কং আৰু পাদম আলহী বহা টুংগুতে বহি আছে। কাষতে উত্তেজিত হৈ বহি আছে গাঁওবুঢ়া তাবাক। খালেঙৰ মাক জুহালৰ ওচৰত কিবা কিবি কৰি

আছে যদিও মানুহজনী যেন যথেষ্ট অন্যমনষ্ক। বেৰখনৰ সিটো পাৰৰ পৰিৱেশটোৰ উমান ল'বলৈ সকলো প্ৰকাৰৰ চেষ্টা কৰিও তেওঁ বিফল হৈছে। আৰু খালেং ? খালেঙৰ মুখত যেন শত যুগৰ বিষাদ, এক আকাশ কলীয়া মেঘে ৰঙা সুৰুযটো ঢাকি ৰখাৰ দৰেই থালেঙৰো মুখৰ ৰঙ। হৰহৰাই বাগৰি আহিব খোজা চিয়াঙৰ ধল যেন চকুপানীবোৰ তাই যেন বৰ কষ্টেৰে সামৰি ৰাখিছে। তাই অসহায়, মনৰ মাজত জীয়ন দি ৰখা প্ৰেম আৰু সমাজৰ আওপুৰণি ৰীতিৰ নাগপাশেৰে বান্ধ খাই এই মুহূৰ্তত তাই উশাহহীন হৈ পৰিছে। খালেং নিৰ্লিপ্ত, উদাস।

ঃ মামো, সকলো কথা জানি বুজিও আপুনি কেনেকৈ মিং কঙৰ বাবে খালেঙক খুজিব পাৰে ? ই আমাৰ নিয়ম বিৰুদ্ধ। আমাৰ সমাজে কেতিয়াও এই কথা মানি নলয়। আপুনি জানো সেই কথা নাজানে ?

পাদমৰ আগত উচ্চস্বৰত কথাখিনি কৈ তাবাক ফোপাবলৈ ধৰে। উত্তেজিত মানুহজনৰ সমগ্ৰ মুখমণ্ডল গামত তিতি গৈছে। এনে এটি প্ৰস্তাৱ তাবাকৰ বাবে তেনেই অপ্ৰত্যাশিত আছিল।

ঃ মই সকলো জানো তাবাক, খালেং মাকৰ কোলাত থাকোঁতেই তাইক খোজা বঢ়া হৈ গৈছে। কৰাং গাঁৱৰ গামৰ ল'ৰা তাপিৰৰ সৈতে যে খালেঙৰ বিয়া ঠিক কৰা আছে এই কথা মোৰ মনত আছে। কিন্তু মিং কঙে এই বিষয়ে একো নাজানে। আৰু হয়তো খালেঙেও নাজানে। সিহঁত দুয়ো মচুপলৈ যোৱা নতুন ডেকা-গাভৰু। মিৰেমৰ ৰঙীয়াল পৰিৱেশত ডাঙৰ-দীঘল হোৱা একেখন গাঁৱৰে সমনীয়া। সময়ৰ লগে লগে দুয়োৰো দুয়োলৈ মন খোৱাতো একো আচৰিত কথা নহয়।

মিং মঙৰ মাকে যথেষ্ট শান্তভাৱে খালেঙৰ বাপেকক কথাখিনি বুজাবলৈ চেষ্টা কৰিলে। পিছে সকলো বুজিও তাবাক অসহায়।

ঃ কি কথা কয় মামো ? ১০ টা মিথুন, এপাচি তাদাক, বিশ হালি গাহৰি আৰু এশ আৰান দি কৰাঙৰ গাঁওবুঢ়া মিৰেপে নিজৰ বৰপুতেকলৈ বুলি খালেঙক খুজি থৈছে। তেতিয়া খালেং তেনেই সৰু। আৰু সেই সময়ত আমাৰ এনেকুৱা অৱস্থাও নাছিল যে মই তেনে এটা প্ৰস্তাৱ নাকচ কৰি তেওঁক ঘূৰাই পঠিয়াব পাৰো। এতিয়া বিয়ালৈ আৰু দিননো আছে কেইটা ? আৰু এবছৰমান পিছতেই বিয়াখন হৈ যোৱাৰ পিছত তাপিৰ এইখন ঘৰলৈ জোঁৱাই খাটিবলৈ আহিব। এতিয়া যদি মই ছোৱালী নিদিও বুলি ক'বলৈ যাও গোটেইখন সমাজ জাঙুৰ খাই নুঠিবনে ? আমাক জুইয়ে-পানি বহিস্কাৰ কৰাৰ লগতে আমি সমাজখনৰ গধু�ৰ দন্দৰ সন্মুখীন নহ'মনে বাৰু ? অনুগ্ৰহ কৰি এনে কথা আকৌ এবাৰ নুলিয়াব মামো। এই বিয়া অসম্ভৱ।

গাঁওবুঢ়া তাবাক নিজৰ মতত অটল হৈ থাকিল। হয়, তেওঁলোকে তেওঁলোকৰ জীৱন কালত আগে-পিছে এনে দুই-এটা ঘটনা নেদেখা নহয় য'ত কেচুৱা কালতে ঠিক কৰি থোৱা বিয়া ভাঙিছে, দৰা সলনি হৈছে, কইনা সলনি হৈছে, উপঢৌকন ঘূৰাই দিয়া হৈছে, কিন্তু তাৰ পিছত কইনাঘৰে যিবোৰ শাস্তি ভোগ কৰিবলগীয়া হয় সেয়া সপোনৰো অগোচৰ। নোৱাৰে যিকোনো পৰিস্থিতিতে তেওঁ খালেঙৰ পূৰ্বনিৰ্ধাৰিত বিয়াখন ভাঙি দিবলৈ যাব নোৱাৰে।

গাঁওবুঢ়াৰ অটল সিদ্ধান্ত দেখি এইবাৰ মিং কঙে নিজে মুখ খুলিলে...

ঃ য়ায়ি, এতিয়া আগৰ দিন নাই। চাৰিওফালৰ সমাজ সলনি হ'ব ধৰিছে। পাহাৰটোৰ পৰা নামি গ'লেই দেখিব আমাৰ সমাজখনৰো কিমান পৰিৱৰ্তন হৈছে। খালেঙক খোজাৰ সময়ত তাই কেচুৱা আছিল, অবোধ আছিল। এইখন বিয়াত না খালেঙৰ সন্মতি সোধা হৈছে, না তাইৰ ইচ্ছাক গুৰুত্ব দিয়া হৈছে। আনকি বিয়া ঠিক হোৱাৰ ভালেমান বছৰ পিছলৈকে খালেঙেও জনা নাছিল এই কথা। য়ায়ি, অনুগ্ৰহ কৰি খালেঙক এবাৰ সোধক তাই মোক কিমান ভাল পায় । গাঁওবুঢ়া মিৰেপৰ সমান মোৰ পোহনীয়া ধন নাই যদিও খালেঙক মই সুখত ৰাখিম। তাইক মই বহুত মৰম কৰো য়ায়ো। মোক নিৰাশ নকৰিব য়ায়ো।

মুখ ফুটাই প্ৰকাশ নকৰিলেও গাঁওবুঢ়া তাবাকেও মনে-প্ৰাণে মিং কঙক ভাল পায়। নিজৰ গাঁৱৰে আপোন ল'ৰা সি। পাহুৰাল কৰ্মঠ ডেকা। মিং কঙৰ সমান সাহসী ওচৰে-পাজৰে গাঁওবোৰত বিচাৰি পাবলৈকে নাই। তদুপৰি চহৰলৈ গৈ থকা মিং কঙৰ আজিকালিৰ আধুনিক নিয়মকানুনৰ ওপৰতো ভাল জ্ঞান আছে। অন্ততঃ মিৰেমৰ সৰু জনবসতিখিনিৰ সকলোৱে তেনেকৈয়ে ভাবে। সৰুকৈ হ'লেও তাৰ চাকৰি এটা আছে, দুই তিনিহালি মিথোন আছে, ঝুমতলিখনো বেচ ডাঙৰ। তাবাক বুঢ়াই ভালদৰে জানে মিৰেপ গাঁওবুঢ়াৰ পুতেক

তাপিৰ মিং কঙৰ সমান যোগ্য কেতিয়াও হ'ব নোৱাৰে। মিং কঙৰ সৈতে খালেং বহুত সুখত থাকিব পাৰিব। পিছে হ'লেও সমাজখন ?... সমাজৰ বান্ধোন বুলিতো কথা এযাৰ আছে।

তেওঁলোকৰ আদি সমাজখনে এই কথা কেতিয়াও মানি নলয়। আৰু তেওঁ গাঁওবুঢ়াটো হৈয়েই যদি সমাজবিৰুদ্ধ কাম কৰে তেন্তে বহুপ্ৰজন্ম পিছলৈকে মানুহে তেওঁৰ বংশক থু-থু নকৰিবনে ?

আলহী বহা ঠাইডোখৰৰ পৰা ভাঁহি অহা টুকুৰা টুকুৰ উচ্য-বাচ্য শব্দবোৰ পাতল ইকৰা বেৰখনৰ মাজেৰে পাৰ হৈ গৈ জুহালৰ ওচৰত টুপুকা মাৰি বহি থকা খালেঙৰ মাকৰ কানত উজুটি খাই আৰু অলপ আগুৱাই গৈ ভিতৰ কোঠাত নিৰ্জীৱ শিলামূৰ্তী হৈ বহি থকা খালেঙৰ কানত ঠেকা খাই ৰৈ গ'ল। তাই শুনিছে শাকপানী সিজোৱা চলেৰে খালেঙৰ মাকে মনে মনে উচুপিচে। বিয়াখন ভাঙিব লাগিলে যিখন বিলাই হ'ব সেই কথা ভাবি তেওঁৰ হাত-ভৰি কঁপিবলৈ ধৰিছে। আৰু খালেং ? সমাজে তাইক মিং কঙলৈ যাবলৈ নিদিলেই যেনিবা তাইৰ মনত যে মিং কঙৰ মৰমে নিগাজীকৈ বাহ পাতি লৈছে সেয়া জানো তাই আঁতৰাব পাৰিব ? মিং কঙৰ উদং বাউসীৰ নিৰাপদ আশ্বাসৰ কল্পনাই ? তাৰ মৰমসনা অথচ সলাজ চাৱনিয়ে, তাৰ গাৰ পৰা ভাঁহি অহা বনৰীয়া সুগন্ধিয়ে তাইক যে উন্মাদ কৰে। মুখ ফুটাই ক'বলৈ সাহস নকৰিলেও খালেঙে বুজি উঠিছে মিং কং অৱিহনে তাই জীয়াই থাকিব নোৱাৰে।

কথাবোৰ সেইদিনা সিমানতে অমীমাংসিত হৈ ৰ'ল। গাঁওবুঢ়া তাবাক সমাজৰ নীতি-নিয়ম সাৱটি আকোঁৱগোজ হৈ থাকিল, আনহাতে পৰিৱৰ্তনৰ পোহৰ দেখা মিং কঙো নিজৰ যুক্তিত অটল হৈ ৰ'ল। আৰু মিং কঙৰ মাক পাদমে নিজৰ পুতেকক সমৰ্থন কৰি তাৰ যুক্তিত সঁহাৰি দি থাকিল। এৰা, আৰম্ভ হ'বলৈ ধৰা ঘটনাবোৰ ইমান সাধাৰণতো নহয়, ল'বলগীয়া সিদ্ধান্তসমূহো উজু নহয়।

ইতিমধ্যে 'চলুঙ'ৰ প্ৰথম পৰ্যায় সমাপ্ত হ'লেই। খালেঙৰ বিয়াখনক লৈ মিং কং আৰু গাঁওবুঢ়াৰ ঘৰ দুখন একধৰণৰ উত্তেজনাৰ মাজেৰে চলি থাকিব লগা হ'ল যদিও বাকী গাঁৱৰ ৰাইজসকলে সেই কথাবোৰৰ ভু পোৱা নাই এথোন। তেওঁলোক সকলোৱে মন ভৰি আনন্দ কৰিছে। মাছ, গাহৰি আৰু কুকুৰাৰ মঙহ ভৰাই থোৱা বাঁহৰ চুঙাবোৰ আনি উৎসৱথলীত জমা কৰিছে, চাউল আৰু বাঁহগাজ সিজাই আমিন তৈয়াৰ কৰিছে। আপং অৱিহনে এই উৎসৱ আধৰুৱা। বৰষুণৰ ভগৱান 'ড'য়ঙ-ব'তে' (Doying –Bote)ক সন্তুষ্ট কৰিবলৈ মিথুনৰ জাকটোৰ পৰা বাচি বাচি নোদোকা মিথুনটো পূজাথলীতে বান্ধি ৰাখিছে। মিথুন বলিৰ উছৰ্গাৰে ভগৱান সন্তুষ্ট হ'ব, মেঘেৰে আকাশ ওন্দোলাই আনি গাঁওখনলৈ নিজৰ আশীৰ্বাদৰ ঢল বোৱাই আনিব, তাৰ পিছত দেৱী 'কিনে নানে'ৰ আশীৰ্বাদত হেপাহৰ ঝুমতলীবোৰত সোণগুটি শইচে চকু মেলিব।

ডেকাবোৰে নতুন গালুপ আৰু গাভৰুবোৰে নিজ হাতে বোৱা ৰং-বিৰঙী গালেবোৰ পিন্ধি আহি উৎসৱথলীত ভিৰ কৰিছেহি। সকলোৰে মনবোৰত আনন্দ, মুখত উলাহৰ আৱেশ। কেৱে কেৱে চিকাৰৰ বাবে হাবিলৈ গৈছে। চিকাৰত পোৱা বনৰীয়া নোদোকা শহা, কেৰ্কেটুৱা একোটা নতুবা বন কুকুৰাবোৰ এঠাইত সমূহীয়াকৈ গোটাই থৈছে। ডেকা- গাভৰুবোৰে মচুপত লগ হৈ বেলেগে বলেগে উৎসৱৰ আলোচনা কৰিছে, 'পং'ৰ (এবিধ নাচ) সময়ত কোনে কাৰ সৈতে নাচিব, সেই চেগতে কোনে কাৰ আগত মৰমৰ কথা কব, আসঃ কিমান যে হেঁপাহ।

মিং কং আৰু খালেং দুয়ো আহি মচুপত যোগদান কৰিছে যদিও আনবোৰৰ লেখিয়াকৈ সিহঁতে মুকলিমুৰীয়াকৈ কোনো কামতে মন বহুৱাব পৰা নাই। ভিৰৰ মাজত থাকিও সিহঁত যেন বহু অকলশৰীয়া। আনকি 'পঙ'ত যোগদান কৰিবলৈও খালেঙে মন কৰা নাছিল। অৱশেষত সখীয়েকহঁতৰ খেচখেচনি এৰাব নোৱাৰিহে তাই সাজি-কাছি পূজাথলীলৈ আহিছে। বগা বৰণৰ গালেখন আৰু ৰং-বিৰঙী।

তাদাকৰ মালাধাৰীৰ সৈতে তাই গোটেই গাভৰুজাকৰ ভিতৰত আটাইতকৈ ধুনীয়াজনী হৈ পৰিছে। পপিৰ, পং আদি সকলোধৰণৰ নাচত খালেঙৰ নাম আছে। ওচৰ-পাজৰৰ প্ৰায় আটাইবোৰ গাঁৱতে খালেঙৰ লগত ফেৰ মাৰিব পৰাকৈ দ্বিতীয় এজনী নাচনী নোলাব। গানৰ তালে তালে খামুচীয়া ককালটো ভাঙি আপোনপাহৰা হৈ নাচি থকা খালেঙক সেই সময়ত সঁচাকৈয়ে বনৰীয়া হৰিণাজনীৰ দৰেই লাগে।

পূজাথলীত ইতিমধ্যেই পনুং আৰম্ভ হৈছে। গাভৰুবোৰ আপোন পাহৰা হৈ নাচিচে। খোজতে খোজ মিলাই ডেকাবোৰেও গীত জুৰিছে। এটাই আনটোৰ মনৰ মানুহৰ সৈতে চকুৱে চকুৱে মনৰ কথা পাতিছে। মিং কং সেই ডেকাজাকৰ মাজত নাই। বাকী ডেকাজাকৰ সৈতে চিকাৰলৈও যোৱা নাই। অলপ আঁতৰত, মানুহৰ ভিৰৰ পৰা নিলগত প্ৰকাণ্ড জৰী গছজোপাৰ তলতে সি বহি আছে। তাৰ দুচকু দূৰণিৰ গাভৰুজাকৰ মাজত সোমাই নাচি থকা খালেঙৰ ওপৰত।

মনত বহুত খেলিমেলি চিন্তা। মিং-কঙে ভাবি থৈছে খালেঙক অকণমান সময়ৰ বাবে অকলশৰীয়াকৈ পালেই আজি সি সুধিব তাইৰ মনৰ কথা। তায়ো বাৰু তাক প্ৰাণ ভৰি ভাল পায়নে?... খালেঙৰ সন্মতিৰ ওপৰত ভিত্তি কৰিয়েই হ'ব পৰিকল্পনা।

তাৰ ভৱিষ্যৎ

নাচ-গান, খোৱা-বোৱা কতোৱেই মন বহা নাই খালেঙৰো। যন্ত্ৰবৎ কৰিব লাগে বাবেই যেন কৰি গৈছে তাই সকলো। আচলতে ভিৰৰ মাজত তাক নেদেখা কথাটোত খালেং অলপ বেছিকৈয়ে উদ্বিগ্ন হৈ উঠিছে। মিং কঙৰ চকুত দেখা সেই মৰমৰ আহ্বান, আকুলতা তাই পাহৰিব পৰা নাই। থালেঙেও ভাবিছে এবাৰ মাথোঁ তাক লগ পোৱা হ'লে, অকলশৰে। এবাৰ যদি সি সুধিলেহেতেন তাইৰ মনে কি কয়। খালেঙে মনে মনে সিদ্ধান্ত ল'লে মিং কঙক আজি তাই তাইৰ মনৰ কথা ক'ব। সি অবিহনে তাই যে জীয়াই থাকিব নোৱাৰে। মিং কঙৰ কথাবোৰ মনলৈ অহাৰ সময়ত খালেঙৰ মনত যেন নতুন সাহস এটিয়ে বাহ বন্ধা আৰম্ভ কৰে। বাপেক তাবাক, তাইৰ হ'বলগীয়া স্বামী তাপিৰ আৰু সমাজ এই সকলোৰে বিৰুদ্ধে থিয় দি তাইও তাইৰ মনৰ কথা ক'ব, নিজৰ কথা ক'ব। তাইৰো এটি মন আছে, তাইৰো ভালপোৱা-বেয়া পোৱাৰ কথা আছে, নিজৰ অজ্ঞাতে হোৱা কথা-বতৰাবোৰ তাই কেতিয়াও মানি ল'ব নোৱাৰে। তাইৰ মনৰ মানুহ একমাত্ৰ মিং কং। সি অবিহনে তাই কাৰো আপোন হ'ব নোৱাৰে।

খালেঙৰ গভীৰ বিশ্বাস, বিপদহাৰিনী দেৱী 'কিনে নানেই' সিহঁতৰ জীৱনত আহি দেখা দিয়া অশুভ শক্তিবোৰ নাইকীয়া কৰি সকলো ঠিক কৰি দিব।

এটা সময়ত পঙৰ অন্ত পৰিল। ইয়াৰ পিছতেই সকলোৱে আপং আৰু মাংসৰ উপহাৰসমূহ ভগাই লোৱাৰ সময়। নাচ-গান শেষ হোৱাৰ পিছত ৰাইজৰ মাজত ভোজৰ আয়োজন আৰম্ভ হৈছে। বাঁহৰ চুঙাত আপং ঢালি থকা হৈছে। আটায়ে কলপাতেৰে টোপোলা কৰা আমিন, গাহৰিৰ মাংস, মাছ, লাইশাক ইত্যাদি নানা ৰকমৰ খাদ্যৰ জুতি লৈছে। মিৰেমবাসী আনন্দত আপোনপাহৰা।

মিং কঙৰ এই ভিৰবোৰ ভাল লগা নাই। কোলাহলবোৰ যেতিয়া তাৰ বাবে অসহনীয় হৈ পৰিল পূজাথলী এৰি থৈ সি পাহাৰীয়া জুৰিটিৰ পাৰ পালেগৈ। পানীৰ একেবাৰে কাষৰ শিল এছটা বাছি লৈ সি তাত আউজি বহি ল'লে। আসঃ, কি অনাবিল প্ৰশান্তি। জুৰিৰ পানীৰ কল কল ধ্বনিৰ সৈতে, বনৰীয়া চৰাইৰ কিচিৰ-মিচিৰ শব্দবোৰ একো একোটা সুৰ হৈ যেন তাৰ কানত ওলমি থাকিল, তেনেদৰেই বহুপৰ অশান্ত মন।

বনৰ মাজত যেন এক সুমধুৰ সন্ধ্যাৰাগ। পাহাৰ আৰু নিজৰাৰ একাত্মতাই মিং কং বহু পৰিমানে শান্ত কৰি তুলিলে। ভাগৰত নে তৃপ্তিত, এটা সময়ত তাৰ চকুহাল মুদ খাই আহিল।

মিং-কং, মিং কং চিনাকি এটি সুৰীয়া মাতত মিং কং থপ-জপকৈ সাৰ পালে। পিছ পিনে সেয়া খালং।

ঃ ঘৰলৈ নাযাৰ? পূজাতো নাই, একো নাথালিও। ব'ল যাওগৈ।

খালেঙক দেখি মিং কঙৰ বুকুৱে ধান বনাদি বানিবলৈ ধৰিলে। আসঃ তাৰমানে আই দঃঞি-পঃলই তাৰ প্ৰাৰ্থনা শুনিলে। এয়া খালেঙক আনি তাৰ ওচৰত পোৱালেহি, সেয়াও অকলশৰে। অস্ফুট কঁপা কঁপা শব্দৰে খুব কষ্টেৰে সি খালেঙক সুধিলে...

ঃ এই সন্ধিয়াখন তই ইয়ালৈ আহিব নালাগিছিল। আমাক ইয়াত একেলগে দেখিলে তোৰ আবুই বেয়া পাব। যাগৈ যা।

মিং কঙৰ কথা আওকান কৰি খালেং সি বহি থকা শিলছটাৰ ওচৰৰে শিল এটাত বহি ল'লে। খালেঙৰ গাৰ পৰা নতুন সাজৰ মিহি মিহি ভাল লগা গোন্ধ এটা আহি আছে। আজি এবছৰ আগৰ চলুঙৰ সেই সন্ধিয়াটো যেন আকৌ এবাৰ ঘূৰি আহিল। সেই সময়খিনিওতো আছিল আজিৰ সৈতে সম্পূৰ্ণ একে। মিং কং আৰু খালেঙৰ সেই নিবিড় মুহূৰ্তৰ সাক্ষী আছিল দুয়োৰো উশাহৰ বতাহ

আৰু বুকুৰ মাজৰ এবুকু অব্যক্ত হাহাকাৰ। দুয়ো দুয়োৰে চকুত চকু থৈ যি ভাষাৰ আদান-প্ৰদান কৰিছিল সেয়া আছিল মাথোঁ অপ্ৰকাশিত আৱেগ। সিদিনা সি বহু কিবা কিবি ক'ব খুজিও ক'ব পৰা নাছিল আৰু আজি পৰ্যন্ত সি মাথোঁ অকলেই বহন কৰিছে সেই অপ্ৰকাশিত আৱেগৰ হাহাকাৰ।

পিছে আজি মিং কং নৰয়। খালেঙৰ চকুত চকু থৈ আজি সি তাৰ মনৰ কথা ক'ব। তাইৰ কথাও শুনিব।

এপাকত সি খালেং বহি থকা শিলছটাৰ ওচৰলৈ গৈ তাইৰ গাৰ কাষ চাপি বহিল। জুৰিটিৰ পিনে চাই থকা খালেং উচপ খাই নুঠিল। হয়তো অ'তপৰে তাইও ইয়াকেই বিচাৰি আছিল। এটি আৰম্ভণীৰ প্ৰয়োজন আছিল মাথোঁ। মিং কঙৰ গাৰ বনৰীয়া গোন্ধে ইতিমধ্যেই তাইক মাতাল কৰা আৰম্ভ কৰিছিল।

ঃ তই একোৱেই নকৰনে খালেং ? তাপিৰৰ সৈতে বিয়া হ'লে তই সুখী হ'ব পাৰিবিনে ? মই অবিহনে থাকিব পাৰিবিনে তই খালেং ?

ঃ আইদঃঞিং-পঃলৰ শপত এই পাহাৰৰ জুৰিটিৰ সৈতে উটি গৈ ভৈয়াম পামগৈ। তই মোক নিজৰ কৰি ল মিং-কং, মোক পলুৱাই নে।

একে উশাহে কথাখিনি কৈ খালেঙে মিং কঙৰ বুকুত মুখ গুজি হুকহুকাই কান্দি উঠিল।

মিং-কঙৰ নিৰ্ভয় বুকু খালেঙৰ বাবে সাহসৰ কাৱেং। সি তাইক জোৱেৰে সাৱটি ধৰিলে। দুটি পৱিত্ৰ মনৰ সৰল স্বীকাৰোক্তিৰ সাক্ষী হৈ ৰ'ল পাহাৰীয়া জুৰিটি, ঘৰমুখী বনৰীয়া বিহংগ আৰু ওপৰৰ বিশাল আকাশ। আৰু তাৰ পিছত ?... এছাটি শীতল বতাহে সময় সোঁৱৰাই দি গ'লহি।

দহ দিনযোৱা চলুঙৰ শেষ দিনটোলৈ এতিয়াও দুদিন বাকী। আজি পিছে অইন এটি কাৰণতহে গাঁওবুঢ়া তাবাকৰ ঘৰখনত ৰাতিটো পুৱাৰে পৰা উখল মাখল পৰিৱেশ। মিৰেমত আজি 'কেবাং'। মিং কং আৰু তাবাক দুয়ো মিলি কেবাঙৰ আমন্ত্ৰণ কৰিছে। খালেং আৰু মিং কঙৰ প্ৰেম, খালেঙৰ ভাগিবলৈ ধৰা বিয়া, এই আউল লগা সম্পৰ্কবোৰৰ সমাধানৰ বাবে এতিয়া যে এখন কেবাঙৰ হস্তক্ষেপ অপৰিহাৰ্য। গাঁওবুঢ়া তাবাকৰ ঘৰতে কেবাং বহিব। গাঁওখনৰ বয়োজ্যেষ্ঠসকল এজন এজনকৈ আহি ইতিমধ্যে তাবাকৰ ঘৰত গোট খাইছেহি। মচুপৰ পৰাও দুই-এজন ডেকাক মাতি অনা হৈছে। সেয়া মিং কঙৰে ইচ্ছা। নতুন প্ৰজন্মৰ ধ্যান-ধাৰণাক সন্মান নিদিয়াকৈ সুস্থ সমাজ এখন চলি থকাটো অসম্ভৱ। তাতে ডেকা মচুপবোৰ নতুনত্বৰ প্ৰতীক, গাঁও এখনৰ চালিকা শক্তি, প্ৰাণ।

কৰাঙৰ গাঁওবুঢ়া মিৰেপ আৰু পুতেক তাপিৰলৈও কেবাঙৰ নিমন্ত্ৰণ গৈছে। ঘটনাসমূহত তেওঁলোকৰ নামো সাঙুৰ খাই আছে গতিকে বাহিৰা গাঁৱৰ হ'লেও গাঁওবুঢ়া মিৰেপৰ সিদ্ধান্তকো সমানেই গুৰুত্ব দি বিচাৰ কৰা হ'ব। সেয়েহে উপস্থিতিও সমানেই গুৰুত্বপূৰ্ণ।

যিহেতু এই গোটেই কেবাঙৰ নিয়ম অনুযায়ী। এই কেবাঙত তেওঁলোকৰ চাঙঘৰৰ বহল বাৰান্দাখিনিত আমন্ত্ৰিত মানুহখিনিক বহিবলৈ দিয়া হৈছে। গাঁৱৰে ছোৱালী কেইজনীমানৰ সৈতে লগ লাগি খালেঙৰ মাকে আলহীক পীড়া পাৰি দিছে, আপং আৰু খোৱাবস্তুৰ যোগান ধৰিছে। খালেং পিছে আজি ভিতৰতেই সোমাই আছে। মানুহজাকৰ মাজলৈ ওলাই অহা নাই।

মেলখন প্ৰথমে গাঁওবুঢ়া তাবাকেই আৰম্ভ কৰিলে..

মেথোন,

ঃ মোৰ ছোৱালী খালেঙে কৰাং গাঁৱৰ গাঁওবুঢ়া মাননীয় মিৰেপৰ ল'ৰা তাপিৰৰ লগত আজি ১৪ বছৰ আগয়ে ঠিক হৈ থকা বিয়াখন ভাঙিবলৈ ওলাইছে। মাননীয় মিৰেপে ছোৱালী খোজাৰ সময়ত তাদাক, গাহৰি আৰু আৰান আগবঢ়াইছিল আৰু মই ছোৱালীৰ বাপেক হিচাপে সেই উপহাৰ গ্ৰহণ কৰি মোৰ জীয়ৰী খালেঙৰ সৈতে তাপিৰৰ বিয়া ঠিক কৰিছিলোঁ। সেই সময়ত খালেং মাথোঁ এবছৰীয়া কেচুৱা আছিল। খালেঙৰ ১৮ বছৰ হৈ যোৱাৰ পিছত পূৰ্বৰ চুক্তি অনুসৰি তাপিৰৰ সৈতে ধুম-ধামেৰে সমজুৱাকৈ বিয়া পাতি দিয়াৰ কথা আছিল। সেই হিচাপে আৰু এবছৰ মানৰ ভিতৰত তাপিৰ এইখন গাঁৱলৈকে জোঁৱাই খাটিবলৈ আহিব লাগে। কিন্তু আজি মোৰ ছোৱালী খালেঙে নিজে এই বিয়াখন ভাঙিবলৈ ওলাইছে। এইখন বিয়াত হেনো তাইৰ মত নাই। আমাৰ গাঁৱৰে ডেকা মিং কঙলৈহে তাইৰ মন খাইছে। মিং কঙক নাপালে তাই চিয়াঙতে নিজৰ দেহা সপি দিব বুলি শপতো খাইছে।

ৰাইজে নীৰৱ হৈ তাবাকৰ কথাবোৰ শুনি গৈছে।... এনেহেন জটিল বিষয়ৰ ওপৰত সাধাৰণতেই কাচিৎহে

কেবাং বহিবলগীয়া হয়। সেয়াও গাঁওখনত উৎসৱ চলি থকা দিনত কেবাঙৰ এনে নজিৰ প্ৰায় নাই বুলিবই পাৰি। বেছিভাগ ছোৱালীয়ে আবু আনেই পছন্দ কৰি দিয়া ল'ৰাটোৰ সৈতে বিয়া হৈ যায়গৈ নতুবা যিবোৰ ডেকা-গাভৰুৰ নিজৰ মাজতে মন খাই সিহঁতবোৰে পলাই গৈ ঘৰ পাতেগৈ। তেনেকুৱা স্থলত সমাজখনৰ আপত্তি কৰিবলগীয়া একো নাথাকে। কিন্তু খালেং আৰু মিং কঙৰ বিষয়টো সিমান উজু নহয়। কেচুৱা অৱস্থাতে ছোৱালী খুজি বিয়া ঠিক কৰাটো এইখন সমাজৰ নিয়ম। যুগ যুগ ধৰি সমাজখনে এই নিয়মক সন্মান কৰি আহিছে। ইয়াত সাধাৰণতেই কোনো ল'ৰাই বা ছোৱালীয়ে আপত্তি নকৰে। ৰাইজৰ আগত নতশিৰ হৈয়েই গাঁওবুঢ়া তাবাকে আধৰুৱা কথাবোৰ পুনৰ আগবঢ়াই নিলে...

ৰাইজ মোৰ ছোৱালীয়ে মহাপাপ কৰিবলৈ ওলাইছে। পূৰ্বপুৰুষৰ সৃষ্ট নিয়ম উপেক্ষা কৰি সমাজৰ ৰোষত পৰিবলৈ ওলাইছে। বাপেক হিচাপে তাইৰ লগতে ময়ো সমানেই দোষী। গতিকে ৰাইজ আপোনালোকে মোক এটি সমাধান দিয়ক। এফালে সমাজৰ নিয়ম আনফালে মোৰ ঘৰতেই মোৰেই দুষিত তেজ, পৰিস্থিতিয়ে মোক বান্ধি পেলাইছে। মোক সহায় কৰক ৰাইজ।

নীৰৱ হৈ শুনি থকা কেবাঙখনৰ ওচৰত তাবাকে মূৰ দো খোৱাই ৰৈ থাকিল। তেনতে কেবাঙৰ বয়োজ্যেষ্ঠ মানুহ এজনে মাত লগালে...

ঃ এতিয়া এই বিষয়ত কৰাঙৰ গাঁওবুঢ়া মিৰেপে নিজৰ মত ৰাইজৰ আগত ক'ব লাগে।

মানুহজনৰ নির্দেশত গাঁওবুঢ়া মিৰেপ ঠিয় হ'ল।

এপাক চাই তেওঁ নিজৰ বক্তব্য আৰম্ভ কৰিলে...

অলপ আঁতৰত বহি থকা মিং কঙলৈ খঙাল দৃষ্টিৰে

ঃ মোৰ ক'বলগীয়া বিশেষ নাই। গাঁওবুঢ়া তাবাকে ইতিমধ্যে সকলো কথা আপোনালোকক জানিবলৈ দিলেই। আজি ১৪ বছৰ পূৰ্বেই ঠিক কৰি থোৱা বিয়াখন এনেদৰে হঠাৎ ভাঙি দিয়া কথাটো কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে। মোৰ গাঁৱৰ মানুহখিনিৰ ওচৰত মোৰ এটা সন্মান আছে, মোৰ ল'ৰাৰ সন্মান আছে। ছোৱালীজনীয়ে এনেদৰে বিয়াখন ভাঙো বুলিয়েই ভাঙি দিব পাৰিবনে? আচলতে ৰাইজ মই যিমানদূৰ বুজিছো কথাবোৰ খালেঙৰ নহয়, তাই আজলি ছোৱালী। মিং কং আৰু বাপেক তাবাকেহে তাইক উছটাইছে। গতিকে ৰাইজ আপোনালোকে আলোচনা কৰি সমস্যাটোৰ এটা সঠিক সমাধান দিব লাগে।

মিৰেপ আৰু তাপিৰ, বাপেক পুতেক হালৰেই প্ৰকৃততে মিং কঙৰ ওপৰতেই আখেজ। সিহঁতৰ বিশ্বাস, সহায় অবিহনে খালেঙে কেতিয়াও এই বিয়াখন নহও বুলি ক'বলৈকে সাহস নাপালেহেতেন। গাঁওবুঢ়া তাবাকে ছোৱালীৰ নামত মোটা পৰিমাণৰ উপহাৰ লৈ বিয়াখনৰ বাবে কথা দি থৈছে যেতিয়া তেওঁৰ ফালৰ পৰা বিয়াখন ভঙাৰ কথাই নাহে।

কথাবোৰ কানত পৰাৰে পৰা মিং কঙৰ ওপৰত তাপিৰৰো ভিতৰি ভিতৰি খং এটা উঠিয়েই আছিল। খালেঙৰ ৰূপ-গুণৰ বর্ণনা সিও নুশুনাকৈ থকা নাই। খালেং অর্থাৎ তাৰ হ'বলগীয়া ঘৈনীজনী কামে-কাজে, নাচে-গানে সকলোতে আগবঢ়া। তাৰ ঘৰখন নিয়াৰিকৈ চলাই নিবলৈ এনে এজনী ছোৱালী পোৱাতো সঁচাকৈয়ে ভাগ্যৰে কথা। সকলো কথা সুকলমে আগবাঢ়ি আছিল। এই মিং কঙটোৰ বাবেই যেন সকলো ওলট-পালট হৈ গ'ল। তাৰ সপোনৰ মানুহজনীক চিলাই থপিওৱাদি থপিয়াই লৈ যাবলৈ ওলোৱা মিং কঙক আজি সন্মুখতে পাই এনে লাগিল যেন এঘাপত তাৰ মূৰটো দুচেও কৰি মাটিত পেলাই দিব। মিং কং বহি থকাৰ ফাললৈ চোৱাৰ লগে লগে ক'ব নোৱাৰাকৈয়ে তাৰ হাতখনে ককালতে খুচি অনা দাখনক জোৰেৰে খামুছি ধৰিলেগৈ।...

কেবাঙৰ ৰাইজে গাঁওবুঢ়াৰ কথাখিনি শুনিলে। এইবাৰ মিং কঙৰ পাল। মিৰেপ আৰু পুতেক তাপিৰে মিং কঙকেই প্ৰধানকৈ জগৰীয়া কৰিছে যেতিয়া সি নিজ পক্ষৰ সমর্থনত যুক্তি দিবই লাগিব।

ঃ মাননীয় কেবাঙৰ ওচৰত মই অকপটে স্বীকাৰ কৰো যে খালেঙক মই মনে-প্ৰাণে ভাল পাইছো। খালেঙৰ কথা ভবাৰে পৰা মই আৰু আন একো কথাই ভবা নাই। খালেঙক নাপালে মোৰ জীয়াই থকাই অসাৰ। আৰু মই জানো খালেঙৰো মনৰ কথা এয়েই।

মিং কঙৰ সাহসী স্বীকাৰোক্তি শুনাৰ পিছত উপস্থিত মানুহখিনিৰ মাজত এটি মৃদু গুণগুননি পাৰ হৈ গ'ল। হাতত থকা আপঙৰ চুঙাবোৰত একোশোহা মাৰি লৈ ইটোৱে-সিটোৰ মুখলৈ চালে। দুই-এজনে অলপ হাউলি লৈ কানে কানে ফুচ-ফাচকৈ দুই এযাৰ কথা পাতিলে। এক মুহূর্তমানৰ বাবে উপস্থিত ৰাইজৰ প্ৰতিক্ৰিয়ালৈ মন

দি মিং কঙে পুনৰ আৰম্ভ কৰিলে...

ঃ খালেং আৰু তাপিৰৰ বিয়াখন প্ৰকৃততে আইনমতেও বিধিগত হ'ব নোৱাৰে। খালেঙৰ জ্ঞান-বুদ্ধি বিকশিত হোৱাৰ বহু আগতেই যিহেতু এই বিয়া ঠিক কৰা হৈছিল, গতিকে ইয়াত ছোৱালীজনীৰ নিজৰ মতামতক গুৰুত্ব দিয়াৰ প্ৰশ্নই নুঠে। হয়, আদিম কালৰ পৰাই আমাৰ সমাজত এই প্ৰথা চলি আহিছে আৰু আমাৰ ৰাইজে সসন্মানেৰে এই প্ৰথা মানিও আহিছে কিন্তু এতিয়া সমাজ পৰিৱৰ্তন হৈছে। পুৰণি প্ৰথাবোৰ অলপ এৰা ধৰাৰ মাজেৰে চলিলেহে আমিও এই আধুনিক সমাজৰ সৈতে খোজ মিলাই আগবাঢ়ি যাব পাৰিম। গতিকে ৰাইজ আপোনালোকৰ ওচৰত মোৰ বিনম্ৰ অনুৰোধ, খালেঙক নিজৰ জীৱনসংগী বাছি লোৱা অধিকাৰখিনিৰ পৰা বঞ্চিত কৰিব নালাগে। মাননীয় কেবাঙৰ ওচৰত মোৰ ক'বলগীয়া এইখিনিয়ে সমগ্ৰ কেবাঙখনে নীৰৱ হৈ মিং কঙৰ কথাখিনি শুনিলে। চাঙঘৰৰ ভিতৰত থকাবোৰে ভিতৰৰ পৰা কানপাতি থাকিল। এতিয়ালৈ মিৰেমত কেইবাবাৰো কেবাং বহিছে, গাঁওবুঢ়াৰ ঘৰতেই বহিছে, বহু কথাত যুক্তি তৰ্ক হৈছে, বহুতকে বহু ধৰণৰ বিচাৰ শুনোৱা হৈছে। পিছে আজিলৈকে মিং কঙৰ দৰে কথাবোৰ কোনেও কোৱা নাই, সি কোৱা কথাবোৰ আগেয়ে শুনা নাই। পৰিৱৰ্তন, আইন, অধিকাৰ পাহাৰুৱা সৰল মানুহখিনিৰ বাবে এইবোৰ নতুন শব্দ, অবুজ শব্দ। অ' ডেকা মচুপত আজিকালি দুই-এটা তেনেকুৱা আলোচনা হয়। সমাজৰ কথা, পৰিৱৰ্তনৰ কথা, নিয়মৰ কথা, ভৈয়ামৰ কথা। ডেকাবোৰৰ বাবে শুনি ভাল লগা কথা, পুৰণিচামৰ বাবে ভয় লগা কথা।

ইয়াৰ পিচৰখিনি সিদ্ধান্তৰ সময়। কেবাঙৰ সদস্যসকলৰ মাজত বহু সময় ধৰি আলোচনা চলি থাকিল, আপঙৰ বাতিবোৰ উদং হৈ থাকিল। গুণগুননি, ফুচ-ফাচ, ইচ-আচ আদিৰ মাজেৰে উপস্থিত ৰাইজৰ মাজত মিহি মিহি উৎকণ্ঠাৰে সম্ভৰনাপূৰ্ণ অনুমানবোৰ চলি থাকিল।

বাহিৰত মিং কং আৰু ঘৰৰ ভিতৰত সোমাই থকা খালেং, আঁতৰে আঁতৰে থাকিলেও দুটি মনে একলগে, একে সময়তে প্ৰাৰ্থনা কৰিলে "আই দঃঞিঃ-পঃল, সঁচাকৈয়ে আজি পৰিৱৰ্তন হওক, নতুন ইতিহাস আৰম্ভ হওক, বুকুৰ মানুহবোৰ বুকুতে ৰওক।"

দিনযোৰা আলোচনা-বিলোচনা তৰ্ক-বিতৰ্কযুক্তি-অযুক্তিৰ অন্তত, বাতিয়ে বাতিয়ে আপং আৰু চকলে চকল পোৰা মাছৰ টুকুৰা শেষ কৰাৰ পিছত কেবাং এটি সিদ্ধান্তত উপনীত হ'ল। কেৱল মিৰেমতেই কিয় সাধুকথাই ঢুকি পোৱা ওচৰ পাজৰৰ জনা নজনা শ শ গাঁৱত আগে-পিছে নোহোৱা নোপোজা এটি অগতানুগতিক সিদ্ধান্ত।

গল হেকাৰি এটা মাৰি কেবাঙৰ মুখীয়ালজন ঠিয় হ'ল। লগে লগে বাকীবোৰ মানুহৰ মজত চলি থকা ঘুনুক-ঘানাক, ফুচ-ফাচ গুণগুননিবোৰ নোহোৱা হৈ পৰিৱেশটো শান্ত হৈ পৰিল। কেবাঙৰ ৰায়দানৰ অপেক্ষাত আটায়ে মানুহজনৰ মুখলৈ মুখ মেলি চাই ৰ'ল। লাহে লাহে বাহিৰৰ নীৰৱতাখিনি চাঙঘৰৰ ভিতৰলৈও বৈ পৰিল।

ঃ ৰাইজ, গোচৰীয়া দুঘৰৰ কথাখিনি ভালদৰে চালি-জাৰি চোৱাৰ অন্তত কেবাং এটি সিদ্ধান্তত উপনীত হৈছে। এই সিদ্ধান্ত সম্পূৰ্ণ নিৰপেক্ষ আৰু গাঁওবুঢ়া তাবাক, মিৰেপ আৰু মিং কঙহঁতৰ পৰিয়ালৰ মাজত আহি পৰা সমস্যাটোৰ সমাধানৰ বাবে ইয়াতকৈ আৰু ভাল উপায় আমাৰ চকুত ধৰা পৰা নাই।

কেবাঙৰ মানুহখিনিৰ মাজত কাহ পৰি জিন যোৱা পৰিৱেশটো তেনেদৰেই বাহাল থাকিল। মচু পৰ ডেকাজাকৰ মাজত বহি থকা মিং কঙৰ বুকুখনৰ কোনোবাখিনিত অজানিতে এটি ভয়ে ঢৌ খেলি গ'ল। আদেশ সি অমান্য কৰিব নোৱাৰে, আনহাতে খালেঙকো এৰিব নোৱাৰে। জীৱনত প্ৰথমবাৰৰ বাবে মিং কঙৰ বুকুখন কিবা হেৰুওৱাৰ ভয়ত জিকাৰ খাই উঠিল।

কেই ছেকেণ্ডমানৰ বিৰতিৰ পিছত মানুহজনে আধৰুৱা কথাখিনি পুনৰ আৰম্ভ কৰিলে...

ঃ ৰাইজ, তাবাক বুঢ়াৰ জীয়ৰী খালেঙৰ বাবে মিং কং আৰু তাপিৰ, দুয়োজনেই সমানেই যোগ্য। তাপিৰ আৰু খালেঙৰ বিয়াখন আজি বহু বছৰ আগতেই ঠিক হৈ থকা গতিকে বিধিমতে এই বিয়া ভাগিব নোৱাৰে, কিন্তু বৰ্তমানৰ পৰিস্থিতি আৰু ডেকাসকলৰ যুক্তিৰে বিচাৰ কৰি চাবলৈ গ'লে এই বিয়াখনত কেৰোনো নথকা নহয়। যিহেতু বিয়াখনৰ বন্দোবস্ত হোৱাৰ সময়ত ছোৱালীজনী তেনেই শিশু আছিল আৰু এতিয়া প্ৰাপ্তবয়স্ক বয়সত তাই সেই বিয়াত মত নাই বুলি

অভিযোগ কৰিছে গতিকে গোটেই ঘটনাটো আমি পুনৰবাৰ বিচাৰ কৰি চাব লগা হ'ল। আচলতে আমি সকলো পৰিস্থিতিৰ দাস, সাতামপুৰুষীয়া ৰীতি-নীতিৰ দোমোজাৰ পৰা ওলাই অহাটো আমাৰ বাবে সিমান উজু নহয়। আনহাতে আজিৰ ডেকাচামৰ অকাধ্য, ৰাস্তৰমুখী সিদ্ধান্তসমূহো আমি উলাই কৰিব নোৱাৰে। মানুহেই হওক, সমাজেই হওক, আগবাঢ়ি থকাটোৱেই নিয়ম। নে কি কয় ৰাইজ ?...

ৰাইজে হয় হয় কৈ মূৰ দুপিয়ালে। গতিকে ৰাইজ এই সমস্যাৰ এটাই মীমাংসা আছে। আজিৰে পৰা দুদিন পিছলৈ চলুঙৰ সামৰণি উৎসৱ। সেইদিনা গাঁৱত সমূহীয়া ভোজৰ আয়োজন কৰা হ'ব। মিৰেম আৰু কৰাঙৰ ৰাইজে এইবাৰ একেলগে ভোজভাত খাব। আৰু সেই ভোজৰ বাবে প্ৰয়োজন হোৱা মঙহৰ যোগাৰ কৰিব মিং কং আৰু তাপিৰে। চিকাৰৰ বাবে ঠাই হ'ব কৰাঙৰ গাতে লগা ঘন হাবি। সম্পূৰ্ণ এদিন এৰাতি দুয়ো সেই হাবিত থাকিব লাগিব আৰু মনত ৰাখিবলগীয়া কথাটো হ'ল এয়ে যে কোনো এখন গাঁৱৰে কোনো ব্যক্তিয়ে চিকাৰত থকা সময়ছোৱাত সিহঁত দুটাক কোনো প্ৰকাৰৰে সহায় কৰিব নোৱাৰিব। নিৰ্দিষ্ট সময়সীমাৰ অন্তত চিকাৰৰ সকলো নিয়ম-নীতি মানি চলি, যিজনে আটাইতকৈ বেছি চিকাৰ গোটাই আনিব পাৰিব সেইজনকেই জয়ী বুলি ঘোষণা কৰা হ'ব আৰু গাঁওবুঢ়া তাবাকে সেইজনকে নিজৰ জোঁৱাই বুলি মানি ল'ব লাগিব।'

ইমানপৰে নিতাল মাৰি শুনি থকা মানুহজাকৰ মাজেৰে পুনৰ এক উত্তেজনা মিহলি গুণগুননিৰ সৃষ্টি হ'ল আৰু লাহে লাহে এই টোৰে প্ৰকাণ্ড জোৱাৰভাটাৰ ৰূপ ল'লে। উপস্থিত ৰাইজে কোৱা-কুই কৰা আৰম্ভ কৰিলে...

'কেবাঙে এইয়া কি কৈছে, ঘন হাবিৰ কথা কোনে নাজানে ?... সেই হাবিত মানুহ কিয় দিনৰ পোহৰেই বাট হেৰুৱায়।'...

'সেই হাবিত মানুহ সোমালে খুব কমেইহে উভতি আহে। এয়া কেবাঙৰ সিদ্ধান্ত নে শাস্তি ?'...

এৰা হয়, হয়। ঘন হাবি হিংস্ৰ নৰখাদকেৰে ভৰা। সেই হাবিখনত যে বনদেৱতাৰো বাস নাই।

গাঁওখনত যে আই 'কিনে নানে'ৰ কোপ পৰিছে সেইটো খাতাং। নহ'লেনো ইমানবোৰ অঘটন একেলগে হ'বলৈ পায়নে ?... এইবোৰ শুভ লক্ষণ নহয়, এয়া বিপদ, এয়া বিপদ।' মানুহবোৰে জুমে জুমে কথা পাতিছে। কালিকা লগা ডাঠ হাবিখনৰ কথা সকলোৱে জানে, বুজে। তথাপি সেয়া কেবাঙৰ সিদ্ধান্ত ? কেবাঙক অমান্য কৰাটো মহাপাপ, কেবাঙক অৱমাননা কৰাৰ দুঃসাহস আজিলৈকে কোনেও কৰা নাই। সকলোতকৈ প্ৰথমে মিং কঙেই মাত লগালে...

ঃ কেবাঙৰ সিদ্ধান্ত মোৰ বাবে আদেশ, খালেঙৰ বাবে মই এই প্ৰতিযোগিতাত অংশ ল'বলৈ সাজু। আই দঃঞিং-পঃলৰ ওপৰত মোৰ বিশ্বাস আছে, মোৰ নিজৰ সততাৰ ওপৰত বিশ্বাস আছে, খালেং আৰু মোৰ পৱিত্ৰ প্ৰেমৰ ওপৰত বিশ্বাস আছে, ডাঠ হাবিৰ পৰা মই জীৱন্তে ওলাই আহিম আৰু আহিমেই নহয়, মোৰ চিকাৰৰ মাংসৰে চলুঙৰ শেষত দুখন গাঁৱৰ মানুহক ভোজভাত খুৱাম।

মিং কঙৰ কথাত তাৰ লগৰীয়াকে ধৰি তাত উপস্থিত ৰাইজ আটায়ে থৰ লাগিল। কি মুৰ্খামি। মাথোঁ প্ৰেমৰ বাবেই এনে বিপদ চপাই ল'ব লাগেনে বাৰু ? সকলো জানি বুজিও এই সিদ্ধান্ত।

মিং কঙৰ সহানুভুতিত (নে মৰমত ?) মানুহবোৰৰ মাজত বু বু-বা বা বোৰ চলি থাকিল।

অলপ আঁতৰত বহি থকা মিৰেপ বুঢ়া আৰু পুতেক তাপিৰৰ মুখমণ্ডলত এটি কুটিল হাঁহি জিলিকি উঠিল। এৰা কালিকা লগা হ'লেও ঘন হাবি কৰাঙবাসীৰ চিনাকি হাবি, ঘন-হাবিৰ নৰখাদকে মিৰেমৰ মানুহক নিচিনে, কৰাঙক চিনে। সেই হাবিয়ে মিং কঙক বাট নেদেখুৱাই, কৰাঙক দেখুৱাই। গতিকে তাপিৰৰ বাবে কেবাঙৰ সিদ্ধান্ত মানি নোলোৱাৰ প্ৰশ্নই নাই।

কেবাং ভাঙোতেই প্ৰায় সাজ ভাঙি সন্ধিয়া হ'ল। চোতাল খালী হৈ পৰিল। গাঁওখনত সিদিনা মানুহবোৰ এটি এটিকে ঘৰলৈ যোৱাৰ পিছত তাবাকৰ দিনৰ বাবে চলুং উদ্‌যাপন বন্ধ থাকিল।

সেই নিশা মিৰেমৰ চাঙঘৰবোৰ ওৰে নিশা পোহৰ হৈ থাকিল। এটি উজাগৰী নিশা এখন উজাগৰ গাঁৱৰ সৈতে এটি অনাকাংক্ষিত সূৰ্যোদয়ৰ অপেক্ষাত ওৰে ৰাতি সাৰে থাকিল।

ওখ ওখ পাইন আৰু দেৱদাৰু গছবোৰৰ মাজেৰে ৰঙা বেলিটোৰ শীতল পোহৰকন সুৰুকি আহি মিৰেমৰ চোতাল পোহৰ কৰাৰ বহু আগেয়ে মিং কং আগন্তুক

প্রতিযোগিতাখনৰ বাবে সাজু হ'ল। ককালৰ খোচনিত দাখন আৰু হাতত দুনলীয়া বন্দুকটো, লগত নিব লগা প্ৰধান বস্তু সেইকেইটাই। দাখনৰ ধাৰ থকা অংশটোত বুঢ়া আঙুলীটোৰে আলফুলে মোহাৰি দি শেষবাৰৰ বাবে সি ধাৰটো পৰীক্ষা কৰি চালে। সেইখন তাৰ আতি মৰমৰ দা। প্ৰকাণ্ড মেথোন এটা এবাৰত কাটি দুছেও কৰিব পৰা দা। কিমানবাৰ ৰাতি ৰাতি হাবিৰ মাজৰে আহিবলগীয়া হোৱাৰ সময়ত এই দাখনে তাক সাহস দিছে। আজিলৈকে সেইখনে তাক নিৰাশ কৰা নাই। মিং কঙৰ তাৰ নিজতকৈও সেই দাখনৰ ওপৰতহে যেন গভীৰ বিশ্বাস। সেইখন তাৰ আপোনতকৈও আপোন, তাৰ সন্মানৰ প্ৰতীক, তাৰ জীৱনৰ সাহস।

সৰুকৈ গধুৰ মন এটা লৈ পাদমে ইপদ সিপদ বস্তুৰে এদিন এৰাতিৰ জোখাৰে আটি যোৱাকৈ টোপোলা এটা বান্ধি পুতেকলৈ বুলি আগবঢ়াই দিলে। এচুঙা আপং, কেইটিমান পোৰা মাকৈ, কেইচকলমান পোৰা মাছৰ টুকুৰা, পাতেৰে বান্ধি সিজোৱা ভাতৰ টোপোলা কেইটিমান। টোপোলাবোৰ বান্ধি থাকোঁতে সেইদিনা পাদমৰ বুকুখন গধুৰ হৈ আহিছিল। হাজাৰ হ'লেও তেওঁ মিং কঙৰ মাক। নিজ চকুৰ আগতে কানসমনীয়া পুতেকটোক নৰখাদকৰ মুখলৈ আগবঢ়াই দিব লগা হ'লে কোন মাকৰনো বাৰু কলিজাৰ নকঁপিব? পিছে মিং কঙৰ সন্মুখত পাদমে কন্দা নাই, তাইৰ চিন্তাক্লিষ্ট মুখৰ অভিব্যক্তিও ধৰা পৰিবলৈ দিয়া নাই। পাদম মিং কঙৰ বাবে সাহস, পুতেক মিং কঙৰ হাউলি পৰিবলৈ ধৰা আত্মবিশ্বাসক ঠিয় কৰি ৰাখিবলৈ পাদমে যে তাক কথা দিছে।

মচুপৰ কেইবাজনো ডেকা হৈ হাল্লা আৰু জয়ধ্বনিৰে মিং কঙক ঘন হাবিৰ ওচৰলৈ আগবঢ়াই লৈ গ'ল। যেন এখন সন্মুখ ৰণহে। এৰা তাৰ বাবে এয়া এখন ৰণতকৈ কোনো গুণে কম কথা নহয়। অকল মিং কঙৰ বাবেই নহয় আচলতে এই প্ৰতিযোগিতাখন এতিয়া সমগ্ৰ মিৰেমবাসীৰ বাবেই স্বাভিমানৰ যুঁজ।

মিং কঙে দেখিলে এঢলীয়া বাটটোৰ প্ৰকাণ্ড শালগছজোপাৰ আঁৰত এহালি কৰুণ চকুৰে তালৈ ৰ' লাগি চাই আছে। সেই চকুৰ গৰাকী তাৰ প্ৰাণৰো আপোন। সেই কৰুণ চকুহালিৰ বাবেই সি গোটেই ৰাইজখনৰ সন্মুখত মূৰ ডাঙি কথা কোৱাৰ সাহস কৰিছে, সেই মায়া সনা চকুহালিয়েই আজি মিং কঙৰ বাবে সাহস, যাৰ বাবে সি হিংস্ৰ নৰখাদকৰ মুখা-মুখি হ'বলৈও প্ৰস্তুত।

ডাঠ হাবি, এনে গহীন যে সেই ডাঠ সেউজীয়াৰ আৱৰণ ভেদি অৰণ্যৰ ভিতৰচৰাত সূৰ্যৰ কিৰণ সোমাবলৈকে টান। এনে লাগে দৈত্যহেন গছবোৰে যেন দুহাত ওপৰলৈ ডাঙি ঘন সেউজীয়া চাদৰ একোখন মেলি ধৰি লৈ আছে। সেই বিশাল চাদৰত অসংখ্য সৰু সৰু সুৰঙা যাৰ মাজেৰে লানি লানি পোহৰ লেহেম গতিৰে ভিতৰলৈ গতি কৰিছে। ভিতৰৰ থৰ পৰি থকা বায়ুত বনৰীয়া বন-লতিকাৰ এক মিশ্ৰিত, সেমেকা গোন্ধ।

মিং কঙে হাবিখনলৈ সোমাই আহি এটুকুৰা ঠাইত ৰৈ দি চাৰিওফালে এপাক ঘূৰি চালে। মাজে মাজে তলৰ জোপোহা কিছুমান হঠাৎ লৰি উঠে, আকৌ শান্ত হয়, এটা জোপোহাৰ পৰা আনটোলৈ কঁপনিটো এটা টো দৰে বাগৰি যায়। ডাঠ সেউজীয়াৰ মাজেৰে কেতিয়াবা অলপ বগা নাইবা মুগাবৰণীয়া ৰং একোটা ভুটুংকৈ ওলাই আহে আকৌ নোহোৱা হয়। সেইবোৰ বনৰীয়া শহা নাইবা বন কুকুৰা নতুবা প্ৰকাণ্ড কেৰ্কেটুৰা আৰু শিয়ালো হ'ব পাৰে। ইয়াৰ আগতে সি বহুবাৰ তেনেকুৰা বিয়াগোম কেৰ্কেটুৰা চিকাৰো কৰি পাইছে। নিশালৈ এনেকুৰা হাবিত আনকি পোৱালি হৰিণ এটিৰ সমান আকাৰৰ কেটেলাপহুও দেখা যায়। ওচৰে-পাজৰে থকা গাঁতবোৰ দেখিয়েই মিং কঙে বুজিছে এই হাবিত কৰো বুলি ভাবিলে দহখন গাঁৱৰ মানুহক খুৱাব পৰাকৈ চিকাৰ ওলাব। পিছে সি আজি চিকা মাৰি হাত গোন্ধাবলৈ অহা নাই, দঁতাল বনগাহৰি টাকিন নাইবা তেজাল মিথুন এটা চিকাৰ কৰিবলৈ নাপালে তাৰ নিচিনা পাকৈত চিকাৰীৰ সন্মানেই বা ক'ত?...

ইতিমধ্যেই বেলি দুপৰ হ'লহি। সুৰ সুৰকৈ অনুভৰ কৰিবলৈ লোৱা তাৰ ভোকটোৱেও তাকেই ইংগিত দিলে। প্ৰকাণ্ড গছ এডালৰ মাটিৰ ওপৰলৈ ওলাই থকা সমান্তৰাল শিপা এডালত সি বহি ল'লে। পেটে ভোকৰ নাম লৈছে যদিও এই মুহূৰ্তত তাৰ খাবলৈ অকণো মন যোৱা নাই। উগুল-থুগুল, খেলি-মেলি ভয় এটাই মনটোত কিলবিলাই ফুৰিছে। টানি আজুৰি এৰুৱাই থও বুলি ভাবিও সি খালেঙৰ ভাবটো মনৰ পৰা আঁতৰাই থ'ব পৰা নাই। মাজে মাজে তাৰ মাকজনীলৈও মনত পৰিছে। সঁচাকৈয়ে আজি যদি তাক নৰখাদক বাঘটোৱে পায়। কি হ'ব বাৰু তাৰ মাকৰ?.... কি হ'ব থালেঙৰ?

অগত্যা সি মাকে বান্ধি পঠিওৱা টোপোলাটোৰ পৰা পোৰা মাকৈ এটি উলিয়াই লাহে লাহে চোৱাবলৈ ধৰিলে। ভাল চিকাৰি বুলি নাম থকা, চাংঘৰৰ বেৰ শুৱনি কৰি ওলমি থকা গাহৰি দাঁত আৰু মিথুনৰ লাওখোলাকেইটাই প্ৰমান কৰে মিং কং সিহঁতৰ ওচৰ-পাজৰৰ বহুকেইখন গাঁৱৰ ভিতৰতেই সাহিয়াল ডেকা। ঘন হাবিৰ চুক-কোণবোৰ তাৰ নখ দৰ্পণত, পিছে হ'লেও আজিৰ এই আয়োজন তাৰ ভাল লগা নাই। নাই, নৰখাদক বাঘটোৰ কথা চিন্তা কৰি সি ভয় খোৱা নাই, বন গাহৰি বিচৰাটোও তাৰ বাবে একো কথাই নহয়। আজি এই মুহূৰ্তত মিং কঙৰ চিকাৰৰ বাবে কলিজাত এডোখৰ অচিন ঘাঁ। কেবাঙত নিজ পক্ষ সমৰ্থন কৰি ডাঙৰ ডাঙৰ কথা কৈ আহিলেও সি জানে চৰ্ত অনুসৰি চিকাৰ এটি গোটাই নিব নোৱাৰিলে চিৰকালৰ বাবে খালেঙক সি হেৰুৱাব লাগিব। শালগছৰ আঁৰেৰে দেখা দিয়া তাইৰ কৰুণ চকুহালি মনলৈ অহাৰ লগে লগে বুকুৰ পৰা দুখ এটা উজাই আহি মিং কঙৰ গলতে সোপা মাৰি ধৰিলেহি। ককালৰ খোছনিত লৈ অহা দা খনৰ প্ৰকাণ্ড নালটো অন্যমনস্কভাৱে সি এবাৰ খেপিয়াই চালে।...

হাবিখনৰ ভিতৰখনত আন্ধাৰবোৰ লাহে লাহে ঘন হৈ আহিছে, ক্ৰমান্বয়ে বাঢ়ি অহা সেমেকা চেঁচা চেঁচা ভাবটোৰ সৈতে হাবিখনে যেন দিনটো সামৰিবলৈ আগবাঢ়িছে। আৰু কিছুসময় পিছতেই সন্ধিয়া লাগি নিশা নামিব।...

হাতৰ মুঠিৰ পৰা বালিৰ দৰে সৰসৰাই সৰি আছে সময়, সময় নহয় যেন মিং কঙৰ সপোন, আশা, অহংকাৰ, সন্মান সকলো। চিন্তা কিছুমান আহি তাৰ মনত ভিৰ কৰিলেহি। এই একেখন হাবিলৈ চিকাৰ বিচাৰি তাপিৰো আহিছে। দুয়োৰো উদ্দেশ্য আৰু লক্ষ্য একেটাই। পিছে হাবিখন তাপিৰৰ গাঁৱখনৰ গাতে লগা বাবে ইয়াৰ চুক-কোণবোৰ সিহঁতৰ তেনেই চিনাকি। এতিয়ালৈ চাগে তাপিৰে কেইবাটাও চিকাৰ যোগাৰো কৰিলে, কালি ৰাতিপুৱা যেতিয়া দুয়ো কেবাঙৰ ওচৰত হাজিৰ হ'ব লাগিব সেই সময়ত তাপিৰৰ কান্ধৰ শোভা বঢ়াই থাকিব এটি প্ৰকাণ্ড মেথোন, বন গাহৰি নাইবা টাকিন। কেবাঙৰ লগতে সমগ্ৰ গাঁওবাসী তাপিৰৰ নামৰ জয়ধ্বনি তুলিব আৰু কৃতকাৰ্যতাৰ অহংকাৰেৰে বাপেক-পুতেক হালৰে বুকু উফন্দি পৰিব। আৰু তাৰ পিছত ?

অসহায় নেত্ৰেৰে সি খালেং আৰু তাপিৰৰ বিয়াৰ নিৰৱ দৰ্শনাৰ্থী হৈ পৰিব।

সাইলাখ এখন চলচ্চিত্ৰৰ দৰে এটি এটি দৃশ্য মিং কঙৰ চকুৰ আগেদি পাৰ হৈ গ'ল। ভয় লগা সপোন এটি দেখি খপ্‌জপাই সাৰ পাই উঠা মানুহৰ লেখিয়াকৈ সি জাঁপ মাৰি উঠিল। নাই, এনে ঘটনা তাৰ বাবে সপোনৰো বাহিৰ।

হঠাৎ মিং কঙৰ কেউকাষে থকা জোপোহাৰোৰত এটি মৃদু কঁপনি উঠিল। ইমান পৰে জুপুকা মাৰি বহি থকা বান্দৰ দুই এটিয়ে ভয়ার্ত চাৱনিৰে সংকেতসূচক কোহাল কিছুমান কৰি ইদাল-সিদাল গছবগাবলৈ ধৰিলে। বনৰীয়া চৰাইৰ কিচিৰ-মিচিৰ, কেচ-কেচ শব্দৰে হঠাৎ ঠাইডোখৰ মুখৰিত হৈ উঠিল। বনৰীয়া প্ৰাণীবোৰ যেন সন্তম হ'ল, ইটোৱে-সিটোক সকীয়নি দি আটায়ে নিৰাপদ স্থানলৈ ঢাপলি মেলিলে। মিং কঙে বুজি পালে এয়া ভাল সংকেত নহয়।

'হে আই দঃঞিঃ-পঃল, সহায় কৰিবা।' দুৰ্দান্ত সাহসী হ'লেও মিং কঙৰ বুকুৰ গভীৰৰ পৰা গৰম নিশাহ এটি বাহিৰ হ'ল। এইটো যদি এটা বন গাহৰি তেন্তে ভালেই কিন্তু যদি সেই নৰখাদকটো তেনেহ'লে তাৰ পৰা ৰক্ষা পাবলৈ তাক নিজৰ সাহসেই নহয় ভগৱানৰ সহায়বো সমানেই প্ৰয়োজন হ'ব। অকনো শব্দ নকৰাকৈ বিশেষ লৰচৰ নোহোৱাকৈ ককালৰ খোচনিৰ পৰা সি দাখন উলিয়াই লৈ বহি থকা প্ৰকাণ্ড গছডালৰ আঁৰ ল'বলৈ চেষ্টা কৰিলে।...

শুনা-নুশুনাকৈ গোঁ-গোঁৱনি শব্দ এটি শুনা গ'ল। মিং কঙে পিছলৈ ঘূৰি চালে। দেখিলে শিহৰণ এটি বিদ্যুৎ গতিৰে তাৰ ভৰিপতাৰ পৰা মূৰ পালেগৈ।...

তাৰ পিছত সি যি মিং কং আঁৰ লৈ থকা গছডালৰ পৰা মাথোঁ দহফুটমান আঁতৰত কিচকিচিয়া ক'লা, এটি প্ৰকাণ্ড দুদতীয়া বন গাহৰি, তাৰ ফালে চঁ-চঁ কৈ চাই আছে। গাহৰিটোক যদি ত্ৰিভূজ এটাৰ শীৰ্ষবিন্দু বুলি ধৰা হয় তাৰ পৰা এটা কোনলৈ প্ৰায় বিশফুটমান আঁতৰত সেয়া তাপিৰ আৰু ত্ৰিভুজটোৰ আনটো কোনত সেই একেই সমান দূৰত্বত সেই জনা বনৰজা, প্ৰকাণ্ড ধনুকাঁড় এখনত জোঙা বিষাল কাঁড় এডাল লৈ তাপিৰে বন গাহৰিটোলৈ টোঁৱাই আছে। মিং কঙে হিচাপটো ঠিকেই কৰিলে, তাপিৰৰ ধেনুৰ পৰা ওলাই অহা এপাট মাথোঁ

কাঁড় গাহৰিটোক ধৰাশায়ী কৰিবলৈ যথেষ্ট তাপিৰৰ লক্ষ্য অব্যর্থ হোৱাটো খাটাং। আনহাতে ত্রিভূজটোৰ আনটো মূৰত জোপোহাৰ আঁৰ লৈ খাপ পিটি থকা বনৰজাজনৰ হালধীয়া আঁক-বাঁকবোৰ বিশফুটমান দূৰত্বৰ পৰা মিং কঙে স্পষ্টকৈ দেখিছে। এক মুহূর্তৰ বাবেও সি শৰীৰটো লৰিবলৈ দিয়া নাই, যেন উশাহকো বান্ধি থৈছে। কি অদ্ভুট তাৰ দৃষ্টিৰ একাগ্রতা। মজলীয়া আকৃতিৰ বাঘটোৱে ট'ট' কৈ তাপিৰৰ পিনলৈ চাই আছে, যেন এটি মাথোঁ সুযোগৰ অপেক্ষা আৰু তাৰ পিছত পাহুৰাল তাপিৰৰ আটিল দেহটো তাৰ ধাৰাল নখেৰে নেফানেফ কৰি দিবলৈ তাক চাগে এক মুহূর্তও সময় নালাগিব। মিং কঙৰ মুখলৈ চাই থকা বনগাহৰিটোৱে পিছপিনে ৰৈ থকা তাপিৰৰ উমান পোৱা নাই, গাহৰিটোলৈ কাঁড় টোঁৱাই ৰৈ থকা তাপিৰে বাঘটোক দেখা নাই আৰুবাঘটোৱে মিং কঙক দেখা নাই। ত্রিভূজটোৰ বাহিৰত মিং কং ঠিয় হৈ থকা ঠাইখিনিৰ পৰা কিন্তু সি সিহঁত তিনিওটাকে দেখি আছে, তিনিওটাৰে গতি-বিধিৰ উমান পাইছে আৰু কেইমুহূর্তমানৰ পিছতেই হ'বলগীয়া দুর্ভাগ্যজনক ঘটনাটোক চকুৰ আগত অগা-দেৱা কৰি থকাও স্পষ্টকৈ দেখিছে।...

পলাই যাব, ভয় কৰিব, আনন্দ কৰিব নে ৰাতিপুৱাৰে পৰা অপেক্ষা কৰি থকা নোদোকা চিকাৰ এটি নিজে নিজে আহি হাতৰ মুঠিত ধৰা দিয়া আনন্দতে কেইজাঁপমান মাৰি ফূর্তি কৰিব? মিং কং বিবুধিত পৰিল। তাপিৰ তাৰ জাত শতৰু, খালেং আৰু তাৰ মিলনত ভেটা দিয়া এখন মজবুত বেৰ আৰু আজি এই হাবিৰ মাজত তাৰ নির্দয় প্রতিদন্দ্বী। কেইফুটমান মাথোঁ আঁতৰত তাপিৰৰ নিষ্ঠুৰ নিয়তিয়ে তাৰ বাবে মুখ মেলি ৰৈ আছে, অথচ সি ঘূনাক্ষৰেও উমান পোৱা নাই, ভালেই হৈছে। যি হৈ আছে তাত মিং কঙৰ একো হাত নাই, বৰং হ'বলগীয়াখিনি হৈ গ'লেই সি মুক্ত, খালেং মুক্ত আৰু সিহঁতৰ মিলন হৈ পৰিব বাধাশূন্য। কোনো কেবাঙৰ একো সিদ্ধান্তই তেতিয়া খালেং আৰু মিং কঙক এক হোৱাত বাধা দিব নোৱাৰিব।

ক্রমান্বয়ে স্পষ্ট হ'বলৈ ধৰা তাৰ ভাগ্যৰ খোলোছা বাটটোৰ কথা ভাবি ভাবি মিং কং শিহঁৰিত হৈ উঠিল।

মাথোঁ কেইটিমান মুহূর্ত অথচ সেইখিনি সময়তে যে সি কি কি কথাবোৰ ভাবি পেলালে। মিং কং নিজেই আচৰিত হ'ল। সৌপিনে তাপিৰে লাহে লাহে ধনুৰ কাঁড় টানি ধৰিছে, বিষাল কাঁড়ডাল তাৰ গন্তব্য পাবলৈ আৰু মাথোঁ কেইটিমান মাইক্রছেকেণ্ড। আনফালে বনৰজাও হাতত সাৰে ভৰিত সাৰে তাপিৰৰ বুকুতে চকু দুটা গুজি লৈ এখুজি দুখুজিকৈ তাৰ ফালে আগবাঢ়িবলৈ লৈছে।

আৰু মিং কং? সি ভাবি আছে আৰু কেইছেকেণ্ডমানৰ ভিতৰতে যদি সি আহত কৰিব নোৱাৰে তেন্তে নিজে আহি হাতত ধৰা দিয়া লোভনীয় চিকাৰটো অনাসায়ে তাপিৰৰ হৈ পৰিব আৰু মিং কং নিজে পৰাজিত হৈ শুদা হাতে ঘৰলৈ উভটিব লাগিব। আনহাতে সেই একে সমান তৎপৰতাৰে যদি সি তাপিৰক বাঘটোৰ বিষয়ে অৱগত নকৰে তেন্তে আজি তাৰ চকুৰ সন্মুখতে তাৰ দুর্দান্তপ্রতিদন্দ্বী নৰখাদকৰ চিকাৰ হ'ব। বিবেক আৰু হৃদয়ৰ তয়াময়া ৰণখনৰ সৈতে যুঁজি যুঁজি মিং কং যেন ভাগৰি পৰিছে।

অগত্যা গাৰ সমস্ত শক্তি বাহুটোত কেন্দ্রীভুত কৰি হাতত থকা প্রকাণ্ড দাখন সি সজোৰে সন্মুখলৈ মাৰি পঠিয়ালে। দুফালৰ পৰা অহা দুটি বিকট মৰণকাতৰ চিঞৰে সন্ধিয়াৰ হাবিখন জোকাৰি থৈ গ'ল।

তাবাক আৰু তাপিৰৰ লগত সিহঁতৰ গাঁৱৰ পৰা বিৰাট এটা সমদল আহিছে। গাঁৱখনৰ প্রায় আটাইখিনি মানুহ। মৰা গাহৰিটোৰ ভৰিকেইটা জপটিয়াই বান্ধি, তাৰ মাজেৰে বাঁহ এডাল ভৰাই দি গাহৰিটো ওলোটাকৈ ওলোমাই লৈ বিৰদর্পে আহিছে সকলো ৰাইজ। সকলোৰে মুখত অপাৰ আনন্দ, বিজয়ৰ সুখ। কোনোৱে ঢোল বজাইছে, কোনোৱে পেঁপা বজাইছে, কোনোৱে নাচিছে। সিহঁতৰ গামৰ একমাত্র পুতেকে প্রতিযোগিতাত বিজয়ী হৈ প্রকাণ্ড বনগাহৰি চিকাৰ কৰি আনিছে, সেই চিকাৰেৰে দুখন গাঁৱৰ ৰাইজক ভোজ খুৱাই মিৰেমৰ জীয়ৰী খালেঙক জয় কৰি সদর্পে নিজৰ কৰি নিব পাৰিব। এয়া অকল তাবাক আৰু তাপিৰৰ বাবেই নহয়, সমগ্র কৰাঙবাসীৰ বাবে পৰম গৌৰৱৰ কথা।

পাহাৰীয়া জুৰিটিৰ এঢলীয়াত থকা সেমেকা শিলটোত তলমুৰ হৈ বহি থকা মিং কঙৰ চকু দুটি ওখহা, হয়তো আগদিনা নিশাৰ টোপনিখতিৰ বাবে, নতুবা পাৰ হৈ যোৱা এটি অগতানুগতিক দিনৰ অন্তত শাৰীৰিক আৰু মানসিকভাৱে ভাগি পৰাৰ বাবে। শিলটোৰ আনটো মূৰত খালেং। আনবেলিৰ নিচিনাকৈ সিহঁতে গাতে গা লগাই বহা নাই, দুয়োৰে মাজত আজি যথেষ্টখিনি দূৰত্ব। কোনোৱে কাৰো চকুলৈ চাব পৰা নাই। খালেঙৰ ওখহা চকুত চকুপানীৰ কৰাল। তাপিৰৰ সৈতে গুচি যোৱাৰ আগত

মিং কঙক তাই বহুত কিবা কিবি কৈ যাও বুলি আহিছিল যদিও বুকু আৰু গলটোৰ মাজতে অগা-দেৰা কৰি থকা প্ৰকাণ্ড ভাৰটোৱে তাইৰ মাতটো হেঁচা মাৰি ধৰি আছে। মিং কঙৰ গাৰ পৰা অহা বনৰীয়া গোন্ধটো তাই এবাৰ বুকুভৰাই উজাই ল'লে। পৰা হ'লে আজি তাই তাৰ উদং আটিল বাহু দুটাৰ মাজত মুখ গুজা হ'লে চকুপানীৰ সোঁত বোৱালেহেতেন, শেষবাৰলৈ। পৰা হ'লে সেই জুৰিটিৰ পাৰে পাৰে শাল গছবোৰৰ মাজে মাজে অটল হাবিৰ অনন্ত সীমাৰ মাজত দুয়োটি হেৰাই গ'লহেতেন, মিৰেমৰ পৰা, কেবাঙৰ পৰা তাপিৰৰ পৰা, সমাজৰ পৰা আঁতৰলৈ বহু আঁতৰলৈ। পৰা হ'ক্সলে তাই সেই বৈ থকা জুৰিটিতে জাঁপ দি বিষাদ হৈ ভৈয়ামলৈ বৈ আহিলহেতেন।...

এনেকুৱা মুহূৰ্তত কি ক'ব লাগে মিং কঙে নাজানে। খুব বেছি আৱেগিক হ'লে সি খঙাল অকৰাটোৰ দৰে হৈ পৰে। তাতে এতিয়া সি প্ৰতিযোগিতাত হাৰ মানি আহিবলগীয়া হোৱা এজন অকৃতকাৰ্য চিকাৰি।

সি আজি খালেঙৰ অপৰাধী। খালেঙৰ চকুত চকু থৈ শেষবাৰলৈ তাইক বুকুভৰি মৰম কৰিবলৈকো যেন সি আজি অক্ষম।

ঃ যাঃ, আঁতৰি যা খালেং। মোক আৰু দুৰ্বল নকৰিবি।...

মিং কঙৰ ৰঙাবৰণীয়া গাল দুখন কুহুমীয়া চকুপানীয়ে সেমেকা কৰি তুলিলে।...

মিং কং আৰু খালেঙৰ অনুপস্থিতিত ধুমধামেৰে শেষ চলুঙৰ ভোজভাত পৰ্বৰ সামৰণি পৰিল। দুয়োখন গাঁৱৰ ৰাইজে তাপিৰক শলাগি শলাগি বনগাহৰিৰ মঙহেৰে উদৰ পুৰাই খালে। গধুৰ মনেৰে হ'লেও খালেঙৰ বাপেক তাবাক আৰু মাকেও তাপিৰৰ কৃতকাৰ্যতাক মানি ল'বলৈ বাধ্য হ'ল। যি আছিল সেয়া কেবাঙৰ সিদ্ধান্ত আছিল আৰু মিং কঙে নিজেই যেতিয়া সেই চৰ্ত গ্ৰহণ কৰিছিল এতিয়া তাৰ পৰিনতিও সকলোৱে মানি ল'বলৈ বাধ্য।...

ভোজভাতৰ অন্তত উৎসৱথলীতে শেষবাৰৰ বাবে কেবাঙৰ সদস্যসমূহ গোট খালে। যদিও সকলোৱে জ্ঞাত তথাপি শেষবাৰৰ বাবে ৰাজহুৱাকৈ সিদ্ধান্তৰ শুনানি দিয়াটো নিয়ম। মিং কং, খালেং, তাপিৰ আটাইকে সন্মানীয় কেবাঙৰ সদস্যসকলৰ সন্মুখত হাজিৰ হ'বলৈ কোৱা হ'ল। জুমটোৰ ভিতৰৰ আটাইতকৈ বয়সীয়াল সদস্যজনে গলহেকাৰি এটা মাৰি কথাখিনি ক'বলৈ আৰম্ভ কৰো বুলি ভাবোতেই গহীন চিনাকি মাত এটিয়ে বাধা দি নিজৰ বক্তব্য আৰম্ভ কৰিলে...

ঃ প্ৰথমতে আপোনালোক সকলোকে ধন্যবাদ, মোক আৰু মোৰ গাঁওখনক আপোনালোকৰ সৈতে চলুঙৰ ভোজটো খাই আনন্দ কৰিবলৈ সুযোগ দিয়া বাবে। কিন্তু সন্মানীয় কেবাঙে সিদ্ধান্ত শুনোৱাৰ আগতে মোৰ অলপ ক'বলগীয়া আছে। মই খালেঙক বিয়া পাতিব নোৱাৰিম। ৰাইজখন, ক্ষমাহে।

তাপিৰৰ কথাত উপস্থিত ভিৰটোৰ আটায়ে উচপ খাই উঠিল। ইমান পৰে তলমূৰ হৈ থকা মিং কং আৰু খালেঙে এবাৰ ইটোৱে-সিটোৰ মুখলৈ চাই পিছত একেলগে তাপিৰৰ মুখলৈ চালে। তাৰ আচৰ্যজনক কথাত কৌতূহলী ৰাইজৰ আপঙৰ নিচা ফাটো ফাটো হ'ল। কেইমুহূৰ্তমানৰ বাবে ৰাইজৰ প্ৰতিক্ৰিয়ালৈ লক্ষ্য কৰি তাপিৰে পুনৰ আৰম্ভ কৰিলে।

ঃ ৰাইজসকল প্ৰচলিত প্ৰথামতে আৰু কেবাঙৰ চৰ্ত অনুসৰি খালেঙক বিয়া কৰোৱাত এতিয়া মোৰ কোনো বাধা নাই। পিছে আজি যদি মই যোৱা নিশাৰ কথাবোৰ ভাঙি-পাতি নকও কেৱল দঞিঃপ'ল'ৰ ওচৰতে নহয় নিজৰ ওচৰতো কেতিয়াও মই মূৰ তুলি ঠিয় হ'ব নোৱাৰিম। ৰাইজ মোৰ এই জয়, মোৰ এই কৃতকাৰ্যতাৰ গৰ্ব মোৰ নিজৰ আৰ্জিত নহয়, এয়া মিং কঙৰ দান।

সাইলাখ মৌ-মাখিৰ গুণগুননি এটিৰ দৰে শব্দ এটি কেবাঙৰ চোতালখনৰ ওপৰেৰে বিয়পি গ'ল। খালেং সমন্বিতে উপস্থিত প্ৰত্যেকজন মানুহে তলমূৰ হৈ থকা মিং কঙৰ মুখলৈ প্ৰশ্নবোধক এসোপা দলিয়াই থাকিল। আৰু সুঁতি সলোৱা সময়ৰ সোঁতে হঠাৎ যেন মিং কঙৰ মুখলৈ এচেৰেঙা পোহৰ লৈ আহিল। বহু সময়ৰ অন্তত, বোধহয় সেয়া পোন প্ৰথমবাৰৰ বাবে মিং কঙে তাপিৰৰ চকুহাললৈ পোনপটীয়াকৈ চাই পঠিয়ালে। ৰাইজৰ উৎকণ্ঠাখিনি বুকুজুৰি উপভোগ কৰি লোৱাৰ পিছত তাপিৰে পুনৰ আৰম্ভ কৰিলে—

যোৱা নিশা মই গাহৰিটো চিকাৰ কৰি কেবাঙৰ চৰ্তত জয়ী হোৱা কাহিনীটোৰ আঁৰত আচলতে মোৰ নহয়, মিং কঙৰ অৱদানহে বেছি। কেৱল সেয়াই নহয় ৰাইজ, আজি যদি সোঁ-শৰীৰে আপোনালোকৰ আগত থিয় দি থাকিব পাৰিছো সেইটোও মিং কঙৰে কৃপাত। মুখৰ আগত আহি নিজে নিজে ধৰা দিয়া বন গাহৰিটো একে ঘাপতে কাটি ধৰাশায়ী কৰি সি আজি কেবাঙৰ চৰ্ত জিকি অনাসায়ে খালেঙক নিজৰ কৰি ল'ব পাৰিলেহেতেন, কিন্তু তাকে

নকৰি মিং কঙে গাহৰিটো মৌলৈ এৰি মোৰ অদেখাত মোৰ বুকুলৈ বুলি খাপ পিটি থকা নৰখাদকটোলৈ দাখন মাৰি পঠিয়াই তাক লক্ষ্যভ্রষ্ট নকৰাহেতেন আজি মই চিৰাচিৰ হোৱা মৃতদেহ এটা হৈ থাকিলোহেতেন। ৰাইজসকল, মোৰ এই জয়, মই মিং কঙক অর্পণ কৰিলোঁ, খালেঙকো মই সকলো বান্ধোনৰ পৰা মুক্ত কৰিলোঁ। মাননীয় কেবাং, হাতযোৰ কৰি প্ৰাৰ্থনা কৰিছোঁ, মিং কং আৰু খালেঙক এক হ'বলৈ দিয়ক।... মিং কং আৰু খালেঙৰ বিয়াখনৰে মোক মোৰ ঋণ পৰিশোধ কৰাৰ সুযোগ দিয়ক।

কঁপা কঁপা মাতেৰে কথাখিনি কৈ শেষ কৰাৰ পিছত তাপিৰে হাতযোৰ কৰি কেবাঙৰ ওচৰত আঁঠু ল'লে। গছৰ পাত এটি পৰিলেও কানত বাজি উঠা নিঃশব্দতা এটি কেইমুহূর্তমানৰ বাবে কেবাঙৰ মজিয়াত বিয়পি থাকিল। আচলতে চাগে ৰাইজ বিবুধিত পৰিল, কাৰ বাবে আনন্দ কৰিব, কোনজনাক বেছি প্ৰশংসা কৰিব, কোনজনাৰ ত্যাগক মহান বুলি সম্বোধিত কৰিব।

বিবুধিত পৰিল মিং কং আৰু খালেঙো। আহি যেন দুয়োৰে চকুতে সোমাই পৰিল। বৈ যাব দিলেহেতেন সমস্ত ভাগৰবোৰ, পাহাৰীয়া নিজৰাত বাৰিষাৰ ঢল হৈ নমা সমস্ত পানীবোৰ কেবাঙখন সন্মুখত নথকা হ'লে দুয়ো দুয়োৰে বুকুত মুখ গুজি বিচ্ছেদৰ আশংকাই প্ৰতিপলে ৰঙা চকু দেখুৱাই থকা দুঃসহ সময়ৰ ভয় লগা সপোনবোৰ আৰু মোকলাই দিলেহেতেন অ'তদিনে গালেৰ খোজনিত সযতনে লৈ ফুৰা সাচতীয়া মৰমবোৰ।...

অৱশেষত খালেং আৰু মিং কঙৰ পৱিত্ৰ প্ৰেম জয়ী হ'ল। মিৰেমত পোন প্ৰথমবাৰৰ বাবে এটি নতুন কাহিনী ৰচিত হ'ল, আওপুৰণি প্ৰথা এটিক খুব কৌশলৰে আঁতৰাই ৰাখি নৱ-প্ৰজন্মৰ নতুন চিন্তাধাৰাক কেবাঙৰ মজিয়াত আকোঁৱালি লোৱা হ'ল, কেৱল প্ৰতিষ্ঠাৰ গৌৰৱত অন্ধ হৈ নাথাকি মানৱতাক সন্মান দি তাপিৰৰ দৰে অবাধ্য ডেকা এজনো ত্যাগৰ আদর্শৰে মহান হ'ল আৰু খালেং আৰু মিং কঙৰ নিষ্পাপ পানী হৈ বৈ থাকিল, বৈ থাকিল শালগছৰ বতাহ হৈ, ফুলি থাকিল সেউজীয়া হৈ জিলিকি থকা এডৰা তজবজীয়া ঝুমথেতি হৈ।

পাহাৰুৱা প্ৰেমৰ পলসুৱা কাহিনী বন-নিজৰাৰ চস্থল।

(অলপ আত্মকথা ঃ 'মিৰেমৰ বুকুত পলসুৱা প্ৰেম) কাহিনীটো আজিৰ পৰা বহু বছৰ পুৰণি 'আদি' সমাজৰ পটভূমিত সজাই তুলিবৰ চেষ্টা কৰা এটি সম্পূর্ণ কাল্পনিক প্ৰেমকাহিনী মাথোঁ। জীৱনৰ সিংহভাগ অৰুণাচলৰ পাহাৰে-ভৈয়ামে পাৰ কৰা মোৰ পূজনীয় বাবা (শহুৰ)ৰ অভিজ্ঞতাৰ চকুৰে জুমি চাব খোজা সেই দিন সেই সমাজৰ ছৱিখন ফুটাই তুলিব খোজোতে ৰৈ যোৱা অনিচ্ছাকৃত ভুল-ভ্ৰান্তিৰ বাবে পাঠকৰ ওচৰত আগতীয়াকৈ ক্ষমা প্ৰাৰ্থনা কৰিলোঁ। লগতে শ্ৰদ্ধাৰ মলিন মজুমদাৰ ককাইদেউলৈ মোৰ অশেষ ধন্যবাদ থাকিল।)

গল্পটোত ব্যৱহাৰ হোৱা কেইটিমান 'আদি' শব্দৰ অসমীয়া অর্থ

গাম ঃ গাঁওবুঢ়া
আমান ঃ উপহাৰ
একুম ঃ চাংঘৰ
টুংগু ঃ চাংঘৰৰ প্ৰথম ভাগ
আবু, আনে ঃ দেউতা, মা
নানে ঃ খুড়ী
চলুঙ ঃ আদিসকলৰ প্ৰধান উৎসৱ
কেবাং ঃ আদি সমাজত বিচাৰৰ বাবে গঠন কৰি দিয়া এটি অনুষ্ঠান
মিমি ঃ বাইদেউ
আবিং ঃ ককাইদেউ
যায়ি ঃ জ্যেষ্ঠজনক কৰা সম্বোধন
মামো ঃ নবৌ
গালে, গালুপ ঃ আদি সমাজৰ স্থানীয় সাজপাৰ

লেখকৰ ঠিকনা বাংগালুৰু
ফোন নং ঃ ৯৫৯৯৯৬২০০৪



তোমাৰ নীলিম কথাৰ দৰে...

■ সংগীতা গগৈ

এই ৰিক্ত বুকুতে বাসনা চলিলা
মোৰ তেজে তেজে শিৰে শিৰে
কেৱল প্ৰেমৰ অলকানন্দা...

গানটোৰ প্ৰতিটো শব্দই তাইক সতেজ কৰি তোলে। কঁহুৰাৰ হাতখন পিটিকি পিটিকি তাই ভাবে —কিমান যন্ত্ৰণাৰ অন্তত এই স্পৰ্শ, কিমান প্ৰাৰ্থনাৰ অন্তত এই উশাহ, কঁহুৰাই তাইক নতুনকৈ জীৱন দিলে। তিল্‌তিলকৈ মৰিবলৈ ধৰা তাইক সকলো যন্ত্ৰণাৰ পৰা সকাহ দিলে। গাখীৰ খাই নিৰ্ভয়ে টোপনিৰ কোলাত থকা তাইক বুকুখনত হেঁচা মাৰি ধৰিলে। কণমানি মুৰটোত হাত বুলাই তাই মাথোঁ বিৰ্‌বিৰালে 'মোৰ সোণ তোমাক মই সকলো অপশক্তিৰ পৰা আঁতৰত ৰাখিম।' তোমাক মই মানুহ কৰিম সোণ, মাৰ দৰে জীয়াতু ভুগিব তোমাক মই নিদিওঁ। তোমাৰ বাবেই মই প্ৰতিটো পল জীয়াম, মোৰ জীউজনী।

ঘৰখনৰ তাই ডাঙৰ ছোৱালী। জন্মৰ পিছৰে পৰা কেৱল ত্যাগ কৰিবলৈহে শিকোৱা হৈছিল তাইক। দেউতাকৰ সৰু চাকৰিটোৰে পাঁচজনীয়া পৰিয়ালটো চলিবলৈ বৰ কঠিন আছিল। তথাপি মাকে ঘৰখন বৰ আটোলতোলকৈ ৰাখিছিল। ল'ৰা-ছোৱালী তিনিটাক পৰাপক্ষত বৰকৈ অভাৱ অনুভৱ কৰিব দিয়া নাছিল। কিন্তু তাইক সদায় কৈছিল 'কুঁৱলী তই ঘৰৰ ডাঙৰ ছোৱালী, মা-দেউতাৰ অৱস্থা আৰু ভাইটী-ভণ্টিহঁতৰ ভৱিষ্যতৰ কথা চিন্তা কৰিব লাগিব। কেতিয়াবা যদি তই প্ৰয়োজনীয় বস্তুটোও নাপাৱ অভিমান নকৰিবি। তোৰ ভৱিষ্যৎ বহুত ভাল হ'ব।' সেই আশ্বাসতেই তাই ডাঙৰ হৈছে। নিজে নাখাইও পল আৰু পলীৰ জীৱনৰ কথা চিন্তা কৰিছে। নিজৰ নাথাকিলেও সিহঁতৰ বাবে সৰ্বস্ব ত্যাগ কৰিছে। সৰুৰে পৰা তাই মনৰ কথাবোৰ মুকলিকৈ কাৰোৰে আগত ক'ব পৰা নাছিল। নিজৰ মাজতেই সকলোবোৰ সামৰি-সুতৰি ৰাখিছিল। মাক-দেউতাকৰ কষ্টবোৰে তাইক বৰকৈ দহিছিল। পঢ়া-শুনাতেই ভাল কৰি তাই কিবা এটা কৰাৰ সপোন দেখিছিল। অভাৱ-অনাটনবোৰ নাইকিয়া কৰি মাথোঁ ঘৰখনত পোহৰ কৰোৱাটোৱে তাইৰ জীৱনৰ লক্ষ্য আছিল।

তিনিওটা ল'ৰা-ছোৱালী পঢ়া-শুনাত ভাল আছিল। অঞ্চলটোত সকলোৱে সিহঁতক চোকা ল'ৰা-ছোৱালীকেইটা বুলিয়েই সম্বোধন কৰিছিল। মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট তাই কষ্ট কৰাৰ ধৰণেৰেই পাইছিল। ঘৰৰ ওচৰৰ হায়াৰ ছেকেণ্ডাৰী স্কুলখনতে দেউতাকে নামভর্তি কৰি দিছিল। কলেজত পঢ়ুৱাবলৈ টকাৰ অভাৱ তাতে আকৌ ভায়েক ভনীয়েককেইটাও সামান্য ডাঙৰ হৈ আহিছে। তাই কোনোদিনেই মাক-দেউতাকৰ কথাত প্ৰতিবাদ কৰিব লাগে বুলি ভবা নাছিল। দ্বিতীয় বৰ্ষত পঢ়ি থকা সময়তে মাক টান নৰীয়াত পৰিল। ঘৰখন হঠাতে অচল হৈ পৰিল। দেউতাকে মাকক লৈ গুৱাহাটী পালেগৈ। বহু দিন তাতে থাকিব লগা হ'ল। ভায়েক-ভনীয়েক দুটাৰ পঢ়া-শুনা, খোৱা-বোৱা সকলোতে তদাৰক কৰি কৰি পঢ়া-শুনা কৰিবলৈ তাই সময় নোপোৱা হ'ল। ইফালে পৰীক্ষাও ওচৰ চাপিছে। ডক্টৰেও কৈছে মাকৰ চিকিৎসা অলপ দীঘলীয়া হ'ব। সাঁচতীয়া টকাও লাহে লাহে শেষ হৈ আহিবলৈ ধৰিছে। ইমান সমস্যাৰ মাজত তাই পৰীক্ষাত বহিল। পৰীক্ষা দিয়েই ওচৰৰে কম্পিউটাৰ দোকান এখনত তাই সোমায় ল'লে। যিকেইটা পইচা পায় তাৰে যাতে ঘৰখনক অলপ হ'লেও সকাহ দিব পাৰে।

টকাৰ অভাৱৰ বাবেই এদিন দেউতাকে মাকৰ মৃত শৰীৰটো লৈ উভটি আহিল। ঘৰখনৰ বাবে গোটেই পৃথিৱীখনেই স্তব্ধ হৈ গৈছিল সেইদিনা। মাক নাইকীয়া ঘৰখনত তায়ে সকলোৰে দায়িত্ব মূৰ পাতি লৈছিল। বাৰে বাৰে নিজৰ ওপৰতে আফচোচ হৈছিল। আজি সিহঁতৰ পইচা থকা হ'লে মাকক মৃত্যুৰ মুখৰ পৰা বচাব পাৰিলেহেঁতেন। ঘৰখনত গোটেইকেইটা প্ৰাণী সুখী হৈ থাকিলেহেঁতেন। তাই সেইদিনা পণ লৈছিল এই ল'ৰা-ছোৱালী হালক মানুহ কৰিব। তাৰ পিছত তাই আৰু নিজৰ কথা ভবা নাই। মাক নোহোৱা হোৱাৰ দিনৰে পৰা দেউতাকো ভাবুক হৈ পৰিল। কোনো কাম-কাজৰ প্ৰতি দেউতাকৰ মন-কান নোহোৱা হ'ল। অকালতে বৃদ্ধ হোৱা দেউতাক সৰু ল'ৰা এটাৰ দৰেই হৈ পৰিল। বহু কষ্টেৰে তাই ঘৰখন জীপাল কৰিবলৈ চেষ্টা কৰিলে। তায়ো ইংৰাজীত অনার্চ লৈ বি এত নামটো লগাই ল'লে। নিজৰ সপোনটোও ধিমিক ঢামাককৈ অন্তৰত জ্বলি থাকে। ৰিজাল্ট মনে বিচৰা ধৰণৰ হোৱা নাছিল যদিও বেয়া হোৱা নাছিল। পল আৰু পলীয়েও মেট্ৰিক পৰীক্ষাত অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছিল। অতি কষ্টেৰে ঘৰখনক আটোমটোকাৰিকৈ ৰাখিবলৈ তাই যৎপৰোনাস্তি চেষ্টা কৰিছিল। পল আৰু পলীয়েও তাইক অভিভাৱক দৰেই জ্ঞান কৰিছিল। বায়েকে দেখুৱাই যোৱাৰ পথেৰে মাথোঁ আগবাঢ়ি গৈছিল যাৰ বাবে হায়াৰ ছেকেণ্ডাৰীত অসমৰ ভিতৰতে স্থান পাবলৈ সক্ষম হৈছিল দুয়োটাই। তাইৰ বুকুখন সেইদিনা গৰ্বত ফুলি উঠিছিল। মাকক গৰ্বেৰে কৈছিল— 'চোৱা মা তুমি যেনেদৰে বিচাৰিছিলা তেনেদৰেই মই সিহঁতক গঢ় দিম।' দুয়োটাই মেডিকেলত চীট পায় যোৰহাট মেডিকেল কলেজৰ হোষ্টেললৈ ৰাওনা হৈছিল। ভগ্ন

হৃদয়েৰে সিহঁতক বিদায় দি মাথোঁ কৈছিল— জীৱনৰ লক্ষ্যৰ পৰা পথভ্ৰষ্ট নহবি একো চিন্তা নকৰাকৈ মাথোঁ তহঁতি আগুৱাই যা। আনন্দবোৰ ভগাই ল'বলৈ দেউতাক যেন অপৰাগ আছিল। কেৱল সিহঁতৰ মুখকেইখনলৈ থৰ হৈ চাই আছিল। শূন্য হৈ পৰিছিল ঘৰখন। ব্যস্ততা আৰু দায়িত্বই তাইক লাহে লাহে পৰিপক্ক কৰি তুলিছিল। পঢ়া, ঘৰখনৰ দায়িত্ব সকলোবোৰৰ মাজতো মনটো কেতিয়াবা উৰুঙা উৰুঙা লাগিছিল। অৱশেষত তাই ভালদৰে স্নাতক ডিগ্ৰী লাভ কৰিলে। উৰুঙা সময়বোৰ কিতাপৰ মাজতেই ডুবি থাকিব পাৰিব বুলি তাই পুণৰ এম এত নাম লগাই ল'লে। আজিকালি দেউতাকৰো সাৰথি বিচনাখনে। একেবাৰেই কথা-বতৰা নাপাতে মাথোঁ কিবা চিন্তা কৰি অহৰহ বিচনাখনত পৰি থাকে। অনবৰতে মাকে আৱৰি ৰখা মানুহটোৰ এই অৱস্থাটো দেখিলে বুকুখন দহি-পুৰি যায় তাইৰ। পল আৰু পলী আহিলে ঘৰখন জীপাল হৈ পৰে আৰু সিহঁত যোৱাৰ পাছত মৰিশালীৰ দৰে নিস্তব্ধতা। জীৱনৰ নিস্তব্ধ বাটত এদিন হঠাতেই তাইৰ জীৱনলৈ আহিল আলোক। কৰ্তব্যই কোঙা কৰা হাতখন মৰমৰ পৰশে নিমিষতে জীপাল কৰিলে। মনৰ দুঃচিন্তা, বোজাবোৰ পাতলাবলৈ এখন কান্ধ পাতিছিল তাই। অত্যন্ত গহীন-গম্ভীৰ, ব্যক্তিত্ব সম্পন্ন আলোকক পায় তাইৰ হৃদয়ত সেউজীয়া নামি আহিছিল। বিশ্বাস, মৰম, অভিমানেৰে সময়বোৰ ৰাঙলী হৈছিল। দেউতাকক কৈছিল তাই আলোকৰ কথা। বুজা-নুবুজা দৃষ্টিৰে মাথোঁ চাইছিল। মাকক কৈছিল তাইৰ জীৱনৰ বাট ৰঙা ফুলেৰে কেনেকৈ সজাই তুলিছে আলোকে। পল আৰু পলীয়েও আনন্দত কুঁৱলীৰ সিদ্ধান্তক সমর্থন জনাইছিল। সঁচাকৈ আলোকক তাইৰ জীৱনৰ নিৰৱ-নিথৰ সময়বোৰ উপচাই পেলাবলৈ যেন ভগৱানেই পঠিয়াইছিল।

এদিন হঠাতে দেউতাক বিচনাতে অচেতন হৈ পৰিল। চিঞৰি চিঞৰি মাতি একো সাৰসুৰ নাপায় আলোকক ফোন কৰি মাতিলে আৰু ওচৰতে থকা হাস্পতালখনলৈ লৈ গ'ল। হাস্পতালত ডক্টৰে পালচ চাই দেখিলে দেউতাকে ইতিমধ্যেই মৃত্যু হৈছে। পল আৰু পলীকো খবৰ দিয়া হ'ল। উকা-উৰুঙা ঘৰখন আকৌ নিশব্দ হৈ পৰিল। সকামলৈকে মানুহৰ আহ-যাহ হৈ-হাল্লা, চিঞৰ-বাখৰে অলপ হ'লেও দুখবোৰ পাহৰাই ৰাখিছিল। আলোকেও এইকেইদিন ঘৰৰ ল'ৰাৰ দৰেই সকলো কাম-কাজত তাইক সহায় কৰিছিল। সকাম শেষ হ'ল ঘৰখনত আকৌ নিমাওমাও পৰিৱেশ। পল আৰু পলীৰো হোষ্টেল যোৱাৰ সময় আহিল। যাওঁতে মাথোঁ পলীয়ে আলোকক কৈ গ'ল 'বাই দেউক চাব ভিনদেউ'। আলোকেও তাইক নিশ্চয়তা প্ৰদান কৰিলে।

জীৱনৰ ধুমুহাত বিধ্বস্ত তাইৰ একো কৰিবলৈ মনত হাবিয়াস নাই, মনটো অহৰহ উকা উকা, বুকুখনত অদ্ভুত এটা দুখে অনবৰতে হেঁচা মাৰি ধৰি থাকে। আলোক আহে বাৰে বাৰে তাইক সাহস দিয়ে।

এদিন তাই আলোকৰ চকুলৈ চাই কৈছিল— 'মোক লৈ ব'লা, মই নোৱাৰা হৈ গৈছো আৰু যুঁজিব।' হুকহুকাই হাতযোৰ কৰি কান্দিছিল তাই। খন্তেক সময় কাৰোৰে মাতবোল নাই। আলোকে তাই মুখখনত আলফুলে হাত বুলাই কৈছিল ব'লা।

তাই মাথোঁ নিৰৱে দুটামান কাপোৰ আৰু কিতাপ বুকুত বান্ধি মাক-দেউতাকক সেৱা কৰি আলোকৰ পিছে পিছে ওলাই গৈছিল।

আলোকে তাইক সোণাৰী গাঁৱৰ ঘৰখনলৈ লৈ গৈছিল, গৈয়ে তাই জীৱনত আকৌ অন্য এক পৰিস্থিতিৰ সন্মুখীন হৈছিল। আলোকৰ ঘৰখনে তাইক স্বীকাৰ কৰিবলৈ মাস্তি হোৱা নাছিল। নানা ধৰণৰ তীর্যক কথা-বতৰাৰে তাইক থকা সৰকা কৰিছিল। আলোকে মাথোঁ হাতত ধৰি তাৰ ৰুমলৈ লৈ গৈছিল আৰু তাইক বুজাইছিল— 'কুঁৱলী সময়ৰ লগে লগে সকলোবোৰ ঠিক হৈ যাব। ধৈর্য ধৰি নিজৰ লক্ষ্য আগত ৰাখি মাথোঁ আগুৱাই যোৱা। মই আছো তোমাৰ লগত।'

আকৌ এখন যুঁজ! এইবাৰ তাইৰ লগত আলোক আছে, সেয়ে তাই যুঁজিবলৈ সাজু হ'ল। পুনৰ পঢ়া-শুনাৰ বাবে লিখা-মেলাত নিজকে ব্যস্ত ৰাখিলে তাই। নেট, স্লেটৰ বাবে প্ৰস্তুতি আৰম্ভ



কৰিলে। JRF পোৱাৰ দিনা আলোকে তাই জোৰকৈ সাৱটি ধৰি কৈছিল— 'তুমি পাৰিবা মোৰ সোণজনী, তুমি পাৰিব লাগিব।' ভাল নম্বৰসহ স্নাতকোত্তৰ পৰীক্ষাত উত্তীর্ণ হৈ ওচৰৰে কলেজ এখনত ঠিকাভিত্তিক পদ এটাত তাই যোগদান কৰিলে। ঘৰুৱা অশান্তিবোৰ বাঢ়ি গ'ল যদিও ব্যস্ততাবোৰে মনটো সুখী কৰি ৰাখিবলৈ চেষ্টা কৰে। কিন্তু আজিও ঘৰখনে তাইক আকোঁৱালি ল'ব নোৱাৰিলে। নতুন নতুন ধৰণে তাইক মাথোঁ কেনেদৰে কষ্ট দিব পৰা যায় তাকে কৰিবলৈ তেওঁলোক উঠি পৰি লাগিল। কেতিয়াবা কান্দে যদিও তাই আলোকক নকয়। ইমান নির্মল মনৰ মানুহটোক কেনেকৈ দুখ দিয়েনো তাই। কথাবোৰ নিজৰ মাজতেই সামৰি সময়ে সকলো ঠিক কৰিব ভাবি তাই আগুৱাই যায়। ঘৰখনে দিয়া বিষ আলোকৰ মৰমত অমৃতৰ দৰে গলাধকৰণ কৰে তাই। তাইক হতাশ হ'ব নিদিয়াকৈ স্থিতপ্রজ্ঞ হ'বলৈ শিকাইছে আলোকেই। তাইৰ জীৱনতো এদিন সুখৰ এজাক বতাহ বলিব!

ক্লাছ এটা কৰি কমনৰুমত অলপ বহিছিল, হঠাতে এটা ফোন আহিল—

ঃ হেল্ল' তুমি কুঁৱলী নেকি?

ঃ হয় কোনে কৈছে?

ঃ মই বৰুৱা চাৰিআলিৰ পৰা কৈছো ইয়াত এটা এক্সিডেণ্ট হৈছে। মানুহজনৰ বেগত থকা এখন ফটোৰ পিছফালে এই নম্বৰটো পায় ফোন কৰিলো। আপুনি ততালিকে যোৰহাট মেডিকেললৈকে আহক।

তাইৰ মূৰটো আচন্তাই কৰিলে মুখেৰে বিৰবিৰালে ভগৱান তুমি যদি আলোকক লৈ যোৱা তেন্তে মই তোমাক কেতিয়াও ক্ষমা নকৰিম।

বলীয়াৰ দৰে কলেজৰ পৰা ওলাই পলক ফোন কৰিলে 'পল ভিনদেউতো হাস্পতালত আছে, চাচোন কি হৈছে, মোক মোৰ উশাহটো কাঢ়ি নিব নিদিবি পল'।

মেডিকেলত গৈ পোৱাৰ পিছত ইমাৰজেন্সি ৰুমত তাই পাগলৰ দৰে আলোকক বিচাৰি ফুৰিছে। মুমুর্ষ অৱস্থাত পৰি থকা আলোকক দেখি দৌৰি সাৱটি চিঞৰিলে— 'উঠা মোৰ সোণ, তুমি মোক প্রমিজ কৰিছিলা, জীৱনৰ শেষ উশাহলৈ একেলগে থাকিম বুলি, এতিয়া তুমি নিশ্চুপ হৈ থাকিলে নহ'ব মোৰ সোণ।'

পলীয়ে দৌৰি আহি তাইক জোৰেৰে সাৱটি কাণে কাণে ক'লে 'Sorry বা'। কুঁৱলীয়ে মাথোঁ মুখেৰে বিৰবিৰাইছে— মোকো লৈ যোৱা আলোক। তাই যেতিয়া সম্বিত ঘূৰাই পালে পল আছিল তাইৰ কাষত। বহিবলৈ চেষ্টা কৰি পলক কৈছিল— 'ভগৱান আছেনে পল, আছে যদি ইমান নিষ্ঠুৰ কিয়? মোৰ আৰু কিমান পৰীক্ষা ল'ব ভগৱানে?' পলক সাৱটি বহু সময় উচুপি উচুপি আকৌ অচেতন হৈ গৈছিল কুঁৱলি। আবেলি সাৰ পাই তাই পলক

ফোনটো আনিবলৈ কৈছিল। ফোনটোৰ screen অত আলোকৰ হাঁহিটো দেখি আকৌ বুকুখন হাহাকাৰ কৰি উঠিল। whatsappটো খুলি আলোকৰ পুৰণি মেছেজবোৰ চালে। তাৰ অন্তিমটো মেচেজ বাৰে বাৰে পঢ়িছিল— 'কুঁৱলী মই কেতিয়াবা বহুত ভাগৰুৱা, অনুভৱ কৰো, মই যেন কেৱল সকলোকে অসুখী কৰি তুলিছো। ঘৰখনত বাঢ়ি অহা সংঘাতবোৰে মোক বৰ অসহায় কৰি তোলে।' এফালে মাহত এফালে তুমি মই সকলোকে ভালপাওঁ। সকলোৰে লগত একেলগে জীয়াব খোজো, হাঁহিব খোজো জীৱনৰ প্ৰতিটো দিন উদ্‌যাপন কৰিব বিচাৰো, মই কি কৰো কোৱা?

তাই তেতিয়া ক্লাছত আছিল। চমুকৈ উত্তৰ দিছিল তাই 'ৰাতি কথা পাতিম'।

সেই ৰাতিটো আৰু কেতিয়াও নাহে। মনত এসোপা দুখ অভিমান লৈ আলোক গুচি গ'লগৈ। তাৰ বাবে বাৰু তায়ে জগৰীয়া নেকি?

হাস্পতালতে তাই জীৱনৰ আটাইতকৈ ডাঙৰ খবৰটোও পালে তাই অন্তঃসত্তা 'জীৱন আৰু কিমান ৰং সলাবা, কিমান যন্ত্ৰণা ছটিয়াবা' তাইৰ মনৰ অৱস্থাটো তাই নিজেই নাজানে। খবৰটো শুনি ভাল লাগিছে নে দুখ লাগিছে। নিৰ্বাক স্পন্দনহীন তাইৰ দৃষ্টি। হাস্পতালৰ পৰা Dicharge দিয়াৰ পাছত তাই পল আৰু পলীক লৈ আলোকৰ ঘৰলৈকে গৈছিল কিন্তু তেওঁলোকে তাইক প্ৰৱেশ কৰিবলৈ নিদিলে। সেইখন ঘৰৰ তাইৰ বাবে দৰ্জা চিৰদিনৰ বাবে বন্ধ হ'ল। বহু কটু কথা শুনালে সিহঁতক সকলোৱে অৱস শৰীৰ আৰু মনেৰে পলক ক'লে—ব'ল ঘৰলৈকে লৈ ব'ল মোক। ঘৰখনৰ নিৰ্জনতাখিনি সেইদিনা তাইৰ ভাল লাগিছিল। হেপাহ পলুৱাই মাথোঁ কান্দিছিল। 'কিয় মা-দেউতা, কেৱল যন্ত্ৰণাবোৰেৰে থকা-সৰকা কৰিবলৈ মোক জন্ম দিছিলা' উচুপি উচুপি এটা সময়ত শুই গৈছিল তাই। পল আৰু পলীৰ বুজনিত পেটৰ সন্তানৰ তাড়নাত নিজকে সংযম কৰিছিল। ভালে থাকিব লাগিব তাই। আলোকে দি যোৱা সন্তানক তাই কষ্ট দিব নোৱাৰে। মোবাইলটোত এটা গান বজাই পেটটো স্পৰ্শ কৰি তাই বিৰবিৰালে 'আলোক মোৰ হৃদয়ত তোমাক চিৰকাল পোহৰাই ৰাখিম মোৰ সোণ'

'তোমাৰ নীলিম কথাৰ দৰে
সপোন ৰাতি অকলশৰে
তোমাৰ নীলিম কথাৰ দৰে
বকুল বনত সুৱাস আনে'
গানটো বৰ প্ৰিয় দুয়োৰো।

আকৌ কলেজলৈ যাবলৈ আৰম্ভ কৰিলে তাই। পল আৰু পলীয়েও হোষ্টেল এৰি বায়েকৰ লগত থকাৰ সিদ্ধান্ত ল'লে। এই সময়খিনিত বায়েকক প্ৰয়োজন সিহঁতৰ। অভিভাৱকৰ দৰেই প্ৰতি মুহূৰ্তত তাইক আৱৰি ৰাখিছে। নীৰৱ নিশাবোৰহে কেৱল নাযায় নুপুৱাই যেন লাগে তাইৰ। বুকুখনে বৰকৈয়ে হাহাকাৰ কৰি উঠে। মাথোঁ শুনে তাই

'বাটৰে শেষতে বাট চাও তোমালে
লৈ যোৱাহি আজি তোমাৰ বাটেৰে'

কিয় কিয় কিয় আলোক? ৰংবোৰ ছটিয়াই ৰঙহীন কৰি পেলালে।

লাহে লাহে সময় আহি পালে। ভগৱানক তাই একো কোৱা নাই। ভগৱানৰ ওপৰত আস্থা তাই কেতিয়াবাই হেৰুৱাই পেলাইছে। অপাৰেচন ৰূমত সোমোৱাৰ পূৰ্বে মাথোঁ কৈছিল 'আলোক তুমি আহা, তোমাক মই বৰ আলফুলেৰে ৰাখিম।'

তাইৰ এজনী ছোৱালী হোৱাৰ খবৰটোৱে মনটো জোকাৰি পেলালে। চকুৰে টপটপকৈ আনন্দৰ বন্যা নিগৰিল। 'কঁহুৱা' তাইৰ নাম হ'ব কঁহুৱা। আলোকৰ দৰেই নিৰ্মল, নিস্পাপ। সুখী তাই আজি। আলোকে দি যোৱা উপহাৰেৰে সমৃদ্ধ তাইৰ জীৱন।

'আহিবা আকৌ সেই বাটেৰে সজাবা সু�ৰৰ মেলা
অনুভৱ মোৰ তুমি অপৰূপা প্ৰেৰণাৰ চিত্ৰলেখা'।

লেখকৰ ঠিকনা বাংগালুৰু



চুক্তি

■ পৰিস্মিতা বৰদলৈ

কলচীয়া বৰণ লোৱা পানীখিনিৰ সৈতে তাইৰ চুলিৰ কজলা বৰণ মিলি এক অনন্য ৰঙৰ উৎপত্তি হৈছে। তাইৰ দুচকুত প্ৰতিবিম্বিত হৈছে নীলা আকাশ আৰু সমগ্ৰ পৰিৱেশটোৰ পাৰিপাৰ্শ্বিকতা। মাটিৰ ওপৰলৈকে শিপা ওলাই থকা গছজোপাৰ গাত ভেজা দি আছে

তাই। তাইৰ মেলা চুলিতাৰি, তাই আউঁজি থকা গছজোপা আৰু গছজোপাৰ কাষেৰে বৈ যোৱা নৈখন এই সকলো মিলি এক সুন্দৰ পৰিৱেশ। তাইলৈ একেথৰে চাই আছো মই আৰু তাই মোলৈ। তাইৰ দুচকুত মেঘ। চপৰাচপৰে যেন মেঘবোৰে তাইৰ দুচকুত প্ৰতিবিম্বিত আকাশেৰে চলাচলহে কৰিবলৈ লাগিছে। ইমান কাৰুণ্য ইমান কাতৰতা আজিলৈকে ক'তো দেখিবলৈ পোৱা নাই যি তাইৰ দুচকুত আজি ভাঁহি উঠিছে। যেন এক আকুতি এক আকুলতা, যিয়েই শালি পেলাব খুজিছে মোৰ অভ্যন্তৰ। মোৰ আজি নিজৰে বিশ্বাস নহয় যে মোৰ বাবেই যাৰ জন্ম বুলি মই নিজকে পতিয়াই থাকিছিলো অহৰহ, যাৰ প্ৰতি অংগে অংগে কৱল মোৰেই হাতৰ স্পৰ্শ থকাৰ অংগীকাৰ কৰিছিলো, আজি তেওঁকে মই আনৰ হাতত নিজহাতে অৰ্পণ কৰিবলৈ ওলাইছো। কেনে কাঠচিতীয়া অন্তৰ মোৰ!

উস্! অসহ্যকৰ! তাতোতকৈও অসহ্যকৰ তেওঁৰ এই সংগ, তেওঁৰ এই কাতৰ চাৱনি আৰু অনুনয় মিশ্ৰিত আবেদন। কিয়নো এক মুহূৰ্তৰ বাবেও যেন মই তেওঁক এৰি থাকিব নোৱৰা হৈছো অথচ তেওঁৰ সংগই চিৰদিনৰ বাবে পৰিত্যাগ কৰিবলৈ মই আজি বাধ্য। উস্ কেনে শ্বাসৰুদ্ধকাৰী পৰিস্থিতি এয়া।

ঃ শুনাচোন।

ঃ কোৱা।

ঃ মোক সঁচাকৈয়ে আনৰ হাতত গতাই দিবা তুমি।

ঃ তুমি সকলো জানাই দেখোন।

ঃ মই সকলো জানো সৃজন। কিন্তু সকলো জানিও মই বুজাও কিদৰেনো নিজক।

ঃ তুমিতো মোৰ আত্মা, মোৰ প্ৰাণ গতিকে তুমি নুবুজিলে কেনেকৈ হ'ব কোৱা।

ঃ তুমি আনৰ হাতত গতাই দিবলৈকে মোক ইমান কষ্টেৰে গঢ়িলা কিয়? মোৰ কি আছিল। মই শূন্য আছিলো। একোৱেই নাছিলো। তুমি তোমাৰ হাতৰ পৰশেৰে তোমাৰ ৰক্ত, ঘাম আৰু হৃদয়ৰ সমস্ত শক্তিৰে মোক কিয় তুলি ধৰিলা। যদিহে মোৰ স্থান তোমাৰ সৈতে নাছিলেই।

ঃ মইযে জনা নাছিলো প্ৰিয়ে যে তোমাক এদিন এনেকৈ আনৰ হাতত তুলি দিবলগীয়া হ'ব।

ঃ মোক যদি তেওঁ অনাদৰ কৰে তোমাৰ বেয়া নালাগিব?

ঃ তোমাক তেওঁ মোতকৈ বহু বেছি আদৰ কৰি ৰাখিব। তোমাৰ যতন ল'ব। তোমাৰ মোল বুজিব। তেওঁ মোৰ দৰে নহয় যি তোমাৰ মোল বুজিও মূল্য দিব নাজানিলো।

ঃ কিন্তু তোমাৰ সংগত থকাটো, তোমাৰ দুহাতৰ স্পৰ্শ লাভ কৰি থকাটোৱেই যে মোৰ বাবে অমূল্য ৰতন যাৰ ওচৰত চৰাচৰ জগতৰ অৰ্বুদ বৈভৱ মূল্যহীন।

ঃ মই এই সকলো বুজো কিন্তু ময়ো নিৰুপায়। মই বাধ্য।

ঃ মই কি ইমানেই মূল্যহীন তোমাৰ ওচৰত যে আজি বিনাদ্বিধাই তুমি বেলেগৰ ওচৰত সঁপি দিবলৈ ওলাইছা। তোমাৰ কি হিয়া এবাৰ নকঁপিল এনে কৰিবলৈ?

ঃ তোমাৰ মূল্য আছে বাবেইতো এনে কৰিবলৈ ওলাইছো সোণজনী। তোমাৰ পৰৱৰ্তী যি ঠিকনা হ'ব তাতে যে কিমানে তোমাৰ দৰ্শন পাবলৈ ব্যাকুল হ'ব। প্ৰশস্তিৰে ওপচাই পেলাব তোমাক আৰু তোমাৰ গৰাকীয়ে তাকে দেখি গৌৰৱত বুকু ফিন্দাই ফুৰিব।

ঃ হুহ্ গৰাকী! মোৰ একমাত্ৰ গৰাকী কেৱল তুমি। তোমাৰ বাদে বেলেগ কাৰোবাক মোৰ গিৰিহঁত বুলিবলৈকে ঘিণ লাগে। ছিঃ!

ঃ এনে কথা নক'বা মৃণ্ময়ী। মোৰ অসহায়তাক এবাৰ মাথোঁ বুজিবলৈ চেষ্টা কৰা।

ঃ নোৱাৰিম সৃজন মই বুজিবলৈ একো। তাতেকৈ যি হাতেৰে মোক তুমি গঢ় দিলা সেই হাতেৰেই মোৰ বিনাশ নকৰা কিয়। হত্যা কৰা মোক। সকলো শেষ হ'ব ইয়াতে।

ঃ সেয়াইতো মই কৰিব নোৱাৰিম। কিয়নো তোমাক কৰা ত্যাগৰ বিনিময়ত যে মই মোক গঢ় দিয়া কাৰোবাক ঘৃৱাই পাম।

ঃ কি কৈছা তুমি?

ঃ ঠিকেই কৈছো মৃণ্ময়ী তোমাক ত্যাগ কৰিলেহে মই মোৰ জন্মদাত্ৰীক ওভতাই পাম।

মোৰ মাতৃক।

সজল দুচকুৰে তাই চাই থাকে গছজোপাত আউঁজি থকাৰে পৰা একেথৰে। গছজোপাৰ ঠিক কাষেৰে বৈ যোৱা কলছীয়া বৰণ লোৱা নৈখনৰ পানীখিনি আৰু তাইৰ দুচকুৰ নীলা-কজলা জলীয়খিনিৰ মাজত একো পার্থক্য বিচাৰি নাপাওঁ মই। তেওঁৰ কাতৰ চাৱনিক সম্পূর্ণ উপেক্ষা কৰি মই গুচি আহোঁ সন্তর্পণে তাইৰ ওচৰৰপৰা। আৰু তাই মোলৈকে চায়েই থাকে আৰু চায়েই থাকে।

আই চি ইউৰ চাৰি নম্বৰ বেডত মোৰ মাতৃ প্রায় নিদ্রামগ্ন। অর্ধনিমিলিত দুচকু, শীর্ণ দুইহাত, শোঁতোৰা পৰা ছাৰ আৰু হাস্পতালৰ সেউজীয়া এপ্রনেৰে আৱৰি ৰখা অস্থি চর্মসাৰ শৰীৰটোৰ বুকুখনে ঘনে ঘনে উঠা-নমা কৰি তেওঁৰ অস্তিত্বৰ উমান দিছে। মই তেওঁৰ কাষতে বহিলো। মোৰ এখন হাত তেওঁৰ কেনুলৰ লগাই থোৱা হাত এখনৰ ওপৰত ৰাখিলো। তেওঁ যেন অলপমান লৰচৰ কৰি উঠিল। চকু দুটাৰ পতা সামান্য খোল খালে। মোৰ বুকুখন কিহবাই খুচি ধৰিলে। এইবাৰ মই নিজকে ৰখাব নোৱাৰিলো। ধাৰাসাৰে বৈ অহা অশ্রুবন্যাক ৰুধিবলৈ চেষ্টা নকৰিলো মই। এটোপাল চকুলো আহি মাৰ হাতৰ পতাত পৰিল। মই মোৰ পেণ্টৰ জেপৰপৰা ৰুমালখন উলিয়াই লগে লগে মচি পেলালো। মই জানো যে ৰোগীৰ ওচৰত এনেকৈ কন্দাকটা কৰাটো একেবাৰে সমীচীন নহয়। সকলো জানিও মই আজি নিজকে সম্ভৰণ কৰিব নোৱাৰিলো। অক্সিজেনৰ মাস্কৰ তলেৰে মাৰ ওঁঠযুৰি লৰি উঠা দেখিলো। মা কথা ক'ব নোৱৰাকৈ দুর্বল। মাৰ কপালত ময়েই হাত এখন ফুৰাই কৈ উঠিলো, 'সোনকালে ভাল হ'বি মা। মই লৈ যাম সোনকালেই তোক ঘৰলৈ।' মাৰ মুখখন পোহৰ হৈ উঠিল নে নুঠিল নাজানো কিন্তু সেয়া কৈ উঠি মই যেন নির্ভাৰ হ'লো কিছু পৰিমাণে। আই চি ইউত ৰোগীৰ ওচৰত বেছি পৰ থকাৰ অনুমতি নাই। অগত্যা মই ওলাই আহিলো। ডাক্তৰৰ কেবিনলৈ বুলি খোজ দিলো।

ঃ বৰুৱা আপুনি কি চিন্তা কৰিলে?

ঃ মই চিন্তা কৰি আছো ডাক্তৰ। আপুনি মাক যিমান পাৰি সোনকালে সুস্থ কৰি তোলক।

ঃ চাওক বৰুৱা আপোনাৰ মাৰ সুস্থতা এতিয়া ওপৰতেই নির্ভৰশীল।

ঃ হ'ব ডাক্তৰ মই মোৰ কৰিবলগীয়া সোনকালেই কৰি আছো। মাক কোনোপধ্যেই হেৰুৱাব মই নোৱাৰো। লাগিলে তাৰ বাবে যি বলিদানেই দিবলগীয়া নহওক কিয় মই দিম।

ঃ অলৰাইট মিষ্টাৰ বৰুৱা।

ঃ থেং কিউ ডাক্তৰ। আহোঁ তেন্তে।

কেবিনৰ পৰা বাষ্পাকুল চকুৰে মই ওলাই আহোঁ। মোৰ বুকুৰ ধপ্‌ধপ্‌নি যেন অনুৰণিত হয় মোৰ নিজৰ কাণতে। ধোঁৱা ধোঁৱা চকুৰ আগত অতীতৰ টুকুৰা-টুকুৰ ছবিবোৰে আহি অগাদেৱা কৰেহি। সেই যে পিতাইক হেৰুওৱাৰ পাছত আনৰ ঘৰত বনবাৰী কৰি মাই মোক স্কুললৈ পঠিয়াইছিল। নিজে নাখায়ো মোক খুৱাইছিল। জাৰৰ দিনত পুৰণা কেথাখনেৰে মোৰ গাটো ধাকি দি নিজে কুঁচিমুচি পৰি থাকিছিল। কেৱল মই লিখি-পঢ়ি মানুহ হোৱাৰ খাতিৰতে মাই অনেক কষ্ট সহিছিল। সেই মাৰ ধাৰ জানো খুজিবলৈ মই পাৰিমগৈ কোনোদিনে। ধাৰৰ কথা বাৰু তেহেলৈ থাকক, এতিয়া মাৰ যি অৱস্থা তাৰপৰা উদ্ধাৰ কৰাটোৱেই জানো মোৰ একমাত্র কর্তব্য নহ'ব। মই খোজৰ গতি বঢ়াই দিছো। সিদ্ধান্তটো ইতিমধ্যে মই লৈয়ে পেলাইছো। মাৰ বাবে কেৱল মাৰ বাবেই এই ত্যাগ মই কৰিবই লাগিব। কিয়নো মাই কৰা ত্যাগৰ তুলনাত মোৰ এই ত্যাগৰ একোৱেই নহয়।

সন্ধিয়া নামিছে ধৰালৈ। অ'ত ত'ত দুটি এটি জোনাকী পৰুৱাই তিৰ্‌বিৰ্‌ কৰিছে। আগবাঢ়িছো মই মৃণ্ময়ীৰ কাষলৈ। হয়তো এই ৰাতিয়েই তেওঁৰ সৈতে মোৰ শেষ আলাপ, শেষ সংগ আমাৰ। ওৰেতো ৰাতি আজি ৰূপোৱালি জোনাক চাই চাই কটাই দিব লাগিব আমি। হয়তো আজি মোৰ মুখৰপৰা একো কথাই নোলাব। তেওঁ হয়তো বাষ্পাকুল চকুৰে চাই ৰ'ব মোক। সেই চকুক উপেক্ষা কৰিব পাৰিব লাগিব মই। ইয়াৰ বাদে আন কিয়েইবা পথ আছে মোৰ!

একেই ভংগীমাৰে তেওঁ মোলৈ বাট চাই আছিল। মই আহি পোৱাৰ লগে লগে যেন তেওঁৰ চকু জিলমিলাই উঠিল। পৰম আশাভৰা চাৱনিৰে যেন তেওঁ মোলৈ মূৰ তুলি চালে আৰু মই তেওঁৰ সেই চাৱনি সহিব নোৱাৰি তলমূৰ কৰিলো।

ঃ আহিলাগৈ সৃজন।

ঃ (মই নিমাত)

ঃ মা কেনে এতিয়া?

ঃ একেই আছে মা (এটা হুমুনিয়াহ সৰিল মোৰ)

ঃ চিন্তা নকৰিবা সৃজন। মা ঠিক হৈ উঠিব।

ঃ এৰা!

ঃ কিন্তু তাৰ বাবে মই তোমাক এৰি যাব লাগিব নহয়?

ঃ মই নিৰুপায় মৃণ্ময়ী।

ঃ সৃজন...

ঃ ...

ঃ সৃজন শেষবাৰৰ বাবে মোক আজি তোমাৰ পৰশ দিয়া। মাত্ৰ শেষবাৰৰ বাবে আজি আহা আমি দুয়ো দুয়োতে বিলীন হওঁ। মোৰ দুহাতত কঁপনি উঠে। মই হাত বুলাই যাওঁ ক্ৰমান্বয়ে তেওঁৰ কপাল, চকু, ওঁঠত। তেওঁ সমৰ্পিত হয় মোৰ হাতৰ আঙুলিৰ মাজত আৰু মই সমৰ্পিত হওঁ তেওঁৰ মাজত। মন্ত্ৰমুগ্ধ হৈ নিশাটো তেওঁৰ সৈতে ভগাই লওঁ। কিয়নো এইটো যে আমাৰ শেষ নিশা।

মই হাস্পতাল পোৱালৈ মাক অ' টিত ভৰোৱা হৈছিল। ডাক্তৰ চৌধুৰীৰ সৈতে ইতিমধ্যেই মোৰ কথা হৈছে। দৰকাৰী ফৰমেলিটিজখিনি কৰা হৈ গৈছে। মাত্ৰ কনচেণ্ট লেটাৰত মোৰ চহীটোৰ বাবে অ'পাৰেচন কৰিবৰ বাবে ৰৈ থকা হৈছে। মৃণ্ময়ীক তেওঁৰ নতুন গৰাকীৰ ওচৰত গতাই মই লৰালৰিকৈ ওলাই আহিছো। ইতিমধ্যে চেকখন মোৰ হাতত যিখনৰ বিনিময়ত মই মোৰ মৃণ্ময়ীক হেৰুৱাই মাক ঘূৰাই পাম। অ'পাৰেচনৰ কাৰণে দৰকাৰ হোৱা টকাখিনিৰ বাবেইতো বুকুত শিল বান্ধি আজি এই ত্যাগ কৰিছো মই। নিজহাতে গঢ় দিয়া, শূন্যতাৰপৰা আৰম্ভ কৰি পূৰ্ণতা প্ৰদান কৰা মৃণ্ময়ীক আজি বেলেগৰ হাতত তুলি দিলো। মৃণ্ময়ীক মাই বৰ পচন্দ কৰিছিল। মাই মুগ্ধ হৈ চাইছিল প্ৰথম যিদিনা মাক মই মৃণ্ময়ীক দেখুৱাইছিলো। আজি মায়ে নাজানে যে মাক সুস্থ কৰি তোলাৰ বাবেই আনৰ হাতত মৃণ্ময়ীক তুলি দিয়া হ'ল। হয়তো মাই প্ৰথমে দুখ কৰিব কিন্তু পাছত যেতিয়া মই মাক বুজাই ক'ম যে যাৰ হাতত মৃণ্ময়ীক মই অৰ্পণ কৰিছো তেওঁ মোতকৈ বহুত বেছি সযতনে আৰু আদৰ কৰি ৰাখিব মৃণ্ময়ীক। কেৱল তেওঁৰেই নহয় মৃণ্ময়ীক দৰ্শন কৰিবলৈ অহা প্ৰত্যেকৰে দ্বাৰা সমাদৰ লাভ কৰিব মৃণ্ময়ীয়ে। মা ছাগে আশ্বস্ত হ'ব অলপ হ'লেও।

মৃণ্ময়ীৰ হ'বলগীয়া নতুন গৰাকী ইতিমধ্যেই সোনকালেই পাইছিলহি। মই মৃণ্ময়ীক আগবঢ়াই আনিলো আৰু বুকুত এচটা গধুৰ শিল ৰাখি গতাই দিলো ড° সুব্ৰমনিয়ৰ হাতত। সেই ড° সুব্ৰমনিয়ম যি প্ৰথম সাক্ষাততে মৃণ্ময়ীৰ প্ৰেমত পৰিছিল। মোৰ সৈতে মৃণ্ময়ীক কোনোবা এখন কৰ্মশালাত লগ পাইছিল তেখেতে আৰু সেইদিন ধৰি যেতিয়াই ফোন কৰে মোক মাথোঁ তেওঁৰে কথা সুধিছিল। মই তেওঁৰ অনুৰাগ ইতিমধ্যেই বুজি পাইছিলো কিন্তু মই যেন আওকাণ কৰিছিলো সেয়া। কিয়নো মৃণ্ময়ীৰ সৃষ্টি কেৱল মোৰ বাবেহে এই ধাৰণাকে পোহন দি ৰাখিছিলো যিহেতু বুকুৰ অভ্যন্তৰত। কিন্তু মানুহ পৰিস্থিতিৰ ওচৰত কিমান অসহায়, এই কথা মাৰ ক্ৰমাৎ বৃদ্ধি পাই অহা অসুস্থতাই মোক সদায়ে সকীয়াই থাকিল আৰু অৱশেষত মই এই সিদ্ধান্তটো ল'বলৈ বাধ্য হ'লো। অৱশ্যেই এই সিদ্ধান্তটো ল'বলৈকো মই নিজৰ লগতে অনেক যুঁজ-বাগৰ কৰিবলগীয়া হ'ল।

আজি যেতিয়া মই মৃণ্ময়ীক ড° সুব্ৰমণিয়ামৰ হাতত গতাই দিছিলো সেই মুহূৰ্তটোত বিশ্বৰ সমস্ত সাগৰ আহি যেন মোৰ দুচকুত গোট খাইছিলহি আৰু বুকুত উঠিছিল পৰ্বতসম জোঁৱাৰ-ভাটা। মৃণ্ময়ীৰ চকুত চকু থ'ম এনে সাহস মোৰ হোৱা নাছিল। হয়তো মৃণ্ময়ীৰো একেই অৱস্থা।

এয়া ৰিচেপচন কাউণ্টাৰত মই চেকখন জমা দি চুক্তিপত্ৰত চহীটো মাৰিছো। এই চহীটোৱে মোৰ মাক ঘূৰাই আনিব মৃত্যুৰ দুৱাৰদলিৰপৰা। মই চকু দুটা মুদি দিলো। মনত পৰিল মৃণ্ময়ীক শেষবাৰৰ বাবে চাই তেওঁৰ গৰাকীৰ হাতত গতাই দিবৰ পৰত যেন পৰম আকুলতাৰে তেওঁ মোক কৈছিল, 'তুমি মোক মনত পেলাবা নে নেপেলোৱা মই নাজানো। কিন্তু মই ওৰেতো জীৱন তোমাৰ নামটো মোৰ মাজত কঢ়িয়াই ফুৰিম। মৃণ্ময়ীৰ বুকুত সৃজন সদায়ে থাকিব।' এতিয়ালৈ হয়তো ড° সুব্ৰমনিয়ৰ সুসজ্জিত দেৱালৰ একোণত 'মৃণ্ময়ী'ৰ স্থায়ী ঠিকনা খোদিত হৈ গৈছে য'ত নেকি ঠিক কোণীয়াকৈ জিলিকি আছে মোৰ নাম থকা হস্তাক্ষৰটোও।



আমেৰিকাত ড° ভূপেন হাজৰিকা আৰু ড° দিলীপ কুমাৰ দত্ত

■ ড° দেৱাঞ্জন বৰঠাকুৰ

সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ১৯৪৯ চনত কলম্বিয়া বিশ্ববিদ্যালয়লৈ পি এইচ ডি কৰিবলৈ আমেৰিকালৈ গৈছিল। সেই আমেৰিকাৰ নিউয়র্ক চহৰতেই তেওঁৰ দেখা হৈছিল পল ৰবছনৰ লগত। এজন মহান গায়ক, অভিনেতা আৰু নাগৰিক অধিকাৰ আন্দোলনৰ নেতা পল ৰবছনে সুধাকণ্ঠৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছিল। যাৰ বাবেই O' Man River গীতটোৰ ওপৰত হাজৰিকাই বিস্তীৰ্ণ পাৰৰে গীত ৰচনা কৰিছিল, যি লুইতখনক প্ৰশ্ন কৰিছিল— বিস্তীৰ্ণ পাৰৰে অসংখ্য জনৰে হাহাকাৰ শুনিও নিশব্দে নিৰৱে বুঢ়া লুইত তুমি, বুঢ়া লুইত বোৱা কিয়? মানুহৰ দুৰৱস্থা আৰু সমাজৰ অন্যায় ভূপেন হাজৰিকাই দেখিছিল আমেৰিকাত। বৰ্ণবৈষম্যই কোঙা কৰা এখন সমাজত দেখিছিল অহিংস প্ৰতিবাদৰ জোৱাৰ। ভূপেন হাজৰিকা আমেৰিকাত থকাৰ সময়তেই দাসত্বৰ বিৰুদ্ধে জনমত গঠন হৈছিল। ভূপেন হাজৰিকা হয়তো দুখী আৰু হতাশ হৈছিল। কেইবাটাও গীতত এই প্ৰসংগবোৰ আছে[১]। 'মই এটি যাযাবৰ'ত তেওঁ গাইছিল— 'বহু দেশে দেশে গৃহদাস দেখি চিন্তিত হওঁ বৰ, মনৰ মানুহ বহুতেই দেখো ঘৰতেই হৈছে পৰ। তেওঁ নীগ্ৰোসকলৰ প্ৰসংগ আনি লিখিছিল, 'মিচিচিপিৰ পাৰতে কপাহৰে খেতিতে নীগ্ৰ'জনে বিনালে কৈ মানুহৰ বৰণৰ কথা। অতীতৰ বুৰঞ্জী লিখকে লিখিছিল লুইতৰে পাৰৰে গাঁৱৰে মৰিশালিত ৰংমনে নিতৌ চিঞৰে কৈ বোঁৰতী মনৰে কথা'।

ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা

গণমাধ্যম (Mass Communication) বিষয়ত পি এইচ ডিৰ গৱেষণা কৰিছিল। তেওঁৰ থেছিচত (dissertation) 'উন্নয়নশীল দেশসমূহত অডিঅ'-ভিজুৱেল মাধ্যমৰ ভূমিকা'ৰ বিষয়ে গুৰুত্ব দিয়া হৈছিল। সেই সময়তে আমেৰিকাৰ শিক্ষা ব্যৱস্থাৰ সৈতে পৰিচিত হোৱাৰ লগতে তেওঁ নাগৰিক অধিকাৰ আন্দোলনকো ওচৰৰ পৰা লক্ষ্য কৰিছিল। ড° ভূপেন হাজৰিকাই কলম্বিয়া বিশ্ববিদ্যালয়ৰ পৰা ১৯৫২ চনত পি এইচ ডি উপাধি লাভ কৰিছিল। তেওঁৰ গৱেষণা গ্ৰন্থখনৰ শিৰোনাম আছিল "Proposals for Preparing India's Basic Education to Use Audio-Visual Techniques in Adult Education"। এই গ্ৰন্থত তেওঁ ভাৰতৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত অডিঅ'-ভিজুৱেল প্ৰযুক্তিৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ কাৰ্যকৰিতা সম্পৰ্কে বিষদভাৱে আলোচনা কৰিছিল।



ভূপেন হাজৰিকাই কৈছিল , 'যিহেতু শিক্ষাৰ প্ৰাথমিক উদ্দেশ্যসমূহৰ এটা হৈছে সংস্কৃতিক প্ৰৱাহিত কৰা, সেয়ে এজন শিক্ষকে ইয়াৰ প্ৰচাৰৰ সকলো মাধ্যম অন্বেষণ কৰাৰ এক গধুৰ দায়িত্ব ল'ব লাগিব। জনসাধাৰণৰ বৌদ্ধিক স্তৰ উন্নীত কৰাটো যিহেতু গণতান্ত্ৰিক সংবিধানৰ মূল দায়িত্বসমূহৰ অন্যতম, সেয়ে এতিয়া সকলো সম্ভাব্য মাধ্যম ব্যৱহাৰ কৰি শিক্ষাৰ গুৰুত্বপূৰ্ণ ধাৰণাসমূহ ভাৰতৰ অগণন নিৰক্ষৰ জনসাধাৰণলৈ প্ৰেৰণ কৰাৰ সময় আহি পৰিছে।'

ভূপেন হাজৰিকাৰ গৱেষণাৰ বিষয়বস্তুৰ অন্তৰ্ভুক্ত আছিল

প্ৰাপ্তবয়স্ক শিক্ষাৰ প্ৰয়োজনীয়তা ঃ ভাৰতৰ অধিকাংশ জনগণ গ্ৰামাঞ্চলত বাস কৰে আৰু তেওঁলোকৰ আনুষ্ঠানিক শিক্ষাৰ সুযোগ সীমিত। এই পৰিপ্ৰেক্ষিতত, প্ৰাপ্তবয়স্ক শিক্ষাই তেওঁলোকৰ জীৱনৰ মান উন্নত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

অডিঅ'-ভিজুৱেল প্ৰযুক্তিৰ ভূমিকা ঃ অডিঅ'-ভিজুৱেল প্ৰযুক্তি, যেনে ৰেডিঅ', চলচ্চিত্ৰ, চিত্ৰ, আদি মাধ্যমসমূহে শিক্ষাৰ প্ৰক্ৰিয়াক অধিক আকৰ্ষণীয় আৰু ফলপ্ৰসূ কৰিব পাৰে। এই প্ৰযুক্তিসমূহে শিক্ষাৰ বিষয়বস্তু সহজে বুজাবলৈ আৰু মনো�ৰঞ্জনমূলকভাৱে উপস্থাপন কৰিবলৈ সহায় কৰে।

শিক্ষকৰ প্ৰস্তুতি ঃ প্ৰাথমিক শিক্ষকৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব, যাতে তেওঁলোকে অডিঅ'-ভিজুৱেল প্ৰযুক্তিৰ সঠিক ব্যৱহাৰ

আৰু প্ৰয়োগৰ কৌশল আয়ত্ত কৰিব পাৰে।

কার্যকাৰিতাৰ পৰীক্ষা ঃ এই অডিঅ'-ভিজুৱেল প্ৰযুক্তিৰ প্ৰয়োগৰ ফলাফল আৰু ইয়াৰ কার্যকৰিতা পৰীক্ষা কৰি দেখা পোৱা গৈছিল যে এই প্ৰযুক্তিৰ ব্যৱহাৰে শিক্ষাৰ প্ৰতি প্ৰাপ্তবয়স্ক শিক্ষার্থীৰ আগ্ৰহ বৃদ্ধি আৰু শিক্ষাৰ ফলাফল উন্নত কৰিবলৈ সক্ষম।

সামগ্ৰিকভাৱে, ভূপেন হাজৰিকাৰ গৱেষণাত ভাৰতৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ ক্ষেত্ৰত অডিঅ'-ভিজুৱেল প্ৰযুক্তিৰ প্ৰয়োজনীয়তা, ইয়াৰ সুফল আৰু শিক্ষকৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছিল। মূল গ্ৰন্থখন তেজ হাজৰিকাৰ 'Demystifying Bhupen Hazarika'[২] কিতাপখনত পোৱা যাব।

ভূপেন হাজৰিকাৰ কলম্বিয়া বিশ্ববিদ্যালয়ত (১৯৪৯-১৯৫২) অধ্যয়নৰ সময়ছোৱাত, নিউয়র্কৰ হার্লেম ৰেনেছাঁই নিশ্চিতভাৱে তেওঁৰ চিন্তা-চেতনা আৰু কলা সৃষ্টিত প্ৰভাৱ পেলাইছিল। যদিও ৰেনেছাঁ ১৯২০-৩০ দশকৰ সময়ছোৱাত শিখৰলৈ উপনীত হৈছিল, তথাপি ১৯৪০ আৰু তাৰ পিছৰ সময়ত ইয়াৰ সাংস্কৃতিক আৰু বৌদ্ধিক ধাৰা নিউয়র্কত বিদ্যমান আছিল। এই আন্দোলনটিয়ে মূলতঃ আফ্ৰিকান আমেৰিকান সাহিত্য, সংগীত আৰু সামাজিক আন্দোলনক উজ্জীৱিত কৰিছিল, যাৰ প্ৰভাৱ হাজৰিকাৰ সমাজসেৱা আৰু সংগীতত স্পষ্টভাৱে লক্ষ্য কৰা যায়। পল ৰবছনৰ প্ৰভাৱ সম্পর্কে উল্লেখ কৰা হৈছেই। হার্লেম ৰেনেছাঁ জাতিগত বৈষম্য, শোষণ আৰু পৰিচয়ৰ সন্ধানৰ ওপৰত কেন্দ্ৰিত আছিল। ভূপেন হাজৰিকাৰ পাছৰ অসমীয়া গীতসমূহত আমি প্ৰতিবাদৰ এক আভাস পাওঁ। ভূপেন হাজৰিকাই সংগীতৰ জৰিয়তে শ্ৰমিক, কৃষক, আদিবাসী আৰু নিম্নবর্গৰ লোকৰ দুখ-কষ্ট উদ্‌ঘাটন কৰিছিল। আমেৰিকাত থকা সময়খিনিয়ে সংগীত আৰু সাহিত্যৰ অনুপ্ৰেৰণা ভূপেন হাজৰিকাক যোগাইছিল বুলি ক'লে অত্যুক্তি কৰা নহব। ৰেনেছাঁৰ শিল্পীসকলে লোকসংগীত আৰু আধুনিক সংগীতৰ মিশ্ৰণৰ জৰিয়তে সমাজত এক নৱজাগৰণ আনিছিল। হাজৰিকাৰ গীতত আমি এনে আভাস পাওঁ, তেওঁৰ সৃষ্টিসমূহত ব্লুজ, জাজ সংগীতৰ দৰে ধাৰণাসমূহৰ প্ৰভাৱ দেখা যায়, যিবোৰ যি সেই সময়ৰ পাশ্চাত্য মূল সংগীত ধাৰাৰ অংশ। প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ গানৰ প্ৰভাৱ ভূপেন হাজৰিকাই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ গানটো দেখিছিল আৰু তেওঁৰ কণ্ঠত এই প্ৰাচ্য আৰু প্ৰাশ্চাত্যৰ যুগলবন্দী শুনিবলৈ পোৱা গৈছিল। স্থায়ীটো বিয়া নামৰ সুৰত— 'সখী হে— কি ক'মে দুখৰে কথা, অন্তৰা পাশ্চাত্য সংগীতৰ সুৰেৰে' মালতিৰে এচাকি, খোপাতে পিন্ধিলো, তাৰো গ'ল এপাহি সৰি, সোণৰে সঁজাতে, পখীটি ৰাখিলো, সিও গুচি গ'লে উৰি।' আকৌ আইনাম, 'কোনেও নেদেখোতে, কোনেও নোশুনোতে...।'[৩]

আমেৰিকাৰ সেই উত্তাল সময়ৰ মূল লক্ষ্য আছিল কলাৰ জৰিয়তে সামাজিক ন্যায় স্থাপন কৰা, যিটো হাজৰিকাৰ সংগীতৰ মুখ্য উদ্দেশ্য হৈ পৰিছিল। তেওঁৰ গীতে জাতিগত বিভাজন, বর্ণবৈষম্য আৰু শ্ৰেণীসংঘাতৰ বিৰুদ্ধে সংগীত আৰু কবিতাৰ জৰিয়তে প্ৰতিবাদ জনাইছিল। হাজৰিকাই নিউয়র্কত নাগৰিক অধিকাৰৰ প্ৰতিবাদ আৰু সংগ্ৰামত অংশ লৈছিল। তেওঁ একাংশ কৃষ্ণাঙ্গ সংগীতজ্ঞ আৰু সাহিত্যিকৰ লগত সম্পর্ক গঢ়ি তুলিছিল। ৰবছনৰ সমাজবাদী আৰু সাম্যবাদী মতাদর্শই হাজৰিকাৰ চিন্তা-চেতনাত প্ৰভাৱ পেলাইছিল। নিশ্চয়কৈ আমেৰিকাত থকা সময়ত তেওঁ Documentary Film আৰু Visual Mediaৰ ক্ষেত্ৰত পোৱা অভিজ্ঞতাই পাছৰ সময়ত তেওঁৰ সমাজসেৱা, সংগীত আৰু চলচ্চিত্ৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। ভূপেন হাজৰিকা ভাৰতলৈ উভতিছিল আৰু ভাৰতীয় গণনাট্য সংঘৰ লগতো জড়িত হৈ পৰিছিল। হেমাংগ বিশ্বাসে কৈছিল— 'এটা সময়ত ভূপেনৰ গানৰ চোক ইমান আছিল যে লতাশিল বিহুতলীত এবাৰ তেওঁক 'কমিউনিষ্ট' বুলি গান গাবলৈকে নিদিলে। তাৰ কাৰণে তেওঁ কিন্তু কম্প্ৰ'মাইজ নকৰিলে। গান নাগালে। ভূপেনে গাবলৈ বিচৰা গানকেইটা মই ৰাতিয়েই খাৰঘুলিৰ প্ৰেছ এটাত নিজহাতে কম্প'জ কৰি পিছদিনা ৰাইজৰ মাজত বিলাই দিয়াইছিলো। গানকেইটা আছিল বোধহয় 'বৰ বৰ মানুহৰ দোলা', 'এন্ধাৰ ৰাতিৰ কাতিতে', 'লুইতত ভুটুঙাই ওলাল শিহু', 'অতীতৰ বুৰঞ্জী লিখকে লিখিছিল'। এই গানটোত আমেৰিকাৰ নিগ্ৰোসকলৰ কথা উল্লেখ আছে— 'মিছিছিপিৰ

পাৰতে কপাহৰে খেতিতে নীগ্ৰোজনে বিনালে কৈ মানুহৰ বৰণৰ কথা ইত্যাদি।[৪]' আমেৰিকাত হোৱা বৰ্ণবাদ বিৰোধী, বৈষম্য বিৰোধী আন্দোলনৰ সংস্পৰ্শই নিশ্চয়কৈ ভূপেন হাজৰিকাক প্ৰভাৱিত কৰিছিল আৰু মানৱ দৰদী, উদাৰপন্থি এক বিশ্বজনীন আদৰ্শৰ প্ৰতি উছৰ্গিত এটি সত্বা তৈয়াৰ কৰাত সহায় কৰিছিল। সেয়ে আজীৱন তেওঁ গাই গৈছিল মানুহৰ মুক্তিৰ কথা।

ভূপেন হাজৰিকাৰ আমেৰিকাৰ অভিজ্ঞতাৰ কথা উল্লেখ কৰিলে আন এজন ব্যক্তিৰ কথাও উল্লেখ কৰিব লাগিব। তেওঁ হৈছে ড° দিলীপ কুমাৰ দত্ত। ড° দিলীপ কুমাৰ দত্ত আৰু ড° ভূপেন হাজৰিকাৰ মাজত এক গভীৰ আৰু দীঘলীয়া বন্ধুত্ব আছিল। দিলীপ দত্ত, আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিতৰ অধ্যাপক আছিল। তেওঁ আমেৰিকাত থাকোতে ড° ভূপেন হাজৰিকাৰ সৈতে পৰিচিত হৈছিল। এই পৰিচয় এটি দীঘলীয়া বন্ধুত্বৰ সম্পৰ্কলৈ পৰিণত হৈছিল যি দুয়ো ব্যক্তিৰ জীৱন আৰু কাম-কাজত গভীৰ প্ৰভাৱ পেলাইছিল। দিলীপ দত্তই ভূপেন হাজৰিকাৰ সংগীত আৰু অসমীয়া সংস্কৃতিৰ প্ৰতি এক গভীৰ আকৰ্ষণ অনুভৱ কৰিছিল। তেওঁ এই সম্পৰ্কক অতি স্নেহ আৰু সন্মানৰে লৈ ভূপেন হাজৰিকাৰ সংগীত আৰু জীৱনক লৈ এখন বিশেষ গ্ৰন্থ লিখিছিল— 'ভূপেন হাজৰিকাৰ গীত আৰু জীৱন ৰথ'। এইখন কিতাপ অসমীয়া সংগীত আৰু সাহিত্যলৈ এক অতি মূল্যৱান অৱদান আছিল। এই গ্ৰন্থত হাজৰিকাৰ সংগীতৰ গভীৰতা, সমাজত তাৰ প্ৰভাৱ আৰু তেওঁৰ জীৱনৰ বিভিন্ন দিশ সামৰি বিশ্লেষণ কৰা হৈছে। গ্ৰন্থখন ভূপেন হাজৰিকাৰ সংগীতৰ দৰ্শন আৰু তেওঁলোকৰ বন্ধুত্বৰ এক সুন্দৰ প্ৰতিফলন। মই নিজেও ৰ'ড আইলেণ্ডত থাকোতে দিলীপ দত্তৰ ঘৰলৈ মাজে মাজে গৈছিলো। তেওঁ ভূপেন হাজৰিকা আৰু তেওঁৰ সম্পৰ্কৰ কথাবোৰ কৈছিল। নাৰাগেনছেটত একেলগে বৰশী বোৱা কিছু পুৰণি স্মৃতিৰ কথা দোহাৰিছিল। পুৰণি গানবোৰ দিলীপ দত্তই নিজা কষ্টৰে সংগ্ৰহ কৰিছিল। তেওঁ আৰু বহু কথা কৈছিল ভূপেন হাজৰিকাৰ বিষয়ে। ড° দিলীপ দত্তক ভূপেন হাজৰিকা ফিৰিঙতি বঁটা ভূপেন হাজৰিকা ফাউণ্ডেচনৰ দ্বাৰা ২০১৪ চনত প্ৰদান কৰা হৈছিল। ড° দিলীপ দত্ত আৰু ড° ভূপেন হাজৰিকাৰ সম্পৰ্ক সংস্কৃতি, সাহিত্য আৰু সংগীতৰ এক অনন্য সংযোগ আছিল বুলি ক'লেও বেছি কোৱা নহ'ব। ড° দত্তৰ গৱেষণাধৰ্মী কাম কাজবোৰ আৰু হাজৰিকাৰ সংগীতৰ



বন্ধুত্বই অসমীয়া সমাজক বহু দি গৈছে। দিলীপ দত্তই হয়তো ভূপেন হাজৰিকাক খুবেই বেছি ভাল পাইছিল আৰু শ্রদ্ধা কৰিছিল। মানচেষ্টাৰত তেওঁ বহুদিনৰ মূৰত ভূপেন হাজৰিকাৰ গান শুনিছিল। তেওঁ এটা সাক্ষাতকাৰত কৈছিল— 'গীত ভাল পোৱাৰ কথাটো বেছিকৈ ওলাল বিলাতলৈ যোৱাৰ পিছত। কাৰণ অসমলৈ মনত পৰে। অসমীয়া মাত-কথা, গীতবিলাক শুনিবলৈ মন যায়। তেতিয়াৰ দিনত কেছেটতো ওলোৱাই নাই, টে'প ৰেক'ৰ্ডাৰ অৱশ্যে ওলাইছিলে। ৰেক'ৰ্ডাৰটোতো লৈ যাবই নোৱাৰি, ডাঙৰ ডাঙৰ ৰেক'ৰ্ডবিলাক। তথাপি দুই-চাৰিজনে লগত লৈ গৈছিলে। মই কিন্তু নিয়া নাছিলো। মই এবাৰ মানচেষ্টাৰত গৈছিলো, মোৰ বন্ধুকেইজনমান তাত আছিলে— বিমল ফুকন আৰু অনিল ভট্ট বুলি এজন। তেওঁলোকৰ তাত দুটামান গান আছিলে। ভূপেনদা আৰু কাৰোবাৰ। বহু দিনৰ মূৰত গানকেইটা শুনি যে মই একেবাৰে বলিয়া হোৱাৰ নিচিনা হৈছিলো। তেওঁলোকে তেতিয়া বহুত কষ্ট কৰি ৰীলটোৰ পৰা আন এটা টে'প বনাই দিলে মোক। তাৰ পিছত সেইটোকে লৈ আহি মই টেপ ৰেক'ৰ্ডাৰ এটা কিনি আৰু মাজে মাজে শুনি থাকো। তেতিয়াৰ পৰাই মই ভাবিলো যে এইবাৰৰ পৰা মই অসমলৈ গ'লেই অসমীয়া গীতবোৰ সংগ্রহ কৰিম।[৫] ভূপেন হাজৰিকাৰ গান বিদেশত শুনি 'বলিয়া' নোহোৱা অসমীয়া থাকিব জানো। ড° দত্তই লিখিছে— 'গায়ক-গীতিকাৰ হিচাপে ড° হাজৰিকাক ৰিজাব পাৰি কেৱল শংকৰদেৱ আৰু মাধৱদেৱৰ লগতহে।[৬]' ড° দিলীপ দত্তৰ লেখাৰ মাজতো ভূপেন হাজৰিকাৰ আমেৰিকাৰ দিনবোৰৰ কিছু আভাষ পাব পাৰি। তেওঁ লিখিছে, 'ভূপেন হাজৰিকাই আমেৰিকাৰ সমাজত থকা ব্যক্তি স্বাধীনতা আৰু মানৱ অধিকাৰ আদিৰ দ্বাৰা বিশেষভাৱে উৎসাহিত হ'লেও বিষ্ণু ৰাভাৰ পৰা শিকি অহা সাম্যবাদী দৃষ্টিভংগীৰ কাৰণে মেকার্থীজমৰ[৭] সোৱাদ ল'বলগীয়া হৈছিল। তেওঁ ইয়াৰ জেলত দুদিনমান কটাবলগীয়াও হৈছিল। অৱশ্যে, আমেৰিকাৰ নিচিনা চহকী দেশত সাম্যবাদী সমাজ একপ্রকাৰ অর্থহীন। সেয়েহে, হাজৰিকাইও তেনেকুৱা কার্যত বিশেষ সময় নষ্ট নকৰি ইয়াৰ বুদ্ধিজীৱিসকলৰ কার্য-কলাপ বা ভাবধাৰাৰ লগত পোনপটীয়া সম্পর্ক গঢ়ি তুলিবলৈহে চেষ্টা কৰে। তেওঁ আমেৰিকালৈ এক অগ্নি যুগৰ ফিৰিঙতি হৈ আহে আৰু ইয়াৰ পৰা উভতি যায় এক সুস্থ, সবল জীয়া জুই ৰূপেহে। এই জীয়া জুই জ্বলিছিল শ্রমৰ মর্যাদা, ব্যক্তিগত আশা-আকাংক্ষা, প্রাণ খুলি গোৱা গীতৰ উচ্ছাস, দেশখনক উন্নত কৰাৰ আগ্রহ আদিৰে। 'শিল ভাঙ...', 'দোলা দোলা', 'জিলিকাব লুইতৰে পাৰ' ... আদি গীতৰ সমল হয়তো তেওঁৰ এই যুগতেই উদ্ভৱ হৈছিল।

এই প্রবন্ধত উল্লেখ কৰিছো যে ভূপেন হাজৰিকাৰ সামাজিক বিষয়ৰ গীতবোৰত আমেৰিকাৰ সমাজ ব্যৱস্থাৰ প্রভাৱ আছে। ড° দিলীপ দত্তইও একেই মতামত দিছে, 'ভূপেন হাজৰিকাই শোষণকাৰী বৃটিছৰ দমন নীতি আৰু সাম্যবাদী সমাজৰ প্রতি অন্ধভাৱে শংকা কৰা মেকার্থী-ইজমৰ নীতিৰ সোৱাদ পোনপটীয়াভাৱে পাইছে। সৰুৰে পৰা তেওঁ এনে এখন সমাজ গঢ়িবৰ কল্পনা কৰিছিল য'ত শোষণকাৰী নাই, য'ত ধনী-দুখীয়া নাই, য'ত মানুহে মানুহৰ বাবে প্রদর্শাই কেৱল আন্তৰিক মৰম-চেনেহ— যি সমাজত নৈতিকতা আছে আৰু যচত জাতি-ভেদ আদিৰ নিচিনা সৰু-সুৰা বিচাৰবিলাক নাই'। ড° দিলীপ দত্তই ভূপেন হাজৰিকাৰ আমেৰিকাত পোৱা সান্নিধ্যৰ কথা এনেদৰে লিখিছে, '১৯৭৯ চনৰ জুন মাহত ড° ভূপেন হাজৰিকা আমেৰিকা আৰু কানাডা ভ্রমণ কৰিবলৈ আহে। তেওঁ ইয়াৰ বহুত নগৰ মহানগৰত প্রায় তিনিমাহ ভ্রমণ কৰে আৰু সংগীত সন্ধীয়া পাতি শ্রোতাক মুগ্ধ কৰে। তেখেতে উভতি যোৱাৰ দুদিনমান আগতে মোৰ হাতত তেখেতৰ স্বৰচিত প্রায় তিনিশটামান অসমীয়া আৰু বঙালী গীতৰ নকল, এইয়া মই সময়ৰ হাতত গতালো' বুলি মোৰ হাতত দিয়ে আৰু অসমীয়া গীতবিলাক আলোচনা কৰি এটা সংকলন প্রকাশ কৰিবলৈ অনুৰোধ কৰে। সেই সময়ছোৱাত তেখেতে মোক নিজৰ বিষয়ে আৰু তেখেতৰ গীতবিলাকৰ বিষয়ে বহুত কথা অতি আন্তৰিকভাৱে কৈছিল। মই ভূপেন হাজৰিকাৰ বহুত গীত সৰু সৰু কেছেটত ৰেকর্ড কৰি ৰাখিছো আৰু সেইবিলাক গাড়ীৰ চিগাৰেট



লাইটাৰৰ পৰা বজাব পৰা সুবিধা কৰি লৈছো। মই অ'লৈ তলৈ যাওঁতে গাড়ীত সেই গানবিলাক বজাই শুনি যাও। ড° হাজৰিকাক মোৰ গাড়ীত তুলি প্ৰায় এহেজাৰ মাইলমান ফুৰোৱাৰ সৌভাগ্য মোৰ ঘটিছিল। গাড়ীত মই তেখেতক তেখেতৰ গানবিলাক বজাই শুনাইছিলো। গাড়ীত যাওঁতে তেনেকৈ নিজৰ গানবোৰ শুনি তেখেতে খুব ফূৰ্তি পাইছিল আৰু সেইবিলাকৰ বিষয়ে নিজৰ প্ৰাণৰ কথা বা সেই বিলাকৰ উপলক্ষ আদি মোক কৈ গৈছিল। তেখেতৰ এনে আনন্দ আৰু মন্তব্যবিলাকৰ মাজেদি মই দেখিবলৈ পাইছিলো এজন শিল্পীৰ নিৰ্মল আনন্দ কিছুমান আৰু নিজৰ সৃষ্টিত পোৱা এক বিশেষ পৰিতৃপ্তি। তেখেতক মই অটোৱা, ছেণ্ট লুইছ, বষ্টন, নিউয়ৰ্ক আদি বহুত ঠাইত লগ ধৰিছিলোগৈ আৰু ৰ'ড আইলেণ্ডৰ মোৰ নিজা ঘৰত আনি এৰাতি ৰাখিছিলোঁ [৬]।' ড° দিলীপ দত্তৰ বিস্কুট চিটি ৰ'ডত থকা ঘৰটোলৈ কেইবাবাৰো এই লেখকৰ যোৱা হৈছিল, মনত পৰিছে যে তেওঁ ভূপেন হাজৰিকাৰ লগত তোলা বহুবোৰ ফটো লগত ৰাখিছিল আৰু সেইবোৰ মোৰ চোৱাৰ সৌভাগ্যও হৈছিল। কিন্তু সেইবোৰ সংগ্ৰহ কৰা ন'হল।

ভূপেন হাজৰিকা অসমীয়াৰ হিয়াৰ আমঠু। তেওঁৰ সুৰ আৰু সৃষ্টিৰ মাজত জীৱনৰ গভীৰ দৰ্শন প্ৰতিফলিত। ভূপেন হাজৰিকাৰ সংগীত আৰু জীৱন দৰ্শনত আমেৰিকাৰ প্ৰভাৱ আছিল, এই প্ৰভাৱে তেওঁক নিজৰ শিপা হয়তো খামুচিবলৈ আৰু বেছিকৈহে অনুপ্ৰাণিত কৰিছিল। তেওঁৰ সংগীতে সেয়ে সদায় গাইছিল মানৱতাৰ জয়গান। মিচিচিপিৰ পৰা লুইতলৈ বিস্তাৰিত হৈছিল তেওঁৰ কণ্ঠত প্ৰেম, সহানুভূতি আৰু সমতাৰ কথা। ভূপেন হাজৰিকা কেৱল এজন গায়ক নহয়, তেওঁৰ সৃষ্টি যেন মানৱীয়তাৰ এক অবিৰাম সোঁত। যুগে যুগে, কালৰ সাঁকো পাৰ হৈ, তেওঁৰ গীতবোৰ জীয়াই আছে আৰু থাকিব। আজিৰ সমসাময়িক আমেৰিকাতো প্ৰয়োজন হৈছে এজন ভূপেন হাজৰিকাৰ যি আকৌ গালেহেঁতেন— 'মানুহে মানুহৰ বাবে যদিহে অকনো নেভাবে, অকনি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া?

লেখকৰ ঠিকনা মনোবিজ্ঞান বিভাগ, টৰোণ্টো বিশ্ববিদ্যালয়
টৰোণ্টো, কানাডা, ফোন নং ঃ ১৯০৫৮৭০৭৬৪১

তথ্যসূত্ৰ ঃ

১) https://www.sentinelassam.com/more-news/editorial/the-african-american-bhupen-hazarika-509971

২) https://www.coolgrove.com/book_module/demystifying_module.html


৩) ভূপেন হাজৰিকাৰ কণ্ঠত সখী হে' কি ক'মে দুখৰে কথা

৪)https://muktosinta.org/gononatyor-adorxore/

৫) https://as.gonitsora.com/an-interview-with-dr-dilip-kumar-dutta/

৬) Bhupen Hazarikar Git Aru Jiban-rath

৭) https://en.wikipedia.org/wiki/McCarthyism



সুধাকণ্ঠৰ গীতত মানৱতাবাদ, জাতীয়তাবাদৰ জয়গান

নিৰ্বাচিত গীতৰ উল্লেখনেৰে এক চমু আলোচনা

■ প্ৰাঞ্জল প্ৰতিম বৰা

ভূমিকা ঃ

জনতাৰ শিল্পী সুধাকণ্ঠ, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ গীতত প্ৰচুৰভাৱে প্ৰকাশ পাইছে মানৱতাৰ জয়গান আৰু জাতীয়তাবোধ। তেখেতৰ মানৱ দৰদী ভাৱধাৰা প্ৰায় প্ৰতিটো গীততেই স্পষ্টকৈ প্ৰকাশ পোৱা পৰিলক্ষিত হৈছে। এই লেখাত তেখেতৰ গীতসমূহৰ যোগেদি কেনেদৰে জাতীয় জীৱনৰ আৱেগ সত্তা, মানৱতাবাদ প্ৰকাশ পাইছে তাৰ এক চমু আলোচনা কৰিবলৈ বিচৰা হৈছে।

বিষয়বস্তুত প্ৰৱেশ ঃ

সুধাকণ্ঠৰ যুগজয়ী গীতসমূহৰ অন্যতম বিশেষত্ব হৈছে মানৱতাৰ জয়গান আৰু জাতীয়তাবোধৰ ভাৱধাৰা। বিস্ময়কৰ প্ৰতিভা ভূপেনদাই মাত্ৰ পাঁচ বছৰ বয়সতে এখন সভাত গীত পৰিৱেশন কৰি সকলোৰে লগতে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ ভূয়সী প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছিল। সেয়াই যেন আছিল তেখেতৰ সুস্থ আৰম্ভণি। আনহাতে ১৩ বছৰ বয়সতে লিখিছিল 'অগ্নিযুগৰ ফিৰিঙতি মই, নতুন অসম গঢ়িম'

শীর্ষক বিপ্লৰী সত্তাসমৃদ্ধ গীতটো। ভূপেনদাৰ 'মানুহে মানুহৰ বাবে' শীর্ষক গীতটো সর্বদা জনপ্রিয়। গীতটোত মানৱ চিন্তা-চেতনা, মানৱীয়তা ভাব সর্বাংগসুন্দৰ ৰূপত প্রকাশ পাইছে। একেদৰে তেখেতৰ 'বুকু হম হম কৰে', 'বক্ষ তীখা হৈ গ'লে', 'ভাৰত সিংহ আজি জাগ্রত হয়', 'আজি কামেং সীমান্ত দেখিলো' ইত্যাদি গীতৰ যোগেদি ভূপেনদাৰ জাতীয়তাবাদী সত্তাৰ উমান পোৱা যায়। ভূপেনদাই ভাৰত-চীন যুদ্ধৰ সময়ত জাতীয়তাবাদী গীত লিখাৰ দৰে ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়তো 'শুন শুন শেষ কথা আয়ুব খাঁ' আদি গীত ৰচনা কৰিছিল।

ভাৰত তথা অসমভূমিৰ প্রতি ভূপেনদাৰ আছিল অগাধ প্রেম।

'আমাৰ ভাৰত কিছু মাটিৰ নহয়
নহয় মানচিত্র
ভাৰত নহয়
বিশেষ এখন ৰাষ্ট্র কিছুমান সূত্র...'

আৰু 'অসম আমাৰ ৰূপহী গুণৰো নাই শেষ' আদি গীতত মাতৃভূমিৰ প্রতি ভূপেনদাৰ অগাধ প্রেম প্রতিফলিত হৈছে।

আনহাতে, 'ভূপেনদাই বিশ্বাস কৰিছিল যে সম্পদশালী অসমৰ অস্তিত্ব বর্তি থাকিব অসমীয়া ভাষাই বান্ধ খুৱাই ৰখা জাতীয় পৰিচয়ৰ যোগেদিহে' (ড° সত্যকাম বৰঠাকুৰ)।

ভূপেনদাৰ মানৱপ্রেম, জাতীয়তাবাদী ভাৰধাৰা অসমে ইতিমধ্যে ভাষা আন্দোলন, মাধ্যম আন্দোলন, বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়তো ভূপেনদাই গীতৰ যোগেদি জনতাৰ মাজত সমন্বয়, জাগৰণৰ ভাব সৃষ্টি কৰাত অৰিহণা যোগাইছিল। 'আকৌ যদি যাব লাগে শৰাইঘাটলৈ' গীতৰ যোগেদি ভূপেনদাই অসমীয়া জাতিৰ দায়িত্বক সোঁৱৰাই দিছিল। ভাৰতৰ ইতিহাসত ক'লা অধ্যায় বুলি বিবেচিত জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত ভূপেনদাই লিখিছিল— 'মুক্তিকামী লক্ষজনৰ মৌন প্রকাশ শুনিছানে নাই, কালৰাত্রিৰ বুকুতে লুকাই আছে প্রভাত বুজিছানে নাই?' শীর্ষক গীতটো।

প্রচণ্ড আশাবাদী, সংস্কাৰকামী ভূপেনদাই গীতৰ



যোগেদি জনগণক দি গৈছিল বিশেষ বার্তা। ভূপেনদাই সমাজবাদী চিন্তাৰে গীতৰ যোগেদি দেশীয় সংহতি, সার্বভৌমত্ব, সমন্বয়ৰ বাবে অহৰহ যুঁজ দিছিল। দেশমাতৃৰ সেৱা অসমীয়া ডেকা- যুৱকৰ বিয়োগ, জাতিগত সংঘাতৰ বিভীষিকাত ব্যথিত হোৱাত ভূপেনদাই লিখিছিল— 'জুয়ে পুৰা তিৰাশীৰ নির্বাচনী বতৰ! মোৰ ভাইটি নোহোৱা হ'ল তই জাননে খবৰ?, 'শ্বহীদ প্রণামো তোমাক' আদি হৃদয়স্পর্শী গীতসমূহ। ভূপেনদাৰ প্রতিটো গীততে আছে আশ্চর্যকৰ গণ সংযোগ।

সামৰণি ঃ

ড° ভূপেন হাজৰিকাদেৱৰ গীতসমূহৰ প্রাসংগিকতা চিৰদিন থাকিব। তেখেতৰ গীতসমূহৰ লগতে ৰচনাৰাজি, জীৱন-দর্শনক নৱ-প্রজন্মৰ মাজত নির্ভুলভাৱে পৰিচয় কৰাই দিয়াতো এক জাতীয় দায়িত্ব। তেখেতৰ গীতসমূহৰ পুনঃমূল্যায়ন অত্যন্ত জৰুৰী। ভূপেনদা সৃষ্টিৰাজিৰ জৰিয়তে অসমীয়াৰ হৃদয়ত চিৰদিন সজীৱ হৈ আছিল আৰু থাকিব।

লেখকৰ ঠিকনা বালিপৰা, শোণিতপুৰ, অসম
ফোন নং ঃ ৯৯৫৪১৯৪১১৩

ভূপেন হাজৰিকা

■ জিতেন্দ্ৰ কুমাৰ চৌধুৰী



'শিলঙৰ দৈনন্দিন জীৱন অশান্ত হোৱাটো স্বাভাৱিক কথা হৈ পৰিছে। কেইদিনমান পূৰ্বে এজন যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি ছাত্ৰ-ছাত্ৰী নিৰাপত্তাহীনতাত ভুগিছিল। সেয়ে ৰাজধানী শিলং চহৰৰ পৰা অচিৰেই অসমৰ আন অঞ্চললৈ স্থানান্তৰ কৰিব লাগে'। ১৯৬৭ চনৰ ৩০ মাৰ্চত শিলঙৰ অসম বিধানসভাত সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাই এনেদৰে উদাত্ত ভাষণ দি ৰাজধানী স্থানান্তৰ কৰাৰ দাবী উত্থাপন কৰিছিল। সঘনাই শিলঙত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হোৱাৰ লগতে অসমৰ ভৈয়ামৰ ৰাইজে ৰাজধানী শিলঙলৈ গৈ সন্মুখীন হোৱা বিভিন্ন সমস্যা উপলব্ধি কৰি সেইদিনা বিধানসভাত তীব্ৰ উষ্মা প্ৰকাশ কৰি ডঃ হাজৰিকাই এনেদৰে মন্তব্য কৰিছিল। শেহতীয়াকৈ শিলঙত খাছি ছাত্ৰ সন্থাৰ প্ৰতিবাদৰ সময়ত অসমীয়াক আক্ৰমণৰ ঘটনাক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। অসম আৰু মেঘালয় সীমা বিবাদক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যৰ মাজত সংঘাত অব্যাহত আছে। অসমৰ বহু অঞ্চল এতিয়াও মেঘালয়ে দাবী কৰাৰ লগতে শিলঙলৈ যোৱা অসমৰ পৰ্যটক আক্ৰমণৰ বলি হৈ আহিছে। কিন্তু ডঃ ভূপেন হাজৰিকাই আজিৰ পৰা ৫৯ বছৰ পূৰ্বেই শিলঙত যে অসমৰ ৰাইজ সুৰক্ষিত নহয় অনুধাৱন কৰিব পাৰিছিল। সেয়ে ডঃ হাজৰিকাই বিধায়ক হিচাপে ১৯৬৭ চনতে বিধানসভাত পৰিৱেশ-পৰিস্থিতি ব্যাখ্যা কৰি ৰাজধানী স্থানান্তৰ কৰাৰ দাবী কৰিছিল। সেই সময়ত সুধাকণ্ঠই কংগ্ৰেছৰ ভূমিকাক ক্ষুৰধাৰ সমালোচনা কৰি ৰাজধানী স্থানান্তৰ কৰাত জোৰ দিছিল। অৱশ্যে ১৯৭১ চনতহে অসমৰ ৰাজধানী গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। তদানীন্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিনত ১৯৭২ চনত অসমৰ ৰাজধানী গুৱাহাটীলৈ স্থানান্তৰ হৈছিল। কিন্তু গুৱাহাটীলৈ ৰাজধানী সলনি হোৱাৰ কেইবাবছৰ পূৰ্বে ডঃ হাজৰিকাই ক্ষোভ আৰু মন্তব্য কিয় কৰিবলগীয়া হৈছিল সেয়া মন কৰিবলগীয়া। উল্লেখ্য যে ১৯৬৭ চনত ভূপেন হাজৰিকা নাওবৈচা সমষ্টিৰ পৰা নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰি অসম বিধানসভালৈ নিৰ্বাচিত হৈছিল। সেইবাৰ বিধানসভালৈ বিষ্ণু প্ৰসাদ ৰাভা, বিমলা প্ৰসাদ চলিহা, বিষ্ণুৰাম মেধি, দেৱেশ্বৰ শৰ্মা, গৌৰীশংকৰ ভট্টাচাৰ্য, মহেন্দ্ৰমোহন চৌধুৰী, লক্ষ্যধৰ চৌধুৰী, হৰেশ্বৰ গোস্বামী, দুলাল চন্দ্ৰ বৰুৱা আদি নিৰ্বাচিত হৈছিল। ১৯৬৭ চনৰ ৩০ মাৰ্চত শিলঙৰ বিধানসভা কক্ষত অসমৰ কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত আলোচনা হৈছিল। সেইদিনা বিধায়ক দুলাল চন্দ্ৰ বৰুৱাই ৰাজধানী সলনি কৰাৰ প্ৰসংগত প্ৰস্তাৱ

উত্থাপন কৰিছিল। বৰুৱাৰ প্ৰস্তাৱৰ আঁত ধৰি ডঃ ভূপেন হাজৰিকাই উদাত্ত ভাষণ দি বিধানসভাত তোলপাৰৰ লগাইছিল। তেওঁ যে দীৰ্ঘদিনৰ পৰা ক্ষুব্ধ হৈ আছিল ভাষণৰ জৰিয়তে স্পষ্ট কৰিছিল। শ্বিলঙত হৈ থকা অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্দৰ্ভত তেওঁ ভাষণৰ মাজেৰে ক্ষোভ প্ৰকাশ কৰি ৰাজধানী স্থানান্তৰৰ দাবী উত্থাপন কৰিছিল। হাজৰিকাই সেইদিনা বিধানসভাত কৈছিল, 'অধ্যক্ষ মহোদয়, সদস্য শ্ৰীবৰুৱাৰ (দুলাল চন্দ্ৰ বৰুৱা) প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান কথা দাঙি ধৰিব খুজিছোঁ। সাম্ৰাজ্যবাদী বৃটিছে জনসাধাৰণক শোষণ কৰিবলৈকে ৰাজধানীসমূহ ৰাইজে ঢুকি নোপোৱাকৈ ৰাখিছিল। ভূস্বৰ্গ পাতিছিল শাসকসকলৰ ঠাইবোৰ আৰু ৰাইজৰ গাঁও-ভূঁই ৰাখিছিল গৰু বন্ধা গোহালি স্বৰূপকৈ। শ্বিলং অসমৰ সংখ্যাগৰিষ্ঠ ৰাইজৰ পৰা বহুত নিলগত। খেতিয়ক, বনুৱা আৰু নিম্ন মধ্যবিত্ত ৰাইজে ইয়াত ১০০ টকাৰ ঋণ বিচাৰি ১৫০ টকা খৰচ কৰিও ৰঙা ফিটাৰ মেৰপাকত সোমাই লটিঘটি হয়, কাম নহয়। অসমৰ বাহিৰৰ পৰা অনা সৰ্বজান্তা ছেক্ৰেটাৰীসমূহৰ উন্নাসিক ব্যৱহাৰ আৰু মন্ত্ৰীসকলৰ বাসস্থানৰ আভিজাত্যৰ মাজত সাধাৰণ ৰাইজ ইয়াত হেৰাই যায়। এই কথা গণতন্ত্ৰ বিৰোধী। গণতন্ত্ৰত ৰাইজে চৰকাৰক লগ ধৰাটো ব্যয়বহুল হ'ব নাপায়।' ডঃ হাজৰিকাই সেইদিনা বিধানসভাত আৰু কৈছিল— 'আজি বহু বছৰৰ পৰা অসমৰ ৰাইজে শ্বিলং চহৰৰ পৰা ৰাজধানী ভৈয়ামৰ ভাল ঠাই এডোখৰলৈ বিশেষভাৱে গুৱাহাটীলৈ নমাই নিবলৈ কৰা অনুৰোধক কংগ্ৰেছ চৰকাৰে ইমানদিনে অৱজ্ঞা কৰি আহিছে। সেই অনুৰোধ আজি দাবীত পৰিণত হৈছে কিয়? যুক্তিসংগত কাৰণ বহুতো আছে, তাৰে কেইটামান উল্লেখ কৰোঁ। যোৱা কেইবছৰমানৰ পৰা এই চহৰত শান্তি ভংগ কৰা বহুতো ঘটনা হৈ গৈছে— নানা ৰাজনৈতিক কাৰণত। ধৰক, কেইদিনমান আগতে জনৈক যুৱকৰ মৃত্যুৰ পৰা উদ্ভৱ হোৱা এটি পৰিস্থিতিৰ বাবে আবেলি ৪ বজাৰ পাছতে চিটীবাছ নোহোৱা হ'ল। কৰ্মচাৰীসকলৰ বি টি ছাত্ৰ, এম এ ছাত্ৰ, বিশেষকৈ নিশাৰ প্ৰতিষ্ঠানত অধ্যয়ন কৰা ছাত্ৰৰ জীৱনৰ নিৰাপত্তা নোহোৱা হ'ল। কথাইপ্ৰতি শ্বিলঙৰ দৈনন্দিন জীৱন অশান্ত হোৱাটো বা অস্বাভাৱিক হোৱাটো প্ৰায় স্বাভাৱিক হৈ পৰিছে। তদুপৰি শ্বিলঙত ৰাজধানী থকাত সকলো বিভাগৰ চৰকাৰী কৰ্মীসকলৰ শ্বিলং কম্পেনছেটৰী ভাট্টা দিব লগা হয় ২ কোটিৰো অধিক টকা। উচ্চকৰ্মচাৰীসকলে শ্বিলঙলৈ প্ৰথম শ্ৰেণীৰ ভ্ৰমণৰ বাবে পায় ২৯.৭০ পইচাকৈ। বিধানসভাৰ সদস্যসকলে ভৈয়ামত পায় দিনে ১০.৫০ পইচা আৰু শ্বিলঙত পায় ২২.৫০ পইচাকৈ। আজিকালি লগোৱা এটি অশোভনীয় পেছেঞ্জাৰ টেক্স লৈ ডিব্ৰুগড়ৰ পৰা শ্বিলঙলৈ বাছৰ ভাৰা হয়গৈ ২২ টকাৰ পৰা বাঢ়ি প্ৰায় ৩২ টকা। ১৯৬৪-৬৫ চনত শ্বিলঙৰ পৰা অহা-যোৱা কৰোঁতে পৰিছে মুখ্যমন্ত্ৰীৰ বাবে ১২ হাজাৰ টকা। মন্ত্ৰীসকলৰ বাবে এক লাখ আঠ হাজাৰ টকা। ৰাজ্যিক মন্ত্ৰীৰ বাবে ত্ৰিশ হাজাৰ ছশ টকা আৰু উপ-মন্ত্ৰীৰ বাবে চৌত্ৰিশ হাজাক টকা পৰিছে। মুঠ এক লাখ চৌৱিশ হাজাৰ আঠশ টকা পৰিছে।' ডঃ ভূপেন হাজৰিকাই সদনত এনেদৰে কোৱাত মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। মুখ্যমন্ত্ৰীয়ে সেইদিনা কৈছিল— ১২ হাজাৰ টকা অকল শ্বিলং-গুৱাহাটীৰ বাবেই নহয়। তাৰ ভিতৰত অসমৰ বাহিৰলৈ, যেনে কলিকতা, দিল্লী আদিলৈ যোৱা খৰচো আছে।





মুখ্যমন্ত্রীৰ এনে মন্তব্যৰ পাছত সুধাকণ্ঠ ডঃ হাজৰিকাই লগে লগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি পুনৰ কৌশলেৰে ৰাজধানী স্থানান্তৰৰ প্ৰসংগত জোৰ দিছিল সেইদিনা। ডঃ হাজৰিকাই পুনৰ কৈছিল— 'সেইটো হয়। চৰকাৰী কৰ্মচাৰীসকলৰ ভাট্টা হয় তিনি লাখ তিৰাশী হাজাৰ চাৰিশ পঁয়সত্তৰ টকা। এনে নানা ধৰণৰ খৰচৰ পৰা এটি অংশ ৰাহি হ'ব ৰাজধানী ভৈয়ামলৈ নমাই নিলে। যদি গুৱাহাটীৰ ওচৰত হয় বৰ্তমান গুৱাহাটী মহানগৰীৰ ভিৰ কমিব, মাটিৰ দাম নাবাঢ়িব। আৰু চণ্ডীগড়ৰ আদৰ্শত এখন নতুন চহৰ নিৰ্মাণ কৰিব। চণ্ডীগড়ৰ সৌন্দৰ্য উপভোগ কৰিবলৈ যিদৰে দেশৰ ভিতৰ আৰু বাহিৰৰ ভ্ৰমণকাৰী আহে, সেইদৰে চৰকাৰৰ এটা আয়ৰ পথ মুকলি হ'ব। এতিয়া আমি ভ্ৰমণকাৰীসকলক কাজিৰঙা, মানস আদি বন্যকাননবোৰহে দেখুৱাওঁ আৰু কেইখন হোটেল দেখুৱাওঁ। সমাজবাদী সমাজৰ নীতি মতেও ৰাজধানীখন ৰাইজৰ মাজত হ'ব লাগে। গতিকে স্থানান্তৰ প্ৰস্তাৱটো সমৰ্থন কৰি বক্তব্যৰ সামৰণি মাৰিলোঁ। যুক্তি আৰু উদাত্ত কণ্ঠৰে সেইদিনা ভূপেন হাজৰিকাই বিধানসভাত দিয়া ভাষণ অধিকাংশ বিধায়কে সমৰ্থন কৰিছিল। সুধাকণ্ঠই আজিৰ পৰা ৫৯ বছৰ পূৰ্বে বিধানসভাত তীব্ৰ খং প্ৰকাশ কৰি দিয়া ভাষণৰ পৰাই বহু কথা অনুভৱ কৰাই নহয়, প্ৰশ্নৰ উত্তৰো ওলাব নিশ্চয়। এই খিনিতে অনুধাৱন কৰিবলগীয়া যে তেতিয়াও শ্বিলং, আজিও অসমৰ ৰাইজে শ্বিলঙক লৈয়ে চৰ্চা কৰিবলগীয়া হৈছে। তেতিয়া এজন যুৱকৰ মৃতদেহ উদ্ধাৰৰ ঘটনাক কেন্দ্ৰ কৰি পৰিস্থিতি উত্তপ্ত হৈছিল। আজি ৫৯ বছৰ পাছত শ্বিলঙত অসমীয়াৰ ওপৰত আক্ৰমণ আৰু মাৰপিটৰ অভিযোগ উঠিছে। সময় একে নহয়। কিন্তু সাধাৰণ মানুহৰ নিৰাপত্তাৰ ক্ষেত্ৰত আজিও গুৰুত্বপূৰ্ণ। আৰু সেই কাৰণেই এয়ে ছয় দশক পূৰ্বে ডঃ ভূপেন হাজৰিকাই বিধানসভাত কোৱা কথাবোৰ পুনৰ মনত পেলোৱাৰ প্ৰয়োজন হৈছে। তেওঁ সেইদিনা কেৱল ৰাজধানী স্থানান্তৰৰ কথা কোৱা নাছিল। তেওঁ কৈছিল— ৰাজধানী ৰাইজৰ পৰা বহু দূৰত থাকিব নোৱাৰে। ৰাইজে চৰকাৰক লগ ধৰিবলৈ অত্যধিক খৰচ হ'ব নালাগে। ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ নিৰাপত্তা নিশ্চিত হ'ব লাগে। আৰু ৰাজধানীখন ৰাইজৰ মাজত থাকিব লাগে। বিধানসভাৰ এই দলিলে তেওঁৰ আন এটা পৰিচয়ো আমাৰ সম্মুখত দাঙি ধৰে। তেওঁ এজন দূৰদৰ্শী বিধায়ক আছিল। আজি অসমৰ ৰাজধানী শ্বিলঙৰ পৰা ভৈয়ামলৈ আহিছে। সময় সলনি হৈছে। অসমো সলনি হৈছে। কিন্তু ১৯৬৭ চনত বিধানসভাৰ মজিয়াত উত্থাপিত কিছুমান প্ৰশ্ন আজিও আমাৰ বাবে চিন্তাৰ বিষয়। ৰাজধানী কাৰ বাবে? ৰাইজ আৰু ৰাজধানীৰ মাজৰ দূৰত্ব কিমান হোৱা উচিত? আৰু এখন গণতান্ত্ৰিক দেশত সাধাৰণ মানুহে চৰকাৰক কিমান সহজে লগ ধৰিব পাৰিব লাগে? এই প্ৰশ্নবোৰেই ডঃ ভূপেন হাজৰিকাৰ সেই বক্তব্যক আজিও প্ৰাসংগিক কৰি ৰাখিছে। সেয়ে তেওঁৰ সেই বক্তব্য কেৱল এটা পুৰণি ভাষণ নহয়। ই অসমৰ ৰাজনৈতিক ইতিহাসৰ এক গুৰুত্বপূৰ্ণ দলিল।

লেখকৰ ঠিকনা গুৱাহাটী



ড° ভূপেন হাজৰিকাৰ দৃষ্টিৰে অসমীয়া মানুহৰ পৰিচয়

■ ড° নমিতা দেৱী

অসম, অসমীয়া আৰু স্বনামধন্য ড° ভূপেন হাজৰিকা যেন একেটি সুৰতে গঁথা এটা গান। পিচে অসমীয়া কোন বা অসমীয়া কি বুলি অসমৰ মানুহে আজিও সেই প্ৰশ্নৰে উত্তৰ বিচাৰি আছে। অসমীয়াৰ স্পষ্ট সংজ্ঞা দাঙি ধৰিব পৰা নাই বাবেই আজিও অসম চুক্তিৰ ৬ নং দফা কাৰ্যকৰী কৰিব পৰা নাই বুলি ভাবি থকা বা কৈ থকা হয়। অসমৰ এক অনন্য সত্তা, অসমৰ সংগীত, চিনেমা, গীতি-সাহিত্য, প্ৰৱন্ধ, আলোচনীৰ সম্পাদক, চিনেমা পৰিচালক আদি সৰ্বস্তৰৰ কামেৰে অসম আৰু অসমীয়া সংস্কৃতিৰ বৰ পথাৰখনলৈ মেটমৰা অৱদান এৰি থৈ যোৱা ভূপেন হাজৰিকাদেৱে অসমীয়া মানুহ বুলিলে নো কি বুজিছিল বা কাক বুজাইছিল এবাৰ ফহিয়াই চাবলৈ মন যায়। অসম আৰু অসমীয়া তেওঁৰ প্ৰাণত আৰু গানত এনেদৰে শিপাই আছিল যে গানবোৰ শুণিলে তেওঁৰ সুৰ আৰু বজ্ৰমধুৰ কণ্ঠৰ মায়াৰে আমাৰ হৃদয়ত অসমৰ গাঁও, পাহাৰ, নৈ, নিজৰা আৰু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বাস কৰা মানুহৰ ছবিখনেই উজলি উঠে। তেখেতৰ জন্ম শতবাৰ্ষিকীৰ সময়ত মনত প্ৰশ্ন হয় আজিৰ প্ৰজন্মই ভূপেন হাজৰিকাৰ চিন্তা আৰু দৰ্শনক জানিবলৈ, বুজিবলৈ আগ্ৰহী নে? ১৪ শতিকাত ইউৰোপত আৰম্ভ হোৱা নৱজাগৰণৰ ফলত ইউৰোপীয় সমাজখনত ব্যক্তিকেন্দ্ৰিক স্বাধীনতা আৰু চিন্তাৰ বিকাশ হৈছিল। তেনেদৰে নৱৈ দশকত আৰম্ভ হোৱা গোলকীকৰণ, বিশ্বায়ন আৰু ভোগবাদী দৰ্শনে সংস্কৃতিৰ পথাৰখনো প্ৰভাৱিত কৰি সংস্কৃতিকো পণ্য কৰি তুলিছে। তেনে এক সময়ত ভূপেন হাজৰিকাই অসমীয়া সংস্কৃতিৰ সাধনাৰে অসমীয়া সংগীতত এক নতুন জোৱাৰ আনিছিল। সেই সময়ত গান পণ্য হৈ উঠাৰ পৰিবেশ নাছিল। গান আছিল মানুহৰ মনৰ সাংগিতিক প্ৰকাশ। ইউৰোপীয় নৱজাগৰণে যেনেদৰে পশ্চিমৰ পৃথিৱীখনৰ কলা, সংগীত, চিত্ৰকলা আদি বিষয়ত প্ৰাচীন ভক্তিবাদী প্ৰমূল্যৰ সলনি মানুহৰ জৈৱিক প্ৰেম, সামাজিক সমতা, মানৱতা, স্বাধীনতা, আদি ধাৰণা ৰোপণ কৰিছিল, তেনেদৰে জ্যোতি-বিযুঞ, পাৰ্বতীপ্ৰসাদ, আনন্দিৰাম দাস, আদিয়ে কাটি দিয়া বাটেৰে ভূপেন হাজৰিকাই তেওঁৰ ৰচনা, সুৰ আৰু

সংগীতেৰে অসমৰ সংস্কৃতিৰ মাজতো একেবোৰ প্ৰমূল্যকে সংযোগ কৰিছিল। তেওঁৰ সংগীত আৰু গীতি-সাহিত্যৰ মাজত ভূপেন হাজৰিকাৰ এক বিশাল সত্তা প্ৰতিফলিত হয়। তেওঁৰ গীত আৰু সুৰৰ পংক্তিয়ে পংক্তিয়ে বিচাৰি পোৱা যায় মানৱতাবাদ, সামাজিক ন্যায়, বিশ্বজনীনতা, অসম-প্ৰেম, অসমীয়া জাতিসত্তাৰ পৰিচয়, সমাজ সংস্কাৰৰ বাণী, দেশপ্ৰেম, শোষণৰ প্ৰতিবাদ, সামাজিক সমতা আদি পোহৰমুখী প্ৰমূল্য। এই সমগ্ৰ দৰ্শনক এটা প্ৰৱন্ধত আৱদ্ধ কৰাতো হাতী মাৰি ভুৰুকাত ভৰোৱাৰ দৰে কথা। সেয়ে অসমৰ মাটিৰ গোন্ধৰ আবেগিক টানত জীৱনৰ শেষ সময়লৈকে বান্ধ খাই থকা অসমীয়াৰ আপোন 'ভূপেনদাই' নো অসমীয়া মানুহৰ পৰিচয় কিদৰে অনুভৱ কৰিছিল তাক তেওঁৰ গীতিসাহিত্যৰ মাজত বিচাৰি চোৱাৰ প্ৰয়াস কৰিব পাৰি।

ভূপেন হাজৰিকাৰ গীতত অসমীয়া জাতীয় চেতনা কেৱল 'অসমক ভালপোৱা' বা প্ৰকৃতিৰ সৌন্দৰ্যৰ বৰ্ণনাত সীমাবদ্ধ নহয়। মাটি, মানুহ, ভাষা, সংস্কৃতি, ইতিহাস, নদী, সামাজিক সংহতি আৰু অসমৰ বহুত্ববাদী পৰিচয়ৰ সমন্বয়ত তেওঁৰ গীতত অসমীয়া জাতীয় চেতনাৰ মূৰ্ত প্ৰকাশ ঘটিছে। গৱেষণাৰ দৃষ্টিৰে চালে, তেওঁৰ জাতীয় চেতনাক আঞ্চলিক পৰিচয় আৰু বিশ্বজনীন মানৱতাবাদৰ সংযোগস্থল বুলি ক'ব পাৰি। সমকালীন গৱেষণাতো তেওঁৰ গীতক উত্তৰ ঔপনিবেশিক কালৰ অসমীয়া মানুহৰ এক শক্তিশালী সাংস্কৃতিক প্ৰকাশ হিচাপে বিশ্লেষণ কৰা হৈছে। অসমৰ মাটি আৰু মানুহৰ সৈতে গভীৰ আত্মীয়তা তেওঁৰ গীতসমূহৰ মাজত উপলব্ধি কৰিব পাৰি। 'মই এটি যাযাবৰ' আত্মজীৱনীখনত তেওঁ লিখিছে যে এৰাবাটৰ সুৰ নামৰ তেওঁৰ দ্বাৰাই ৰচিত নাটকখনৰ নায়কজন যেন তেওঁয়ে, যিজনে অসম এৰি যোৱাৰ দুখত আতুৰ হৈ লিখিছিল— 'জোনাকৰে ৰাতি অসমীৰে মাটি'। জোনাক বিধৌত অসমীয়া গাঁওৰ মাটি আৰু জীৱনক গীতটিৰ মাজেৰে হাজৰিকাই তুলি ধৰিছে। গীতটোৰ 'কোন চিফুঙৰ সুৰে সুৰে' কথাফাকীয়ে অসমীয়া জনগোষ্ঠীয় সমাজৰ চিফুং বাঁহীটোকো সামৰি লৈছে। 'ৰ'দ পুৱাবৰ কাৰনে মাতিবানো কাক' গীতটিৰ মাজতো ৰহদৈ, সেউতি আৰু ডালিমীক সামৰি পাহাৰ-ভৈয়ামৰ মিলনৰ সূতাৰে অসমী নামৰ সত্তাৰ মহুৰাৰ পাকতে পাক খাই অসমীয়া নামৰ পৰিচয়টো উজলি উঠিছে বুলি তেওঁ অনুভৱ কৰিছিল যেন লাগে। এই গীতটিৰ মাজতে জাতি জনগোষ্ঠী নিৰ্বিশেষে অসমীয়া গাঁও এখনৰ সামূহিক ছবি দেখা যায়।

ভূপেন হাজৰিকাৰ জাতীয় চেতনাৰ মূল কেন্দ্ৰত আছে অসম । কিন্তু অসমক তেওঁ ভূখণ্ড হিচাপে নহয়, মানুহৰ জীৱনৰ অভিজ্ঞতা আৰু ইতিহাসৰ মাজেৰে ভাৰতভূমিৰ মাজৰ অসমীয়া সত্তা ৰূপে অনুভৱ কৰিছে। 'আমি অসমীয়া নহওঁ দুখীয়া' গীতটিত সুন্দৰকৈ ফুটি উঠিছে। এই গীতটিত তেওঁ স্পষ্টকৈ লিখিছে— 'নানা জাতি-উপজাতি, ৰহণীয়া কৃষ্টি, আঁকোৱালী লৈ হৈছিল সৃষ্টি, এই মোৰ অসম দেশ'। 'অসমীয়া' এক সাংস্কৃতিক পৰিচয় বুলি তেখেতে বিশ্বাস কৰিছিল। সেইদৰে তেওঁৰ 'অসম আমাৰ ৰূপহী' নামৰ গীতটিত অসমখনক 'পাহাৰ-ভৈয়াম একেই কৰা ৰামধেনু' বুলি উল্লেখ কৰিছে। 'থলুৱা আৰু নতুন অসমীয়া'ক বিহুতে সেৱা যাচি অসমীয়া মানুহৰ মাজত নতুন অসমীয়া লোকখিনিকো তেওঁ সুমুৱাই লৈছে, যি নতুন অসমীয়াই অসমৰ বিহুটিক আদৰি লৈছে আৰু অসমৰ কৃষ্টি-সংস্কৃতিক আদৰি লৈছে। তেওঁৰ বাবে 'অসম' এক ভৌগোলিক পৰিচয় নহয়, ই হৈছে অসমীয়া সংস্কৃতিক আঁকোৱালী লৈ অসমৰ হ'কে মৰিব পৰা অসমীয়া মানুহৰ সমাজ।

ভূপেন হাজৰিকাৰ গীতি-সাহিত্যত ব্ৰহ্মপুত্ৰ নদীৰ সঘন উল্লিখন পোৱা যায়। ব্ৰহ্মপুত্ৰ আছিল অসমীয়া মানুহৰ ইতিহাস চেতনা আৰু অসমীয়া জাতীয় চেতনাৰ মূল প্ৰতীক। তেওঁৰ গীতত লুইত আৰু ব্ৰহ্মপুত্ৰ এক অসাধাৰণ জাতীয়-সাংস্কৃতিক পৰিচয়। 'বিস্তীৰ্ণ পাৰৰে...' বা 'মহাবাহু ব্ৰহ্মপুত্ৰ'ৰ দৰে গীতত নদীখন কেৱল প্ৰাকৃতিক সম্পদ নহয়; ই যেন অসমৰ ইতিহাসৰ সাক্ষী, বিভিন্ন জনগোষ্ঠীক সংযোগ কৰা শক্তি আৰু অসমৰ সামূহিক স্মৃতিৰ আধাৰ। 'লৌহিত্যৰ বহল পাৰক', 'পাহাৰ- ভৈয়াম

একেই কৰা' অসমখন গঢ়ি দিয়াৰ বাবে তেওঁ প্ৰণিপাত কৰিছে। আজি 'ব্ৰহ্মপুত্ৰ হ'ল বহ্নিমান' গীতটিত ব্ৰহ্মপুত্ৰক মহামিলনৰ তীৰ্থ বুলি অকপটে স্বীকৃতি দিছে। তেওঁ অসমীয়া জাতীয়তাবোধক এটা একজাতীয়, একধৰ্মীয় ধাৰণা হিচাপে উপস্থাপন কৰা নাছিল। 'মহাবাহু ব্ৰহ্মপুত্ৰ'ৰ দৰে গীতৰ বিশ্লেষণতো অসমৰ মাটিত বসবাস কৰা, বহুত্বক আঁকোৱালী লোৱা আৰু অতিথিপৰায়ণ

লোকসমাজক অসমীয়া জাতিৰূপে তেওঁ চিহ্নিত কৰিছে আৰু 'মিলিব লাগে মিলাব লাগে'ৰ ৰীতিৰে অসমীয়া মানুহৰ অস্তিত্বক উপলব্ধি কৰিছে। ব্ৰহ্মপুত্ৰ আৰু হাজৰিকা নিজে যেন একাত্ম হৈ গৈছে। জাতিক আৰু জীৱনক লৈ হোৱা হতাশা, ক্ষোভ, খং, অৱহেলা বিনাশী ব্ৰহ্মপুত্ৰখন হৈ পৰিছে তেওঁৰ বাবে সুস্থ সমাজ গঢ়াৰ আশাৰ প্ৰতীক। সেয়ে তেওঁ কৈছে প্ৰচণ্ড অৱহেলা এইবাৰ নাশিবই, জীৱনকো কৰি বলিদান'। ইয়াত ব্ৰহ্মপুত্ৰ আৰু অসমীয়া সমাৰ্থক আৰু গীতিকাৰৰ অভিন্ন সত্তা।

ভূপেন হাজৰিকাৰ অধিকাংশ গুৰুত্বপূৰ্ণ গীত অসমীয়া ভাষাত ৰচিত বা অসমীয়া ভাষাত গোৱা গীত। কিন্তু তেওঁ ভাষাক বিভাজনৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰা নাই। বৰং তেওঁ ভাষাক তেওঁ সাংস্কৃতিক আত্মপৰিচয় বাহক হিচাপে গ্ৰহণ কৰিছে। এইখিনিতেই তেওঁৰ জাতীয় চেতনাৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য দেখা যায়, সেয়া হৈছে— অসমীয়া পৰিচয়ক দৃঢ় কৰা, কিন্তু অন্য পৰিচয়ক অস্বীকাৰ নকৰা। সেয়ে তেওঁ গীতৰ মাজেৰে কৈছে 'মোৰ আইক ভাল পাওঁ বুলিলে, আনৰ আইক জানো ঘিণ কৰাতো বুজাব'। তেওঁৰ জাতীয় চেতনাৰ কেন্দ্ৰীয় সূত্ৰমতে অসমীয়াৰ পৰিচয় হৈছে বৈচিত্ৰ্যৰ মাজত একতা। ইয়াত অসমীয়া শব্দটো কেৱল ভাষিক পৰিচয় নহয়; ই আত্মমৰ্যাদা, আত্মপৰিচয় আৰু সামূহিক আত্মবিশ্বাসৰ প্ৰকাশ। তেওঁৰ বাবে জাতীয় চেতনা আৰু সংকীৰ্ণ জাতীয়তাবাদৰ মাজত পাৰ্থক্য আছে। তেওঁৰ বাবে প্ৰশ্নটো হৈছে— 'অসমীয়াই নিজৰ পৰিচয় কেনেকৈ ৰক্ষা কৰিব?' আৰু 'এই পৰিচয়ৰ ভিতৰত কোনসকল মানুহ অন্তৰ্ভুক্ত?' তেওঁৰ গীত সাধাৰণ মানুহৰ মাজত কেৱল গান হিচাপে নহয়, সামূহিক আত্মপৰিচয় প্ৰকাশৰ মাধ্যম হিচাপেও গ্ৰহণ কৰা হৈছে। তেওঁৰ গীতৰ এই জনপ্ৰিয়তা আৰু সাংস্কৃতিক প্ৰভাৱেই জাতীয় চেতনাক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অসমৰ পাহাৰ-ভৈয়াম, বিভিন্ন জনগোষ্ঠী, ভাষা, ধৰ্ম আৰু সংস্কৃতিৰ সহাৱস্থান তেওঁৰ চিন্তাৰ গুৰুত্বপূৰ্ণ অংশ। সেয়ে তেওঁৰ জাতীয় চেতনাৰ এটা কেন্দ্ৰীয় সূত্ৰ হ'ল অসমীয়া পৰিচয় আৰু বৈচিত্ৰ্যৰ মাজত একতা সমাৰ্থক।

তেওঁৰ গীতত অসম কেৱল বৰ্তমানৰ ভূখণ্ড নহয়। অতীতৰ স্মৃতি বহন কৰা এক ঐতিহাসিক সমাজ। ইয়াৰ ফলত তেওঁৰ জাতীয় চেতনা অতীত-স্মৃতি, বৰ্তমানৰ সংকট আৰু ভৱিষ্যতৰ আকাংক্ষাৰ মাজত এটা সংযোগ সৃষ্টি কৰে। এই দিশটোৰ পৰা ভূপেন হাজৰিকাৰ গীতক সামূহিক স্মৃতিৰ সাংস্কৃতিক মাধ্যম বুলিও বিশ্লেষণ কৰিব পাৰি। বিশেষকৈ ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি ৰচিত গীতসমূহত এই ঐতিহাসিক স্মৃতি অধিক স্পষ্ট।

এই কাৰণেই তেওঁৰ গীত সাধাৰণ মানুহৰ মাজত কেৱল গান হিচাপে নহয়, সামূহিক আত্মপৰিচয় প্ৰকাশৰ মাধ্যম হিচাপেও গ্ৰহণ কৰা হৈছে। তেওঁৰ গীতৰ এই জনপ্ৰিয়তা আৰু সাংস্কৃতিক প্ৰভাৱেই জাতীয় চেতনাক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়ে অসমীয়া মানুহ আৰু অসমীয়া জাতিৰূপে নিজক চিনিবলৈ হ'লে ভূপেন হাজৰিকাৰ গীত, সুৰ আৰু সাহিত্যৰ মাজত অৱগাহণ কৰিব লাগিব। যুগদ্ৰষ্টা মহান শিল্পীজনৰ জন্মশতবৰ্ষৰ এই ক্ষণত অসমীয়াই তেওঁৰ গীত, সুৰ আৰু চিন্তাৰে পুনৰুজ্জীৱিত হওঁক।

লেখকৰ ঠিকনা সহযোগী অধ্যাপিকা, ইতিহাস বিভাগ
বৰভাগ মহাবিদ্যালয়, নলবাৰী, অসম
ফোন নং ঃ ৭০০২৯১০০৯৭



Bhupen Da: A Voice Beyond Time, A Legacy Beyond Assam

■ **Jutikaa Mahanta**

Remembering the Bard of the Brahmaputra in His Centenary Year

Some voices entertain us. Some voices inspire us. And then there are voices that become part of who we are.

For generations of Assamese people, Dr. Bhupen Hazarika was one such voice.

As we celebrate his birth centenary, I find myself looking back, not merely at the extraordinary artist the world knew, but at the Bhupen Da who belonged to every Assamese heart. His songs carried the fragrance of Assam's soil, the emotions of its people and a message of humanity that travelled far beyond the Brahmaputra.

For me, remembering Bhupen Da is also a journey into my own past.

During my years in the media, I had the privilege of reaching out to several personalities from the Hindi film industry and recording their memories of this remarkable man. What struck me most was that almost everyone remembered him not just as a musical genius, but as a warm, affectionate and deeply compassionate human being.

I still remember Raveena Tandon's beautiful recollection of the shooting days of *Daman* in Assam. She described Bhupen Da as a father figure and remembered those moonlit evenings in the tea gardens when everyone would gather around a campfire and listen to him sing. For her, those moments remained unforgettable.

Actor Sanjay Suri shared a similarly touching memory. After the day's shooting, the team would request Bhupen Da to sing the much-loved *Dil Hoom Hoom Kare*. He would happily oblige. Sanjay recalled an evening when his sister-in-law was moved to tears while listening to him sing.

These were not stories of a distant celebrity. They were memories of a man whose greatness never came in the way of his simplicity.

Bollywood Diva Dimple Kapadia, who worked with him during *Rudaali*, remembered his gentleness, humility and extraordinary talent. Farooq Sheikh admired his rare ability to represent the Northeast while speaking to the larger human experience through his art.

One recollection that has stayed with me came from Moon Moon Sen. Despite her deep affection and admiration for Bhupen Da, she felt that India had not given him the recognition he truly deserved.

Ila Arun, who worked with Bhupen Da and Kalpana Lajmi in *Chingari*, spoke with great emotion about his contribution to Indian folk music. She believed his songs carried the fragrance of the soil and reflected the changing lives of ordinary people.

She beautifully described how his *Lok Sangeet* transformed him into a *Lok Nayak* — a people's hero. Having witnessed the enormous public response after his passing, she understood how deeply he belonged to Assam. For her, Bhupen Da was a complete artist whose music could bring meaningful social change.

That observation continues to make me think.

Music director **Pritam**, who worked with Bhupen Da and Kalpana Lajmi during *Daman*, remembered him simply as a real genius. He deeply regretted being unable to meet him during his final hospitalisation, despite making several attempts.

Singer **Shaan**, who spent time with him during the shooting of *Daman* in Guwahati and the tea gardens of Assam, recalled how comfortable Bhupen Da made young artists feel. He never displayed any sense of superiority despite his legendary stature. For Shaan, the opportunity to learn music from him was a precious experience.

Whenever I remember Bhupen Da, I also remember Kalpana Lajmi, his longtime creative and life companion, with whom I had the good fortune of sharing a warm personal relationship. Their association was much more than a creative partnership. Together, they brought powerful stories, music and emotions to Indian cinema. Films such as *Rudaali* and *Daman* remain reminders of a creative journey that touched countless lives.

Remembering Kalpana brings back memories of an era when relationships, artistic commitment and personal warmth seemed inseparable.

Today, a hundred years after his birth, I feel both immense pride and a certain sadness.

Pride, because Assam gave the world an artist who transcended languages, regions and generations. Sadness, because I sometimes wonder whether we, as Assamese, have done enough to preserve, promote and celebrate the true magnitude of his legacy.

Of course, there have been tributes, celebrations and honours. He was eventually conferred the Bharat Ratna. But Bhupen Da deserves something beyond ceremonial remembrance.

He deserves to be studied, understood, translated, celebrated and introduced to every new generation, not only in Assam but across India and the world.

His music spoke of humanity, equality, compassion and the struggles of ordinary people. These were not merely songs. They were reflections of society, carrying messages that remain relevant even today.

As an Assamese living away from home, I often feel that our responsibility towards Bhupen Da becomes even greater. Whether in Bengaluru, Mumbai or anywhere across the world, we carry a little of Assam within us. And Bhupen Da remains one of the strongest expressions of that identity.

A centenary is not simply an occasion to look back. It is an opportunity to ask what we will carry forward. Assam gave Bhupen Da to the world. Now it is our responsibility to ensure that the world never forgets him.

And perhaps, that would be the most meaningful tribute we could offer him in his centenary year.

Address Mumbai



জুবিন গার্গে পাহৰা ফাংচন, নষ্টালজিয়া আৰু আমি

■ উদ্দীপ্ত কুমাৰ ভট্টাচার্য

(এক)

২০০৯, মেট্রিক পৰীক্ষা হৈ গৈছে। সীমান্ত কলিতা আৰু মোৰ তেতিয়া ঘূৰি ফুৰাই কাম। ঘৰত গালি। কলিতাই বৰভাগৰ পৰা চাইকেল লৈ ঘৰঘৰাই আহি বৰবৰীত ৰয়। ময়ো ঘৰৰ পৰা ওলাই গৈ তাতেই লগ হওঁ। ম'বাইল-চোবাইল তেতিয়া নাই। গতিকে আগদিনাই টাইম কৈ থোৱা থাকে। সন্ধিয়া ছয় বজা। দুয়ো লগ হোৱাৰ পিছত

গাড়ী-ঘোঁৰাৰ আহ-যাহ নথকা ঠাই এখনলৈ গৈ কলিতাই পূবে কাণ উনাই। মই পশ্চিমে। এবাৰ উত্তৰে, এবাৰ দক্ষিণে। 'হাঃ, পাই গৈছো। সোনকানিৰ ফালে কিবা ফাংচন আছে। গানৰ ছাউণ্ড আহি আছে। ব'লা দোস্ত।' —দুয়ো উৰাই-ঘূৰাই চাইকেল চলাই গৈ ফাংচন পাই যাওঁ। দুয়ো গোটেই মেট্রিকৰ বন্ধটো তেনেকৈ লাং-ফাং কৰি কটালো। তেনেকৈ কেতিয়াবা শব্দৰ পিছে পিছে গৈ বাট হেৰুৱাইছো। বহুবাৰ শব্দ অহাৰ বাট ভুল কৰি ফাংচন শেষ হোৱাৰ পিছত গৈ পাইছো। সেমেনা-সেমেনি কৰি পাঁচ টকাৰ পাপৰ খাই ঘূৰি আহিছো। ঘূৰি আহি দুয়ো ঘৰত গালি খাইছো। পিছদিনা আমি ফাংচনপ্ৰেমী ৰাইজ আকৌ ফাংচনৰ শব্দ বিচাৰি ঘৰৰ পৰা উধাও হৈছো।

হায়াৰ ছেকেণ্ডাৰী ফাষ্ট ইয়েৰ। এদিন জিতুৱে খবৰ দিলে। সত্ৰ বজাৰৰ ওচৰত জুবিন আহিব। ফাংচন। আমাৰ জোচ। কলিতা, জিতু, বাপা, মই এনেকৈ ছয়-সাতজনমান লগ হৈ সত্ৰ বজাৰলৈ ওলালো। মহা গৰম। চাইকেল মাৰি মাৰি গৈ আমাৰ অৱস্থা বেয়া। ঘোষকে উৰাই-ঘূৰাই 'অলপ পিছতে আমাৰ মাজত উপস্থিত হ'ব জুবিন গাৰ্গ' বুলি এনাউন্স কৰি আছে। আমি প্ৰথমে চাইকেলৰ ওপৰতে বহি জুবিনলৈ ৰৈ আছিলো। পিছলৈ ৰৈ ৰৈ দোকান এখনত বহিলো। শেষলৈ ৰৈ ৰৈ আমনি লাগি ফিল্ডৰ মাটিতে বাহিলো। মানুহৰ সাংঘাতিক ভিৰ। এঘাৰটামান বজাত ঘোষকে জনালে— 'জুবিন গাৰ্গ বিশেষ এটা কাৰণত আহিব নোৱাৰে। তেখেতে অহা অমুক তাৰিখে আহি অনুষ্ঠানটো কৰিব বুলি কথা দিছে।'

আমাৰ দুখ লাগিল। কি কৰো কি নকৰোকৈ গোটেইকেইটাই চাইকেল চলাই চলাই বাংনাবাৰীৰ পৰা বৰখালালৈ যোৱা ৰাস্তাটোত থকা মানুহ-দুনুহ নোযোৱা দলংখনতে বহিলো। তাতেই জুবিনৰ বিষয়ে আলোচনা চলিল। এটাই ক'লে— 'তামাম পাগলা মানুহ কিন্তু এটু। যি মন যায় তাকে কৰে। ৰাতিটু কাম কৰি কৰি পুৰাহে ঘূমে। আজি ঘূমটিৰ পাই সাৰে নাপালাক বোধহয়। এংকে টকা-পইচাৰ কথা বাদ দি ফাংচনোৰ কথা পাহেৰি যাবাৰ কাৰণেও কিন্তু দম লাগবু। পইচাক সৰু বুলি ভাববা পাৰা কোন মানহু আছে এ ভাই এই দুনীয়াত।' সকলোৱে হয়ভৰ দিলো। আৰু বিভিন্ন কথা চলিল। তেনেতে কিবা এটা কথাত এটাৰ খং উঠিল— 'জুবিনে ফাংচনত কথা নকৈ এ ভাই। পাপনোক দেখা নাই! মানুহগিলাই কথা শুনি পাগলা হৈ যায়। জুবিনে আকলাই গানকেইটা গাই নামি আহে। ইমান ভালপাওঁ তাক, কথা অলপ কৰা লাগে না। নহলি কেনেকে এই যুগোৰ লগোত মিলি চলবু!'

কোনোবা এটাই ক'লে— 'সেই বুলি আৰু অনবৰত পেলপেলে থাইকপা নালগে দে।'

'ঐ আমাৰ পাপনোক কি বুলি কবা আইছা? সি পেলপেলে থাকা বুলি কবা তই কুনিয়ে? তাৰ চুলি একডালৰ দৰে হৈ দেখৌচো।' —এটাই আটাহ পাৰি উঠিল।

সেই ৰাতি বাৰ বজাত লাগিল এখুন্দা। মই বোলো 'আজি ঘৰ যাবা আৰু!' প্ৰায় মাৰপিট হওঁ হওঁ অৱস্থা। বন্ধু বুলি এটায়ো কাৰো চোলাৰ কলাৰত ধৰিবলৈ সাহস নকৰা বাবেহে কেৱল মুখেৰে জোৰদাৰ যুদ্ধ চলি আছে। কলিতাই গাঁওবুঢ়াৰ ভুমিকা লৈ দুয়োফালে মেনেজ কৰাৰ চেষ্টা চলাই আছে। মই এবাৰ ইফালে 'হয়' বুলি কৈ সিফালে বেয়া পোৱা যেন পালে 'তয়ো অৱশ্যে ঠিকেই কৈছ।' বুলি কোনোমতে নিজকে সেই যুদ্ধৰ সৈনিক হোৱাৰ পৰা আঁতৰাই ৰাখি আছো। বহু সময় কথাৰ কটাকটি চলিল। ওচৰ-পাজৰৰ হাৱা গৰম হৈ উঠিল।

শেষত মীমাংসা হ'ল যে— 'জুবিনে বেছিকৈ নহ'লেও ফাংচনত অলপ হাঁহি উঠা কথা ক'ব লাগে। নহ'লে লাহে লাহে জুবিনৰ পপুলাৰিটি নোহোৱা হৈ যাব।' আমি সকলোৱে মীমাংসা কৰি 'হয়, হয়।' বুলি নিজকে একোজন বিশুদ্ধ সমালোচক যেন অনুভৱ কৰিলো। যেন জুবিন গাৰ্গ আমাৰ বৰদেউতাৰ পুতেক। লগ পালেই কথাখিনি ক'ম। জুবিনে পিছদিনাই আমাৰ কথা শুনি মঞ্চত কথা কোৱা আৰম্ভ কৰি দিব।

কেইদিনমান পিছত তালৈ জুবিন আহিল যদিও আমাৰ যোৱা নহ'ল। কলিতাহঁতে অৱশ্যে পিছত এবাৰ নলবাৰীৰ গৰ্ডনত জুবিন গাৰ্গক চাবলৈ গৈ কোনোবাই চোলাৰ আৰু পেণ্টৰ পকেটত ভৰাই দিয়া ধূলি আৰু পকা-চপৰা লৈ ঘৰ আহি পাইছিল বুলি জনাইছিল। আমাৰ সিদিনাৰ মীমাংসাৰ কিছু মাহ অথবা বছৰ পিছৰ পৰা জুবিন গাৰ্গে মঞ্চত গান গোৱাৰ লগতে কথাও ক'বলৈ ল'লে

বুলি আমাৰ আড্ডাত আলোচনা হ'ল।

বহু বছৰ গ'ল। আমিও সদায় একেলগে থকাবোৰ সদায় লগ পাই থাকিম বুলি শপত খায়ো জীৱনৰ চৰ-ভুকু খাই লাহে লাহে লগ পোৱা কমি গ'ল। এদিন আমাৰ সেই যুদ্ধৰ সেনাপতি হোৱা লগৰটোক ৰাজগড়ত হঠাৎ লগ পালো। কথাৰ মাজতে ক'লো, 'আমি সিদিনা মীমাংসা কৰা বাবেই জুবিন গার্গৰ পপুলাৰিটি কমি নগ'ল।' সি সেমেকা হাঁহি এটা মাৰিলে। হয়টো মনতে ভাবিলে 'তই জুবিনিষ্ট, মই পাপনিষ্ট বুলি কাজিয়া লাগিবলৈ এতিয়া মানুহটোৱেই নাই।'

(দুই)

২০১২ চন। বি বৰুৱা হোষ্টেলত থাকোঁতে উৰাই-ঘূৰাই গল্প, কবিতা লিখো। কলেজ মেগাজিনত গল্প প্ৰকাশ হয়। মাজে মাজে কাকততো দুই এটা লেখা ওলায়। এদিন জোচতে এটা কবিতা নিজৰ ফোনত ৰেকর্ড কৰি, ডাউনলোড কৰা মিউজিক লগাই হোষ্টেলৰ ল'ৰাবোৰৰ ফোনত ভৰাই দিলো। সিহঁতে খুব মজা পালে। কলেজত কবিতাটো ম'বাইলে-ম'বাইলে গ'ল। সেই কবিতাৰ আঁত ধৰি লগ পালো হিমন্ত মেধিক। এই মেধিজন অলপ বেলেগ ধৰণৰ। মেধিয়ে মোক নি তাৰ ৰুমত পেলালেগৈ। মেধি দিনত বেলপুং টাইপ, ৰাতি হ'লেহে 'ফিল'ত আহে। মোক Freddie Mercury, Don Henley, David Gilmour, Eric Clapton, Gotye আদিৰ লগত চিনাকি মেধিয়ে কৰালে। আনে চিনি নোপোৱা খেয়ালী বিষ্ণু ৰাভাক মেধিয়ে মোৰ চকুৰ আগত দেখুৱালে। ইমানবোৰ চলি থকাৰ মাজতে মেধিৰ পাল্লাত পৰি ৰাতি ৰাতি জুবিন গার্গৰ গান শুনি তাৰ ৰুমত খালী গাৰে পৰি থকা হ'লো। মেধিয়ে প্ৰতিটো গানৰ অর্থ বুজায়। 'অৱগুণ্ঠন' শব্দটো গার্গৰ অমুক-অমুক গানত আছে বুলি কয়। আগতে শুনা গানকেইটা আকৌ বাৰে বাৰে মন দি শুনো। লাহে লাহে জুবিন গার্গৰ গানৰ আকৌ দীৱানা হৈ উঠিলো। মাহৰ পাছত মাহ চলি থাকিল। এদিন মেধিয়ে গান এটা লিখিলে। সুৰ কৰিলে। মিউজিক কৰি শেষ কৰিলে। ক'লে— 'এইটো গান জুবিন দাৰ বাহিৰে কোনেও গাব নোৱাৰে।' মই ক'লো— 'নিজে সুৰ, মিউজিক চব কৰিলি হয়। পিছে গোৱাবলৈটো পইচা লাগিব। মই শুনিছো এটা গানত দহ হাজাৰমান লয়। ঘৰৰ পৰা চলিবলৈ মাহটোত হাজাৰ টকা পাওঁ।



জয়ন্তহঁতৰ ধর্মশালাত ফ্ৰীতে এবছৰ ভাত খালেহে চাগে গান গোৱাবলৈ পইচা মিলিব। তাতো আকৌ যদি মাজে মাজে 'ৰাতিৰ অনুষ্ঠান'ৰ নামত যোৱা পইচাকেইটা ধৰি লৱ, তেনেহ'লে চেচেই। মাহৰ শেষত মই তোৰ পৰা পইচা ধাৰত লওঁ, নেক্স মাহত সেইকেইটাকে তোক ধাৰত দিওঁ।'

তাৰ পিছতো জুবিন দাৰ ঘৰ বিচৰা, ৰাতি ক'ত থাকে খবৰ লোৱা পর্ব চলি থাকিল। জি এম চিত কোনখন দোকানত পুৰি খায় তাৰো হিচাপ লোৱা হ'ল। জুবিনদাক লগ পোৱা নানা গুণীৰ পৰামর্শ লোৱা হ'ল।

কোনোবাই ক'লে— 'জুবিন গার্গ পাগলা মানুহ। গান ভাল লাগিলে ফ্রীতে গাই দিব। নালাগিলে চৰ খোৱাৰ চান্স আছে।' কোনোবাই বোলে— 'গ'লে যাব পাৰ। পিছে আগতীয়া চিনাকি নহ'লে ওচৰ পাওতে কিমান দিন লাগে ঠিক নাই।'

কোনোবাই ক'লে— 'কেলা, শিকি আছহে! অলপ কাম কৰি লচোন। নিজৰ নামটো বনাই ল'। এতিয়াই কি জুবিন জুবিন!'

লাইফত টেনচন চলি থাকিল। জুবিন দাৰ ফোন নম্বৰ বিচৰা হ'ল। কিবাকৈ এযাৰ কথা হ'লে পিছদিনাই গৈ চিধাই ভৰিত পৰি দিম আৰু। বহু চেষ্টা চলিল। চাৰিটামান 'নট ৰিচ্ছেবল' নম্বৰ পালোঁ। নাই। জীৱন বেকাৰ। আমি নিজৰ জীৱনক ধিক্কাৰ দিলো। শেষত মেধিয়ে ভাড়া ৰুমত মালিক নথকাৰ চান্স লৈ চাদত বহি জীৱনৰ দুদিনৰ কথা পতা দিনবোৰৰ মাজতে, পৃথিৱীৰ সকলোতকৈ দুখৰ মুহূর্ত এটাত ক'লে— 'জাননে, চাল্লা আমাৰ নিচিনা টেলেণ্টলেচ মানুহৰ জুবিন গার্গক গান গোৱাব পৰা ইমান শক্তিয়েই নাই। আমি পৃথিৱীৰ সকলোতকৈ অধচ মানুহ।'

মোৰ সিদিনা আন্ধাৰত মেধিৰ চকুকেইটা নেদেখাকৈও তাৰ চকুপানী দেখা যেন লাগিছিল।

জীৱন চলি থাকিল। তাৰ মাজতে মেধি, অপৰাজিতা আৰু মই কবিতাৰ চিডি এখন উলিয়ালো। গ্রন্থমেলাত মানুহ ধৰি ধৰি বিক্রী কৰিলো। আৰু হঠাৎ এদিন আকৌ মোৰ আৰু মেধিৰ জুবিন জ্বৰ আৰম্ভ হ'ল। যেনে-তেনে মানুহটোক এবাৰ নিজ চকুৰে চাব লাগে। আমাৰ মূৰত এটা কথাই চলি থাকিল— আমি জীৱনত যদি লগ পাব বিচৰা আৰু আমাক বুজি পাব পৰা কোনোবা মানুহ আছে সেয়া কেৱল জুবিন গার্গ। (আমি হোষ্টেলত থাকোঁতে, বি বৰুৱা হোষ্টেলত এবাৰ জুবিন গার্গ ৰাতি দুটা বজাত গেট পাৰ হৈ আহিছিল। আড্ডা দিছিল। মোৰ ইমানেই ননচেন্স কপাল, সিদিনা মই লগৰ এটাৰ ৰুমত।) মেধি আৰু মোৰ আকৌ নম্বৰ গোটোৱাৰ মিচন আৰম্ভ হ'ল। দিন গৈ থাকিল। এদিন মেধিয়ে মাজৰাতি খালী গাৰে জু-ৰোডৰ পৰা ৰুমলৈ দৌৰি আহি মস্ত চিঞৰ এটা মাৰিলে।

'জুবিনদাৰ পার্চনেল নাম্বাৰ এতিয়া মোৰ হাতত।' আমি জঁপিয়াইছো। নাচিছো। মুঠতে এইবাৰ লগ পামেই।

ঃ ডায়েল কৰ। ডায়েল কৰ। কি নাচি আছ!

ঃ ৰ ৰ বেলেন্স নাই। চল্লিছ ছেকেণ্ডমানহে কথা পাতিব পাৰিম। —মেধিয়ে মোলৈ চালে। মোৰ পকেটত তেতিয়া পাঁচ টকাৰ বাদাম। বাকী খালি।

ঃ জয়ন্তক মাৰ ফোন। ৰিচার্জ এটা কৰি দিবলৈ ক। ক আজি জুবিন দাৰ লগত কথা পাতিম ভাই। আজিৰ নিচিনা ভাল দিন এতিয়ালৈকে আমাৰ জীৱনত অহা নাই।

'জয়ন্ত ৰিচার্জ এটা কৰচোন। তুফান কাম এটা হ'ব আজি।' —আনৰ্গল কথা পাতিব পৰাকৈ ৰিচার্জ হ'ল। যেন আমাৰ নতুন গার্লফ্রেণ্ডহে হৈছে জীৱনত। 'মাৰ মাৰ, ফোন মাৰ।'— ফোন লগোৱা হ'ল। নাই, ৰিচিভ কৰা নাই। 'বহু কিবা নতুন এলবামৰ কামত বিজি আছে চাগে।' —মেধিয়ে ক'লে।

'আৰু মাৰ, বহু ৰাতিৰ মানুহ। পালে ৰাতিয়েই ফোনত পাম।' —আকৌ মেধিয়ে ডায়েল কৰিলে। নাই নধৰে।

ঃ ফোন মাৰি থাক। আজি বছৰ লগত কথা পাতিহে এৰিম।

প্রায় ত্রিশবাৰমান ফোন কৰাৰ পিছত ফোনটো উঠালে।

ঃ কোন হয়? —আমি সেপ ঢুকিলোঁ।

ঃ মানে মানে ছাৰ। দাদা। আপুনি জুবিন দা হয়নে?- মেধিৰ কি কৰো নকৰো অৱস্থা।

ঃ কি কোৱাহে ভাইটি। কাক ফোন কৰিছা? এই ৰাতি কি ফাল্টু কাম কৰি আছা এইবোৰ? —টোপনিৰ নিচাত কোৱা কথাকেইটাত আমাৰ লাগিল, এইটোতো জুবিনদাৰ মাত নহয়! 'মানে আমি আপোনাক লগ পাব বিচাৰিছোঁ দাদা। আজি নালাগে দাদা। এবছৰ পাছত হ'লেও আপুনি যেতিয়া ফ্রী টাইম পায় তেতিয়াই এনেই এবাৰ লগ পাব বিচাৰিছোঁ।' —মেধি তেতিয়া মই আগতে দেখা মেধি হৈ নাই। সি যেন বেলেগ এখন দুনীয়াত ভগৱানক লগ পাই আবোল-তাবোল বকিছে।

ঃ ষ্টুপিড। ফোন কাট খালে।

'আৰু ফোন লগা বে। মেনেজাৰ হ'ব পাৰে।'

—আকৌ ফোন লাগিল। প্রায় চল্লিশ মিনিটমান মেধিয়ে মানুহজনক পতিয়ন নিয়াবলৈ চেষ্টা চলালে যে আমি মাত্র এবাৰ জুবিনদাক দেখা পাবলৈ বিচাৰিছো। আমাৰ বাকী একো বেয়া ইনটেনচন নাই। এবাৰ ওচৰৰ পৰা চাম আকৌ ঘূৰি আহিম। লাগিলে এটা শব্দও নকওঁ। আৰু সেই চল্লিশ মিনিট সিপাৰৰ মানুহজনে বুজাই বুজাই মেধিক পতিয়ন নিয়াব পৰা নাই যে, তেৱোঁ জুবিন গার্গক আজিলৈ লগ পোৱা নাই। তেওঁৰো জুবিন গার্গক এবাৰ লগ পোৱাৰ ইচ্ছা আছে।

শেষত মেধিৰ ক'লা পৰা মুখ দেখি বুজিলো, আমাৰ ইচ্ছা পূৰণ নহ'ল। তথাপিও ক'ৰবাৰ নহয় ক'ৰবাত মনৰ মাজত সোমাই থাকিল, এদিন আমি জুবিন গার্গক লগ পামেই পাম

(তিনি)

চাৰি-পাঁচমাহ পাছত। ৰাতি বাৰটামান বাজিছে। মই আহি মেধিৰ ৰুমৰ ৰাল পাৰ হৈছো। হঠাৎ জাঁপ মাৰি মেধি ৰালৰ ইটো পাৰত আহি পৰিল।

ঃ কি বে! কি হ'ল তোৰ ? —সিপাৰৰ পৰা মাত লগালো।

ঃ ব'ল খোজকাঢ়ি আহো। —আকৌ ৰাল পাৰ হৈ জু-ৰোডৰ পৰা খোজকাঢ়ি ৰাজগড় পালো। কিবাকিবি সংগতি নথকা কথা পাতি চাৰি নম্বৰ বাইলেন পাইছো। হঠাৎ কাষেৰে ভৌচকৈ Pajero এখন পাৰ হৈ গ'ল। 'আৱ্ৰে, জুবিন গার্গ। জুবিন গার্গ।' —মেধিয়ে ঢেঁটুফলা চিঞৰ মাৰি গাড়ীৰ পিছে পিছে দিলে দৌৰ। ময়ো মাৰ দৌৰ। দৌৰি আছো। দৌৰি আছো। গাড়ী আগত গৈ বাওঁফালে সোমাই গ'ল। 'সেইটো অজয় ফুকনৰ ষ্টুডিঅ'। ব'ল ব'ল। তাতেই এবাৰ দেখা পাম।' —আমি দৌৰি আছো। ডিঙি শুকাই গৈছে। তিনিআলিটোৰে অলপ সোমাই গৈ মই 'আৰে, দৌৰ দৌৰ। তেওঁক এবাৰ লগ পাব লাগিব। পাবই।

বহি দিলো। মাথা ঘূৰাই গৈছে। জীৱনত ইমান স্পীডত কেতিয়াও দৌৰা নাই। লাগিব। মেধিৰ চিঞৰত আকৌ দৌৰিছো। দৌৰি দৌৰি গাড়ীখন ৰোৱা ঠাইত উপস্থিত হ'লো।

নাই। চব মানুহ ষ্টুডিঅ'ৰ ভিতৰত সোমাইছে। মেধিয়ে মোলৈ চালে। মই মেধিলৈ। ভাগৰত আমাৰ মুখেৰে কথা ওলোৱা অৱস্থাত নাই। ইটোয়ে সিটোক চকুৰে সুধিলো —'যাবিনে?' অলপ সময় ৰ'লো। মন থিৰ কৰিলো। যাম। যাবই লাগিব। লগ পাবই লাগিব। যাম বুলি ওলোৱাৰ সময়তে আমাৰ দৌৰ দেখি এপাল কুকুৰে যে আমাৰ পিছ লৈছিল তেতিয়াহে গম পালো। দাঁত উলিয়াই খেদি অহা এজাক কুকুৰৰ খেদাত আমি দৌৰি দৌৰি বহু দূৰ পালো। 'এদিন পইচা পাতি হ'লে চাল্লা বাঢ়ি জাম্পিং কৰিম' বুলি মাজে মাজে ওফাইডাং মৰা মেধিয়ে যে কুকুৰক মোৰ সমানেই ভয় কৰে সিদিনাহে গম পালো। তাৰ পাছত দুয়ো দুয়োকে 'আমি চিধাই নদৌৰি ষ্টুডিঅ'ত সোমাব পাৰিলোহেঁতেন। তোৰ কাৰণেই এইবোৰ চব হ'ল।' বুলি গালি দিলো। শেষত আমাৰ খং কুকুৰজাকৰ ওপৰত পৰিল। মেধিয়ে দূৰৈৰ পৰাই কুকুৰকেইটাৰ মাক-বাপেকক ধৰি দুটামান বেয়া গালি পাৰিলে। কুকুৰক কোনোবাই 'কুকুৰৰ পুতেক' বুলি গালি পৰা জীৱনত প্ৰথমবাৰৰ বাবে সিদিনা মই শুনিলো।

ৰাতি বিচনাত পৰি মহ থপৰিয়াই থপৰিয়াই মেধিয়ে আকৌ দোহাৰিলে— আমাৰ নিচিনা টেলেণ্টলেচ মানুহক চাল্লা ভগৱানেই জুবিনদাৰ পৰা আঁতৰাই ৰাখে বে।

ইয়াৰ পিছত সময় সলনি হ'ল। গল্প, কবিতা লিখি থাকিব বিচৰা মই হৈ পৰিলো ভিডিঅ' এডিটৰ। মেধিয়ে টুং টাংকৈ নিজৰ কাম কৰি কৰি মাজতে সাঁতোৰৰ মাষ্টৰ হ'ল। বঙাইগাঁৱত নিজৰ ষ্টুডিঅ' খুলিলে। মই তাক লগ নোপোৱা হ'লো। সি মোক। সময়ৰ বতাহৰ তাণ্ডৱত দুয়োৱে জুবিন দাক লগ নোপোৱাৰ নিচিনাকৈ সিজনে সিজনৰো খবৰ নোপোৱা হ'লো।

(শেষতঃ আমাৰ কবিতাৰ চিডিখন ৰিলিজ হোৱাৰ পিছত মেধিয়ে এটা সাহসিকতাৰ কাম কৰিছিল। সি এদিন ৰাতি তিনিটা বজাত মোক স্কুটাৰত উঠাই লৈ গৈ খাৰঘুলিৰ জুবিনদাৰ ঘৰৰ গেট পাৰ হৈ দর্জাৰ আগত কাগজত 'সময় পালে শুনিব দাদা' বুলি লিখি চিডিখন থৈ আহিছিল। আৰু সিদিনাও, আমি যাম বুলি জুবিনদাৰ ঘৰত এটা প্ৰাণীও নাছিল।)

লেখকৰ ঠিকনা ঃ ৰাগা অডিঅ' ভিজুৱেল ষ্টুডিঅ' ৰাজগড় বাইলেন-৬, গুৱাহাটী- ০৩, ফোন ঃ ৭০০২০ ৬৩৮৬৩

যুগে যুগে মেকবেথ

■ ডঃ প্রণৱ কুমাৰ শর্মা

...মেডেলিন মুৰে অ' হেৰাৰ।

বহু যুগৰে পৰা এইগৰাকী মহিলাক পৃথিৱীয়ে আটাইতকৈ ঘৃণনীয় মহিলা হিচাপে গণ্য কৰি আহিছে।

ইতিহাস আজিও নীৰৱ হোৱা নাই।

খৃষ্টান ধর্মৰ গীর্জাঘৰ ভাঙি-ছিণ্ডি আৰু পৱিত্র ধর্মীয় গ্রন্থ যীশুৰ বাণীৰ বাইবেল ফালি-চিৰি দলিয়াই পেলাই দিছিল।

...ঈশ্বৰক ভৱিৰে গচকি পেলোৱা এইগৰাকী মেডেলিন মূৰে অ' হেৰাৰৰ এই অতি ঘৃণনীয় কার্যই মানুহগৰাকীক যুগলৈ কুখ্যাত কৰি থৈ গ'ল।

তাৰ পাছত এটা সময়ত মানুহগৰাকী ক'ত হেৰাল ইতিহাসে বিস্তৃতভাৱে একো ক'ব নোৱাৰে। তেখেতৰ পাছৰ প্রজন্মৰ সৈতে বহুতেই মানুহগৰাকীক হত্যা কৰি পেলোৱা বুলিয়েই সন্দেহ কৰে।

আৰু গণৰোষৰ সন্মুখীন হৈ হয়তো ক'ৰবাত আত্মগোপনো কৰিব পাৰে বুলি অনেকেই বিশ্বাস কৰে।

গীর্জা ধ্বংস কৰা, ধর্মগ্রন্থ বিনষ্ট কৰা আৰু ঈশ্বৰপুত্রক মিছা অপবাদেৰে কলুষিত কৰা মোৰ হিচাপত একেই কথা।

এনেকুৱা নাৰকীয় মনোবৃত্তিৰে কোনোবাই যদি এই মিলেনিয়ামৰ শ্রেষ্ঠতম শিল্পীগৰাকীৰ বিষয়ে বিধ্বংসী অ' ডি চি লিখিব পাৰে তাৰ বিপৰীতে আমাৰ কলম স্তব্ধ হৈ থকাৰ প্রশ্নও নুঠে।

অৱশ্যে ৰেবিছ আক্রান্ত পগলা কুকুৰে কামু�ৰিলে বুলিয়েই সেই কুকুৰক কামু�ৰিবলৈ যোৱাতো মুর্খামীৰ বাহিৰে একো নহয়।

কিন্তু সহিষ্ণুতাৰো এটা সীমা থাকে।

এই সীমাৰ কথা ক'লেই ৰামায়ণৰ সেই লক্ষ্মণ ৰেখালৈ মনত পৰে। সেই ৰেখা পাৰ হৈ সোণৰ হৰিণৰ পাছত দৌৰিয়েই আৰম্ভ হৈছিল লংকা ধ্বংসৰ কাহিনী।

সেইবাবেই অতদিনে সকলো দেখি শুনিও চৈয়তানৰ জালত ভৰি থ'ব খোজা নাছিলো।

অৱশেষত বাধ্য হ'লো।

গৰিমা, পামী, জুবিন আৰু মোহিনী মোহনৰ দৰে অতি মার্জিত পৰিয়াল এটাৰ প্রত্যেকগৰাকী সদস্যকে যেতিয়া বিষাক্ত শৰেৰে হত্যা কৰিবলৈ মিচন আৰম্ভ কৰিলে তেতিয়ালৈ আৰু ৰৈ থকাৰ ধৈর্যই কিদৰে

বাৰু অপেক্ষা কৰিব ?

সকলোৰে পট পৰিবৰ্তনে এক নির্দিষ্ট অন্তিম মুহূর্ত থাকে, সেই মুহূর্ত এতিয়া সমাগত।

জুবিন নামৰ সত্বাটোৰ ন্যায়প্রাপ্তিৰ ফাইনেল ষ্টেজ সাজু।

সময় আহি আছে লাহে লাহে।

মায়াবিনীয়ে কোন মুহূর্তত কালনাগিনীৰ ৰূপ লয় সেয়া মাথোঁ সময়ৰ কথা।

সময়ে সময়ৰ বিচাৰ সময়তেই ক'ৰে।

ডায়েলৰ পৰা ঘড়ীৰ কাঁটা তিনিদালেই আঁতৰাই দিলেওঁ মহাকাল সঠিক সময়তে আহি থিয় হ'ব।

বিন্ধ্যা পর্বত বা গিৰিশংকৰেও বাধা দি ৰাখিব নোৱাৰে। কিয়নো 'কাঞ্চনজংঘা' সদায়ে 'কাঞ্চনজংঘাই'।

অপৰাজেয়।

হিলিয়াম আৰু হাইড্ৰ'জেনৰ সূর্য শিখাৰ।

উত্তাপত 'ফেচবুক'ৰ পাতত জ্বলি থকা 'শিখা'ৰ শিখা পুৰি ভষ্মীভূত হৈ যাব।

নিজেই আহ্বান কৰি আছে ভষ্মাসুৰ বাহিনীক...!

নিজকে মেডেলিন মুৰে অ' হেয়াৰৰ দৰে যদিহে ইতিহাসত কুখ্যাতিৰে বিখ্যাত হোৱাৰ বৃথা চেষ্টা কৰিছে তেনেহ'লে ইতিমধ্যেই নিজৰেই শূন্য চৰিত্রৰ তহিলে সেয়া প্রমাণিত কৰিছেই।

...আখৰেৰে নামটো লিখিবলৈ ইতহস্ত বোধ কৰিছো যদিও পঢ়োতাই নিশ্চয়কৈ বুজি পাইছেই মই কাৰ কথা কৈছো ? নামটোৱেই 'অস্পৃশ্য'...!

আমি যিকোনো মুহূর্তে চোৰট বা পার্থেনিয়ামৰ পুলি এটা ৰুই দিবলৈ সাজু।

লেখকৰ ঠিকনা গুৱাহাটী





When Zubeen Garg Left Us : A Reflection from an Oxomiya's Heart

■ **Dr. Stutima Basistha**

Time flies so fast.

I still remember that day as if it were yesterday. I was at my workplace, buried in work, when my husband called in the middle of the afternoon.

"Did you hear about Zubeen Garg?" he asked.

My immediate response was, "What did he do again this time?" Because that is how it always was. Whenever Zubeen Garg made the news, it was something to be discussed, gossiped about, debated over. He was bold, he was fearless, and the media never stopped paying attention to that boldness — often painting it in a negative light. So naturally, my reaction was the same as always, half-amused, half-expecting some fresh controversy.

But then my husband said, from the other end of the line, "He died. It's all over the news."


"What?" I remember saying. "How is that even possible? How can Zubeen Garg die? That's rubbish."

I was in the middle of some work, so we hung up, and I went right back to it. I didn't even want to cross-check what he had said, because I was already in denial. My brain simply refused to accept it. How can Zubeen Garg die?

It was only after I reached home, sat down with my phone in hand, that I turned cold. I could not believe what I was reading, what I was seeing. The videos circulating across social media were disturbing. I opened the news and saw all of Assam, every fellow Oxomiya, mourning. People were out on the streets — furious, aggressive, consumed by an anger they could not let go of. He had gone for a performance. How could he not come back to

his own motherland, to Assam? His people, his family, were waiting for him. I called my mother immediately. I was still in denial — maybe it was fake news, I told myself. I live outside Assam, so perhaps the correct information simply hadn't reached me yet. I called her for confirmation, and she confirmed it, her voice heavy with grief. I cannot even begin to explain how that news felt — not just for me, but for any fellow Oxomiya. As a music lover, as a singer, as someone who grew up with his voice in the background of every important moment of my life, that day broke something in me. It has almost been a year now without him — the 19th of September, that cursed date. We did not just lose a singer. We lost a protector of our land, a rebel whenever the moment called for one, a voice that made every Oxomiya feel secure. He was a philanthropist who helped countless people he barely knew, simply to ease their pain. He was a creator whose music healed us in ways words cannot fully capture. We did not just lose a human being. We lost our guardian angel. I come from a family of music lovers — we all sing. Whenever we gather to jam, the first song is always his. Now that he is no longer there to create that magic, it aches. Zubeen daa's songs have walked through nearly every emotion I have ever felt. During heartbreak, there was "Hothate Heral Keni Nu Mur Sotalore Junak" — what a pain in that song. During happy times, "Majulir Ejoni Sualie Dukh Pale." In moments of fear, "Mrityu Etiya Xohoj" felt exactly right. And in the tender age of falling in love, dreaming of a life ahead, there was "Ulomi Ulomi Thake Dui Uthote Hahi." And to fit the peppy mood of my Bihu function stage shows, there was always "Buku Bhora Ei Trixa Je" and the movie "Hiya Diya Niya" no idea how many times I have watched— his music truly had a song for every mood. The list is too long to hold every emotion he gave voice to. We still hear his songs today, and we will keep hearing them forever. But it is different now. The feeling that his creations have stopped. The feeling that we will never again spot him in some corner of the world. The feeling that we will never again witness his madness, his craziness, his boldness — that is what aches the most. People come and go; that is nature's rule. But some people need to stay longer. Not because he was an artist, but because he was an artist with a good heart, which is a rare combination. He was an artist who never asked for anything, and gave far more than he ever earned. He was an artist loved by people across every economic background. He was an artist who taught us what it truly means to stay grounded. He was an artist people could die for — and they did. The entire world watched his last day, watched how the state mourned, how the people mourned. Not just people — it felt as though the trees, the animals, the whole of nature knew that something deeply close had been lost. People who give the world art like that deserve to live longer. I miss you, Zubeen daa. We all miss you. I had once hoped that someday I would get the chance to bring my son to meet you, the way I once had the once-in-a-lifetime opportunity to meet you myself — to talk to you, to sit beside you, to see you up close, and of course, to sing with you. The Zubeen Garg the world knows from a distance, and the Zubeen Garg you meet in person, are two very different people. If you have ever had the chance to meet him, you will know he was one of a kind, and you will understand exactly why people loved him the way they did — almost like madness. It is hard to put all of this into words, because you don't really know what to write when the emptiness is this vast. Until you return to us in some other form, we will keep listening, vibing, enjoying, crying, laughing, and smiling — to every song, to every piece of you that you left behind. With love, Your forever diehard fan

Address Mangaluru



জুবিন গার্গ আৰু মায়াবিনী

■ সীমা ভট্টাচার্য

১৯ ছেপ্টেম্বৰ ২০২৫ চন, এটি ধুমুহাই অসমখন জোকাৰি গ'ল। অসমৰ হার্টথ্ৰ'ব জুবিন গার্গৰ এট অনাকাংক্ষিত ঘটনাত জীৱন অবসান হ'ল। এই মৃত্যু অসমত নহয় ভাৰতলৈ নহয়, সুদূৰ ছিংগাপুৰত। এইয়া অসমৰ জনগণই কল্পনা কৰিব নোৱাৰা এক ঘটনা। জুবিনৰ মৃত্যুত জাতি, ধর্ম, পাহাৰ, ভৈয়ামৰ ভেদাভেদ পাহৰি যিদৰে সকলো মানুহ শোকাহত হৈ পৰিছিল সেয়া অসমৰ ইতিহাসত এক যুগান্তকাৰী ঘটনা, সেই ঘটনাই সমগ্ৰ বিশ্ববাসীকে চমকিত কৰি তুলিলে। অসমৰ এক অপুৰণীয় ক্ষতি হ'ল। জুবিন গার্গ আছিল এক অনুষ্ঠান, সেই অনুষ্ঠান নোহোৱা হৈ গ'ল। জুবিনৰ কণ্ঠেৰে নিগৰিত হোৱা চিৰসেউজ গীতৰ অধ্যায়ৰ অন্ত পৰিল। যিগৰাকীয়ে গানৰ জৰিয়তে জনসাধাৰণক এক নিকা বাট দেখুৱাই লৈ গৈছিল,যাৰ কণ্ঠত নিগৰিছিল পাহাৰ-ভৈয়াম, নদ-নদী, সুখ-দুখৰ সুৰ, সেই সুৰৰ ৰাগীত শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে মতলীয়া হৈছিল, যাৰ সুৰৰ ধাৰাই আকর্ষিত কৰিছিল নৱ প্ৰজন্মক। সেই সকলোকে কন্দুৱাই সকলোৰে অন্তৰত গভীৰ সাঁচ বহুৱাই কোনোবা অজান দেশলৈ গুচি গ'ল... ঐশ্বৰিক শক্তিসম্পন্ন জুবিন গার্গ কেতিয়াও ঘূৰি নহাৰ বাটেৰে।

হার্টথ্ৰ'ব জুবিন গার্গ নব্বৈ দশকৰ পৰাই তৰুণ প্ৰজন্মক অসমীয়া গীত, সংগীতক ভাল পাবলৈ শিকালে অসমীয়া গীতত এক ধাৰা সংযোজন কৰি। যি সময়ত নতুন প্ৰজন্মই হিন্দী গীতক অধিক গুৰুত্ব দিবলৈ আৰম্ভ কৰিছিল, সেই সময়তে জুবিন এক অৰতাৰী পুৰুষৰ দৰে আবির্ভাৱ হৈ অসমীয়া সংগীত জগতখনলৈ অভূতপূর্ব পৰিৱর্তন আনিলে। জুবিনৰ 'মায়া', 'অনামিকা', 'পাখি', 'শব্দ', 'যন্ত্র' ইত্যাদিৰ সুৰৰ মায়াজালে যুৱ প্ৰজন্মক অসমীয়া গীতৰ কাষলৈ পুনৰ ওভতাই আনিলে। জুবিন আছিল একেধাৰে কবি, গীতিকাৰ, সু�ৰকাৰ, বাদ্যযন্ত্রী, বোলছবি নির্মাতা, অভিনেতা আৰু এজন সুদক্ষ পৰিচালক। সঁচা অর্থত ক'বলৈ গ'লে তেওঁ আছিল এনে এক সত্তা, যাৰ অবিহনে সাম্প্রতিক অসমৰ নক্সাখন আঁকিব নোৱাৰি। তেওঁৰ স্পষ্টবাদিতাই সকলো বয়সৰ লোকক তেওঁৰ কাষ চপাই আনিছিল। তেওঁক ভালপোৱা আৰু শ্ৰদ্ধা ইমান গভীৰহৈ পৰিছিল যে যুৱ প্ৰজন্মৰ বেছিভাগেই তেওঁক এক আদর্শ ব্যক্তি হিচাপে গ্ৰহণ কৰিছিল।

জুবিনে গানৰ জৰিয়তে সকলোকে একতাৰ বান্ধোনেৰে বান্ধি ৰাখিছিল, তেওঁৰ গীতৰ মুগ্ধতা আছিল সুকীয়া। আনে কৰা কটাক্ষ আওকাণ কৰি জুবিন গার্গে নিজকে বিলাই দিছিল জনগণৰ মাজত।

এইগৰাকী শিল্পীৰ মৃত্যুত অসমবাসীয়ে এজন স্বভিমানী অসমীয়াক হেৰুৱালে, তেওঁ আছিল জাতীয় চেতনাৰে উদ্বুদ্ধ এজন চিন্তা নায়ক। অসমীয়া জাতিৰ প্রতিটো সংকটৰ সময়ত তেওঁ নির্ভিকভাৱে সন্মুখত থিয় দিছিল, মুক্ত কণ্ঠেৰে প্রতিবাদ কৰিছিল। জুবিনৰ স্পষ্টবাদিতাই ৰজাঘৰকো থমকি ৰ'বলৈ বাধ্য কৰিছিল। জীবিত কালত জুবিন গার্গক জাতিয়ে চিনি নাপালে, মূল্যায়ন কৰিব নোৱাৰিলে।

১৯ ছেপ্টেম্বৰ ২০২৫ৰ পৰা অসমত বিৰাজ কৰিছিল এক অভাৱনীয় শ্বাসৰুদ্ধ পৰিৱেশ। কোনো সংগঠনে কোনো বন্ধ দিয়া নাছিল কিন্তু গোটেই অসম ৬-৭ দিনৰ বাবে বন্ধ হৈ গৈছিল। জুবিনে কৈ যোৱাৰ দৰে 'মোৰ মৃত্যু হ'লে সমগ্র অসম সাত দিনৰ বাবে বন্ধ হৈ যাব' আখৰে আখৰে সত্যত পৰিণত হৈছিল কথাবোৰ। জুবিনৰ কি ঐশ্বৰিক শক্তি আছিল, এনে কি আকর্ষণ আছিল, যাৰ বাবে সমগ্র জনতাই হাতত মমবাতি লৈ কান্দি কান্দি 'মায়াবিনী ৰাতিৰ বুকুত' গাই গাই বাটে-পথে দিশহাৰা হৈ ঘূৰি ফুৰিছিল, হাজাৰ হাজাৰ জনতাই প্রিয় শিল্পীজনক এবাৰ ওচৰৰ পৰা চাবলৈ ঢাপলি মেলিছিল সোণাপুৰলৈ। তিনি-চাৰি দিন নোখোৱা নোবোৱাকৈ শোকাহত হৈ থিতাপি লৈছিল সোণাপুৰত মৰমৰ শিল্পীজনাক অন্তিমবাৰৰ বাবে শ্রদ্ধা জনাবলৈ। কাৰণ গোতেই অসম আছিল তেওঁৰ হৃদয়ৰ আপোন।

জুবিনক হৃদয়ত ৰাখিবলৈ সৰু ল'ৰা-ছোৱালীৰ পৰা যুৱ প্রজন্মমলৈ সকলোৰে মুখে মুখে কেৱল 'মায়াবিনী' স্বতঃস্ফুর্তভাৱে নিগৰি থাকিল দিনৰ পিছত দিন।

স্কুলৰ কিছু দৃশ্য ঃ ড্রয়িং ক্লাছত আঁকে জুবিনৰ ছবি। প্রি নার্চাৰী, নার্চাৰী আদি সৰু সৰু ক্লাছ বিলাকত শিক্ষকে 'মায়াবিনী' গাবলৈ দিম বুলি ক'লে তেওঁলোক সুন্দৰভাৱে বাধ্য হৈ পৰে, আৰু শিক্ষকে কোৱা ধৰণে কামবোৰ উৎসাহেৰে ক'ৰে। শিক্ষক ক্লাছৰ পৰা ওলাই যোৱা লগে লগে মায়াবিনী গাবলৈ আৰম্ভ কৰে, সিহঁতৰ মতে জুবিন দা ঢুকুৰা নাই, আকাশত আছে, মাজে সময়ে সিহঁতে দেখে। মায়াবিনীয়ে যাদুৰ দৰে কাম কৰে। সঁচাকৈয়ে জুবিন গার্গে এই প্রজন্মক যেন যাদুৰে মোহাচ্ছন্ন কৰিলে।

এক চিত্রাংকন প্রতিযোগিতাত অংশ লোৱা সৰু ল'ৰা এজনে প্রতিযোগিতাৰ অন্তত দেৱালত বিভিন্ন মহান ব্যক্তিসকলৰ ছবি থকা প্রতিযোগিতাথলী ঘূৰি পৰি ছবিবোৰ চাই চাই কিবা বিচাৰি ফুৰিছে। তাত থকা বয়োজ্যেষ্ঠ এজনে তেওঁক সুধিলে 'তুমি কি বিচাৰিছা' সেই কণমানি ল'ৰাজনে ক'লে 'ইয়াত সকলোৰে ছবি আছে জুবিন গার্গৰ নাই কিয়? সকলোৱে অনুভৱ কৰিলে, হয় জুবিন গার্গ এতিয়া সকলোৰে মন মগজুত বিচৰণ কৰি থকা এক সত্বা।

জুবিন গার্গে কোৱাৰ দৰে— 'লুপ্ত হওঁ তোমাৰ কথাৰ বসন্তত, যদি পাৰা লিখি দিয়া, মোৰ অভিধানত পোহৰ... সীমাহীন পোহৰ... যাতে মই সঁচাকৈয়ে অন্ধ হ'ব পাৰো।'

লেখকৰ ঠিকনা ঃ পূব চৌকিডিঙ্গী, ডিব্রুগড়, অসম।
ম'বাইল ঃ ৯৯৫৪৫৬১৯৫৬



7 Days with Zubeen

■ **Sushanta J. Sarmah**

It was the last week of July. I had gone to IIT Kharagpur with my family to drop my elder son for admission. We stayed at Wonder Inn, about 12 kilometres from the campus, and hired a local cab for our daily commute. That was how I met Bishnu. Bishnu was a young cab driver from Odisha who had been living in Kharagpur for nearly fifteen years. Married, with a young daughter, he was an ordinary man earning his livelihood and looking after his family. But there was something extraordinary about his cab. It was full of Zubeen. Bishnu had once seen Zubeen perform at IIT Kharagpur. That one experience had left such an impression on him that he spoke about Zubeen almost like a divine figure. He had an enormous collection of Zubeen's songs—Assamese, Bengali, Hindi and others. Some Assamese songs he played were unfamiliar even to me. Then he told me something remarkable."He had learnt Assamese through Zubeen's songs. His daughter, he said, would not go to sleep without listening to a Zubeen song. Initially, Bishnu did not know that I was Assamese. Once he found out, he brought out his entire Assamese collection. For the next seven days, every journey between the hotel and IIT became a musical journey through Assam. Sometimes he would turn around and ask, Sir, have you heard this song? Often, I hadn't. A young man from Odisha knew Zubeen's songs better than I did. That stayed with me. It also made me think about what Zubeen Garg meant to Assam. Zubeen was never merely a singer. For more than three decades, he helped shape contemporary Assamese popular culture. He brought together folk, Bihu, modern music and rock. He sang, composed, acted and directed. He carried Assamese music beyond Assam while never allowing Assamese identity to

become secondary to his national success. For many of us, songs like Mayabini are not simply songs. They are memories, emotions and a sense of home. Its words and melody have become part of the collective Assamese consciousness. But sitting inside Bishnu's cab in Kharagpur, I heard Mayabini differently. Here was a man who was not Assamese, who had learnt our language through music, who played Assamese songs to his daughter and spoke about Zubeen with extraordinary affection. That, perhaps, was Zubeen's greatest achievement. He crossed boundaries that music alone can cross—language, geography and culture. He made people feel that their language mattered, their songs mattered and their stories mattered. And he did it with a remarkable simplicity. He never seemed distant from ordinary people. Perhaps that is why he became such a heartthrob of the common man. Those seven days taught me that an artist's true legacy is not measured only in awards, albums or box-office numbers. It lives in people. In a little girl falling asleep to his song. In a taxi driver from Odisha learning Assamese through his music. In a passenger hearing a song and suddenly feeling at home. When we finally left Kharagpur, I realised I was taking back an unexpected souvenir. Not a photograph. Not a keepsake. A story. For seven days, I had travelled with Zubeen without ever seeing him.“In a small cab, twelve kilometres at a time, I discovered how far a voice can travel. Seven days. Hundreds of songs. One extraordinary artist. Seven days with Zubeen.

Address Bengaluru



আমিবোৰ তেনেকুৱাই

■ সমীৰণ শইকীয়া বৰগোহাঁই

হাতৰ মুঠিত বুঢ়া আঙুলিৰে চাধা মলি-মলি,
বুদ্ধ সিদিনা আমাৰ গাঁৱলৈ আহিছিল!
আহিয়েই ক'লে, তেওঁৰ বোলে কোনো জাতি নাই;
নাই কোনো ধৰ্ম, নাই কোনো ভগৱান!
পশু-পক্ষীক মৰম কৰাৰ কথা ক'লে,
গছবোৰক ভালপোৱাৰ কথা ক'লে।
মাজে-মাজে গুণগুণালে কেইটামান গান,
পাঠ কৰিলে দুটামান কবিতা।
আমি সাধাৰণ মানুহবোৰে
বুদ্ধৰ ৰূপ আৰু কথাৰ সামঞ্জস্য নেদেখি,
নাভাবি-নুবুজি মাথোঁ হাঁহিলো আৰু হাঁহিলো।

আমিবোৰ তেনেকুৱাই!

গানৰ ৰাগিত মতলিয়া হৈ নাচি-বাগি,
বাগৰি পৰিলো বোকাত।
বুদ্ধক চাবলৈ হেতা-ওপৰা,
আমি উঠি ল'লো গছত।
বদনাম হ'ল বুদ্ধৰ!

আমিবোৰ তেনেকুৱাই!

বুদ্ধ কিন্তু তেনেকৈয়ে থাকিল।
গছৰ লগত, মানুহৰ লগত, প্ৰকৃতিৰ মাজত

এদিন হঠাৎ, বুদ্ধ নোহোৱা হ'ল!
নাই মানে নায়েই!

গান নাই, কবিতা নাই,
শোষকক দিয়া সেই গালিবোৰ নাই!
আমি মানুহবোৰ পাগলৰ দৰে হ'লো, বুদ্ধ ক'ত?
ক'ত সেই অহৌবলিয়া, লাজ-ভয়হীন মানুহটো!
নোহোৱা হোৱাৰ পাছত বুদ্ধ যেতিয়া ঘূৰি আহিছিল,
আমাৰ গাঁৱখন আৰু গাঁও হৈ থকা নাছিল।
আমি মানুহবোৰো হৈ পৰিছিলো মৰাশ!

আমিবোৰ তেনেকুৱাই!

বুদ্ধ কিন্তু তেতিয়াও তেনেকৈয়ে আছিল।
গছৰ লগত, মানুহৰ লগত, প্ৰকৃতিৰ মাজত।
মাথোঁ তেওঁৰ মুখত সিদিনা মাত নাছিল;
আৰু আমি সকলো জানি, সকলো বুজি চিঞৰি
আছিলোঁ—
জয় বুদ্ধ... জয় বুদ্ধ... জয় বুদ্ধ...

আমিবোৰ তেনেকুৱাই!

লেখকৰ ঠিকনা চৰাইদেউ



মানুহৰ হৃদয়ৰ সম্ৰাটঃ জুবিন গাৰ্গ

■ ড° নন্দ সিং বৰকলা

মৃত্যুৰ পিছত মৃতদেহৰ সমদলৰ পৰিভাষা ইমান ব্যাপক, বৰ্ণিল আৰু বৰ্ণাঢ্য হ'ব পাৰে সেই দৃশ্যসজ্জাৰ অনন্য জলবায়ু জুবিনৰ মৃত্যুৱে সৌন্দৰ্যশালী কৰি থৈ গ'ল। জীৱন সুন্দৰ, কিন্তু সংঘৰ্ষ, প্ৰত্যাহ্বান আৰু সংকটেৰে পৰিপূৰ্ণ। মৃত্যুয়ো কঠিন, অসহনীয় আৰু বিষাদৰ বেদনাৰে সংপৃক্ত। সেই বেদনা, বিষাদ, কষ্ট, যাতনা মানুহৰ বাবে অসীম হৈছিল যদিও মানুহে জুবিন গাৰ্গৰ মৃত্যুক স্বৰ্গ কৰি পেলালে। সেই স্বৰ্গৰ ঈশ্বৰৰ মৃতদেহৰ শোভাযাত্ৰা ব্ৰহ্মপুত্ৰৰ প্ৰবল সোঁতৰ দৰে ধাৱমান হৈ মানুহৰ সমদলৰ গংগাত স্নান কৰোৱালে। মৃতদেহক পুৰিবলৈ উন্মাদ হৈ থকা মৰিশালী জুবিনৰ ওচৰত ম্লান পৰি গ'ল। ঈশ্বৰৰ ব্যাকৰণত মানুহ ভগৱান হোৱাৰ বিৰল শিৰোনামা হৈ মানুহক কৈ গ'ল জুবিন গাৰ্গে ক্ষমতাৰ পৃথিবীৰ সাম্যবাদৰ বিৰল দৰ্শনৰ পৰিভাষাক। জুবিন গাৰ্গৰ ওচৰত পৰাজিত হোৱা মৰিশালীয়ে আজিও মূৰ তুলি থিয় হ'ব পৰা নাই। সততে মৰিশালী বুলি ক'লে ভয় কৰা মানুহক সম্প্ৰতি জুবিনৰ মৰিশালীক স্বৰ্গবাটৰ পথিক হৈ চিকুণাই আছে ৰামায়ণ, মহাভাৰত, গীতা, কোৰাণ, বাইবেল, গুৰুগ্ৰন্থ সাহিব, ভাগৱত, কীৰ্তন, দশম, বৰগীতৰ অমীয়া সুৰ।

জুবিন গাৰ্গ, পৃথিৱীৰ সংগীতৰ মহাশক্তি, এক অন্যতম সংস্কৃত মাত। শংকৰদেৱ, মাধৱদেৱ, ভূপেন হাজৰিকা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালাৰ বৰণেৰে বিশ্ব মানৱ চেতনাক প্ৰবল ব্ৰহ্মপুত্ৰৰ জলধাৰাৰে সাংস্কৃতিক মৰ্যাদাৰ বিধৌত ৰামধেনুৰ ৰঙৰ গৰাকী আছিল জুবিন। য'ত শেষ হয় সাম্প্ৰদায়িকতাৰ উৎকট দুৰ্গন্ধময় বাটৰ বিৰক্তিকৰ খোজবোৰ, আৰম্ভ হয় মানৱ সভ্যতাৰ জীৱনবোধৰ সমদল। জুবিন সাগৰৰ নীলাপানীৰ বিহৰ বুকুত মানুহৰ চকুৰ আকাশৰ অমাৱস্যাত জিলিকি উঠা পূৰ্ণিমাৰ জোনাকৰ শীতলতা। গান, কবিতা, কথাছবি, গছ বিলাসী কথাৰ নাম দুৰন্ত জুবিন গাৰ্গ। যি নামত ওখ হয় গছ, ওখ হয়

বিশাল মানৱতা। যি নামেৰে মানুহৰ বুকুৰে বুকুৰে ধ্বনিত হয়, মানুহৰ শঙ্খমাতৰ মর্যাদাৰে আঢ্যৱন্ত কৰি তোলা নামঘৰৰ ডবা, কাঁহ, মৃদংগৰ খোলৰ বিনন্দীয়া মাত, জুবিন গার্গ। ঐক্য সমন্বয়, বিশ্বাস সম্প্রীতিৰ বিৰল শোভাযাত্রা তেওঁ। য'ত শেষ হয় হিন্দু-মুছলমান, খ্রীষ্টিয়ান, শিখ, বৌদ্ধ সম্প্রদায়ৰ সীমাৰেখা। জুবিন গার্গৰ খেয়ালী মনৰ মাজত জিলিকি আছে মাটিৰ স্বচ্ছ, বিকাশৰ প্রগতিৰ সভ্যতাৰ সেউজীয়া। য'ত ম্লান পৰে গর্বিত মানুহৰ অহংকাৰ। জাত-পাতৰ বাটেৰে সৃষ্টি হোৱা ৰক্ষণশীল সমাজ।

সাম্যবাদৰ কথা বস্তুৰ ৰূপক চেতনাক মূর্ত কৰি, সর্বহাৰাৰ অস্থিৰ খোজবোৰক সবল কৰাৰ বে-নজীৰ দৃষ্টিনন্দন ৰূপমাত্রা আছিল জুবিন গার্গ। তেওঁ স্বচ্ছ বগা সমাজৰ প্রতীক আছিল বাবেই সমাজৰ সংৰক্ষণৰ কুটিল নিয়মবোৰ ভাঙি মানুহৰ সমঅধিকাৰৰ চিঞৰেৰে সাম্যবাদী জীৱনৰ পথ দেখুৱাই গ'ল। যি পথ স্থায়ী হৈ আছে, শ্রীকৃষ্ণ-সুধামাৰ জীৱন পৃষ্ঠাত। ভীষ্মৰ শৰশয্যাত, বিদূৰৰ হস্তিনাপুৰৰ নান্দনিক প্রেমত, কৃষ্ণযাত্রাৰ কংস বধত, ভূপেন হাজৰিকাৰ বিশ্ব চেতনাত, শংকৰ, মাধৱ, চ্যুকাফাৰ-বৰঅসমৰ দৃষ্টিনন্দন সমাজত। জুবিন গার্গ অন্যায়ৰ বিৰুদ্ধে ন্যায়ৰ মাত, আন্ধাৰ বিৰুদ্ধে পোহৰৰ দিকচৌ বাট। জুবিন গার্গে গানে গানে মানুহৰ হৃদয় বিন্দুক পৃথিৱীৰ মহাসিন্ধু মহাকাব্যৰ কীর্তন, ঘোষাৰ মনোৰম মাত হৈ জিলিকি আছে তেজৰ বাটক মাটিমণিৰ জ্যোতিৰ বাটৰ গৰিমাৰে। জুবিন গার্গৰ তেজৰে কমলাপতি পৰভাতে নিন্দ ধ্বনিত বাটলৈ সমদল হোৱা মানুহৰ অন্ত নোহোৱা এটা বিশাল ৰং, য'ত ৰজাৰ অবয়ৱ নাই, নাই অস্ত্র-শস্ত্র, আনকি সৈনিকো। জুবিন মানৱ বন্দনাৰ কুশল সংবাদ বুলি মই অনুভৱ কৰো। এই অনুভৱৰ বিশাল বাটে গানৰ অলিয়ে-গলিয়ে লৈ ফুৰিছে অসম ভূ-খণ্ডৰ নৃ-গোষ্ঠীয় মানুহৰ চেতনালব্ধ কৃষ্টি, সংস্কৃতিক দিখৌ, দিহিং, দিচাং, পাগলাদিয়া, জীয়াবৰলী, ধনশিৰি, ভোগদৈ, ডিব্রু, কপিলী, হাৰিয়া, কিলিং, কলং, যমুনা, গাইনদী, মানস, চিয়াঙৰ লুইত হৈ বৰলুইতৰ মানুহ বন্দনাৰ সোঁতবোৰেৰে।

জুবিন গার্গৰ অপঁইতা অকাল বিয়োগ হৈ পৰিল প্রতিজন সঁচা মাটিৰ প্রেমত থকা অসমীয়াৰ বুকু ভাঙি পেলোৱা এটা সময়। এই সময়ক বতাহৰ, বৰষুণৰ আকাশত হতাশা আৰু যাতনাই ক্লান্ত কৰি তুলিছে গ্রহ-গ্রহান্তৰৰ চকুবোৰক। মানুহৰ সমদলৰ বিৱৰণে আকাশক ভাঙি টুকুৰা-টুকুৰ কৰিছে। মানুহ অনন্য। সেই অনন্য ৰঙে জুবিনৰ মৃতদেহৰ চৌপাশে সৃষ্টি কৰা শোকৰ মিছিল, অস্ফুট আর্তনাদ, বিষাদৰ খোজে খোজে পৃথিবীৰ কহিনুৰ হেৰুৱাৰ বেদনাত জর্জৰিত হৈ উঠিছে মানুহৰ পৃথিৱী। এই পৃথিৱীৰ জীৱনৰ সৌন্দর্যক সাগৰে কাঢ়ি লৈ গ'ল। জুবিনৰ বাবে যেন জীৱনটোয়েই ডাঙৰ শাস্তি হৈ জিলিকি উঠিল। এই শাস্তিৰ অপৰাধ কি এই কথা সাগৰে ক'ব পৰা নাই। ঢৌবোৰে আকাশ স্পর্শৰ তাড়ণাৰে উপর্যুপৰি কৰি আকাশৰ বিশালতাক সুধিছে জুবিনৰ অপৰাধ কি আছিল? সাগৰ মন্থনত ওলোৱা বিষ জুবিনে পান কৰি আমাক দি গ'ল পৃথিবীৰ শেষ নোহোৱা বিষাদৰ ভড়াল।

জুবিন গার্গৰ বিশাল জীৱনটোৱেই ভাৰতীয় মহাকাব্যৰ দৰে এক অসমৰ সংস্কৃতিৰ বিশাল বাট, জুবিন গার্গ সংস্কৃতিৰ ওখ হিমালয়ৰ দৰে জোনবিৰি আছিল। তেওঁ মানৱীয় সম্পদ বাবেই জুবিনৰ বাবে সমাজ জীৱনৰ স্বচ্ছ জীৱন আছিল সাম্যবাদৰ মনোৰম সমাজ নির্মাণৰ প্রখৰ চেতনা। দেশ, দেশপ্রেমৰ বিশাল প্রেমৰ বন্দনাৰে তেওঁৰ গানে মানুহক জীৱনৰ মর্ম শিকাই গ'ল। সংস্কৃতিৰ বিনন্দীয়া ৰামায়ণ, কীর্তন ঘোষাৰে তেওঁ মানুহৰ পৃথিৱীৰ অনন্য ওখ শ্লগান হৈ মাটি আৰু মানুহক সমাজৰ মর্যাদাৰ মহাভাৰতত জিলিকাই গ'ল। নতুন প্রজন্মই জুবিন গার্গৰ গীত, মাত, কথা, ছবি নাটকত নিজকে বিচাৰিব পাৰিলেই অসমৰ ভূ-খণ্ডৰ সংস্কৃতিৰ প্রগতিৰ বিজ্ঞানসম্মত সভ্যতাৰ মাটিত ১৫ হৈ থকা সমন্বয়ক, প্রেম ঐক্যমিলন, ভালপোৱাৰ বাটেৰে সংস্কৃতি বিকাশৰ বাটটোক নতুন প্রজন্মই উপলব্ধি কৰিব পাৰিব। বুজি উঠিব অসম তথা ভাৰতৰ বিশাল দর্শনৰ জীৱনকলাক। চাণক্যৰ দেশ, দেশৰ মানুহৰ জীৱনৰ সংজ্ঞাৰে সমাজ নির্মাণৰ মর্মমাতৰ নিভাঁজ শিক্ষাৰ মূল্যমানক আৰু চানক্যৰ সেই ভাৰতীয় দর্শনৰ শিক্ষাৰ মূল্যমানৰ সৈতে আমাৰ সমাজতো নতুন প্রজন্মই বিকশাই তুলিব পাৰিব

ব্রহ্মপুত্রৰ গতিবেগক পৃথিবীৰ বুকুত নতুন ধ্বনি, প্রতিধ্বনিৰে। এনে হ'লে সেয়াই হ'ব শিল্পী, শিল্প, সংস্কৃতি মানুহৰ বুকুৰ মর্মচেতনা।

মানুহৰ সংজ্ঞা বৰ বিশাল আৰু বর্ণিল আৰু বর্ণাঢ্য এই কথাটো জুবিন গার্গৰ মৃত্যুৱে নতুনকৈ শিকাই গ'ল। ব্যক্তিৰ ব্যক্তিকেন্দ্রিক চৰিত্রটোক ভাঙি চিঙি সমষ্টিগত ব্যক্তিত্ব বিকাশৰ সমাজ চেতনা এটাক দুৰন্ত ৰূপত জুবিনৰ গানে মানুহক কৈ গ'ল। তেওঁৰ মৃত্যুত হেৰায় থাকিল, সংকীর্ণ মানুহৰ চিন্তা চেতনা। কোনো মানুহেই নিজৰ ধর্মীয় সম্প্রদায়ক পোছাক পিন্ধি জুবিন গার্গৰ মৃতদেহৰ শোকৰ সমদলত অংশ লোৱা নাছিল। প্রত্যেক মানুহেই কাপোৰ পিন্ধিছিল, সেই কাপোৰ আছিল সামাজিক কাপোৰ, যি কাপোৰক পৃথিৱীৰ সকলো মানুহে সন্মান কৰে মানুহৰ সমাজৰ বিনন্দীয়া আত্মপৰিচয়ৰ বস্ত্রৰূপে। যি বস্ত্র নেহেৰায়, নপচে, কিম্বা কোনেও চোৰ কৰিব নোৱাৰে। সেই বস্ত্র গুৰু দুজনাই, চ্যাওলাং চুকাফাই আমাৰ সামাজিক পোছাক কৰি গৈছে। জুবিনৰ মৃত্যুৱে মননশীল মানুহক সেই পোছাকৰ জ্যোতিৰ বাটেৰে কুৰুক্ষেত্রৰ অধর্মৰ কথা কৈ গ'ল। অগণন মানুহৰ পাঠশালা, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ প্রজ্ঞাৰ পোহৰ সমৰেত হ'ল জুবিনৰ শ-দেহৰ চৌদিশে। সেই সামাজিক শিক্ষাৰ পোহৰ অমূল্য, বিনন্দীয়া, মনোৰম, দৃষ্টিনন্দন, নান্দনিক ৰূপেৰে আমাৰ হৃদয়ৰ অন্তঃপাশে-অন্তপাশে আমি বিচাৰি ফুৰা বাঞ্ছিত সমাজ চেতনাৰ আত্মাটোক জুবিনে আমাৰ বুকুত খোদিত কৰি থৈ গ'ল। সেয়ে জুবিনৰ প্রতি অশ্রুভৰা শ্রদ্ধাঞ্জলি মানুহৰ হাতে হাতে বিনয় প্রার্থনাৰে সমাদৃত হৈ উঠিল। সেই শ্রদ্ধাঞ্জলি জুবিনৰ জীৱন পৰিক্রমাৰ ডঁৰিয়লিয়ে ডঁৰিয়লিয়ে বিশাল হৈ অসমীয়াৰ জাতিৰ বাটক ভূপেন হাজৰিকা, বিষ্ণুপ্রসাদ ৰাভা, জ্যোতিপ্রসাদ আগৰৱালা, আমাৰ গুৰু দুজনাৰ বাটেৰে মহিমামণ্ডিত কৰি থাকক। সেয়াই হ'ব সমাজৰ অমৃত গংগাৰ বিশালতা।

মানুহৰ সমদল, সমৰোল, সমতালৰ কলাত্মক ছান্দসিক, ছন্দোৱদ্ধ চৰিত্রদর্শণে জুবিনৰ শ দেহক লৈ পৃথিৱীৰ ইমূৰে-সিমূৰে গঢ়ি তোলা মানুহৰ সমাজৰ প্রতি থকা বিশ্বাসক প্রবলভাৱে আস্থাৰে বিধৌত কৰিলে। কেৱল গুৱাহাটী মহানগৰীৰ চৌকোণৰ মানুহৰ বিশাল সমাগমে পৃথিৱীক অসমৰ মাটিলৈ ডিঙি মেলি মেলি চাবলৈ বাধ্য কৰিছে। এই মাটিৰ নামত কিমান সংস্কৃতিৰ মিলন, কিমান খাদ্য, পোছাক, ভাষা, দোৱান, উপভাষা, ৰীতি-নীতি, আচাৰ-আচৰণৰ বিভিন্নতা সত্বেও একত্রিত সংস্কৃতিৰ মহাসিন্ধুৰ অসমৰ সমাজ সজঅর্থতেই ভাৰতৰ বিৰল প্রকাশ। অনন্য, গণ্য, নমস্য বিৰল জগত। ড° ভূপেন হাজৰিকাৰ বিশাল জীৱনৰ বৰলুইতখন আকৌ জিলিকি উঠিল জুবিনৰ জীৱন চেতনাৰে মিছিচিপি, ভল্গা, ৰাইন, থেমচ, গংগাৰ পানীৰে নীলনৈৰ উপত্যকাই উপত্যকাই জীৱনৰ বাটক মহীয়ান কৰা অসম ভূমিৰ মাটিমণিৰ উজ্জ্বলতাৰে। সেই উজ্জ্বলতাৰ গৰিমা ভীষ্ম চেতনাৰে সমৃদ্ধ। কৃষ্ণ, বিষ্ণুৰ সুদর্শন চক্রৰ ঘূর্ণীয়মান কাল গতি অবিৰত। সেই গতিক অনুবাদ কৰি গ'ল, অনুসৰণ, অনুসন্ধান, কর্ষণ আৰু নদী চেতনাৰ প্রবাহমান সোঁতেৰে জুবিন গার্গে। যি কাম কৰিছিল গুৰু শংকৰ, মাধৱে, চুকাফাই, কৃতধী সাহিত্যভীষ্ম পদ্মনাথ গোহাঞি বৰুৱাই। সংস্কৃতিৰ ৰজা বেজবৰুৱা দেৱে। জ্যোতি ককাইদেউ, বিষ্ণুপ্রসাদ ৰাভা, শোভাব্রহ্ম, ফণী শর্মা, পার্বতীপ্রসাদ বৰুৱাৰ সাংস্কৃতিক পাণ্ডিত্যৰ খোজবোৰে।

এনে সমাজৰে আমি প্রত্যেকেই মানুহ হ'ব পাৰিলে মানুহ সমাজৰ অমূল্য, অতুল্য, সম্পদ হৈ পৃথিৱীক আলোকিত কৰিব পাৰিম। ঘৃণাৰ বিৰুদ্ধে, কপটতাৰ বিপৰীতে, ষড়যন্ত্র, অপবাদক মষিমূৰ কৰি ঔৰংগজেৰ, হিটলাৰৰ হিংসাৰ চকুবোৰক সমৰেত মানুহৰ চকুৰ জুইৰে পুৰিব পাৰিম। এনে জুইৰ পোহৰে মানুহক চিঞৰি কৈ থাকিব কংস, ৰাৱণ, হিৰণ্যকশিপুৰ, কুঁজীমন্থৰা, শকুণি, দুর্যোধনৰ সাম্রাজ্যৰ দানৱ চৰিত্রৰ কথা। সংস্কৃতিয়েই সমাজ বিশাল কৰে। ঐক্য আৰু প্রেমৰ বাটেৰে সুন্দৰ কৰে মানুহৰ ভৰিৰ খোজবোৰৰ আলি-পদুলি। সেই আলি-পদুলিৰ মাটিয়ে জুবিনৰ মৃত্যুত মানুহৰ ভৰিবোৰক বিশাল কৰি তুলিলে বিদুৰ চেতনাৰ কৃষ্ণদর্শণেৰে। শংকৰ গুৰুৰ বিশাল আকাশৰ মানৱ নক্ষত্রৰ পোহৰেৰে।

লেখকৰ ঠিকনা গুৱাহাটী
ফোন নং ঃ ৮৮২২৩০৩৯০৬



জুবিন গার্গৰ সৈতে মোৰ সাতদিনীয়া ঐশ্বৰিক যাত্রা

মূল ইংৰাজী ঃ সুশান্তজ্যোতি শর্মা
অসমীয়া ভাবানুবাদ ঃ লুইতজ্যোতি


জুবিন গার্গ নোহোৱা হোৱা এবছৰ হ'ল। কিন্তু কায়িকভাৱেহে। মোৰ জীৱনত জুবিন গার্গ যিদৰেই আছিল একেদৰেই আজিও আছে। মোৰ প্রতিটো আৱেগৰ আৱৰি থকা কণ্ঠস্বৰ হৈ। মোৰ জীৱনৰ প্রতিটো পুৱাৰ সুৰময় কৰা শব্দবোৰ হৈ। মোৰ জীৱনৰ প্রতিটো নিশা দৈনন্দিনতাৰ সমস্ত প্রাত্যাহিকতাক পাহৰাই নতুনকৈ জী তোলা লয় হৈ। জুবিন গার্গ মোৰ সত্ত্বাত বিয়পি থকা এক আশ্রয়, যি কেতিয়াও নহোৱা হ'ব নোৱাৰে।

বাংগালুৰুৰ যান-জঁট নেওচি অফিচ যোৱাটো আমাৰ বহুতৰ বাবেই এক প্রত্যাহ্বান। গাড়ীখনত বহি কুমজেলেকুৱা গতিৰে অফিচলৈ যোৱা এই সময়ছোৱাত মোৰ নিচিনা বহুতৰেই একমাত্র সাৰথি জুবিন গার্গৰ গানবোৰ। কোনোবা দিনা 'মেঘৰ বৰণে' পাহৰাই দিয়ে কিমান মিনিট একে ঠাইতে ৰৈ আছো। আন কোনোবা দিনা 'নিয়ৰৰে ফুলে' ভুলকৈ অভাৰটেক কৰা ডেলিভাৰী বয়জনৰ প্রতিও খং উঠিব নিদিয়ে। কোনোবা দিনা 'মায়াবিনী'য়ে লৈ যায় প্রথম প্রেমৰ ধূসৰ স্মৃতিবোৰলৈ, আন কোনোবা দিনা 'আমি যেন যন্ত্র'ই সোঁৱৰাই এৰি অহা নৈপৰীয়া গাঁৱৰ সৰলতাৰ বিপৰীতে যান্ত্রিক চহৰৰ কথা। জুবিন গার্গৰ কণ্ঠ, শব্দ আৰু সুৰ বিয়পি আছে মোৰ জীৱনত নিৰবধি। এনেকুৱা এটা ব্যস্ত ৰাতিপুৱা গাড়ীখনত বাজি উঠিছিল 'মোৰ মনৰে থাপনাত তুলসী হোৱানা'। লগে লগেই মনত পৰিছিল বিষ্ণুলৈ। খৰগপুৰৰ টেক্সিচালক বিষ্ণু। জুবিন গার্গক ঈশ্বৰৰ দৰেই অনুভৱ কৰা বিষ্ণু।

জুলাই মাহৰ শেষৰটো সপ্তাহ, খৰগপুৰ। বৰপুত্রক আই আই টি খৰগপুৰত এডমিছন দিয়াবলৈ গৈ খৰগপুৰৰ ৰাণ্ডাৰ ইন্ হোটেলত বাহৰ পাতিছিলো। হোটেলৰ পৰা আই আই টিলৈ ১২ কিলোমিটাৰ। অহা-যোৱাৰ সুবিধার্থে এখন টেক্সি ভাড়াত লৈছিলো এসপ্তাহৰ কাৰণে। এইখিনিলৈকে সকলো গতানুগতিকেই আছিল। নির্দ্ধাৰিত সময়ত গাড়ীখন আহিল। আমি উঠিলো আৰু আই আই টিলৈ বুলি ওলালো। আমাৰ জীৱনৰ এক বিশেষ অধ্যায়ৰ আৰম্ভণি। মনত বিভিন্ন আৱেগ, প্রশ্ন, উৎসাহ আৰু হয়তো হৃদয়ৰ কোনোবাখিনিত নিজৰ ডাঙৰ ল'ৰা প্রথমবাৰ ঘৰ এৰি যোৱাৰ এটা মৃদু বিষ। সমস্ত আৱেগ লৈ গাড়ীখনত বহি শুনিছো এটা চিনাকি কণ্ঠস্বৰ। বাজি উঠিছিল 'জানে ক্যা চাহে মন বাৱড়ণ'। মোক প্রশাস্তি দি যোৱা মাতটো। তাৰ পিছত বাজি উঠিল 'গনে কি আনে, সুৰৰ সোপানে সোপানে'। খৰগপুৰৰ ৰাস্তাত অচিনাকি টেক্সি এখনত জুবিন গার্গৰ অসমীয়া গানটো শুনি আমি

অবাক। টেক্সি চালকে তেতিয়ালৈকে নাজানে আমি অসমীয়া বুলি। তাৰ পিছত বাজিল এটাৰ পিছত এটা জুবিন গার্গৰ গান। অসমীয়া, বঙালী, হিন্দী। এনেকুৱা কিছুমান জুবিন গার্গৰ গীত যিবোৰ ময়ো শুনা নাছিলো। গোটেই টেক্সিখন জুবিন গার্গৰ কণ্ঠ আৰু সুৰে জীপাল কৰি ৰাখিছিল। মই ৰৈ থাকিব নোৱাৰিলো। সুধিলো কেনেকৈ জুবিন গার্গ হৈ পৰিল চালকজনৰ থাপনাৰ তুলসী, আশ্রয় দিয়া ভগৱান অথবা ভাঙি পৰা সময়ৰ সাথী। এই চালকজনেই বিষ্ণু। ওড়িশাত জন্ম হোৱা, ডাঙৰ-দীঘল হোৱা বিষ্ণু যোৱা ১৫ বছৰে খৰগপুৰত টেক্সিচলাই জীৱিকা নির্বাহ কৰিছে পত্নী আৰু কণমানি পথমা জীয়েকৰ সৈতে। মাতৃভাষা ওড়িয়া। জীৱিকাৰ খাতিৰত বঙালী শিকিছে, এতিয়া অসমীয়াও জানে। বিষ্ণুৱে কৈছিল আই আই টি খৰগপুৰৰ এক বিশেষ সন্ধ্যাৰ কথা। যিদিনা বিষ্ণুৱে প্রথমবাৰৰ বাবে জুবিন গার্গক স্বসক্ষে দেখিছিল। মঞ্চৰ পৰা বৈ অহা সুৰৰ নৈখনে বিষ্ণুৰ হৃদয়ত ঘৰ কৰিছিল। প্রতিটো গীতৰ শব্দত বিলীন হৈছিল বিষ্ণু। প্রত্যাহ্বানপূর্ণ জীৱনৰ সেই সন্ধিয়াটোত বিষ্ণুৱে অনুভৱ কৰিছিল জুবিন গার্গৰ কণ্ঠত আছে এক নিৰাপদ আশ্রয়। মঞ্চৰ পৰা ভাহি অহা হামিঙৰ সুৰত গলিছিল বিষ্ণুৰ অন্তৰৰ দুখৰ বৰফবোৰ। বিষ্ণু হৈ পৰিছিল মূক আৰু সিদিনাই সমর্পন কৰিছিল নিজৰ সমস্ত সত্ত্বাক জুবিন নামৰ সেই সুৰীয়া কণ্ঠৰ ওচৰত। বিষ্ণুৰ বাবে জুবিন গার্গ হৈ পৰিছিল ঈশ্বৰৰ লগত এক হোৱাৰ একমাত্র পথ। এয়াই বিষ্ণুৰ জুবিন অনুৰাগৰ যাত্রাৰ আৰম্ভণি। জুবিনৰ গীতৰ মাজেৰে বিষ্ণুৱে অসমীয়া শিকিলে লাহে লাহে। ঘৰতো জুবিনময় পৰিৱেশ। কণমানি ছোৱালীজনী জুবিন গার্গৰ গীত শুনিহে টোপনি যোৱা হ'ল। জুবিন তেওঁলোকৰ নিত্য-নৈমিত্তিক জীৱনৰ অংশ হৈ পৰিল। প্রতিটো অসমীয়া পৰিয়ালৰ যিদৰে জুবিন গার্গ অঘোষিত সদস্য আছিল, বিষ্ণুৰ পৰিয়ালৰো সদস্য হৈ পৰিছিল জুবিন। বিষ্ণুৱে যেতিয়া গম পাইছিল মই অসমীয়া বুলি, সি উলিয়াই লৈছিল জুবিন গার্গৰ গীতৰ সমস্ত সংগ্রহ। সংগীতময় সেই যাত্রাত মই অনুভৱ কৰিছিলো বিষ্ণুৱে বহুত এনেকুৱা গীত শুনিছে যিটো মই শুনা মনত নপৰে। 'দূৰণি দূৰণি নেদেয়া দূৰণি'ৰ নিচিনা গীত নুশুনাকৈও ৰৈ গৈছিল। বিষ্ণুৱে শুনোৱাৰ পিছত এতিয়া বাৰে বাৰে শুনিছো। মোক ভবাই তুলিছিল এজন ওড়িয়াভাষী খৰগপুৰৰ ব্যক্তিয়ে মোতকৈ হয়তো বেছিকৈ অন্বেষণ কৰিছে জুবিন গার্গৰ বিষয়ে।

কথোকথন আগবঢ়াৰ লগে লগে গতানুগতিকতাৰ পৰা লাহে লাহে মই অবাক হৈ গৈ আছিলো। বাৰে বাৰে ভাবিছিলো ৰজা অকল অসমৰেই আছিলনে? ভাবিছিলো মানুহ এজনৰ কণ্ঠ কিমান ঐশ্বৰিক হ'লে ঘৰ সাজে ভাষাৰ পৰিধি নেওচি? ভাবিছিলো মানুহজনৰ সুৰত কি বিচাৰি পালে, অচিনাকি হেজাৰ হেজাৰ মানুহে আশ্রয় বিচাৰি বাৰে বাৰে ওভতে সেই সুৰৰ মাজলৈ। জুবিন গার্গৰ দিব্য কণ্ঠত এই সকলো আছিল হেতুকেই বিষ্ণুৰ নিচিনা হেজাৰ অনুৰাগী আজিও সেই সংগীতত বিলীন হৈ আছে। প্রতিটো উশাহত সজাই ৰাখিছে সেই কণ্ঠ, সেই শব্দ আৰু সেই সুৰক। জুবিন গার্গ এজন মাথোঁ গায়ক নহয়। অসমীয়া সংস্কৃতিক ভাষা আৰু সীমাৰ বৃত্তটোৰ বাহিৰলৈ লৈ গৈ সর্বস্তৰৰ মানুহক অসমীয়াত্বৰ লগত পৰিচয় কৰাত লোৱা ভূমিকাৰ কাৰণে



সমগ্ৰ জাতিটো ঋণী হৈ ৰ'ব অনন্ত কাললৈ। যোৱা তিনিটা দশকত সংগীত, অভিনয়, বোলছবি পৰিচালনাৰ মাজেৰে অসমৰ জাতীয় জীৱনলৈ দি যোৱা অৱদান অদ্বিতীয়। আমি প্ৰতিজন অসমীয়াই এই কথাবোৰ ইতিমধ্যেই উপলব্ধি কৰিছো। সেয়ে মানুহজনৰ কায়িক বিদায় আজিও দুৰ্বিসহ হৈ আছে জাতিটোৰ কাৰণে। সেয়ে প্ৰতিবাৰ 'মায়াবিনী' বাজিলেই জাতিটোৰ বুকুখন যেন শিল এটাই চেপি ধৰে এক— অবুজ বিষ। তেওঁৰ গানবোৰ যেন মাথোঁ একোটা গীতেই নহয়, আমাৰ কাৰণে গানবোৰ স্মৃতি, আমাৰ আৱেগ তথা হেজাৰ যোজন দূৰতো আমাৰ অসমৰ ঘৰখনিৰ অনুভৱ কৰাই যোৱা এজাক সুৰীয়া বা। তেওঁৰ প্ৰতিটো শব্দ, প্ৰতিটো সুৰ অসমীয়া জাতিৰ আত্মাত বিয়পি আছে। সেয়ে 'জুবিন নাই' বুলি ভাবিলেই কঁপি উঠে জাতিটো।

বিষ্ণুৰ টেক্সিখনৰ জুবিনময় পৰিৱেশে মোক জুবিন গাৰ্গৰ গীতবোৰৰ, তেখেতৰ অৱদানৰ আন এটা দিশ দেখুৱাইছিল। এজন অনা-অসমীয়া ব্যক্তিৰ জুবিন গাৰ্গৰ প্ৰতি অনুৰাগে প্ৰমাণ কৰিছিল জীৱনৰ সৰহখিনি সময় অসমত সংগীত চৰ্চা কৰিও কিদৰে সেই সংগীতৰ মাজেৰে জুবিন গাৰ্গে ভাষা আৰু সীমাৰ পৰিধি ভাঙি বিষ্ণুৰ নিচিনা বহুতৰেই হৃদয়ত ঘৰ সাজি লৈছিল। প্ৰয়োজন হোৱা নাছিল মুম্বাই অথবা বলিউডৰ। ভাষা, ঠাই নিৰ্বিশেষে মানুহে জুবিনৰ সংগীতত বিচাৰি পাইছিল নিজক, নিজৰ কাহিনীটোক, নিজৰ হেঁপাহক, নিজৰ আৱেগক, নিজৰ জয়-পৰাজয় অথবা ভগ্নাৱশেষবোৰক। সমাজৰ প্ৰতিটো স্তৰৰ মানুহৰ হৃদয় চুইছিল তেওঁৰ কণ্ঠই, সুৰে, শব্দই। বিষ্ণুৰ সৈতে কটোৱা সংগীতময় এই সাতটা দিনে মোক বুজাই দিলে সফলতা বক্স অফিচত, মিউজিক ভিডিঅ'ৰ ভিউত, পুৰস্কাৰ অথবা বেংক বেলেঞ্চেৰে অকল জুখিব নোৱাৰি। জুবিন গাৰ্গৰ সফলতা তেওঁৰ মানুহমুখিতাত জুবিন গাৰ্গৰ সফলতা বিষ্ণুৰ নিচিনা হেজাৰ হেজাৰ অনুৰাগীৰ স্বৰ্গীয় আদৰত। জুবিন গাৰ্গৰ সফলতা বিষ্ণুৰ কণমানিজনীয়ে তেওঁৰ গীত শুনি শুবলৈ বৈ থকা অপেক্ষাত। জুবিন গাৰ্গৰ সফলতা তেওঁৰ গীত শুনি ওড়িয়াভাষী মানুহ এজনে অসমীয়া ভাষাটোক আকোঁৱালি লোৱাত। আৰু জুবিন গাৰ্গৰ সফলতা মোৰ নিচিনা হেজাৰজনক এটা মাত্ৰ হামিঙেৰে পৃথিৱীৰ যিকোনো প্ৰান্তৰ পৰা মুহূৰ্ততে অসমীলৈ আনিব পৰা ক্ষমতাত।

খৰগপুৰৰ পৰা ওভতাৰ পৰত মই সজতনে লৈ আনিছিলো এক অতুল্য স্মৃতিচিহ্ন। নাই মই জুবিন গাৰ্গৰ লগত ফটো উঠা নাছিলো। লোৱা নাছিলো অট'গ্ৰাফ। লৈ আহিছিলো জুবিন গাৰ্গৰ সৈতে কৰা এটা সাতদিনীয়া যাত্ৰাৰ কাহিনী যি থাকি যাব মোৰ বুকুৰ কোঠাত মোৰ মৰণ শয্যালৈ।

এখন অবিলাসী গাড়ী, এজন অনা-অসমীয়া অনুৰাগী, শ শ গীত, এটাই মাথোঁ কণ্ঠ আৰু মই।

লেখকৰ ঠিকনা বাংগালুৰু



অসমীয়াৰ প্ৰাণৰ স্পন্দন জুবিন গাৰ্গ

এটা প্ৰজন্মৰ আৱেগ, বিপ্লৱ আৰু চিৰন্তন সুৰৰ মহাকাব্য

■ আৰ জে সুজিতা

অসমীয়া সমাজ-জীৱন আৰু সাংস্কৃতিক চেতনাত জুবিন গাৰ্গ কেৱল এজন কণ্ঠশিল্পী বা সুৰকাৰ নাছিল—তেওঁ আছিল এক প্ৰৱল আৱেগ, এক সাংস্কৃতিক বৈপ্লৱিক সত্তা আৰু সমগ্ৰ অসমীয়াৰ প্ৰাণৰ অবিনাশী স্পন্দন। নবৈৰ দশকৰ আৰম্ভণিৰ পৰা আজি পৰ্যন্ত, সময়ৰ প্ৰতিটো চেকুৰাত, প্ৰতিজন অসমীয়াৰ বুকুত তেওঁ সুৰৰ যি অগ্নিশিখা প্ৰজ্বলিত কৰি থৈ গ'ল, সেয়া অক্ষয় আৰু চিৰন্তন। সময় সলনি হৈছে, প্ৰজন্ম সলনি হৈছে, কিন্তু জুবিন নামৰ আৱেগটো আগৰ দৰেই অবিকল আৰু উদীপ্ত হৈ ৰৈছে। ১৯৯২ চনত 'অনামিকা' এলবামটিৰে সংগীত জগতত পদাৰ্পণ কৰাৰ মুহূৰ্ততেই অসমীয়া সুগম সংগীতৰ সমগ্ৰ দৃশ্যপট সলনি হৈ পৰিছিল। পৰম্পৰাগত সংগীতৰ ধাৰাৰ পৰা ফালি আহি তেওঁ অসমীয়া শব্দত এনে এক আধুনিক সুৰ আৰু শব্দৰ সংযোগ ঘটালে, যিয়ে সেই সময়ৰ উদীয়মান যুৱপ্ৰজন্মক এক অভূতপূৰ্ব মোহাচ্ছন্নতাত বান্ধি পেলালে। লুইতৰ পানীৰ শব্দ, মাঘৰ মেজিৰ উম আৰু বিশ্বজনীন আধুনিক বাসনা-এই আটাইবোৰ জুবিনৰ এটা মাত্ৰ কণ্ঠতেই প্ৰতিধ্বনিত হৈছিল।

জুবিন গাৰ্গৰ গীত কেৱল মনোৰঞ্জন নহয়, ই আছিল শ্ৰোতাৰ হৃদয়ৰ গোপন ভাষাক শব্দৰ ৰূপ দিয়াৰ এক অনন্য সাধনা।

জুবিন গাৰ্গ কেৱল মাইক্ৰ'ফোনৰ আগত থিয় হৈ গান গোৱা শিল্পী নাছিল। তেওঁ আছিল স্পষ্টবাদী, সাহসী আৰু নিপীড়িতৰ সপক্ষে মাত মতা এজন অনন্য সংগ্ৰামী ব্যক্তি। বানপানীৰ সময়ত দুৰ্গম অঞ্চলত উপস্থিত হৈ সাহায্য আগবঢ়োৱাই হওক বা অসমৰ কলা-সংস্কৃতি সুৰক্ষিত কৰাৰ যুঁজেই হওক-তেওঁ নিজৰ

‘কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচন’ৰ জৰিয়তে ৰাইজৰ দুখৰ সমভাগী হৈছিল। সংগীত যে কেৱল সুৰৰ ব্যৱসায় নহয়, ই যে সমাজ পৰিৱৰ্তনৰো এক আটাইতকৈ শক্তিশালী হাথিয়াৰ, সেয়া তেওঁ নিজৰ কর্মৰে প্রমাণ কৰিছিল।

আজিৰ তথ্য-প্রযুক্তিৰ দ্রুত গতি আৰু মুহূর্ততে সলনি হোৱা পছন্দৰ যুগতো যেতিয়া এজন কণমানিৰ পৰা দহ বছৰীয়া কিশোৰ আৰু এজন ষাঠি বছৰীয়া জ্যেষ্ঠ ব্যক্তিয়ে একেলগে জুবিনৰ গীত গুনগুনাই উঠে, তেতিয়াই প্রমাণ হয় তেওঁৰ সংগীতৰ শাশ্বত ক্ষমতা।

২০০৭ চনৰ পৰাই মই জুবিনদাৰ সান্নিধ্য লাভ কৰিছো। বিভিন্ন সময়ত তেওঁৰ বহু বাৰ সাক্ষাৎকাৰ লোৱাৰ সুযোগ হৈছে। কিন্তু মোৰ বাবে আটাইতকৈ স্মৰণীয় আৰু হৃদয়স্পর্শী মূহূর্ত আছিল সেয়া-যেতিয়া মোৰ মাত্র তিনি বছৰ তিনিমহীয়া সন্তান ঔমৰ মুখত জ্যোতিপ্রসাদ আগৰৱালা দেৱৰ ‘কাঞ্চনজংঘা’ কবিতাটো শুনি জুবিনদাই নিজেই মোক ফোন কৰিলে, আৰু ঔমৰ কণমাণি মাতটো তেওঁ ‘কাঞ্চনজংঘা’ চলচ্চিত্রখনত স্থান দিলে।


এই সৰু ঘটনাটোৰ পৰাই প্রতিফলিত হয় নৱপ্রজন্ম আৰু প্রতিভাৰ প্রতি তেওঁৰ অপাৰ শ্রদ্ধা তথা মূল্যায়ন। সাংস্কৃতিক জগতখনৰ য’তেই কোনো সম্ভাৱনাময় প্রতিভাৰ সন্ধান পাইছিল, তাকেই তেওঁ আদৰি আনি ৰাইজৰ পথাৰত প্রতিষ্ঠা কৰিছিল। প্রতিভাক স্বীকৃতি দিয়া আৰু প্রতিগৰাকী শিল্পীক হৃদয়ৰে সন্মান জনোৱাৰ এয়া আছিল তেওঁৰ এক অনন্য ধাৰা।

তেওঁ সদায় স্বাধীন আৰু মুক্ত-আকাশৰ দৰে উদাৰ।

তেওঁ সঁচাকৈয়ে এক বিশাল কাঞ্চনজংঘা।

আচল অর্থত জুবিন গার্গ আছিল এনে এক জ্বলন্ত সত্বা-যি আমাৰ প্রজন্মক একত্রিত কৰি ৰাখিছে, আমাৰ হাঁহি-কান্দোন, প্রেম-বিৰহ আৰু অস্তিত্বৰ গান গাইছে। তেওঁৰ কণ্ঠ, তেওঁৰ শব্দ আৰু তেওঁৰ বিপ্লৱ অসমৰ আকাশত চিৰকাললৈ এক অবিনাশী, দীপ্ত শিখা হৈ ৰ’ব।

লেখকৰ ঠিকনা গুৱাহাটী





শিপাৰ টান

■ নাজিয়া হাচান

বছৰৰ মূৰত এইবাৰো দুর্গা পূজাৰ বন্ধত ৰাজীৰ আৰু নিতু ঘৰলৈ বুলি অসমলৈ আহিছে। লগত তেওঁলোকৰ পাঁচ বছৰীয়া কণমানি জীয়ৰী মিমি।

পুত্ৰ, বোৱাৰীয়েক আৰু নাতিনীয়েকক একেলগে পদূলিত দেখি মাক-দেউতাকৰ বুকুখন যেন আনন্দত উপচি পৰিল। প্ৰতিবাৰৰ দৰেই এইবাৰো দুয়োৰে চকুত আনন্দৰ চকুলো। ফোনত সদায় ফটো-ভিডিঅ' চাই, মাজে মাজে ভিডিঅ' কলত কথা পাতি থাকিলেও, বছৰৰ মূৰত আপোন মানুহক সন্মুখত পালে মনৰ আৱেগবোৰ যে সহজে সামৰিব নোৱাৰি!

আইতাকে মিমিক বুকুৰ মাজত লৈ মূৰে-কপালে মৰমেৰে চুমা দিলে।

— আয়ুও মোৰ আইজনী! ইমান ডাঙৰ হ'ল অ'!

অসমৰ বাহিৰত এখন ব্যস্ত চহৰৰ ফ্লেটৰ চাৰি বেৰৰ মাজতে ডাঙৰ হোৱা মিমিয়ে, অসমলৈ আহিলে যেন আন এখন পৃথিৱীহে বিচাৰি পায়। গাঁৱৰ মুকলি পথাৰ, সেউজীয়া গছ-গছনি, পুখুৰী, গোহালি, হাঁহ-কুকুৰা, গৰু-ছাগলী সকলোবোৰেই তাইৰ বাবে যেন নতুন আৰু অনন্য।

ককাক-আইতাকৰ সৈতে মুকলি আকাশৰ তলত ঘূৰি ফুৰিবলৈ পালে তাইৰ আনন্দৰ সীমা নাথাকে। পূজাৰ বন্ধত ৰাজীৰ আৰু নিতুৰেও নিশ্চিন্ত মনে মিমিক ককাক-আইতাকৰ ওচৰত থৈ কেতিয়াবা বজাৰলৈ, কেতিয়াবা বন্ধু-বান্ধৱৰ ঘৰলৈ ওলাই যায়। মিমিয়েও আইতাকৰ সংগ বৰ ভাল পায়।

পিছে তাই ইংৰাজী, হিন্দী আৰু অসমীয়া মিলাই নিজৰ মতে এক অদ্ভুত ভাষা এটা সৃষ্টি কৰিছে।

আনহাতে আইতাক নিজৰ শুদ্ধ অসমীয়া ভাষাৰ ওপৰত একেবাৰে অটল। ফলত সিহঁত দুয়োজনীৰ মাজত প্ৰায়ে সৰু-সুৰা তৰ্ক-বিতৰ্ক এখন চলি থাকে। মিমিৰ কিছুমান বস্তু চিনি পোৱাত মাজে মাজে বৰ খেলিমেলি লাগে; আৰু অসমীয়া ভাষাটো শুদ্ধকৈ ক'বলৈ নোৱাৰে; সেইটোৱেই নাতিনীয়েক আৰু আয়েকৰ মাজত তৰ্কৰ মূল কাৰণ।

এদিন আবেলি আইতাকৰ হাতত ধৰি মিমি পথাৰৰ ফালে ওলাই গ'ল। সেইদিনা চকুৰ আগত পৰা সকলো বস্তুতেই তাই আইতাকক প্ৰশ্ন কৰি কৰি জলা-কলা লগালে—

— ও আইতা, ইয়ে কি হয়?

— এইটো? এইটো গৰু আকৌ!

— আচ্ছা...! ইয়ে?

— অ'... কি অ' এইজনী! এইটো ছাগলী নহয় নেকি?

— অউৰ ইয়ে ক্যা হে?

আইতাকে অলপ বিৰক্ত হৈ ক'লে—

— এ... এইজনী! 'কীয়া হে, কীয়া হে' বুলি নুসুধিবি বুলি কৈছিলোনে নাই মই? 'আইতা, এইটো কি? সেইটো কি?' এইবুলি সুধিবিচোন।

আইতাকৰ কথাত মিমিয়ে এইবাৰ বৰ সাৱধানে শুদ্ধকৈ ক'বলৈ চেষ্টা কৰি ক'লে—

— ঔকে! ও আইতা, ইএটো কি?

— এহ! এইটো কুকুৰা চৰাই অ'!

— আইতা, ইয়েটো কি?

— এইটো হাঁহ!

মিমিয়ে লগে লগেই মূৰ জোকাৰি ক'লে—

— নেহী আইতা! ইয়েত হাঁহ নাই হয়। তুমিতো কুচ্ছভি নাজানা!

আইতাকে এইবাৰ তাইলৈ চকু দুটা কিছু ডাঙৰ কৰি চাই ক'লে—

— কি কুছ ভি নাজানো অ' মই? তইহে বৰ জনাজনী একেবাৰে!

মিমিয়েও ওলোটাই আইতাকক খুব আত্মবিশ্বাসেৰে ক'লে—

— ইয়েত গৰু নইতো, ইয়ে 'কাও' হয়। আৰু ৰৌ কুকুৰা নয়তো, 'হেন' হয়। হেন, হেন!

তাইৰ মুখৰ ভাঁজ আৰু চকুৰ পাক দেখি আইতাকৰ বৰ হাঁহি উঠিল। তেওঁ তাইক মৰমেৰে হাঁহি মুখেৰে ক'লে—

— অ'... হয়নে? মই ইংৰাজী নাজানো বুলি কৈছ মানে ন? কিন্তু তই যে মাতৃভাষাটোকে ভালকৈ নাজান, সেইটোহে বেছি লাজৰ কথা হৈছে গম পাইছনে নাই মোৰ আইজনী!

মিমিয়ে এইবাৰ চকুহাল ঘূপা কৰি ক'লে—

— কিউ নাঝানো? ঝানো নই? মইতো আছামিছ কৈ আছো না তোমাৰ চাথত! নাপাৰো বুলি কিউ কৈছা?

— এহ্, থ! যিহে পৰিছ ক'বলৈ! মোৰ নিচিনা অসমীয়া ক'ব পাৰিছ নেকি কিবা? 'কাউ', 'গটক' শুদ্ধকৈ চিনি পালেই হ'লনে!

মিমিৰ এইবাৰ আৰু অলপ খং উঠিল। তাই আইতাকক মুখ পকাই উত্তৰ দিলে—

— তুমিওতো মোৰ জেছা হিন্দী, ইংলিছ ক'ব নাপাৰিছা ন! মই তোমাক গুচ্চা নাই কৰিছোতো। তুমি ম'ক কিউ ফিৰ গুচ্চা কৰি কহিছা?

তাই ইমান কষ্ট কৰি কোৱা কথাখিনি শুনি আইতাকে দুয়োখন হাত মূৰত থৈ,

— হায় বিধি! কিসোপা ভাষাযে কৈছে ঔ এইজনীয়ে! হে হৰি! কি যে হ'ব নহয়! একো বুজিয়ে পোৱা নাই অ' মই। কি কৰিম! কেনেকৈ শিকাম!

কিছুপৰ মনে মনে থাকি তেওঁ এইবাৰ মৰম আৰু অভিমান মিহলি কণ্ঠেৰে মিমিলৈ চাই কৈ গ'ল,

— মই একো গুছা-ফুচা কৰা নাই ঔ তোক। আজি তোৰ মাৰ-দেউতাৰ ঘূৰি ফুৰি আহক বাৰু বহ, দিম দুইটাকে ভালকৈ এপালি। তোৰ গাত একো দোষ নাই আচলতে; এই ইহঁত হালেহে তোৰ ভাষাটোৰ এই গতি কৰিছে! মই বুজি পাই গ'লো ভালকৈ। সিহঁত দুয়োটাই বাহিৰে-ভিতৰে হিন্দী-ইংৰাজী মাৰি মাৰি কথা পাতোতে পাতোতে, তই বেচেৰীয়ে নিজৰ মাতৃভাষাটোকে ভালকৈ ক'বলৈ, লিখিবলৈ আজি নোৱাৰা হলি। কিন্তু ইহঁত বাহিৰত পঢ়ি-শুনি, বাহিৰতে চাকৰি কৰিলে বুলি নিজৰ ভাষাটোকনো এইদৰে এলাই-এথানি কৰিব লাগেনে?

আইতাকে চেনেহেৰে মিমিৰ মূৰত হাত বুলাই দিলে। মিমিয়ে আইতাকৰ মুখলৈ মনে মনে চাই থাকিল।

আইতাকৰ মনত বৰ দুখ লাগিল। তেওঁ মনতে নিজক ক'লে—

— মানুহে যদি নিজক, নিজৰ ভাষাক, নিজৰ শিপাক পাহৰি যায়, তেন্তে শিক্ষাৰ মূল্যনো ক'ত থাকিল? মানুহ যিমানেই দূৰলৈ নাযাওক কিয়, নিজৰ শিপাডাল পাহৰিব নালাগেতো। আহক আজি ইহঁত! হয় ইহঁত এই গাঁৱত আমাৰ লগতেই শিপাক সাবটি থাকিব; নহ'লে শিপাক পাহৰিবলৈ নিদি ময়েই ইহঁতৰ সৈতে এইবাৰ গুচি যাব লাগিব!

মিমিয়ে কিন্তু একো নুবুজিলে। চকুহাল ডাঙৰকৈ মেলি আইতাকলৈ মাথোঁ চাই থাকিল।



আইতাকে তাইলৈ চাই হাঁহি মাৰি, কপালত চুমা দি ক'লে—

— মোৰ গোসাঁনীজনী! আজি সন্ধিয়া মোৰ লগত তই গোসাঁই ঘৰত প্ৰাৰ্থনা গাব লাগিব দেই; আৰু কাইলৈৰ পৰা তোক মই বিহুনাচ, বিহুগীত, বৰগীত, নাম-ঘোষা এই সকলোবোৰ শিকাম। বুজিছনে?

মিমিয়ে মূৰ দুপিয়ালে। তাই কথাবোৰৰ আধাখিনি বুজিলে, আধাখিনি নুবুজিলে যদিও আইতাৰ মাতৰ মৰমখিনি তাই ভালকৈ বুজিলে।

আইতাকে তাইৰ হাতখন ধৰি ক'লে—

— ব'ল এতিয়া ঘৰলৈ যাওঁ। হাত-ভৰিকেইটা ধুই জলপান অলপ খাই ল'বি ব'ল।

মিমিয়ে চেলাউ ৰিযোৰ থুপাই সুধিলে—

— ঝলফান? ঝলফান ক্যা হে?

আইতাকে হাঁহি হাঁহি ক'লে—

— আয়ু! 'ঝলফান' নহয় অ'! জলপান। জ-ল-পা-ন।

মিমিয়েও আইতাৰ মুখলৈ চাই লাহে লাহে উচ্চাৰণ কৰিলে—

— জ... ল... পা... ন।

আইতাকে আকৌ ক'লে—

— উম। জল পান।

মিমিয়ে এইবাৰ আইতাৰ সৈতে ফূৰ্তিতে সুৰ মিলালে,

— জল পান!

দুয়োয়ে খিলখিলাই হাঁহিলে।

এইদৰে সৰু সৰু ভুলৰ শুধৰণীয়ে এডাল অদৃশ্য সূতাৰ দৰে মিমিক যেন নিজৰ শিপাডালৰ সৈতে লাহে লাহে বান্ধিবলৈ ধৰিলে।

ককাকে আইতাক নাতিনীয়েকক আৰ চকুৰে চাই থাকি মনতে ক'লে— সঁচা! শিপা পাহৰিলে মানুহ ডাঙৰটো ঠিকেই হ'ব পাৰে, কিন্তু সম্পূৰ্ণ হ'ব নোৱাৰে।

লেখকৰ ঠিকনা বেৰাকপুৰ, কলকাতা
ম'বাইল: ৭৮১৪৭৮৩২০৯

ভোক

■ ৰোহিনী ভূঞা

নালাগে একোৰেই হ'ব অ' মোৰ বোপাই
শতকৰা এশ তই আনিলেই গোটাই!

ডাক্তৰ হ'বলৈ আছেনে তোৰ মন
ইঞ্জিনীয়াৰৰো বহুত টকা লৈছনে গম?

নহ'বিনো কিয় তই বিজ্ঞানী 'কালাম'
সকলোৱে ঠুকিব কিমান যে 'চালাম'!

লতাজীৰ নাম নুশুনা ক'তো কেৱো নাই
'সা ৰে গা মা'ৰ চর্চা সদায় কৰিবি ৰাগ গাই!

বেণু মিশ্রহঁতে ৰঙেৰেই জিনিলে জগত
'লচোন তুলি ল' তুলিকাডাল হাতত!

লাভলীনা নহ'লেও হ'বি তই ধোনী
'হিমালৈ চাচোন চা' হ'ল খেলৰ ৰাণী!

'ডাঙৰ মানুহ' হ'ব নোৱাৰিলো মই
সেয়েহে হ'বই লাগিবই যে তই!

তয়ে হ'বি 'পাছ-বুক', তয়ে 'এ টি এম'




চুবুৰীয়াক ছাই সানি দেখুৱাম ভেম!

পিছতো কৰিব পাৰিবি যত যি ধেমালি
আজৰিয়েই আজৰি পাবি, পকিলে ডাঢ়ি-চুলি!

এইবোৰ হৈ দিলেই হ'ব দেই পুতাই
আৰু একো নালাগে, সেয়ে হ'ব সোণাই!

(একোকে নাখাওঁ আজি, একেবাৰে ভোক নাই—
'নৱকান্ত বৰুৱাদেৱৰ 'লঘোন'লৈ মনত পেলাহ—)

লেখকৰ ঠিকনা বিশ্বনাথ চাৰিআলি



ৰৈ যোৱা কথাবোৰ

■ ড° ভাস্কৰজ্যোতি ডেকা

ৰৈ যোৱা কথাবোৰে
লাখুঁটিত ভৰ দি
কক্-বকাই আগবাঢ়ে।

বিশ্বাসৰ জোলোঙাখনত
নিগনিয়ে ধান সাঁচে
ভৰিষ্যতৰ বাবে।
চোকা দাঁতৰ ঘঁহনিত
জোলাঙাখনৰ তলি
ফুটিবলৈ ধৰে।

শুকাব খোজা ঘাঁড়োখৰে
বিষাক্ত বন দৰববে
মিতিৰ পাতি
আস্থাবোৰক হাঁচতিত সামৰে।

দিনৰ পাছত দিন বাগৰি
আগুৱান সময়বোৰত
কথাবোৰে বৰপেৰাত বাগৰ সলায়।

ভেঁকুৰা গোন্ধ এটাই
ছানি ধৰা সময়খিনিত
ৰৈ যোৱা কথাবোৰে
জুহাল উমাল নকৰে।

লেখকৰ ঠিকনা নলবাৰী

খিৰিকীখন

■ বনজিৎ বৰ্মন

এয়া সাগৰ আৰু মৰিচিকাৰ
এখন খিৰিকী
খিৰিকীৰ ইপাৰত মই
তুমি সিপাৰত

খিৰিকীখনেই বান্ধি ৰাখে
দুচকুৰ হেঙুল আৰু নীলাক।
তাতেই আৰম্ভ হয় সাগৰখনিৰ,
ৰৈ যাওঁ, চুই চাওঁ!
পাৰৰ বালিত হেঁপাহ আৰু আশা বিচাৰো
শব্দ কৰি ওচৰলৈ অহা
ঢৌবোৰক আলিংগন কৰো।

ৰাতিৰ সাগৰখনে কেনেকৈ জানে
মই আকৌ আহিম!
চঞ্চল কোন সোধা এতিয়া,
মই নে সাগৰ!!

জানাইচোন প্ৰেমিক মই,
ঢৌবোৰৰ? নে উষ্ণ বালিৰ?
তোমাৰ চকুক সোধা...
সেমেকা নিয়ৰক কব দিয়া।

আঁতৰি থকা তোমাক বিচাৰি
মেলি দিম কেতিয়াবা এই খিৰিকী,
অস্তগামী বেলিৰ সৈতে
নামি হেৰাই যাম এই সাগৰৰ সিপাৰে।

লেখকৰ ঠিকনা বাংগালুৰু



হাবি পোৰা গোন্ধ

■ **প্ৰশান্ত ৰাভা**

পাপৰ হাত দুখন মোৰ কাটি পেলালো
ধূসৰ ধোঁৱাই মোৰ চকু পুৰিছে

হাবি পোৰাৰ গোন্ধ

দূৰৈৰ পৰাই দেখিছোঁ
ৰাতিৰ নদীৰ
শুকান বালিৰ বুকুত
এজাক ডাম্পাৰৰ হেডলাইটে
চকু চাৎ মাৰি ধৰিছে

হাবি পোৰাৰ গোন্ধ


চৰাইজাকৰ পাখিত জুই লাগিছে
নৈখনত জঁপিয়াই দিছে দুটা সুগৰি পহু
ইয়াত এতিয়া ছায়া নাই
আছে খঙাল তাপৰ দীঘল পোৰণি

হাবি পোৰাৰ গোন্ধ

নিজৰ শটো নিজেই জ্বলাই
পৰ দি আছোঁ

কলিজাৰ ভিতৰৰ আকাশত
কলা কুকুঁহা উৰিছে
হাবি পোৰাৰ গোন্ধ এটাই বুকু শালিছে

লেখকৰ ঠিকনা তামুলপুৰ
ফোন ঃ ৮৪৮৬৮২৮১৮৭



এন্ধাৰৰ বিলাস ভাৱনা

■ **মানসজ্যোতি**

এন্ধাৰেই হৈ থাকো দিয়া

এন্ধাৰৰ বুকুতেই উজ্বলি উঠক
মোৰ প্ৰিয় জোনাক


ৰ'দে পোৰা ঘামৰ গোন্ধতো
যদি সুঘ্ৰাণ পোৱা
শ্ৰমৰ সাৰ্থক উন্মাদনা তাতেই

উজাৰি দিও সমস্ত ভাৱনা প্ৰতিবাৰেই
তথাপিও আৱেগ উটি যোৱা বান

আতুৰ আনন্দ শেৱালি ফুলা ৰাতি

কবিতাবোৰ অবুজ প্ৰাচীন শিলালিপি
তথাপিও জোনাকৰ বাবে
শব্দৰ পুষ্পাঞ্জলি।

লেখকৰ ঠিকনা গুৱাহাটী



দুটা ভিন্ন কবিতা

■ মণ্টু মৰাণ

(এক)

বুকুৰ পৰা বুকুলৈ

কি বাৰু সনা থাকে সুগন্ধি অস্পষ্ট মাত এষাৰিত
ভয়ে ভয়ে চাপি গৈ চুই চোৱা হাত এখনিত

নিদিয়া বিহুৱান গুপুতে মোনাত ভৰাই দিওঁতে
কিয় বাৰু কঁপি উঠে হৃদয় এখনি
বুকুৰ ভাষা ওঁঠৰ মাজতে থাকি নিগৰি আহে চকুলৈ

কি বাৰু সনা থাকে কোমল হাত এখনিত
মালা নে মন্ত্রপুত এডাল ৰছী
মেৰিয়াই বান্ধি ৰাখে ৰাতিৰ নিদ্রা আৰু পেটৰ ভোক

খিৰিকীৰে চাই থাকি চকুৰো অন্তর্দৃষ্টি ভেদি কোন মৌন
গৰম এছাটি বতাহে কি বাৰু সানি দিয়ে বুকুৰ
নেদেখাখিনিত

কিবা এটা হয়তো কিবা এটা থাকে ভিতৰি ভিতৰি

এই বাট ইমান চমু নহয় হাতৰ পৰা হাতলৈ
এই বাট ইমান সহজ নহয় বুকুৰ পৰা বুকুলৈ

বৌদ্ধ মানুহৰ পৰা ঈশ্বৰ হোৱাৰ বাট।

(দুই)

গধূলিৰ বেলি

সৰি পৰা ফুল এপাহৰ দৰে থাকি যাব হেঁপাহ

তুলি ল'ব খোজোঁতে যদি বাৰে বাৰে ভুল হয় ফুলৰ
কেনেকৈ আৰম্ভ কৰিম ভালপোৱাৰ কবিতা
নোপোৱাৰ দীনতাৰে

নোখোজাকৈ বহুত কিবা পাব পাৰি জীৱনৰ পৰা
জীৱনটো জানো কেৱল নিজৰ

মোৰ উশাহৰ নিচান উৰুৱাই কোনে বহি থাকে
সৌম্য এটা প্রতিমূর্তিৰে প্রতিবাদী সত্তা এটাৰে


জী থাকে বুকুৰ কোনোবা এখিনিত এখনি ছবি
চিনা-জনা মানুহৰ গোপন ইস্তাহাৰ
আৰু কোনোদিনে নোহোৱা সন্ধি

শেৱালিৰ সৰা সুগন্ধি হাতৰ তলুৱাত লাগি
মোহাচ্ছন্ন কৰে গধূলিৰ বেলি

সেউজীয়াবোৰ কাৰ বাবে কিয়বা ফুটি থাকে ডাঠ
বৰণেৰে
গান এটাৰে বাট এটা কাটি কাটি

স্পর্শ কৰো এবাৰ মাথোঁ সেই মোহিনী ৰূপ
আন্ধাৰেৰে মেলি দিয়া তোমাৰ উজ্জ্বল দুহাত।

লেখকৰ ঠিকনা তিনিচুকীয়া



আলাপ


অকাল বোধন

■ মনমী ভট্টাচার্য

স্তুতি
দেৱী সদা সর্বত্র বিৰাজমান
সময়
তেনে পুজিবলৈ কিয় সময়ৰ অংক
দিশ কোণৰ সমীকৰণ?
স্তুতি
দেৱী প্রকৃতি বহির্ভূত নহয়
দেৱীয়ে সামৰে ব্রহ্মাণ্ডৰ নিয়ম
শৰতত যে সূর্যৰ দক্ষিণায়ন
দক্ষিণায়নত নিদ্রামগ্ন ঈশ্বৰ।
সময়
কিহৰ তাড়নাত অকাল বোধন?
অকাল বোধনৰ আঁৰত ন্যস্ত স্বার্থ নে পক্ষপাতিত্ব!
বিপদত ভক্তি গাঢ়,
সম্পদত স্থিৰ নে সেই গুৰুত্ব!
স্তুতি
(নাস্তিককো পাপে চুৱে— এইষাৰত মৌনতা গুমৰে)
দেৱী বোধন ভক্তিৰ প্রাৰম্ভণ
সদা পৱিত্রতা সংপৃক্ত
ভক্তি মার্গত নিয়মৰ শোধন
সময়
নিয়মৰ শোধন এক অজুহাত।
পূর্বাগ্রহ এক বিড়ম্বনা।
সীতাৰ সন্মতিৰ অপেক্ষাৰত
অথচ সতীত্বৰ প্রহৰী প্রেমিক ৰাৱণ
তিনি সন্ধ্যা জপ কৰা সন্ত ৰাৱণ
পূর্বাগ্রহ ৰাৱণ অসুৰ
স্তুতি
পত্নী উদ্ধাৰৰ ব্যাকুলতাকাতৰ ৰাম
পূজাৰ উপাচাৰত প্রয়োজন ১০৮ নীলপদ্ম
আধৰুৱা কমলৰ বিকল্প যাচে নীলনয়ন
এই অকালবোধনত ধন্য
দেৱীৰ আশীষত তৰে মর্ত্যলোক
সময়
হ'ব পাৰে এই ব্যাকুলতা লংকা জয়ৰ!
আত্মনিধনৰ যজ্ঞত পুৰোহিত ৰাৱণ
সেই পূর্ণাহুতিত গুমৰি উঠেনে আকাশ?
ত্রেতাত এই পৰিহাস
কলিত বিচাৰি ফুৰো নিৰপেক্ষতাৰ অৱকাশ!
স্তুতি
নকৰ পূজা তই!
সময়
(ঈষৎ হাঁহি)
বুজো সত্যৰ আকাল
তথাপি দেৱী পূজো
বসন্তত 'বাসন্তী'
শৰতত 'দুর্গা'
কলিৰ আৱেষ্টনীত কিজানিবা ৰুধে বিনাশকাল!

লেখকৰ ঠিকনা নয়ডা





মোলানকলি

■ ৰিতুপর্ণা শর্মা

নাচোন এটা সামৰি জাপৰী হৈ যোৱা গছ এজোপাত লাগি আছিল মেলাংকলী
মই পোনাটোক গীত গাই শুৱাই থাকোঁতে এদিন তাই জুমি-জুমি চালে খিৰিকীৰে
লাইটবোৰ বন্ধ কৰিলে তাই আন্ধাৰে-মুন্ধাৰে কাৎচিৎ আহে, পাটত বহে...

মোক সোধে-মেলেকী, তুমি মোক কাহানিবা দেখানে সপোনতে? নেদেখাই চাগে

এইমাত্র চকুযোৰ জপাই উশাহ এটা পাক মাৰি থওঁতেই তাইক দেখিলো— বানে পলস সানি চিন এৰা বেৰ এখনত তাই আঁউজি আছে

মেলাংকলী, তোমাৰ নামটো মই বাৰু শুদ্ধকৈ লিখিলোনে?


মেলাংকলী গাঁৱলীয়া অসমীয়া ছোৱালী
বয়স জনা নাযায়, বাখৰ বেঙেনাৰ দৰে তাই দুষ্প্রাপ্য, সুপ্রাচীন অথচ তাঁতশালৰ নাচনী-জৰীৰ দৰে গাভৰু

তেতিয়াতে ৰেডিঅ'ত 'মধুমালতী' বাজোঁতে তাই শুই আছিল, মুখ ঢাকি ৰাখিছিল
'দাপোণমতী' বাজিলে ঘৰে-ঘৰে ঘৰে ৰঙা চাহ এবাতিৰ আধা খাই হওঁতে
বোৱা ৰুমাল এখনত সাউৎকৈ চকুলো টুকিছিল

গানৰ দাপোণমতীৰ গৰখীয়া প্রেমিকৰ দৰেই তাই নোপোৱা কোনোবাই তাইৰ নাম চিঠিত লিখিছিল— 'মোলানকলি'জনী...

মোলানকলি তেনেই অসমীয়া ছোৱালী

লেখকৰ ঠিকনা যোৰহাট



সহাৰস্থান

■ **অঞ্জুমণি ভৰালী**


অপৰিসীম বিন্যাস...
অহর্নিশে
ধাৰণা এটাই
আচ্ছন্ন কৰি ৰাখে
উপস্থিতিৰ!
কোনো নাম নাথাকে।


পশ্চিমৰ আকাশখন
সঘনে সলনি হৈছে
ডাৱৰত বিচ্ছুৰিত পৈনত ৰেখাচিত্র
ওখ-চাপৰ যেন হাবিতলীয়া বাট
তাতে ৰৈ
অতীত, বর্তমান, ভৱিষ্যতত
একাকাৰ হৈ
কোনোবাই মোৰ নাম লৈছে...

প্রত্যাশিত বিৰতিৰ শেষত
জানো এয়া মোৰ অহংকাৰ
মোক পোৱাৰ
মোৰ হোৱাৰ
নান্দনিক উপসংহাৰ!

এনেকৈয়েই
সকলো বিষৰেই উপশম ঘটে
সকলো নাটকৰেই যৱনিকা পৰে...
যাক বুজিও বুজিবলৈ আমি অপৰাগ
হয়তো
নুবুজিলেও বুজি পোৱাৰ অভিনয়
হয়তো
বুজা-নুবুজাৰ মাজত ধৰি লোৱা
এডোখৰ সন্দি-সহাৱস্থানেই
এই জীৱন!

লেখকৰ ঠিকনা বাংগালুৰু








অতীত ৰোমাণ্ঠন

■ বুলু ভাগৱতী



নিয়ৰসিক্ত আহিনৰ
এটি শুভ্ৰ সন্ধিয়া,
পদূলিমুখৰ শেৱালিজোপাৰ
মৃদু সুৱাস ফুৰফুৰিয়া।
পথাৰখনৰ শুভ্ৰ কহুৱাৰ সুৱাসিত বাই
অন্তৰ চুই যোৱা।
ওচৰৰ পাৰ হৈ যোৱা জুৰিটিৰ পাৰত
মই বহি পৰিলো।
অতীতৰ কথা ভাবি মই সপোনক
সাবটি কৰা পৰা ক'লে যে
গুচি গ'লো।
ৰাতি মই জুৰিটিৰ পাৰত থকা
সৰু পজাটিত শুই পৰিলো।
ৰাতিপুৱা দেখিলো
স্নিগ্ধ ৰ'দৰ জিলিঙণী,
আনফালে আমিবোৰ এন্ধাৰে আজুৰি লোৱা
সন্ধিয়াৰ বেলিটোৰ পোহৰখিনি।
মনত পৰিল সৰুতে পঢ়িছিলো,
ককা আৰু নাতি ল'ৰা একেলগে বহি
সাজিছে বালিৰ ঘৰ দুয়ো হাঁহি হাঁহি।
এজনে ৰঙৰে চাই ভৱিষ্যতৰ মূৰ্তি।
আনজনে ভাবে বহি অতীতৰ স্মৃতি।

লেখকৰ ঠিকনা গুৱাহাটী



HOW THE TABLES HAVE TURNED : TRAVEL TALES OF A MOTHER-SON DUO

■ Dr. Monideepa Das

A significant promise we had made to each as a young couple was that travel would play a vital role in our lives: a promise we have kept so far. As parents, our conscious effort has been to make travel an important and integral part of our children's growing up days. Not conforming to the idea of waiting for the kids to be 'old enough to remember', we planned the itinerary of our trips according to their preferences at that particular age and adjusted accordingly.

Blessed with two priceless gems: a daughter and a son, in this write-up, I shall confine myself to sharing about the turning of table between the mother and son.

THE BANGKOK-PATTAYA-SINGAPORE TRIP: During our eleven-day family trip to Bangkok, Pattaya and Singapore, our son was all of 15 months: lean and lightweight, but exuberantly energetic.

My first purchase during the preparations for the trip was an Infant Holder Baby Carrier/Kangaroo Bag for 0-24months.

Each day of the trip, we would head out for the day's sightseeing, with my little one snuggling in the softly cushioned carrier strapped to me. More often than not, he would doze off right away, content to be close to me, least interested in any sightseeing whatsoever. Waking up for his feeds, he would sleep off the moment some food had gone into his tiny tummy. By the end of the day, when we would return to the hotel exhausted from the day's activities, our son would be all charged up and fully energised. He would refuse to remain confined to the room and hence, while my husband and daughter would rest and relax, I would find my tired legs chasing our little one who would bolt around like a 'runaway horse'.

With the passage of time, through the tweens and teens of the children, the travel itinerary of our family trips evolved to include safaris, science centres, planetariums, museums, monuments of historical significance, art and architecture. I tried to be 'present', answer the queries and clarify the doubts of my inquisitive son, holding his hand, if and when the need arose. Needless to say, I have thoroughly enjoyed every age and stage of 'growing up' with the children.

In fact, my husband and I were labelled 'spendthrifts' by family and friends for 'wasting' money on travels instead of securing our future, but we stood by our conviction that accumulating knowledge and experiences through travel was a gratifying 'investment'.

As I advanced towards the golden line, my son moved towards adulthood, it was interesting to notice a slow but steady shift in the dynamics between us. Not many years back my protective hand would hold his

through crowded places, and now, it was his turn to put his protective arm around me and gently manoeuvre me around.

During the last decade, my son has proven to be a ***TRAVEL BUDDY PAR EXCELLENCE,*** and we have had many 'Mother-Son Trips' both within and outside the country. I must admit that I have dared to be crazily adventurous during far too many of our travels together.

Although I would like to share each and every adventurous escapade, I shall restrict myself to sharing two stunts I had attempted and successfully accomplished as a 50+ mom. Perhaps, as much as I would want to, I highly doubt that I shall be able to repeat either of them.

WHITEWATER RAFTING FROM THE WORLD'S HIGHEST RIVER RAFTING POINT: LEH, LADAKH:

During our trip to Leh, Ladakh, we created precious memories of spending a freezing night in a cute little tent by the side of the Pangong Lake (14,200 ft), and of stopping for pictures at the Khardung La (17,582 ft), a daunting pass located on one of the highest motorable roads in the world, en route to the Nubra Valley,

However, the highlight of our trip was the WHITEWATER RIVER RAFTING we did from the ZANSKAR RIVER RAFTING POINT, ranked WORLD'S HIGHEST RIVER RAFTING POINT at the altitude of 12,000 feet.

Although I was petrified by the very thought of rafting down the ZANSKAR RIVER GORGE, considered the Grand Canyon of the Himalayas, seeing my son's eager enthusiasm, I braced myself and agreed. My anxiety was allayed by my son's assuring words, "When I am near, why and what have you to fear??". His presence is always so soothing and uplifting that all my fears and apprehensions invariably vanish into the thin air.

Zanskar River Rafting comes in three distances: 6 km, 14 km and 28 km. The first level entails no challenges, while the third level is for the professionally trained river rafters. My son and I were joined by three doctors (surgeons) who had come to Leh to attend a conference.

